## এই সংখ্যাত

# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্ৰ মাহেকীয়া
আলোচনী

সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ দীপিকা কচচল
জ্যেষ্ঠ সম্পাদক ঃ অনুপমা দাস

**PAYOBHARA**
**VOL. - 47 No. 3**
সপ্তচত্বাৰিংশ বৰ্ষ ঃ তৃতীয় সংখ্যা
মে' ঃ ২০১৬

শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা
প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে
১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
গজানন পি ধোপে


| | | |
|---|---|---|
| ❒ বিশেষভাৱে সক্ষম ঃ শৈক্ষিক অধিকাৰ আৰু সুবিধা বৃদ্ধি | ✍ ইন্দুমতী ৰাও | ৩ |
| ❒ বিশেষভাৱে সক্ষমসকলক দক্ষতাকৰণ | ✍ শান্তি ৰাঘৱন | ৭ |
| ❒ বিশেষভাৱে সক্ষম লোকৰ বাবে বিত্তীয় অন্তৰ্ভুক্তিৰ ব্যৱস্থা | ✍ পি চি দাস | ১০ |
| ❒ বিশেষভাৱে সক্ষম সকলৰ সামাজিক অন্তৰ্ভুক্তি ঃ বিষয় আৰু কৌশলসমূহ | ✍ সন্ধ্যা লিমায়ে | ১৪ |
| ❒ প্ৰতিবন্ধকতা আৰু কল্যাণৰ সিপাৰে সহজসাধ্যতা | ✍ শিৰানী গুপ্ত | ১৭ |
| ❒ বিশেষভাৱে সক্ষম লোকৰ বাবে পৰিবহণ সুচলতা ঃ বৰ্তমানৰ দৃশ্যপট আৰু আগলৈ যোৱাৰ উপায় | ✍ দেৱৰ্ষি চৌৱাছিয়া | ২০ |
| ❒ শিক্ষানুষ্ঠান নিৰ্মাণৰ আৰ্হিৰে সামাজিক সমতা স্থাপন | ✍ ৰচনা খাৰে | ২৩ |
| ❒ প্ৰতিবন্ধী লোকৰ প্ৰমাণ-পত্ৰ প্ৰদান প্ৰক্ৰিয়া আৰু তাৰ সৈতে জড়িত অন্য বিষয় | ✍ অৰ্চনা সিং | ২৮ |
| ❒ এখন উন্নত ভাৰতৰ বাবে সুচলতা প্ৰদান হ'ল আগবাঢ়ি যোৱাৰ পথ | ✍ গৌৰৱ ৰাহেজা | ৩১ |
| ❒ ভাৰতত বিশেষভাৱে সক্ষমসকলৰ বাবে স্বাস্থ্য আৰু সুৰক্ষা ঃ অগ্ৰগামী পথ | ✍ শশী ৰাণী | ৩৫ |
| ❒ জলবায়ু পৰিৱৰ্তন আৰু কৃষিকেন্দ্ৰিক ভাৰতীয় অৰ্থনীতি | ✍ দেৱজিৎ শইকীয়া | ৪০ |
| ❒ 'ষ্টেণ্ড আপ্ ইণ্ডিয়া' কাৰ্যক্ৰমৰ শুভাৰম্ভ ঘোষণা | | ৪২ |
| ❒ জম্মু আৰু কাশ্মীৰৰ ঔদ্যোগিক বিকাশৰ লক্ষ্যৰে 'উড়ান'ৰ সম্প্ৰসাৰণ | | ৪৪ |
| ❒ কৃষি উৎপাদনত জল সম্পদৰ সদ্ ব্যৱহাৰ | ✍ হামান আলী | ৪৫ |
| ❒ পৰ্যটনস্থলী ঃ ঐতিহাসিক সূৰ্যপাহাৰ | ✍ ভাস্বতী চৰাইমৰীয়া | ৪৭ |
| ❒ বিশেষভাৱে সক্ষম ব্যক্তিৰ প্ৰতি দায়িত্ব আৰু কৰ্তব্য | ✍ নিৰুপমা দাস | ৫১ |
| ❒ আপুনি জানেনে? | | ৫৩ |
| ❒ প্ৰতিবন্ধকতা— এগৰাকী পেছাদাৰীৰ দৃষ্টিত | ✍ অৰুণিমা দে | ৫৪ |


পয়োভৰাত প্ৰকাশিত
প্ৰবন্ধ-পাতিৰ মতামত
লেখকৰ নিজস্ব

পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ২৩০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ৪৩০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ৬১০.০০ টকা
সম্পাদকীয় কাৰ্য্যালয় পেন্সনপাৰা পথ, গৃহ নং ৪, গুৱাহাটী
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ ডি কে গ্ৰাফিকছ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প

য়ো

ভ

ৰা

## এই সংখ্যাৰ প্ৰসংগত

# প্ৰতিৰোধৰ প্ৰাচীৰ ভাঙি...

এলবাৰ্ট আইনষ্টাইনৰ শিকাৰ ক্ষেত্ৰত দুৰ্বলতা আছিল। তথাপি তেওঁ আপেক্ষিকতাবাদ তত্ত্ব বিকাশ কৰিছিল, যিটোৱে আজিৰ বিশ্বক বুজাত মানুহৰ দৃষ্টিভঙ্গীত প্ৰভাৱ পেলাইছিল। টমাছ আলভা এডিছনৰ আছিল শ্ৰৱণ শক্তিৰ দুৰ্বলতা, কিন্তু তেওঁ আৱিষ্কাৰ কৰা বিদ্যুৎ শক্তি হ'ল আজি আমি বাস কৰা আধুনিক বিশ্বক সৃষ্টি কৰাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ আহিলা।

লুই ব্ৰেইল আছিল দৃষ্টিশক্তিহীন, কিন্তু তেওঁৰ নামেৰেই জনাজাত তেওঁৰ সৃষ্টি ব্ৰেইল পদ্ধতিয়ে সমগ্ৰ বিশ্বৰ দৃষ্টিহীনসকলক পঢ়িব আৰু লিখিব পৰা সামৰ্থ্য দান কৰিছে। তেওঁলোক হ'ল তেনেকুৱা লোক— যিসকলে প্ৰমাণ কৰিছে যে অক্ষমতা নহয়— তেওঁলোকৰ সক্ষমতাহে গণিব পাৰি।

এটা সময় আছিল— শাৰীৰিক বা মানসিক অক্ষমতাক পৰিয়াল আৰু ভুক্তভোগী লোকসকলৰ বাবে অভিশাপ হিচাপে গণ্য কৰা হৈছিল। আনকি অক্ষমতাৰ কাৰণ পূৰ্বজন্মৰ পাপৰ ফল হিচাপে ভগৱানৰ শাস্তি বুলিও বিশ্বাস কৰা হৈছিল। কিন্তু সৌভাগ্যজনকভাৱে আধুনিক বিজ্ঞানে এনে অপ-আশংকা আঁতৰ কৰাত সহায় কৰিছে। অক্ষমতা বা প্ৰতিবন্ধকতাক বৰ্তমান আৰোগ্য হ'ব পৰা চিকিৎসাজনিত অৱস্থা হিচাপে গ্ৰহণ কৰা হৈছে। প্ৰতিবন্ধকতা থকা ব্যক্তিসকল সমাজৰ পৰা চ্যুত হিচাপে আৰু বেছি দিন থাকিব নালাগিব। ব্ৰেইল আৰু জয়পুৰৰ ভৰি তেনে কিছুমান উদাহৰণ— যিবোৰে শাৰীৰিকভাৱে অক্ষমসকলৰ জীৱন-চৰ্যা আগতকৈ ভাল কৰিছে। আনকি প্ৰতিবন্ধীসকলেও তেওঁলোকৰ প্ৰয়োজনৰ প্ৰতি ব্যাপক স্বীকৃতি আৰু সঁহাৰি লাভ কৰি উপকৃত হৈছে।

তেওঁলোকৰ কাৰণে বিশেষ শিক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়টোৱেও পূৰ্বতকৈ অধিক সচেতনতা লাভ কৰিছে। আনহাতে, এতিয়া এনে এটা ধাৰণাও গঢ়ি উঠিছে যে, বিশেষভাৱে সক্ষম লোকসকলক বিশেষ বিদ্যালয়লৈ পঠিওৱা উচিত নহয়, বৰং এটা সামগ্ৰিক পৰিৱেশ সৃষ্টি কৰাৰ অংশ হিচাপে তেওঁলোক নিয়মীয়া বিদ্যালয়ৰ লগতহে একত্ৰিত কৰিব লাগে। সামাজিক আৰু সাংস্কৃতিক একত্ৰীকৰণ এতিয়াও এটা বিষয় হৈ আছে। কিন্তু এইটোৱে অতি সোনকালে পৰিৱৰ্তন হ'ব আৰু বিশেষভাৱে সক্ষম ব্যক্তিসকলো আমাৰ সমাজ আৰু ৰাষ্ট্ৰৰ এৰাব নোৱাৰা অংশ আৰু জীৱনদায়িনী অংশ হিচাপে পৰিগণিত হ'ব।

তথ্য আৰু প্ৰযুক্তি বিজ্ঞানে বিশেষভাৱে সক্ষমসকলক ৰাষ্ট্ৰ গঢ়াৰ কামত সক্ৰিয়ভাৱে নিয়োজিত হোৱাত সবলীকৰণ কৰিছে। বিশেষভাৱে সক্ষম লোকসকলক এটা প্ৰাচীৰমুক্ত পৰিৱেশ প্ৰদান আৰু তেওঁলোক স্বাধীনভাৱে জীয়াই থাকিবলৈ সমৰ্থ কৰাত প্ৰৱেশযোগ্যতা প্ৰদানৰ বাবে এই প্ৰচেষ্টাসমূহত উদ্দীপনা আছে। এক্‌ছেছিব্‌ল্ ইণ্ডিয়া অভিযান হ'ল বিশেষভাৱে সক্ষম লোকসকলক উৎপাদনশীল, সুৰক্ষিত আৰু মৰ্যাদাপূৰ্ণ জীৱন যাপনৰ বাবে বিকাশ আৰু উন্নয়নৰ সম সুবিধা প্ৰদান কৰিবলৈ এখন সামগ্ৰিক সমাজ লাভ কৰাৰ কাৰণে চৰকাৰৰ এটা দৃষ্টিপাত।

শেহতীয়াভাৱে বিশেষভাৱে সক্ষম লোকসকলক কামত নিয়োগ কৰাৰ হাৰ বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে আৰু এইদৰে তেওঁলোকক বিত্তীয় অন্তৰ্ভুক্তিলৈ দ্ৰুতগতিৰে আগবঢ়াই নিয়া হৈছে। উত্তম দক্ষতা সুযোগে অধিক অৰ্হতাসম্পন্ন আৰু বিশ্বাসযোগ্য শ্ৰমশক্তি সৃষ্টি কৰিছে যিটোৱে প্ৰতিবন্ধকতা থকা ব্যক্তিসকলৰ মাজত আত্মবিশ্বাসৰ ভাব আনি দিছে। চৰকাৰে তেওঁলোকক জীৱিকাৰ ক্ষেত্ৰত উদ্ভাৱনী ধাৰণাক সমৰ্থন আগবঢ়াবলৈ বৃত্তি আৰু পুঁজিৰ যোগানৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষভাৱে সক্ষমসকলক এতিয়া চৰকাৰী কৰ্মচাৰী হিচাপে, মনোৰঞ্জন উদ্যোগ আনকি ক্ৰীড়া ক্ষেত্ৰতো পোৱা গৈছে।

সকলোৰে জীৱনৰ পৰিকল্পনা, উদ্দেশ্য আৰু মূল্য আছে— স্থিতি, বয়স, লিংগ আৰু অক্ষমতা ইয়াৰ বাবে গুৰুত্বপূৰ্ণ নহয়। কিন্তু বাস্তৱক চিনাক্ত কৰাৰ প্ৰয়োজন যে, বিশেষভাৱে সক্ষম ব্যক্তিসকল অত্যন্ত অনুপ্ৰাণিত ব্যক্তি। তেওঁলোকক সমান সুযোগ দিয়ক আৰু তেওঁলোকে 'স্বাভাৱিক' লোকতকৈ বেছি শক্তিশালী আৰু বিশেষ সমক্ষতাৰে নিজৰ সামৰ্থ্য প্ৰমাণ কৰিব। আমাৰ সকলোৰে যদি এই বাস্তৱ গ্ৰহণ কৰা মানসতা থাকে তেনেহ'লে আমি সমাজৰ পৰিৱৰ্তন দেখিবলৈ পাম।

# বিশেষভাৱে সক্ষম ঃ শৈক্ষিক অধিকাৰ আৰু সুবিধা বৃদ্ধি

**ইন্দুমতি ৰাও***

ভাৰতত বিশেষভাৱে সক্ষম প্ৰতিবন্ধী লোকৰ সংখ্যা ২০০১ আৰু ২০১১ বৰ্ষৰ মাজত ২২.৪ শতাংশ বৃদ্ধি পায়। ২০01 চনত প্ৰতিবন্ধী লোকৰ সংখ্যা আছিল ২.১৯ কোটি। এই সংখ্যা বাঢ়ি গৈ ২০১১ বৰ্ষত হয়গৈ ২.৬৮ কোটি। ইয়াৰ ভিতৰত পুৰুষৰ সংখ্যা হ'ল ১.৫ কোটি আৰু মহিলাৰ ১.১৮ কোটি। প্ৰতিবন্ধী জনসংখ্যাৰ বৃদ্ধি হাৰ চহৰ এলেকাত অধিক আৰু চহৰৰ মহিলাসকলৰ মাজত অধিক। চহৰ অঞ্চলত দশক কালৰ ভিতৰত বৃদ্ধি সংখ্যা হ'ল ৪৮.২ শতাংশ আৰু চহৰৰ মহিলাসকলৰ মাজত হ'ল ৫৫ শতাংশ। অনুসূচিত জাতিৰ মাজত এই বৃদ্ধিৰ হাৰ হ'ল ২.৪৫ শতাংশ (২০১১ বৰ্ষৰ লোকপিয়ল অনুযায়ী)।

**এতিয়া আমাৰ স্থিতি ক'ত?**

ল'ৰা-ছোৱালীৰ শিক্ষাৰ অধিকাৰ নিশ্চিত কৰিবলৈ ভাৰতে বহু দূৰ যাব লগা আছে যেন লাগে—যদিহে আমি ২০১১ চনৰ লোক পিয়লৰ তথ্য মতে প্ৰতিবন্ধী লোকৰ সংখ্যা তুলনা কৰো আৰু প্ৰাথমিক তথা মাধ্যমিক স্কুলত পঢ়ি থকা বিশেষভাৱে প্ৰয়োজনৰ অপেক্ষাত থকা ল'ৰা-ছোৱালীৰ সংখ্যা তুলনা কৰো। ০-৬ বয়স গোটৰ শাৰীকিভাৱে ভিন্ন ধৰণে সমৰ্থৱান ল'ৰা-ছোৱালী তথা উচ্চ শিক্ষাৰ পৰিসংখ্যা জনা নেযায়। এয়া হ'ল পৰিকল্পনাৰ সন্দৰ্ভত বৰ্তমানে থকা এক ডাঙৰ সুৰুঙা।

১। সৰ্বশিক্ষা সামগ্ৰিক শিক্ষা আঁচনিয়ে বিশেষ আৱশ্যকতাৰ ১০.৭১ লাখ ল'ৰা-ছোৱালীক অন্তৰ্ভুক্ত কৰিছে (উৎস ঃ Unified District Information Information System for Education 2013-14)।
২। মাধ্যমিক স্কুলসমূহত প্ৰতিবন্ধী ল'ৰা-ছোৱালীৰ শিক্ষাৰ সন্দৰ্ভত প্ৰায় ২ লাখ বিশেষ আৱশ্যকতাৰ ল'ৰা-ছোৱালী আছে।
৩। ৯৭৭ খন বিশেষ স্কুলত প্ৰায় ১ লাখ বিশেষ আৱশ্যকতাৰ ল'ৰা-ছোৱালী পঢ়ি আছে (এক অনা-চৰকাৰী সংগঠনৰ অধ্যয়ন মতে)।

ভিন্ন ধৰণে শাৰীৰিকভাৱে সমৰ্থৱান ০-২৯ বছৰ বয়স গোটৰ লোকৰ সংখ্যা যিসকলক শিক্ষাৰ ক্ষেত্ৰত সুচল প্ৰৱেশৰ আৱশ্যক তেনে লোকৰ সংখ্যা ২০১১ বৰ্ষৰ পিয়লৰ পৰিসংখ্যা মতে হ'ল ১.২৩ কোটি। ইয়াৰ ভিতৰত ৫৩.৪ লাখ হ'ল বালিকা আৰু মহিলা। বৰ্তমানে এটা "সংৰক্ষণশীল আনুমানিক হিচাপ" মতে বিশেষ আৱশ্যকতাৰ (অৰ্থাৎ ভিন্ন ধৰণে সমৰ্থৱান, প্ৰায় ২০ লাখ প্ৰাথমিক মাধ্যমিক তথা বিশেষ স্কুলবোৰত পঢ়ি আছে। এই ল'ৰা-ছোৱালী, চেমনীয়াসকলৰ প্ৰতি শিক্ষাৰ সা-সুবিধাসমূহ কেনেদৰে নিশ্চিত কৰিব পাৰি সেয়া জানো এটা প্ৰত্যাহ্বানৰ বিষয় নহয়? আৱশ্যক। সৰ্বাত্মকভাৱে শিক্ষা প্ৰদানৰ ক্ষেত্ৰত চিন্তা-চৰ্চাৰ এক পৰিষ্কাৰ দিশ থকা প্ৰয়োজন; আৰু ই ভিজন, মিছন আৰু নীতিত নিশ্চয়কৈ প্ৰতিফলিত হ'ব লাগিব। তেনেদৰে কৰ্ম পৰিকল্পনা, ন্যায়িক ব্যৱস্থা আৰু সম্পদ আবণ্টনৰ ক্ষেত্ৰতো পৰিস্ফুট হ'ব লাগিব। অতীতত আমি দেখা পালো যে বিশেষভাৱে প্ৰয়োজন হোৱা ল'ৰা-ছোৱালীৰ (অৰ্থাৎ ভিন্ন ধৰণে সক্ষম) শিক্ষাক চলিত শিক্ষা পদ্ধতিৰ অনবদ্য অঙ্গ ৰূপে গ্ৰহণ কৰা হোৱা নাছিল। ইপিনে সাধাৰণ শিক্ষা পদ্ধতিক তেনেদৰে প্ৰশিক্ষণ— পুষ্ট তথা সক্ষম কৰি তোলা হোৱা নাছিল—যাৰ দ্বাৰাই আমাৰ স্কুলসমূহ আৰু বিশ্ববিদ্যালয়বোৰ প্ৰকৃততে সৰ্বাত্মক ৰূপত উজলি উঠিব পাৰে।

**ভিন্নভাৱে সমৰ্থৱান ল'ৰা-ছোৱালীৰ প্ৰয়োজনীয়তা পূৰণৰ অৰ্থে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ক্ষমতা আছেনে?**

শিক্ষাৰ ক্ষেত্ৰত এক বিক্ষিপ্ত নীতি হ'ল মূলতঃ এক দিক্ দৰ্শনৰ পথ—যিটোৱে ৰাজনৈতিক ইচ্ছা তথা ভিজনক কাৰ্যত পৰিণত কৰা সমল যোগাব পাৰে। ঘাইসুঁতিৰ শিক্ষা আৰু বিকাশ কাৰ্যত আমাৰ সমাজৰ অসুবিধাগ্ৰস্ত

***ইন্দুমতী ৰাও চি বি আৰ নেটৱৰ্কৰ (দক্ষিণ এছিয়া) আঞ্চলিক উপদেষ্টা তথা সদস্য। তেওঁ গ্ল'বেল পাৰ্টনাৰশ্বিপ ফৰ ডিছএবিলিটি ডেভেলপমেণ্টৰ নিৰ্বাচিত অধ্যক্ষা।**

থকা শ্ৰেণীৰ লোকসকলক সামৰি লোৱাটো হ'ল এক প্ৰক্ৰিয়া— যাৰ বাবে প্ৰয়োজন আৰ্থ-সামাজিক-সাংস্কৃতিক ৰাজনৈতিক প্ৰশাসনিক আৰু অন্য বাধাবোৰ চিহ্নিত কৰি পদ্ধতিগতভাৱে দূৰ কৰাটো।

ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০১৫ ত সৰ্বাত্মক শিক্ষাৰ এক বহল উপলব্ধি প্ৰতিবিম্বিত হৈছে। ভাৰতীয় প্ৰসঙ্গত এইটো তৰ্কৰ বিষয় নহয় যে আমি আনকি বিশেষভাৱে সমৰ্থৱান ২০ শতাংশ ল'ৰা-ছোৱালী, ব্যক্তিকো প্ৰাপ্ত কৰিবলৈ সক্ষম হ'ব পৰা নাই—যদিও আমাৰ অনেক আইন আছে। তাৰ ভিতৰত উল্লেখ্য হ'ল ২০০5 চনৰ পৰা প্ৰণয়ন কৰা শিক্ষাৰ অধিকাৰ আৰু ভাৰতীয় সংবিধানত সকলো ল'ৰা-ছোৱালীলৈকে বাধ্যতামূলক তথা বিনামূলীয়া শিক্ষা প্ৰদান নিশ্চিত কৰাৰ ব্যৱস্থা আছে। ভাৰতে প্ৰতিবন্ধী লোকৰ অধিকাৰ বিষয়ক বহু আন্তৰ্জাতিক ঘোষণা আৰু চনদত স্বাক্ষৰ কৰিছে।

প্ৰতিবন্ধী লোকৰ অধিকাৰ বিষয়ক ৰাষ্ট্ৰসংঘৰ চনদত স্বাক্ষৰ কৰে আৰু ইয়াক ২০০৬ চনত ভাৰতে সংশোধন কৰি গ্ৰহণ কৰে। চিআৰপিডি-ৰ ২৪ অনুচ্ছেদত বিশেষভাৱে শিক্ষাৰ বিষয়টো উল্লেখিত আছে তথা দুটা কাম কৰিবলৈ চৰকাৰৰ বাবে বাধ্যবাধকতা সৃষ্টি কৰিছে ঃ

১। প্ৰতিবন্ধী ল'ৰা-ছোৱালী, যুৱকক অন্য ল'ৰা-ছোৱালীৰ দৰেই সমানভাৱে শিক্ষা প্ৰদান; তথা

২। এক সৰ্বাত্মক পদ্ধতিৰ ভিতৰত শিক্ষা প্ৰদান কৰক।

তথাপি এই অৱস্থাৰ উন্নতি সাধন আশানুৰূপভাৱে হোৱা নাই। ইয়াৰ বাবে অনেক যে কাৰণ আছে সেই বিষয়ে যুক্তি দৰ্শাব পাৰি—যদিও কোনো বৈষম্য নথকাকৈ শিক্ষাৰ প্ৰতি প্ৰত্যেক ল'ৰা-ছোৱালীক সুচলতা প্ৰদান কৰাৰ ক্ষেত্ৰত ভাৰত প্ৰতিশ্ৰুতিবদ্ধ। কিন্তু প্ৰতিবন্ধী ল'ৰা-ছোৱালীৰ প্ৰতি কেৱল প্ৰতিশ্ৰুতিবদ্ধ হ'লেই নহয়, তাৰ বাবে এক পৰিৱেশ গঢ়ি তোলা প্ৰয়োজন আৰু তেনে প্ৰয়াস নিৰন্তৰ গতিত সাধন কৰা সৰ্বাত্মক শিক্ষাই অনুসূচিত জাতি/ অনুসূচিত জনজাতি সংখ্যালঘু লোকৰ বিভিন্ন আৱশ্যকতাবোৰ নিশ্চয়ে সামৰি ল'ব লাগিব। তেনে দৰে ল'ৰা-ছোৱালী আৰু যুৱক তথা চূড়ান্ত দাৰিদ্ৰ অৱস্থাত জীৱন কটোৱা আৰু কঠিন অৱস্থাৰ মাজেদি দিন পাৰ কৰা ল'ৰা-ছোৱালীকো সামৰি ল'ব লাগিব। এই শিক্ষা নীতি ভাৰতত পোন প্ৰথমবাৰৰ বাবে সৰ্বাত্মক শিক্ষাৰ প্ৰতি ভাৰতীয় প্ৰেক্ষাপটত অৱলম্বন কৰা হৈছে। ই গোলকীয় চিন্তা আৰু প্ৰতিশ্ৰুতিকো প্ৰতিফলিত কৰিছে। এই ভাবাদৰ্শ আৰু চিন্তাধাৰাৰ প্ৰতি ভাৰত হ'ল এখন স্বাক্ষৰকাৰী দেশ।

ঘাই সুঁতিৰ শিক্ষাৰ পৰা ভিন্নভাৱে সমৰ্থনৱান ল'ৰা-ছোৱালী আৰু ব্যক্তিসকলক বৰ্হিভূত কৰিব পৰা মূল কাৰণবোৰ কি কি?

১। শিক্ষা প্ৰদানৰ ক্ষেত্ৰত অৱজ্ঞা কৰা বিষয়বোৰক দূৰ কৰিবৰ কাৰণে যি নীতি আছে—তাত প্ৰতিবন্ধী ল'ৰা-ছোৱালী আৰু প্ৰতিবন্ধী যুৱক-সকলক ঘাইসুঁতিৰ শিক্ষা ব্যৱস্থাত সামৰি নল'লে কাৰ্য সাধন কৰিব পৰা নেযাব।

২। অৱজ্ঞা কৰা সকলো ল'ৰা-ছোৱালী আৰু প্ৰতিবন্ধী যুৱকসকলৰ বাবে শিক্ষা প্ৰদানৰ ক্ষেত্ৰত অগ্ৰগতি সাধন কাৰ্য পৰ্যবেক্ষণ কৰা পৰিকাঠামোৰ অভাৱ।

৩। পৰিকল্পনা, প্ৰশাসন, পৰ্যবেক্ষণ আৰু ৰূপায়ণ স্তৰত সৰ্বাত্মক শিক্ষাৰ প্ৰতি যিবোৰ বাধা আছে তাক চিহ্নিত কৰি পদ্ধতিগতভাৱে দূৰ কৰাৰ অপাৰগতা।

৪। সৰ্বাত্মক শিক্ষা লাভ কৰাৰ ক্ষেত্ৰত কিছুমান কাৰণ আছে আৰু সেইবোৰে সামাজিক প্ৰভেদৰ মাজতেই ক্ৰিয়া কৰে। অনুসূচিত জাতি-জনজাতি সংখ্যালঘুৰ মাজৰ প্ৰতিবন্ধী যুৱক তথা ল'ৰা-ছোৱালী শিক্ষাৰ ক্ষেত্ৰত এইবোৰৰ সন্মুখীন হয়। কিন্তু এই কাৰণবোৰ চিহ্নিত কৰাৰ অভাৱ এতিয়াও আছে।

৫। প্ৰতিবন্ধী বিষয়টো হ'ল ৰাজ্যৰ বিষয়। ইফালে শিক্ষা প্ৰদান হ'ল এটা সাধাৰণ বিষয়। ইয়াৰ সীমাবদ্ধতা নাই। কিন্তু প্ৰতিবন্ধী আৰু সাধাৰণ শিক্ষা প্ৰদানৰ ক্ষেত্ৰত এটা সুৰুঙাই গা কৰি উঠে। বিভিন্ন ৰাজ্যত এনে সুৰুঙাই কম-বেছি হিচাপত ক্ৰিয়া কৰে।

৬। প্ৰতিবন্ধী ল'ৰা-ছোৱালীৰ শিক্ষা প্ৰদানৰ দায়িত্ব দুটা মন্ত্ৰণালয়ৰ ওপৰত আছে। সৰ্বাত্মক শিক্ষাৰ দায়িত্ব হ'ল মানৱ বিকাশ মন্ত্ৰণালয়ৰ আৰু বিশেষ শিক্ষাৰ দায়িত্ব হ'ল সামাজিক ন্যায় তথা সবলীকৰণ মন্ত্ৰণালয়ৰ। ৰাজ্য স্তৰতো আমি একেই ওপৰা-উপৰিকৈ ভূমিকা গ্ৰহণ কৰা দেখিবলৈ পাওঁ। ইয়াৰ ফলত তেনে ল'ৰা-ছোৱালীৰ শিক্ষা দানত নীতি আৰু অভ্যাসৰাজিয়ে বিপৰীত ধৰণে কাম কৰে। প্ৰকৃতাৰ্থত ক'বলৈ গ'লে ভাৰতত বিশেষ ধৰণে প্ৰয়োজন হোৱা ল'ৰা-ছোৱালীক (অৰ্থাৎ ভিন্নধৰণে শাৰীৰিকভাৱে সমৰ্থৱান) আগ বয়সত শিক্ষা প্ৰদান কৰাৰ কোনো নীতি নাই। বৃহত্তৰ ই চি চি ডি

কাৰ্যসূচী সংহত শিশু বিকাশ আঁচনিয়ে এতিয়াও বিশেষ ধৰণে প্ৰয়োজন হোৱা ল'ৰা-ছোৱালীক সৰ্বাত্মকভাৱে আগ বয়সৰ বিকাশৰ বাবে তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ বাকী আছে। তাৰ কাৰণে অঙ্গনবাড়ী কেন্দ্ৰসমূহক সক্ষম কৰি তোলা হোৱা নাই।

৭। সৰ্বাত্মক শিক্ষাই বৰ্তমানৰ সমগ্ৰ শিক্ষা পদ্ধতি উন্নতি সাধনৰ অৰ্থে এক প্ৰৱেশ দুৱাৰ ৰূপে যে কাম কৰিব পাৰে তাক এতিয়াও স্বীকৃতি দিয়া নাই। ই সকলো শিকাৰুকে যে উপকৃত কৰিব তাৰ প্ৰতিও মন দিয়া হোৱা নাই।

৮। প্ৰতিবন্ধী মহিলা/বালিকা পুনৰ-সংস্থাপন কৌশলৰ আৱৰ্তলৈ অহা প্ৰয়োজন। এয়া আমাৰ সামাজিক তথা সাংস্কৃতিক পৰিস্থিতিলৈ চাই অতি প্ৰাসঙ্গিক বিষয়। প্ৰতিবন্ধী মহিলাসকলৰ অধিকাৰ আৰু আৱশ্যকতাৰ ওপৰত বিপুলভাৱে সজাগতা সৃষ্টি কৰা প্ৰয়োজন, কিয়নো তেওঁলোক আধুনিক জগতত অতি বেয়াকৈ আক্ৰান্ত। অন্তৰ্নিহিত শক্তিৰ বাবে মহিলাসকলক এতিয়াও আমি যথাযথৰূপে সন্মান দৰ্শোৱা নাই। সংবাদ মাধ্যম আৰু ফেছন উদ্যোগত যি প্ৰতিছবি দেখা যায় তাৰ ভিত্তিতেই আমি তেওঁলোকক বিচাৰ কৰিলে নহ'ব।

**পৰিকল্পনাৰ অৰ্থে প্ৰতিবন্ধী সম্পৰ্কত আমাৰ জানো পৰিসংখ্যাৰ আধাৰ আছে?**

ওপৰৰ প্ৰশ্নৰ উত্তৰত ক'বলৈ গ'লে প্ৰতিবন্ধী সম্পৰ্কত বৰ্তমানে যি অস্পষ্ট পৰিসংখ্যা আছে, ঠিক তেনেদৰে ইয়ো অস্পষ্টতাৰ মাজতেই আছে। প্ৰতিবন্ধী লোকৰ স্থিতি ২০০১ চনৰ পিয়ল অনুসাৰে গ্ৰাম্য এলেকাত প্ৰায় ৭৫ শতাংশ আৰু চহৰ এলেকাত মাত্ৰ ২৫ শতাংশ। সামগ্ৰিকভাৱে দেশখনৰ জনসংখ্যাৰ ভিতৰত ২.১৩ শতাংশ গ্ৰাম্য ভাৰতত একে ধৰণৰ বা অন্যান্য ধৰণৰ প্ৰতিবন্ধী লোকৰ স্থিতি দেখা যায়। চহৰ এলেকাৰ তুলনাত (১.৯৩ শতাংশ) প্ৰতিবন্ধী লোকৰ সংখ্যা বহুত বেছি। সেয়া আছিল ২.২১ শতাংশ পুৰুষৰ মাজত এই সংখ্যা মহিলাৰ প্ৰতিবন্ধীতকৈ (১.৮৭ শতাংশ) যথেষ্ট অধিক (২.৩৭ শতাংশ)। অনুসূচিত জাতিৰ জনসংখ্যাৰ মাজত এই সংখ্যা (২.২৩ শতাংশ) সাধাৰণ জনসংখ্যাৰ তুলনাত কিছু অধিক। আনপিনে অনুসূচিত জনজাতিৰ মাজত এই সংখ্যা দেখ দেখকৈ কম অৰ্থাৎ ১.৯২ শতাংশ।

**১০ বছৰত বিশেষ সমৰ্থৱান লোকৰ সংখ্যা ২০০১ ৰ ২১.৯ নিযুতৰ পৰা ২৬.৮ নিযুতলৈ বৃদ্ধি**

প্ৰতিবন্ধী লোকৰ শেহতীয়া পিয়লত ভিন্নধৰণে শাৰীৰিকভাৱে সমৰ্থৱান লোকৰ সংখ্যা দেশখনত সামান্যভাৱে বৃদ্ধি হোৱা দেখা যায়। এই সংখ্যা হ'ল ২০০১ চনৰ ২১.৯ নিযুতৰ পৰা ১০ বছৰৰ ভিতৰত ২৬.৮ নিযুত। শতাংশ হিচাপত ভাৰতৰ পঞ্জীয়ক মহানিৰ্দেশালয়ে প্ৰকাশ কৰা ২০১১ চনৰ পিয়লৰ সংখ্যা মতে বৃদ্ধিৰ মাত্ৰা হ'ল ২.১৩ শতাংশৰ পৰা ২.২১ শতাংশ।

দেশত প্ৰতিবন্ধী মহিলাৰ ১১.৮ নিযুতৰ তুলনাত প্ৰতিবন্ধী পুৰুষৰ সংখ্যা হ'ল ১৪.৯ নিযুত। গ্ৰাম্য এলেকাত ১৮ নিযুততকৈ অধিক প্ৰতিবন্ধী লোক আছে; ইপিনে চহৰৰ পৰিৱেশত থকা এনে লোকৰ সংখ্যা হ'ল ৮.১ নিযুত। প্ৰতিবন্ধী পুৰুষৰ শতাংশ হাৰ হ'ল ২.৪১ আৰু মহিলাৰ .২.০১।

প্ৰতিবন্ধী লোকৰ নিয়োগ হাৰ ভৌগোলিক অৱস্থান (চহৰ বা গ্ৰাম্য),লিঙ্গ, শিক্ষা আৰু প্ৰতিবন্ধকতাৰ ধৰণ অনুযায়ী কম-বেছি হয়। ২০১১ চনৰ পিয়ল অনুসাৰে ভাৰতৰ ৬৮ শতাংশ লোক গ্ৰামাঞ্চলত বাস কৰে। এই সামগ্ৰিক জনসংখ্যাৰ ভিতৰত প্ৰতিবন্ধী লোকৰ সংখ্যা সমানুপাত হিচাপত গ্ৰামাঞ্চলত অধিক। দৰিদ্ৰতাৰ বিষয়টোও ইয়াত জড়িত আছে আৰু স্বাস্থ্য সেৱা ব্যৱস্থাৰ প্ৰতি সুচলতা তেনেই কম। তদুপৰি গাঁৱৰ প্ৰতিবন্ধী লোকসকল দক্ষতা অৰ্জনৰ পৰা বঞ্চিত আৰু বজাৰ-সমাৰ কৰাৰ ক্ষেত্ৰতো কোনো যোগাযোগ নাই। সাক্ষৰতা স্তৰ কম। পিয়লৰ তথ্য মতে ৫১ শতাংশ প্ৰতিবন্ধী লোক পঢ়া-শুনা নকৰা। ২৬ শতাংশ প্ৰাথমিক স্তৰৰ, ৬ শতাংশ মজলীয়া স্তৰৰ। মাত্ৰ ১৩ শতাংশ মাধ্যমিক স্তৰ আৰু তাৰ ওপৰৰ।

প্ৰতিবন্ধীৰ ক্ষেত্ৰত বৰ্তমানৰ যি পৰিসংখ্যা আছে সেয়া পৰিদৃশ্যমান হোৱাতকৈ অনেক সামৰি লৈছে। প্ৰকৃতাৰ্থত ক'বলৈ গ'লে লোক পিয়লৰ পৰা হুবহু চিত্ৰ লাভ কৰা মস্কিল, কাৰণ এয়া হ'ল এটা বিৰাট অনুশীলন ব্যৱস্থা— যাৰদ্বাৰাই প্ৰতিবন্ধী সম্পৰ্কে আৱশ্যকীয় পৰিসংখ্যা যুগুতোৱা সহজ নহয়। তেনে কাৰ্যত বহু বিষয় জড়িত আছে, যেনে—প্ৰতিবন্ধীৰ প্ৰয়োজনীয় দক্ষতা চিহ্নিত কৰাটো— বিশেষকৈ কি গুণ আছে তাক জনাৰ (বৌদ্ধিক, মজলীয়া স্তৰৰ চেতনা বিষয়ক গুণ ইত্যাদি)। এইবোৰ সহজে পৰিলক্ষিত নহয়, যদিহে তেনে লোকক চিনাক্ত কৰিবৰ বাবে কামত নিয়োজিত ব্যক্তিয়ে প্ৰশিক্ষণ লাভ নকৰে।

পৰিকল্পনা বিষয়ক সেৱা প্ৰদানৰ অৰ্থে আমাক প্ৰতিবন্ধকতাৰ পৰিসংখ্যা আৱশ্যক। ইয়াৰ দ্বাৰাইহে সৰ্বাত্মক ৰূপ প্ৰদানৰ পথ মুকলি হ'ব পাৰে। ইয়াৰ বাবে সৃষ্টিমূলক দৃষ্টিভঙ্গী অৱলম্বন কৰা আৱশ্যক আছে; কিয়নো জৰীপ পদ্ধতিয়ে বিশেষ আৱশ্যকতাৰ ব্যক্তিৰ বিষয়ে বিস্তৃত তথ্য যোগান ধৰিব নোৱাৰে। আমাৰ প্ৰয়োজন প্ৰতিবন্ধী সম্পৰ্কীয় তথ্য-পাতি— য'ত আৰ্থ-সামাজিক, শিক্ষাগত তথা নিয়োগ বিষয়ক পৰিচয়নামাৰ এটা আভাস পাব পাৰি। প্ৰতিজন ব্যক্তিৰ প্ৰয়োজন কি তাৰো তথ্য জনা দৰকাৰ (পুনৰ সংস্থাপনৰ আৱশ্যকতা, নিয়োগ আৱশ্যকতা, দক্ষতাৰ বিকাশ, শিক্ষা ইত্যাদি)। সমূহীয়া স্তৰত উপযুক্ত ব্যৱস্থা কৰিবৰ কাৰণেই আঁচনি গ্ৰহণৰ ক্ষেত্ৰত প্ৰয়োজন।

ভাৰতে নিশ্চয়েই প্ৰতিবন্ধী লোকসকলৰ বাধ্যতামূলক পঞ্জীকৰণ ব্যৱস্থা সমূহীয়া স্তৰ, স্কুল পৰ্যায় কিম্বা সংহত শিশু বিকাশ আঁচনি স্তৰত প্ৰচলন কৰিব লাগিব। ইয়াক গ্ৰাম্য প্ৰতিবন্ধী পঞ্জীয়ন বহীৰ ব্যৱস্থা কৰি কৰিব পৰা যায়। তেনেদৰে স্কুলত বিশেষ প্ৰয়োজনীয় পঞ্জীয়ন বহী, ৱাৰ্ড পৰ্যায়ৰ প্ৰতিবন্ধী পঞ্জীয়ন বহী, আধাৰ কাৰ্ড, ৰেচন কাৰ্ডৰ জৰিয়তে কৰিব পাৰি। এই ডিজিটেল পদ্ধতিৰ পৰিসংখ্যা স্মাৰ্ট আইডেণ্টেটি কাৰ্ড যুগুতাবৰ বাবে ব্যৱহাৰ কৰিব পাৰি। ফলস্বৰূপে বৰ্তমানৰ কাগজ-ভিত্তিক প্ৰতিবন্ধী আই ডি কাৰ্ডৰ ঠাই সেই স্মাৰ্ট কাৰ্ডে ল'ব পাৰে। ভাৰতত চি বি আৰ কাৰ্যসূচীয়ে ইতিমধ্যে গ্ৰাম্য প্ৰতিবন্ধী ৰেজিষ্টাৰৰ এক পদ্ধতি ব্যৱহাৰ কৰিছে— যাৰ দ্বাৰাই সমূহীয়াভাৱে সেৱা আগবঢ়াবলৈ প্ৰয়াস কৰিছে।

প্ৰয়োজনীয় বিষয়বোৰ অন্তৰ্ভুক্তিৰ কাৰণে অন্য যিবোৰ ব্যৱস্থাই ডাঙৰ বাধা ৰূপে থিয় হয় তাক তলত দিয়া হ'ল—

১। প্ৰতিবন্ধী ল'ৰা-ছোৱালী শিক্ষা পদ্ধতিৰ প্ৰতি অদৃশ্য হৈ থাকে অৰ্থাৎ যোগান ধৰা ব্যৱস্থাৰ আওটাত নপৰে।
২। পৰিয়ালসমূহক সমৰ্থন জনোৱা নহয়।
৩। শিক্ষকসকলৰ প্ৰশিক্ষণ, নেতৃত্ব দান আৰু জ্ঞানৰ অভাৱ। লগতে কেৰিকুলাম অৱলম্বন কৰিবলৈ সহায় সমৰ্থনৰ অভাৱ।
৪। নিম্ন গুণৰ শিক্ষা।
৫। পিতৃ-মাতৃ, শিক্ষক, প্ৰশাসক আৰু নীতি প্ৰস্তুত কৰোঁতাসকলৰ কাৰণে জ্ঞান আৰু তথ্যপাতি জনাৰ ক্ষেত্ৰত ব্যৱস্থাৱলী আশানুৰূপ নহয়।
৬। সৰ্বাত্মক ভাবৰ শিক্ষাৰ আন্তঃগাঁথনি নাই। প্ৰশাসন, নীতি, পৰিকল্পনা, বিত্ত, ৰূপায়ণ আৰু পুনৰীক্ষণ— আটাইবোৰতে ইয়াৰ অভাৱ।
৭। প্ৰতিবন্ধীৰ অন্তৰ্ভুক্তিৰ বাবে ৰাজহুৱা সমৰ্থনৰ অভাৱ।
৮। জবাবদিহি আৰু পুনৰীক্ষণ ব্যৱস্থাৰ অভাৱ।

মুঠৰ ওপৰত এইটো ক'ব পাৰি যে নেতৃত্ব দানৰ ক্ষেত্ৰত যি ৰাজনৈতিক শূন্যতা আৰু সৰ্বাত্মক শিক্ষাৰ কাৰণে উত্তৰদায়িতাৰ কেৱল অভাৱেই নহয়, তদুপৰি বিশেষভাৱে প্ৰয়োজন হোৱা ব্যক্তিসকলৰ শিক্ষা প্ৰশস্ত কৰা অধিকাৰৰ ক্ষেত্ৰত এটা বিৰাট প্ৰভেদ আছে।

**সামাজিক প্ৰভেদ সংকোচনৰ অৰ্থে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ প্ৰয়াস**

ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ দৃষ্টিভংগী বহল। ই সকলোবোৰ বিষয় খৰচি মাৰি আলোচনা কৰিবলৈ পথ মুকলি কৰিছে। সমাজৰ লোকে ইয়াত অংশ গ্ৰহণ কৰিব পাৰে। ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০১৫ এয়া হ'ল এক অনন্য বৈশিষ্ট্য। নীতি প্ৰস্তুত কৰোঁতাসকলৰ বাবে অংশগ্ৰহণমূলক দৃষ্টিভঙ্গীৰ আৱশ্যক—যাতে সমাজৰ চিন্তাধাৰা তথা বাস্তৱ বিষয়বোৰ জানিব পাৰি। আৰু তাৰেই ভাবধাৰা নীতিৰ পৰিকাঠামো প্ৰস্তুত কৰোতে যাতে প্ৰতিফলিত হয় তাৰ কাৰণে সহায়ক হয়। সৰ্বাত্মক শিক্ষাৰ সন্দৰ্ভত ৰাষ্ট্ৰীয় নীতিয়ে এই প্ৰয়াস কৰিছে। ইয়াৰ পৰিকাঠামোত সৰ্বাত্মক শিক্ষাৰ ভাবধাৰা স্পষ্টভাৱে দেখা পাইছো। উদাহৰণ স্বৰূপে সৰ্বাত্মক শিক্ষাক বিশেষ আৱশ্যকতাৰ ল'ৰা-ছোৱালীৰ কাৰণে এটা সুকীয়া কৌশল ৰূপে গ্ৰহণ কৰাৰ পৰিৱৰ্তে ৰাষ্ট্ৰীয় নীতিয়ে ইয়াক প্ৰাথমিক শিক্ষাৰ পৰা আৰম্ভ কৰি উচ্চ শিক্ষালৈকে প্ৰতিবন্ধী ল'ৰা-ছোৱালী তথা চেমনীয়াসকলৰ বিভিন্ন আৱশ্যকতা ব্যাপকভাৱে বুজি উঠিবৰ কাৰণে শিক্ষা পদ্ধতিৰ এটা অনবদ্য অংশ ৰূপে চাবলৈ লৈছে। শিকাৰু সকলৰ ভিন্ন আৱশ্যকতা পূৰণ কৰাৰ সামৰ্থ প্ৰতিজন শিক্ষকৰ যে থাকিব লাগিব তাৰ প্ৰতি এই ৰাষ্ট্ৰীয় নীতিবোৰ সচেষ্ট। সকলো স্তৰতে শিক্ষাৰ ক্ষেত্ৰত জড়িত প্ৰশাসনীয় বিষয়া আৰু কৰ্মীসকলক প্ৰশিক্ষণ দিয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে ৰাষ্ট্ৰীয় নীতিত গুৰুত্ব আৰোপ কৰিছে— যাৰদ্বাৰাই বিশেষ আৱশ্যকতাৰ ব্যক্তি-সকলক সামৰি ল'বৰ কাৰণে ইতিবাচক দৃষ্টিভঙ্গী গ্ৰহণ কৰিব পাৰে।

ৰাষ্ট্ৰীয় শিক্ষানীতিৰ সন্দৰ্ভত অনলাইনৰ যোগেদি হোৱা আলাপ-আলোচনাত ই-লাৰ্ণিঙৰ উপযুক্ত সমৰ্থনসহ স্কুলসমূহ শক্তিশালী কৰাৰ বিষয়ে প্ৰতিবন্ধী লোক, তেওঁলোকৰ পৰিয়ালৰ সদস্য আৰু প্ৰতিবন্ধী খণ্ডত কাম কৰা এনজিঅ' সকলে উত্থাপন কৰে। ভিন্ন আৱশ্যকতাৰ বিষয়সমূহ

**(১৩ পৃষ্ঠাত চাওক)**

# বিশেষভাৱে সক্ষমসকলক দক্ষতাকৰণ

**শান্তি ৰাঘৱন***

মঞ্জুনাথে এটা সৰু কোম্পানীত চুপাৰভাইজাৰ অৰ্থাৎ তদাৰককাৰী ৰূপে কাম কৰে। তেওঁৰ দলটোত ১৫ জন কৰ্মী আছে। তেওঁলোক আটায়ে বস্ত্ৰ কাৰখানা সম্পৰ্কীয় যন্ত্ৰ সামগ্ৰী নিৰ্মাণ কামত ন্যস্ত থাকে। এইটো গুৰুত্বপূৰ্ণ বিষয়; কিয়নো গ্ৰাহকে কোনো কাৰণত সেইবোৰ সামগ্ৰী কিনিবলৈ নাকচ কৰাৰ মানেই হ'ল কোম্পানীটোৰ কাৰবাৰৰ ক্ষতি সাধন হোৱা। 'মেইক্ ইন ইণ্ডিয়া' কাৰ্যসূচী এই মঞ্জুনাথৰ দৰে লোকৰ ওপৰতে ভিত্তি কৰি গুণমান বিশিষ্ট উৎপাদন কাৰ্য সাধন কৰা হয়। মঞ্জুনাথ কম দৃষ্টিত ভোগা লোক আৰু তেওঁৰ দলটোৰ সদস্য সকলো ভিন ভিন ধৰণে শাৰীৰিক দিশৰ কিছু নহয় কিছু প্ৰতিবন্ধকতা আছে।

ষ্টেন্‌লি এজন স্ব-নিয়োজিত লোক। তেওঁ ফিনাইলৰ ব্যৱসায় কৰে। মস্তিষ্ক সম্পৰ্কীয় কিছু জঠৰতা ৰোগত তেওঁ আক্ৰান্ত। ... দূৰ উপকূলৰ এটা সমৰ্থন কেন্দ্ৰত কাম কৰে। সেই কেন্দ্ৰটোৰ স্ক্ৰীণ তেওঁ চায় থাকে—য'ত সুদূৰ ইংলেণ্ডৰ পৰা সাগেৰেদি অহা গ্ৰাহকসকলক নিৰীক্ষণ কৰে। তবাছুম শাৰীৰিকভাৱে প্ৰতিবন্ধী মহিলা। প্ৰদীপে এটা মলত কাম কৰে। সেই কেন্দ্ৰটোৰ স্ক্ৰীণ তেওঁ চায় থাকে —য'ত সুদূৰ ইংলেণ্ডৰ পৰা সাগেৰেদি অহা গ্ৰাহকসকলক নিৰীক্ষণ কৰে। তবাছুম শাৰীৰিকভাৱে প্ৰতিবন্ধী মহিলা। প্ৰদীপে এটা মলত কাম কৰে। তেঁৱো বুদ্ধিৰ দিশৰ পিনৰ পৰা সিমান বলীয়ান নহয়। কিছু প্ৰতিবন্ধকতা আছে। দৃষ্টি শক্তিও কম আৰু শ্ৰৱণৰ দিশত কিছু কঠিনতা আছে। ৰাজীৱ এটা বহুৰাষ্ট্ৰীয় বেংকৰ এজন বিশ্লেষক। শ্ৰৱণত তেওঁৰ বাধা আছে। প্ৰশান্তই পঞ্চায়ত উন্নয়ন বিষয়া ৰূপে চাকৰি পায় তেওঁৰ ইতিবাচক ... । তেওঁ দৃষ্টিহীন আৰম্ভণিতে তেওঁক দৃষ্টিহীনতাৰ বাবে কাম কৰিবলৈ দিয়া হোৱা নাছিল, কিন্তু কানাড়া ভাষাত টাইপ কৰিবলৈ বিশেষভাৱে প্ৰশিক্ষণ প্ৰদান কৰাৰ পিছত সেই কাম দিয়া হয়। বাক্ সমৃদ্ধ ছফ্‌টৱেৰ আয়ত্ত কৰাৰ পিছত প্ৰশান্তই শাৰীৰিক প্ৰতিবন্ধকতা থকা প্ৰত্যাহ্বানবোৰ অতিক্ৰমে কৰিবলৈ সক্ষম হয়। ফলস্বৰূপে তেওঁ সহকৰ্মীসকলৰ পৰা সন্মান লাভ কৰে আৰু তেওঁৰ গাঁওবাসীয়েও গুৰুত্ব দিয়ে।

গৌছিয়াক গা ধুৱাৰ লগা হয় আৰু খোৱা-বোৱাও তাইৰ মাকে কৰিব লগা হয়; কাৰণ গৌছিয়া বহু প্ৰতিবদ্ধকতাৰ কবলত পৰা এগৰাকী তৰুণী। পিছে সৌভাগ্যৰ কথা যে তাই এটা বহু-ৰাষ্ট্ৰীয় কোম্পানীত প্ৰকল্প সমন্বয়ক (প্ৰজেক্ট কো অৰ্ডিলেটৰ) ৰূপে কাম কৰে। যিখিনি দৰমহা পায় তাৰেই মাকক ভৰণ-পোষণ দিয়ে। গৌছিয়াই অন্‌লাইনত এটা ৱাছিং মেচিন কিনে আৰু সেইটো মাকৰ বাবে বৰ সহায়ক হয়। গৌছিয়াই অন্‌লাইনতেই কৰ্মথলীৰ কামবোৰ সমাধান কৰে। স্পীচ ৰিকগ্‌নিচন ছফ্‌টৱেৰৰ জৰিয়তে ফোন ডায়েল কৰিবলৈ সুবিধা কৰি দিয়ে। তাই ইণ্টাৰনেট ব্যৱহাৰ কৰে আৰু নিজৰ বাক্ শক্তি ব্যৱহাৰ কৰি অন্য ছফ্‌টৱেৰ আহিলাবোৰ কামত লগায়।

মঞ্জুনাথ, ষ্টেন্‌লি, তবাছুম, প্ৰদীপ, গৌছিয়া, ৰাজীৱ আৰু প্ৰশান্ত হ'ল 'শেচইঞ্জ ইন্ ইণ্ডিয়া' অৰ্থাৎ পৰিবৰ্তনশীল ভাৰতৰ একো একোটা অঙ্গ। দক্ষতা প্ৰাপ্ত কৰি নিয়োগযোগ্য হৈ তেওঁলোকে অন্য লোকৰ দৰেই কাম কৰে, কৰ আদায় দিয়ে, তেওঁলোকৰ পৰিয়ালবোৰৰ তত্বাৱধান লয় আৰু তেওঁলোক হ'ল সাধাৰণ সমাজৰেই অংশ। তেওঁলোকে আমাক এইটো কথা মনত পেলাই দিয়ে যে ভাৰতক মহান কৰি তোলাৰ গুৰিতে হ'ল প্ৰতিবন্ধকতা, দৰিদ্ৰতা আৰু বৈষম্যৰ দৰে প্ৰত্যাহ্বানবোৰ অতিক্ৰম কৰিবলৈ জনগণৰ মাজত থকা সামৰ্থ।

**সাম্প্ৰতিক নিয়োগ আৰু দক্ষতাৰ দৃশ্যপট**

যোৱা দহ বছৰ কালত প্ৰতিবন্ধী লোক সকলৰ কাৰণে নিয়োগৰ সা-সুবিধা নাটকীয়ভাৱে বৃদ্ধি পায়—বিশেষকৈ বৃহৎ মেট্ৰো চহৰসমূহত। তাৰ কোম্পানীবোৰে প্ৰতিবন্ধী লোকক

*** শান্তি ৰাঘৱন হ'ল এগৰাকী অশোক ফে'ল' আৰু এনেইবল ইণ্ডিয়াৰ প্ৰতিষ্ঠাপক তথা মেনেজিং ট্ৰাষ্টী। এনেইবল ইণ্ডিয়াই জটিল ধৰণৰ শাৰীৰিক, মানসিক অসমৰ্থনত ভোগা লোকৰ বাবে সেৱা আগবঢ়োৱাত আগভাগ লৈছে।**

মকৰল কৰি বেপাৰ-বাণিজ্যৰ মূল্য বুজি পাবলৈ ধৰে। কাৰণ তেনে লোকৰ নিষ্ঠাবান সেৱা উপযুক্ত প্ৰশিক্ষণ প্ৰদানৰ পাছত ব্যাপক ৰূপে প্ৰমাণিত হয়। কোম্পানীবোৰৰ ঘাই চিন্তাৰ কাৰণ হৈ উঠে উৎপাদনশীলতা আৰু গুণগত দিশটো। এই দুয়োটা বিষয় সমাধান হ'লে সু-ফল পোৱাৰ বাট মুকলি হয়। আৰু সেয়ে এনে প্ৰতিস্থানবোৰে তেনে লোকক দক্ষতাৰ প্ৰশিক্ষণ দি নিয়োগৰ উপযুক্ত কৰি তোলে। আৰু নিয়োগযোগ্য হৈ প্ৰতিস্থানবোৰলৈ যি সেৱা প্ৰদান কৰি তেনে লোকে বিশ্বাসৰ ভেটি গঢ়ি তোলে সেইটোৱে কোম্পানীৰ প্ৰয়াস সফল কৰি তোলে। উৎপাদনৰ গুণগত দিশৰ উন্নতি হয়। ২০০৮ আৰু ২০১৪ বৰ্ষৰ মুদ্ৰা সংকোচনৰ শীৰ্ষ কালছোৱাত প্ৰতিবন্ধী লোকক মকৰল কৰা কোম্পানীবোৰে দোহাৰি কয় যে যদি তোমালোকে (কৰ্মীয়ে) ভাল উৎপাদন কৰা তেনেহ'লে সদায়েই ইয়াৰ বাবে এখন ৰজাৰ থাকিবই। যোৱা পাঁচ বছৰত ক্ষীপ্ৰ গতীৰে বৃদ্ধি পোৱা কোম্পানীবোৰে উৎপাদন আৰু যোগানৰ ক্ষেত্ৰত এক বিৰাট প্ৰভেদৰ সন্মুখীন হয় আৰু তেতিয়া কোনো কোনো প্ৰতিস্থানে যোগানৰ বাবে এক স্থিৰ উৎস ৰূপে বিশেষ ভাৱে সক্ষম লোকৰ পিনে চাবলৈ আৰম্ভ কৰে। এনজিঅ' অৰ্থাৎ অনা-চৰকাৰী সংগঠনবোৰক বিশেষভাৱে সক্ষম লোকৰ ক্ষেত্ৰত বিশেষভাৱে সচেতন কৰি তোলা হয়। ঘাইসূঁতিৰ প্ৰশিক্ষণ প্ৰতিষ্ঠান নআৰু সামাজিক উদ্যোগবোৰেও এতিয়া প্ৰশিক্ষণ প্ৰদান কৰি অধিক প্ৰতিবন্ধী লোকক নিয়োগৰ সমৰ্থবান কৰি তোলে। এনে সুবিধা চহৰ আৰু জিলাবোৰতো আগবঢ়োৱা হয়।

কৰ্মীসকলৰ নেতা আৰু তদাৰকসকলক দক্ষতা প্ৰদান কৰি বিশেষভাৱে সক্ষম লোকক কোম্পানীত বেতন নিয়োগৰ দিহা সম্ভৱ হৈছে। নিৰ্দিষ্ট ক্ষেত্ৰৰ বাবে কোম্পানীসমূহৰ সতে সহযোগ কৰি আৰু চাকৰিৰ প্ৰশিক্ষণ দি ভাল গুণগত প্ৰাৰ্থী পোৱাত সহায়ক হৈছে। ফলক্ৰমে কোম্পানীসমূহত ভাল চাকৰি পোৱাটো সুবিধা হৈছে। ইয়াৰ বাহিৰেও কোম্পানীবোৰে নিজ লক্ষ্যৰ চাহিদা পূৰণ কৰিবৰ বাবে উপযুক্ত প্ৰাৰ্থী প্ৰাপ্ত কৰাৰ ব্যৱস্থাৰ বিষয়েও ভালদৰে বুজি উঠিছে।

দক্ষতা আহৰণৰ আৰ্হিত সফলতাৰ দিশ বেচ স্পষ্ট হৈ উঠে। ইয়াত শিকিব লগা বহু উপাদান আছে। কোম্পানীবোৰত প্ৰাৰ্থীসকলক ৰখাৰ আশা প্ৰকট হৈ উঠে যেতিয়া কৌশলাত্মক বিষয়ৰ প্ৰশিক্ষণত দৃষ্টিভঙ্গী আৰু অৱধাৰিত জীৱনৰ দক্ষতাসমূহৰ বিকাশ হয়। যি দক্ষতা আহৰণৰ প্ৰাৰম্ভিক অৱস্থাত পিতৃ-মাতৃৰ বিকাশৰ ওপৰত আলোকপাত কৰা হয় অৰ্থাৎ বিশেষভাৱে সক্ষম সন্তানক কেনেদৰে গঢ় দিব লাগে সেই সমন্ধে মনোযোগ দিলে তেনে কাৰ্যই। দীৰ্ঘ দিনৰ পিছত বহু ফলদায়ক হোৱাটো প্ৰমাণিত হৈছে। পিতৃ-মাতৃয়ে তেওঁলোকৰ সন্তানে জীৱনৰ কঠোৰ বাস্তৱতা সন্মুখীন হ'ব যে পাৰে আৰু নিয়োগ লাভ কৰিব পাৰে সেইটো বিশ্বাস নকৰে। আৰু সেয়ে তেওঁলোক আৰ্থিক প্ৰয়োজন সত্বেও তেওঁলোকে তেওঁলোকৰ বিশেষভাৱে সক্ষম সন্তানক অৰ্থাৎ আবেলি অথবা নিশাৰ ভাগত কাম কৰা কিম্বা লক্ষ্য অনুযায়ী কাম কৰা ইত্যাদি কঠিনতাবোৰ নিবিচাৰে।

একে সম পৰ্যায়ৰ লোকৰ মাজত ইজনে-সিজনে বুজাবুজিকৈ গ্ৰহণ কৰা প্ৰশিক্ষণ অধিকভাৱে মস্তিষ্কৰ দিশৰ পিনৰ পৰা আক্ৰান্ত (১০ ৰ স্তৰ ৬৫ ৰ তলত) বিশেষভাৱে সক্ষম লোকৰ বাবে উপযুক্ত তদাৰকতাত বেচ সফল প্ৰমাণিত হৈছে। এনে দক্ষতা আহৰণ পদ্ধতিক পৰম্পৰাগত দক্ষতা আহৰণ আৰ্হিতকৈ এক ভাল বিকল্প ৰূপে গ্ৰহণ কৰিব লাগে। মনোবৈজ্ঞানিক দিশৰ বিশেষভাৱে সক্ষম থকা লোকক দক্ষতা প্ৰদানৰ ক্ষেত্ৰত পৰামৰ্শদাতা আৰু মনোবিজ্ঞানীৰ সমৰ্থিত পদ্ধতিৰ ব্যৱস্থাও কৰিবলৈ লোৱা হৈছে।

ঘাইকৈ বিকশিত খণ্ডসমূহত দক্ষতাৰ প্ৰয়োজন হয়। তেনে খণ্ডবোৰ হ'ল যেনে—পাইকাৰী, সেৱা-শুশ্ৰুষা আগবঢ়োৱা অনুষ্ঠান-প্ৰতিষ্ঠান, আইটি, আইটি ই এছ, সাজ-পোছাক, বস্ত্ৰ আৰু বেংকিং খণ্ড। স্ব-নিয়োজিত দক্ষতা আহৰণ প্ৰশিক্ষণ বিউটী আৰু সক্ষমতামূলক প্ৰতিষ্ঠান, ম'বাইল মেৰামতি কৰা আৰু অন্যান্য ভৌগোলিক দিশৰ নিৰ্দিষ্ট বিকাশ সাধনৰ দৰে এলেকাবোৰত সফল হোৱা দেখা যায়।

**ভৱিষ্যতৰ দৃশ্যপট**

প্ৰধান মন্ত্ৰীদ্বাৰা আৰম্ভ কৰা ৰাষ্ট্ৰীয় দক্ষতা নীতিৰ লক্ষ্য হ'ল অহা সাত বছৰৰ ভিতৰত ৩৮ লাখ প্ৰতিবন্ধী লোকক দক্ষতা প্ৰদানেৰে সবল কৰি তোলা। ইয়াৰ বাবে সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ত বিশেষভাৱে সক্ষম লোকৰ সবলীকৰণ বিভাগ খোলা হয়। এই বিভাগটোৱে বিশেষভাৱে সক্ষম লোকৰ ৰাষ্ট্ৰীয় কাৰ্য আঁচনি আৰু Accessible India Campaign আৰম্ভ কৰে আৰু ইয়াৰ ফলত বিশেষভাৱে সক্ষম লোকৰ বাবে ইকোপদ্ধতিৰ ওপৰত আলোকপাত কৰিবলৈ সুবিধা

হৈছে। দক্ষতা নীতিক আগুৱাই নিবৰ কাৰণে প্ৰতিবন্ধী লোকৰ বাবে এক দক্ষতা পৰিষদ (Skill Council for Persons with Disability) গঠন কৰা হয়। এনেদৰে প্ৰতিবন্ধী লোকসকল অৰ্থনৈতিক সংক্ৰান্তীয় কাম-কাজৰ কৰ্মবাহিনীৰ এটা অংশ স্বৰূপ কৰি তুলিবৰ বাবে ভাৰতত এতিয়া পৰিস্থিতি বেচ অনুকূল। বিভিন্ন ধৰণৰ প্ৰতিবন্ধকতাত ভোগা লোকসকলৰ কাৰণে প্ৰস্তুত কৰা বিশেষ আৰ্হিৰ ওপৰত আমি আধিক্য আৰোপ কৰা প্ৰয়োজন। অধিকভাৱে শাৰীৰিক আৰু মানসিক দিশত বাধাগ্ৰস্ত লোকসকলৰ ওপৰত বিশেষভাৱে আলোকপাত কৰা দৰকাৰ। তেওঁলোকক ভৌগলিক পৰিৱেশৰ সকলো ধৰণৰ ক্ষেত্ৰতে নিয়োগ প্ৰদান কৰিবলৈ সমানেই গুৰুত্ব দিয়া আৱশ্যক।

আমি বৰ্তমানে থকা গুণগত আন্তঃগাঁথনিৰ ওপৰত গুৰুত্ব দিয়া প্ৰয়োজন। তেনে এটা হ'ল গ্ৰাম্য স্ব-নিয়োজন প্ৰতিস্থান বৰ্তমানে এনে প্ৰতিষ্ঠান ৬০০ তকৈও অধিক আছে। এইবোৰক স্ব-নিয়োজন প্ৰশিক্ষণৰ বাবে কামত লগাব পাৰি। আনহাতে বিভিন্ন স্ব-নিয়োজনৰ সুবিধাৰ অৰ্থে বিশেষ পাঠ্যক্ৰম সৃষ্টি কৰা দৰকাৰ। বিশেষভাৱে অৰ্হতাপূৰ্ণ প্ৰশিক্ষকৰ অতি আৱশ্যক আছে। তেনে প্ৰশিক্ষকে এটা আৰ্হি ৰূপে কাম কৰিব আৰু বিশেষভাৱে সক্ষম লোকক প্ৰশিক্ষ প্ৰদান কৰাত যথেষ্ট সহায়ক হ'ব।

যোৱা ১০ বছৰত বিশেষভাৱে সক্ষম লোকৰ বাবে ২৬ টা খণ্ডৰ ২৭৩ তকৈ অধিক বিধৰ চাকৰিৰ বাট মুকলি কৰা হয়। ভিন ভিন ধৰণৰ বিশেষভাৱে সক্ষম চাই তাৰ সমাধান সূত্ৰ উলিয়াই সেইমতে পৰিৱেশৰ লগত খাপ খুৱাকৈ কাৰ্য সাধন কৰিবলৈ লোৱা হয়। এনে ধৰণৰ ব্যৱস্থাই তেওঁলোকক কাম কৰিবলৈ সমৰ্থবান কৰি তুলিব বুলি আশা কৰিব পাৰি।

এটা সু-সংগঠিত সমৰ্থন পদ্ধতিৰ ব্যৱস্থা কৰিব লাগে যাৰদ্বাৰাই কিছুমান সেৱা প্ৰদান কৰিব পাৰি। তেনে সেৱাৰ ভিতৰত উল্লেখ্য হ'ল—চাকৰি বিশ্লেষণ সেৱা, কৰ্মথলীৰ সমাধান, সৰ্ব দিশৰ সেৱা, সজাগতা আৰু সচেতন কৰা, নেতৃত্বৰ বিকাশ আৰু অনেক। দক্ষতা প্ৰদানৰ প্ৰচেষ্টা সফল হ'বৰ বাবে এয়া গুৰুত্বপূৰ্ণ বিষয়। এ'ন্‌এইবল একাডেমিৰ দৰে স্বেচ্ছাসেৱী সংগঠনবোৰে সম্প্ৰদায়সমূহৰ মাজত যোগাযোগ স্থাপন কৰিবৰ কাৰণে এটা মঞ্চৰ যোগান ধৰে—যাৰদ্বাৰাই বিশেষভাৱে সক্ষম লোকৰ বাবে ঘাইসুঁতিৰ জীৱিকা নিৰ্বাহৰ কামত সমৰ্থনবান কৰি তুলিব পাৰে। ই হ'ল এনে এটা মঞ্চ য'ত এইবোৰ কামত জড়িত থকা অনুষ্ঠান-প্ৰতিষ্ঠানে ইয়াক ব্যৱহাৰ কৰিব পাৰে আৰু সম্পদৰাজিতো ভাগ ল'ব পাৰে আৰু সহযোগাত্মক প্ৰয়াসেৰে অভিযান আৰম্ভ কৰাব পাৰে। এটা ভাৱ বিনিময়মূলক ভইচ ৰেছপন্দ ছিষ্টেম হ'ল" নাম্মা বাণী" "মিছছ্‌ কলৰ" জৰিয়তে প্ৰাপ্ত এই পদ্ধতীয় কৰ্ণাটকৰ গ্ৰামাঞ্চলত বহু বিশেষভাৱে সক্ষম লোকৰ বাবে নেটৱৰকিঙৰ যোগান ধৰিছে। বিশেষভাৱে সক্ষম লোকসকলে তেওঁলোকৰ ভিন ভিন কাহিনী, বিষয়সমূহৰ ভাগ লয়। সজাগতা প্ৰাপ্ত কৰিবৰ বাবে ইজনে সিজনৰ সমস্যা সমাধান কৰে। ইয়াৰ পৰা আশাৰ সঞ্চাৰ হয়, তেওঁলোকৰ দৈনন্দিন প্ৰত্যাহ্বানবোৰ সন্মুখীন হোৱাত সহায় কৰে আৰ আৰ্থিকভাৱে স্বতন্ত্ৰ হোৱাৰো পথ প্ৰশস্ত কৰে। প্ৰযুক্তি ভিত্তিক এইবোৰ মঞ্চ পৰিৱৰ্তনসূচনাকাৰী হ'ব আৰু দক্ষতা আহৰণ কৰা বিশেষভাৱে সক্ষম লোকসকলৰ কাৰণে এটা উজ্বল ভৱিষ্যত নিশ্চিত কৰিব।

যেতিয়া চেইঞ্জ ইন ইণ্ডিয়া গঢ়ি উঠিব তেতিয়াই "মেইক্ ইন ইণ্ডিয়া"ৰ অভিযানো সফল হ'ব; আৰু এই অভিযান হ'ল সমাজৰ সকলো বৰ্গকে সামৰি লোৱা এটা সৰ্বাত্মক বিকাশ। সফলতাৰে কাম কৰা বিশেষভাৱে সক্ষম লোকসকল হ'ল এই পৰিৱৰ্তনৰ এটা সংযোগী শক্তি। ❐

# বিশেষভাৱে সক্ষম লোকৰ বাবে বিত্তীয় অন্তৰ্ভুক্তিকৰণ ব্যৱস্থা

**পি চি দাস***

ভাৰতৰ সংবিধানে মূল সূত্ৰাৱলীৰ ৩৯ নম্বৰ অনুচ্ছেদত কাম আৰু নিয়োগৰ বৈশিষ্ট্যক স্বীকৃতি দিছে। সূত্ৰাৱলীয়ে পুৰুষ আৰু মহিলা উভয়কে সমানেই জীৱিকা নিৰ্বাহৰ পৰ্যাপ্ত উপায় নিশ্চিত কৰিবলৈ ৰাষ্ট্ৰক নিৰ্দেশ দিছে। ৪১ অনুচ্ছেদ মতে ৰাজ্যই নিজৰ অৰ্থনৈতিক ক্ষমতা আৰু বিকাশ সীমাৰ ভিতৰত কাম কৰাৰ অধিকাৰ লাভ কৰিবৰ কাৰণে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সঁকিয়াই দিছে। ৪২ অনুচ্ছেদ মতে কাৰ্যকৰণৰ সঠিক আৰু মানৱীয় অনুভূতিৰ অৱস্থা বাহাল ৰাখিবৰ কাৰণে ৰাজ্যসমূহে ব্যৱস্থা কৰাৰ বিষয়ে উল্লেখ কৰিছে। কিন্তু ইয়াত ঘাইকৈ আমি অক্ষম লোকৰ বিষয়েহে আলোচনা কৰিম।

অক্ষম অৰ্থাৎ প্ৰতিবন্ধী লোকৰ অৰ্থ হ'ল চিকিৎসা বিভাগৰ কৰ্তৃপক্ষই প্ৰমাণিত কৰা মতে এজন ব্যক্তিয়ে যদি যিকোনো নিৰ্দিষ্ট প্ৰতিবন্ধকতাত ভোগে আৰু তাৰ মাত্ৰা ৪০ শতাংশতকৈ কম নহয়। ভাৰত চৰকাৰে এই অক্ষম লোকসকলৰ বাবে তিনিখন আইন প্ৰণয়ন কৰে— যাতে তেওঁলোকে সমান সুযোগ-সুবিধা পাব পাৰে। তাৰ ভিতৰত সমাজত তেওঁলোকৰ আৰ্থ-সামাজিক অন্তৰ্ভুক্তিকৰণ বিষয়টো আছে। সেই আইনকেইখন হ'ল— (১) ভাৰতৰ পুনৰসংস্থাপন পৰিষদ আইন, ১৯৯২, (২) অক্ষম বা প্ৰতিবন্ধী লোক বিষয়ক আইন, ১৯৯৫ আৰু (৩) আউটিজম অৰ্থাৎ দিবাস্বপ্ন দেখা লোক, মস্তিষ্কৰ জড়তা থকা লোক, মানসিকভাৱে ক্লান্ত অনুভৱ কৰা লোক আৰু ভিন্ন ধৰণৰ প্ৰতিবন্ধী বিষয়ক আইন, ১৯৯৫। তদুপৰি অক্ষম লোকৰ অধিকাৰ বিষয়ক ৰাষ্ট্ৰসংঘৰ চনদ, ২০০৬ক ভাৰতে গ্ৰহণ কৰে আৰু ২০০৮ চনত ইয়াক কাৰ্যকৰী কৰে। এই চনদত অক্ষম লোকে সমাজক আনৰ সৈতে সমভাৱে পূৰ্ণ আৰু উপযুক্তভাৱে অংশগ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। সেই একেদৰে প্ৰতিবন্ধী লোক বিষয়ক ৰাষ্ট্ৰীয় নীতি, ২০০৬-এ প্ৰতিবন্ধী লোকসকলক মূল্যবান মানৱ সম্পদৰূপে স্বীকৃতি দিয়ে আৰু সমাজত এটা সন্মানজনক জীৱন যাপনৰ কাৰণে সমান সা-সুবিধা সৃষ্টি কৰিবলৈ বিচাৰে। ই সকলোৰে বাবে এখন সৰ্বাত্মক সমাজৰ পোষকতা কৰে।

২০১১ চনৰ পিয়ল অনুসাৰে ভাৰতত ২৬.৮ নিযুত প্ৰতিবন্ধী কিম্বা অক্ষম লোক আছে। ইয়াৰ ভিতৰত ১৪.৯৯ নিযুত হ'ল পুৰুষ আৰু ১১.৮২ নিযুত হ'ল মহিলা। এইসকলৰ ভিতৰত ১৮.৬৩ নিযুত অক্ষম লোক গ্ৰাম্য এলেকাত বাস কৰে আৰু ৮.১৮ নিযুত চহৰাঞ্চলত বাস কৰে। প্ৰাপ্ত পৰিসংখ্যা অনুযায়ী প্ৰায় ১৩.৪ নিযুত (৮.৮ নিযুত গ্ৰাম্য ভাৰতত আৰু ৪.৬ নিযুত চহৰীয়া ভাৰতত) অক্ষম লোক নিয়োগৰ উপযুক্ত বয়সৰ। এই ১৩.৪ নিযুত নিয়োগযোগ্য বয়স গোটৰ অক্ষম বা প্ৰতিবন্ধী লোকৰ ভিতৰত ৭.৮ নিযুত হ'ল পুৰুষ আৰু ৫.৬ নিযুত হ'ল মহিলা। ইয়াৰ উপৰি মুঠ প্ৰতিবন্ধী লোকৰ ভিতৰত ১৪ .৬ নিযুত হ'ল শিক্ষিত। ইয়াৰ পৰা দেখা যায় যে প্ৰতিবন্ধী লোকসকল আৰু মানৱ সম্পদৰ এটা বৃহৎ ভাণ্ডাৰ— যি দেশৰ অৰ্থনীতিৰ দিশত বৰঙণি যোগোৱাৰ যে ক্ষমতা আছে তাক অৱজ্ঞা কৰিব পৰা নাযায়।

বিত্তীয় অন্তৰ্ভুক্তিকৰণ হ'ল বিত্তীয় সেৱাসমূহৰ প্ৰাপ্ততা আৰু সমাজৰ অসুবিধাগ্ৰস্ত শ্ৰেণীৰ লোকসকললৈ বহনযোগ্য মূল্যত বিভিন্ন ধৰণৰ বিত্ত সম্পৰ্কিত উৎপাদিত সামগ্ৰী পোৱাৰ সুবিধা। ইয়াৰ ভিতৰত আছে বেংক সম্পৰ্কিত সামগ্ৰী আৰু বীমা, পেঞ্চন তথা বিভিন্ন উদ্দেশ্যৰ বাবে ঋণ প্ৰাপ্তিৰ দৰে বিত্তীয় সেৱাসমূহ। প্ৰকৃতাৰ্থত ক'বলৈ গ'লে বিত্তীয় অন্তৰ্ভুক্তিকৰণ ব্যৱস্থা হ'ল এখন সৰ্বাত্মক দিশৰ সমাজক গঢ়ি তোলাৰ দিশত যি কোনো পৰিকল্পনাৰ বাবে মূল চাবি-কাঠী— য'ত অসুবিধাগ্ৰস্ত শ্ৰেণীৰ লোকসকলৰ বিত্তীয় আৰু সামাজিক নিৰাপত্তা নিশ্চিত কৰা হয়। ভাৰত চৰকাৰে বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ গুৰুত্বক স্বীকৃতি দিছে আৰু সকলোৰে বাবে ইয়াৰ অন্তৰ্ভুক্তিকৰণৰ আৱশ্যকতাৰ ওপৰতো জোৰ দিছে। জন ধন যোজনা, দুখীয়া লোকৰ বাবে স্বাস্থ্য বীমা, মুদ্ৰা ঋণ আদিৰ দৰে নীতিবোৰ হ'ল ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ কাৰ্যসূচী।

*** পি চি দাস নেশ্বনেল হেণ্ডিকেপড্ ফাইনেন্স এণ্ড ডেভেলপমেণ্ট কৰ্পোৰেশ্বনৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক**

বিত্তীয় অন্তৰ্ভুক্তিকৰণে চৰকাৰৰ সামাজিক কল্যাণমূলক কাৰ্যসূচীতো সহায় কৰে। যিহেতু বিত্তীয় অন্তৰ্ভুক্তিকৰণে ধন প্ৰদান প্ৰক্ৰিয়াক সবলীকৰণ কৰাত সুফল আনিব আৰু কম খৰচত পোৱাৰো সুবিধাজনকো হ'ব, সেই বাবে তেনে প্ৰক্ৰিয়া স্বচ্ছ তথা হিতাধিকাৰীয়ে দুই-তিনিবাৰ প্ৰয়াস কৰা ব্যৱস্থা দূৰ কৰিবলৈ লোৱা হৈছে।

**বিশেষভাৱে সক্ষম লোক ঃ বিত্তীয়ভাৱে অৱহেলিত**

দৰাচলতে ক'বলৈ গ'লে প্ৰতিবন্ধী কিম্বা অক্ষম লোকসকল সমাজৰ অতি অসুবিধাগ্ৰস্ত শ্ৰেণীৰ লোকৰ মাজত শ্ৰেণীভুক্ত কৰাটো উপযুক্ত হ'ব পাৰে; কিয়নো তেওঁলোক দুখীয়া লোকতকৈ অতি দুখীয়া। লগতে এইটোও ক'ব লাগিব যে অক্ষমতাৰ দৰিদ্ৰতাৰ সৈতে সম্পৰ্ক আছে, কিয়নো দাৰিদ্ৰ অৱস্থাতেই অক্ষম লোক অধিকভাৱে আক্ৰান্ত হোৱাৰ অধিক সম্ভাৱনা থাকে আৰু সমাজৰ দুখীয়া বৰ্গৰ লোকসকল অক্ষম হোৱাৰ অধিক সম্ভাৱনা থাকে। প্ৰতিবন্ধী মহিলাৰ ক্ষেত্ৰত পৰিস্থিতি অধিক বেয়া হয়। সেয়ে প্ৰতিবন্ধী লোকসকলক বিত্তীয় ব্যৱস্থাত অন্তৰ্ভুক্ত কৰাটো অৰ্থাৎ বিত্তীয়ভাৱে সা-সুবিধা লাভ কৰাটো অধিক গুৰুত্বপূৰ্ণ বিষয়। লগতে ই অন্য অসুবিধাগ্ৰস্ত শ্ৰেণীৰ লোকতকৈ প্ৰত্যাহ্বানজনক বিষয়; কিয়নো তাৰ সৈতে জড়িত কিছুমান অসুবিধা আছে। তেনেবোৰ অসুবিধা হ'ল, যেনে— কমভাৱে চাল-চলন কৰিব পৰা, শাৰীৰিক বাধা, বিত্তীয় সংক্ৰান্তীয় সা-সামগ্ৰীৰ সুবিধা উপলব্ধ কৰিবৰ বাবে জ্ঞানৰ অভাৱ তথা শিক্ষাৰ কম স্তৰ আৰু প্ৰতিবন্ধী লোকসকল য'ত ত'ত সিঁচৰতি হৈ থাকে কাৰণে নিজাববীয়াকৈ আত্ম-সহায়ক গোট গঠন কৰাত বাধা।

স্ব-নিয়োজন আৰু শিক্ষা গ্ৰহণৰ বাবে বিত্তীয় সাহায্য কিম্বা ঋণ সহজে লাভ কৰিবলৈ প্ৰতিবন্ধী লোকসকলৰ কঠিনতালৈ চাই ভাৰত চৰকাৰে ১৯৯৭ চনৰ ২৪ জানুৱাৰীত নেশ্বনেল হেণ্ডিকেপড্ ফাইনেন্স এণ্ড ডেভেলপমেণ্ট কৰ্পোৰেশ্বন স্থাপন কৰে। ইয়াৰ অধিকৃত শ্বেয়াৰ কেপিটেল অৰ্থাৎ মূলধনী পুঁজিৰ পৰিমাণ হ'ল ৪০০ কোটি টকা। এই কোম্পানীটো কোম্পানী আইন, ১৯৫৬ৰ (কোম্পানী আইন, ২০১৩ৰ ধাৰা) ২৫ ধাৰাৰ অধীনত বিনা লাভ অৰ্জন কৰা কোম্পানীৰূপে পঞ্জীয়ন কৰা হয়।

এই বিকাশ নিগমে ৪০ শতাংশ কিম্বা ততোধিক অক্ষম অৱস্থাৰ আৰু ১৮ বছৰ বয়সৰ ওপৰৰ ভাৰতীয় নাগৰিকক ৰেহাইমূলক ঋণ দিয়াৰ বিবেচনা কৰে। এনে লোকে ৰেহাই হাৰত বিকাশ নিগমৰ পৰা ঋণ লাভ কৰাৰ ক্ষেত্ৰত বয়সৰ উচ্চসীমা নাই। এই নিগমৰ আঁচনিসমূহ তথা কাৰ্যসূচীক ঘাইকৈ এনে ধৰণে শ্ৰেণীভুক্ত কৰিব পাৰি— (১) অক্ষম লোকলৈ ৰেহাই হাৰত প্ৰদান কৰা ঋণৰ ক্ষেত্ৰত ঋণ ভিত্তিক কাম-কাজ আৰু (২) অক্ষম লোকক যোগান ধৰা অনুদানৰ ক্ষেত্ৰত অ-ঋণ ভিত্তিক কাম-কাজ।

**ঋণ ভিত্তিক**

(ক) **স্ব-নিয়োজন ঋণ ঃ** এনে ৰেহাইমূলক ঋণ ২৫ লাখ টকালৈকে এটা স্ব-নিয়োজন উদ্যোগ আৰম্ভ কৰিবৰ কাৰণে এজন প্ৰতিবন্ধী লোকক দিয়া হয়। ঋণ প্ৰদান ধনৰাশিৰ ওপৰত ভিত্তি কৰি সুতৰ হাৰ হয় ৫-৮ শতাংশ। এই ঋণ সৰ্বাধিক ১০ বছৰৰ কালৰ ভিতৰত পৰিশোধ কৰিব পাৰি।

(খ) **শিক্ষা ঋণ ঃ** অধিক প্ৰতিবন্ধী ছাত্ৰক উচ্চশিক্ষা গ্ৰহণৰ বাবে উৎসাহিত কৰিবলৈ ৰেহাই হাৰত শিক্ষা ঋণ দিয়া হয়। ইয়াৰ সুতৰ হাৰ হ'ল মাত্ৰ বছৰি ৪ শতাংশ। ভাৰতত অধ্যয়নৰ বাবে ১০ লাখ টকা পৰ্যন্ত আৰু বিদেশত অধ্যয়নৰ বাবে ২০ লাখ টকা পৰ্যন্ত বিশেষ সক্ষম ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিব পাৰে। এই ঋণৰ ধনৰাশি সৰ্বাধিক সাত বছৰ কালৰ ভিতৰত পৰিশোধ কৰিব পাৰি। ঋণ পৰিশোধ কৰাৰ কাম আৰম্ভ হয় পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ এবছৰৰ পিছত অথবা চাকৰিৰ পোৱাৰ ছমাহৰ পিছত— যিটোৱেই আগতীয়াকৈ হয়।

(গ) **ক্ষুদ্ৰ বিত্ত ঃ** এই ঋণৰ উদ্দেশ্য হ'ল অক্ষম লোকসকলৰ দুৰ্বল শ্ৰেণীৰ কাম আৰম্ভ কিম্বা উপাৰ্জন বৃদ্ধিৰ কামক উজ্জীৱিত কৰি তুলিবৰ বাবে বিত্তীয় সাহায্য যোগান ধৰা। আঁচনিখন ঘাইকৈ স্বেচ্ছাসেৱী অনুষ্ঠানৰ জৰিয়তে ৰূপায়ণ কৰা হয়। এনে এটা স্বেচ্ছাসেৱী সংস্থাই ১০ লাখ টকা পৰ্যন্ত লাভ কৰিব পাৰে আৰু ইয়াক সংগঠনটোৱে অক্ষম লোকক দিব পাৰে। এজন অক্ষম লোক অৰ্থাৎ প্ৰতিবন্ধীয়ে ক্ষুদ্ৰ-বিত্ত ঋণ ৰূপে সৰ্বাধিক ৫০,০০০ টকা লাভ কৰিব পাৰে। এনেদৰে এটা স্বেচ্ছাসেৱী অনুষ্ঠানে ২০ জন প্ৰতিবন্ধী লোকক সহায় কৰিব পাৰে। সুতৰ হাৰ হ'ল বছৰি ৫ শতাংশ পৰ্যন্ত। ঋণৰ ধনৰাশি সৰ্বাধিক ৩ বছৰৰ ভিতৰত পৰিশোধ কৰিব পাৰে।

**অ-ঋণ ভিত্তিক**

(১) **অক্ষম লোকৰ দক্ষতাৰ প্ৰশিক্ষণ ঃ** আঁচনিখনৰ অধীনত বিকাশ নিগমে

অক্ষম লোকৰ দক্ষতা অৰ্জনৰ বাবে প্ৰশিক্ষণৰ অনুদান আগবঢ়ায়। প্ৰশিক্ষণ কালছোৱাত এনে প্ৰশিক্ষাৰ্থীলৈ প্ৰতি মাহে ২০০০ টকাৰ জলপানী প্ৰদান কৰে।

(২) **বৃত্তি আঁচনি ঃ** মন্ত্ৰালয়ে এই ৰাষ্ট্ৰীয় বিকাশ নিগমক অক্ষম লোকলৈ বৃত্তি প্ৰদান কৰা কামৰ দায়িত্ব দিছে। সম্প্ৰতি এই নিগমে ২৫০০ বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীক কাৰিকৰী আৰু পেছাদাৰী পাঠ্যক্ৰম অধ্যয়ন কৰিবৰ কাৰণে ন্যাস পুঁজি বৃত্তি আঁচনিৰ ব্যৱস্থা কৰিছে। বিকাশ নিগমে ৰাজ্য চৰকাৰে মনোনীত কৰা ৩৬টা ৰাজ্যিক প্ৰণালীকৰণ সংস্থাৰ জৰিয়তে কাম কৰে। নিগমে অক্ষম লোকলৈ ৰেহাই হাৰত ঋণৰ সুবিধা কৰিবৰ অৰ্থে ৫টা ৰাজহুৱা খণ্ডৰ বেংক আৰু ১৮টা আঞ্চলিক গ্ৰাম্য বেংকৰ সৈতে চুক্তিবদ্ধ হৈছে। নিগমে ভাল কাম কৰিছে। সেয়া এই কথাৰ পৰা বিচাৰ কৰিব পাৰি যে যোৱা চাৰিটা বিত্তীয় বৰ্ষৰ পৰা ইয়াৰ ৰেটিং স্থান অতি সুন্দৰ। ২০১৫-১৬ বৰ্ষৰ কালছোৱাৰ বাবেও একেই কাৰ্য সাধন কৰিব বুলি আশা কৰিব পাৰি।

১। **ঋণ বিতৰণ ঃ** ৰাষ্ট্ৰীয় বিকাশ নিগমে এই ঋণ আঁচনিৰ অধীনত আৰম্ভণিৰ পৰা এতিয়ালৈকে ১.২৬ লাখ বিশেষভাৱে সক্ষম লোকৰ বাবে ৬৯৪.২৯ কোটি টকা মোকলাই দিছে।

২। **দক্ষতা প্ৰশিক্ষণ ঃ** নিগমে ইতিমধ্যে এতিয়ালৈকে ৩৬৬১৬ অক্ষম লোকৰ দক্ষতা বিকাশ প্ৰশিক্ষণৰ বাবে ৪৬.২১ কোটি টকা অনুদান সাহায্য মঞ্জুৰ কৰে। ২০১৫-১৬ বিত্তীয় বৰ্ষৰ কালছোৱাৰ বাবে নিগমে ১৭০০০-২০০০০ অক্ষম লোকৰ বাবে দক্ষতা প্ৰশিক্ষণৰ বৰস্থাৰ অৰ্থে এক লক্ষ্য স্থিৰ কৰিছিল।

৩। **বৃত্তি ঃ** ন্যাস পুঁজিৰ বৃত্তি আঁচনিৰ বিকাশ নিগমে কাৰিকৰী আৰু পেছাদাৰী পাঠ্যক্ৰমত অধ্যয়ন কৰিবৰ বাবে (৭১১৭টা নতুন আৰু ১০৯৭টা পুনৰ নবীকৰণৰ ক্ষেত্ৰত) ৪৭.৯৪ কোটি টকা মোকলাই দিয়ে (২০১১-১২ বৰ্ষৰ পৰা আৰম্ভ কৰি আজিলৈকে)।

তেনেদৰে ২০০৯-১০ বৰ্ষৰ পৰা আৰম্ভ কৰি এতিয়ালৈকে ২৮২৭ নতুন আৰু ১০১ পুনৰনবীকৰণ বিষয়ক সামৰি লৈ নিগমে ৩.৫২ কোটি টকা মোকলাই দিয়ে।

বিকাশ নিগমৰ ৰেহাই হাৰৰ ঋণ প্ৰদান কাৰ্য খৰতকীয়াকৈ ৰূপায়ণ কৰিবৰ অৰ্থে নিগমৰ ভৱিষ্যত সম্প্ৰসাৰণ আৰু অধিক সংখ্যক বিশেষভাৱে সক্ষম লোকক বিত্তীয় অন্তৰ্ভুক্তিৰ সুবিধা প্ৰদান কৰিবৰ বাবে তলত উল্লেখ কৰা ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰিকল্পনা কৰিছে ঃ

১। **পিছৰ অংশ ৰাজসাহায্য আঁচনি ঃ** নিগমে প্ৰতিবন্ধী লোক বিষয়ক সবলীকৰণ বিভাগৰ সৈতে আলোচনা কৰি বিকাশ নিগম ঋণ ব্যৱস্থাৰ অধীনত এখন পিছৰ অংশ ৰাজসাহায্য আঁচনি প্ৰচলন কৰিবলৈ পৰিকল্পনা কৰিছে। প্ৰতিবন্ধী লোকে ৩৫ শতাংশ পৰ্যন্ত ঋণ পাবলৈ সমৰ্থবান হ'ব যদিহে ভাৰত চৰকাৰে ইয়াত অনুমোদন জনায়।

২। **বেংকিং চেনেলৰ সৈতে চুক্তি ঃ** বিকাশ নিগমে বিভিন্ন বেংকৰ সৈতে চুক্তি স্বাক্ষৰিত কৰি নিজৰ পৰিক্ৰমা বৃদ্ধি কৰিবলৈ আৰম্ভ কৰিছে— যাতে অক্ষম লোকে অংশীদাৰ বেংকসমূহৰ শাখাৰ জৰিয়তে ৰেহাই হৰত ঋণ ল'ব পাৰে। নিগমে ইতিমধ্যে ৫টা ৰাজহুৱা খণ্ডৰ বেংকৰ সৈতে চুক্তি স্বাক্ষৰিত কৰে। বেংককেইটা হ'ল পঞ্জাব নেশ্বনেল বেংক, অন্ধ্ৰ বেংক, আই ডি বি আই বেংক, বেংক অৱ বৰোদা, ষ্টেট বেংক অৱ হায়দৰাবাদ। তদুপৰি নিগমে কেইখনমান ৰাজ্যত ১৮টা আঞ্চলিক গ্ৰাম্য বেংকৰ সৈতেও চুক্তি স্বাক্ষৰিত কৰে (উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, উত্তৰাখণ্ড, গুজৰাট, হাৰিয়ানা, মহাৰাষ্ট্ৰ আৰু অসম)।

৩। **এন বি এফ ছি-এম এফ আই-ৰ সৈতে চুক্তি ঃ** দূৰ-দূৰণিৰ গ্ৰাম্য এলেকা তথা অসংৰক্ষিত চহৰৰ ভিতৰুৱা ক্ষেত্ৰসমূহত থকা অক্ষম লোকক সংযোগ কৰিবলৈএন বি এফ ছি-এম এফ আই বেচ উপযুক্ত। সেয়ে বিকাশ নিগমে এনে বিভিন্ন প্ৰতিষ্ঠানৰ সৈতে সহজ চুক্তিৰ বাবে কিছুমান বিবিধ ৰেহাই দিয়াৰ কাৰণে ৰিজাৰ্ভ বেংকৰ সৈতে ব্যৱস্থা গ্ৰহণ কৰিছে— যাতে অক্ষম লোকলৈ ৰেহাই হাৰত ঋণ লাভ কৰাৰ সুবিধা হয়।

৪। **অক্ষম লোকৰ বাবে জব পোৰ্টেল ঃ** প্ৰতিবন্ধী লোক বিষয়ক সবলীকৰণ বিভাগৰ সৈতে আলোচনা কৰি বিকাশ নিগমে অক্ষম লোকৰ বাবে এটা অনন্য নিয়োগ পোৰ্টেল বিকাশ কৰিছে। এই পোৰ্টেলে চাকৰি, স্ব-নিয়োজন ঋণ, শিক্ষা ঋণ,

বিনামূলীয়া দক্ষতা অৰ্জনৰ প্ৰশিক্ষণ ইত্যাদি সুবিধা একেখন প্লেটফৰ্মৰ পৰা আগবঢ়ায়। এই পোৰ্টেলটো আনুষ্ঠানিকভাৱে চলিত বৰ্ষৰ (২০১৬) ২৭ জানুৱাৰীত প্ৰচলন কৰা হয়। বিত্তীয় ব্যৱস্থাত অক্ষম লোকক খৰতকীয়াকৈ অন্তৰ্ভুক্তিকৰণৰ বাবে ই এটা ডাঙৰ পদক্ষেপ হ'ব।

ভাৰত চৰকাৰে কিছুমান গুৰুত্বপূৰ্ণ সিদ্ধান্ত লৈছে যিবোৰ বিত্তীয় অন্তৰ্ভুক্তিকৰণ আৰু অক্ষম লোকৰ সামগ্ৰিক কল্যাণ সাধনৰ বাবে প্ৰতিবন্ধী লোক বিষয়ক সবলীকৰণ বিভাগৰ জৰিয়তে দীৰ্ঘ কালৰ ভিতৰত অতি হিতকৰ হ'ব।

— বেংকসমূহৰদ্বাৰা গুৰুত্বপূৰ্ণ খণ্ডৰ ঋণ প্ৰদানৰ ক্ষেত্ৰত অক্ষম লোকৰ অন্তৰ্ভুক্তিকৰণ ১০ শতাংশ দুৰ্বল বৰ্গৰ লক্ষ্যৰ অধীনত থাকিব।
— অক্ষম লোকৰ কাৰণে প্ৰাক্-প্ৰৱেশিকা আৰু প্ৰৱেশিকা পৰৱৰ্তী কালৰ বৃত্তি।
— প্ৰতিবন্ধী ছাত্ৰ-ছাত্ৰীলৈ উচ্চ শ্ৰেণীৰ উচ্চ শিক্ষাৰ বাবে বৃত্তি।
— সুচল ভাৰত অভিযানৰ প্ৰচলন।
— অক্ষম লোকৰ দক্ষতা অৰ্জনৰ প্ৰশিক্ষণ বিষয়ক ৰাষ্ট্ৰীয় কৰ্ম পৰিকল্পনাৰ প্ৰচলন। ❒

---

**(৬ পৃষ্ঠাৰ পৰা)**

সমাধান কৰিবৰ কাৰণে সকলো শিক্ষককে প্ৰশিক্ষণ দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

এই আলাপ-আলোচনাত স্পৰ্শ কৰিব নোৱাৰা প্ৰতিবন্ধী ল'ৰা-ছোৱালী আৰু চেমনীয়াসকলক প্ৰাপ্ত কৰাৰ ক্ষেত্ৰত যি চহৰ আৰু গাঁৱৰ বিভাজন আছে তাক এক মূল প্ৰত্যাহ্বান ৰূপে চিহ্নিত কৰা হয়।

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০১৫ ত শিক্ষা পদ্ধতিৰ সকলোবোৰ বিষয় সন্দৰ্ভত প্ৰতিবন্ধী বিষয়কো সামৰি লোৱা হৈছে—তেনেহ'লে সেয়া শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ভৰ্তি বিষয়টোৱেই হওক, প্ৰৱেশ নীতিয়েই হওক, শিক্ষকৰ প্ৰশিক্ষণ, পাঠ্যক্ৰমৰ বিকাশ, শিক্ষা দান কৌশল, শিকণ সামগ্ৰী, মূল্যাংকণ পদ্ধতি, শিক্ষা গ্ৰহণৰ মঞ্চ আদিয়েই হওক। ৰাষ্ট্ৰীয় নীতিয়ে প্ৰতিবন্ধী সম্বন্ধীয় দৃষ্টিভংগী গ্ৰহণৰ ঠাইত সৰ্বাত্মক শিক্ষাৰ প্ৰতি এটা শিক্ষামূলক দৃষ্টিভংগী অৱলম্বন কৰিছে। ই বিচ্ছিন্ন পৰিৱেশত প্ৰতিবন্ধী ল'ৰা-ছোৱালীক একাষৰীয়াকৈ ৰখা আৰু তেনে পৰিচয় প্ৰদান কৰাৰ পৰা আঁতৰি অহা মনোভাবক সমৰ্থন জনায়। ই এটা নিৰ্দিষ্ট, লক্ষণীয় আৰু প্ৰাপ্তযোগ্য পদক্ষেপৰ সৈতে দৃষ্টি আৰু লক্ষ্যক একীকৰণ কৰাৰ ওপৰত গুৰুত্ব দিছে—যিটোৱে প্ৰত্যেক ল'ৰা-ছোৱালীক এটা সমৰ্থিত আৰু যতনমূলক পৰিৱেশত শিক্ষাৰ অধিকাৰৰ পিনে আগুৱাই নিয়াত নিশ্চিত কৰিব পাৰে। আৰু সেই পৰিৱেশে প্ৰতিবন্ধী তথা লিঙ্গৰ ভিত্তিত যাতে কোনো বৈষম্যমূলক বিচাৰ নকৰে, তাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিছে। এই ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে এটা বৃহৎ পৰিৱৰ্তন সধাৰ প্ৰভূত সম্ভাৱনা আছে যেতিয়া ইয়াক তৃণমূল পৰ্যায়ত ৰূপায়ণ কৰা হ'ব।

আহক আমি এটা সৰ্বাত্মক শিক্ষা পদ্ধতিৰ দিশত কাম কৰো—যাৰদ্বাৰা এটা অনুকূল পৰিৱেশত বিশেষ প্ৰয়োজনীয়তাৰ সকলো শিকাৰুৰ বাবে সম্পূৰ্ণৰূপে দুৱাৰ খোল খাব। স্কুল শিক্ষা পদ্ধতি, ই-লাৰ্ণিং ব্যৱস্থা, প্ৰস্তাৱিত স্বয়ম অনলাইন লাৰ্ণিং, সৰ্ব দিশ সামৰি লোৱা শিক্ষক-প্ৰশিক্ষণ কাৰ্যসূচী, ৰাষ্ট্ৰীয় দক্ষতা বিকাশ কাৰ্যসূচী, বৰ্তমানে থকা সকলো শিক্ষকৰ উপযুক্তভাৱে গঢ় গঠন আৰু অন্যান্য ব্যৱস্থাৱলীয়ে আমাৰ শিক্ষা ব্যৱস্থাক বাস্তৱায়িত কৰি তুলিব। ❒

২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।

# বিশেষভাৱে সক্ষমসকলৰ সামাজিক অন্তৰ্ভুক্তি ঃ বিষয় আৰু কৌশলসমূহ

সন্ধ্যা লিমায়ে*

সমাজত অৱহেলিত লোকক সহানুভূতিৰ চকুৰে চোৱাটো হ'ল এটা ইতিবাচক কাৰ্য—যিটোৱে দৃষ্টিভঙ্গী গ্ৰহণ কৰাৰ (অৰ্থাৎ বহিৰ্ভূতকৰণৰ) স্থিতি আৰু অভ্যাসৰাজিৰ পৰিৱৰ্তন সূচনা কৰাত সহায় কৰে। বিশ্ব বেংকে সামাজিক অন্তৰ্ভুক্তিৰ বিষয়টোক লোকবিশেষৰ সামৰ্থ্য, সা-সুবিধা আৰু মৰ্যাদা উন্নীত কৰণৰ প্ৰক্ৰিয়া ৰূপে অভিহিত কৰিছে। তেওঁলোকৰ পৰিচয় ভিত্তিত যি অসুবিধাৰ সন্মুখীন হয় তাক তেনে প্ৰক্ৰিয়াৰে সমাজত অংশ গ্ৰহণ কৰিবলৈ সুচল কৰে।

গোলকীয়ভাৱে প্ৰতিবন্ধী লোকক এক অন্যতম সংখ্যালঘু গোট ৰূপে চিহ্নিত কৰিছে। এনে লোক অৱহেলা, বঞ্চনা আৰু সমাজত গণ্য নোহোৱা ভাবধাৰাৰ চিকাৰ হয়। কিন্তু সুখৰ কথা এই যে কুৰি শতিকাৰ পাছৰ ভাগটোত প্ৰায়ভাগ দেশেই প্ৰতিবন্ধী লোকক কিছু নহয় কিছু ধৰণৰ সহায় আগবঢ়ায়। এনে সহায় অৰ্থদান আৰু প্ৰতিষ্ঠানমূলক তত্বাৱধানৰ পৰা আৰম্ভ কৰি মানৱ—অধিকাৰৰ দৃষ্টিভঙ্গীৰে পুনৰ সংস্থাপন কাৰ্যও হাতত লয়। আৰু এইবোৰ চৰকাৰী তথা বেচৰকাৰী প্ৰয়াসত কৰা হয়। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত চৰকাৰৰ তৰফৰ পৰা এই সীমামূৰীয়া গোটসমূহৰ দায়িত্ব গ্ৰহণ কৰা হয়। প্ৰতিবন্ধী লোকসকলৰ কল্যাণ আৰু পুনৰসংস্থাপনৰ বাবে বিভিন্ন কাৰ্যসূচী প্ৰস্তুত কৰা হয়।

প্ৰতিবন্ধী লোকসকলে বিস্তৃত পৰিসৰত বহু বাধা-বিঘিনীৰ সন্মুখীন হয়, যেনে—দৃষ্টিভঙ্গীৰ ফালৰ পৰা বাধা, শাৰীৰিকভাৱে বাধা আৰু সামাজিক-ভাৱেও বাধা — যিটোৱে তেওঁলোকক সমাজত আঁকোৱালি লোৱাত বিৰূপ প্ৰভাৱ পেলায়। দৃষ্টিভঙ্গীৰ ক্ষেত্ৰৰ পৰা বাধা হ'ল প্ৰতিবন্ধী লোকসকলৰ প্ৰতি সমাজৰ নেতিবাচক দৃষ্টিভঙ্গী, কিয়নো প্ৰতিবন্ধী বুলিলে এটা সামাজিক চেকা ৰূপে গণ্য কৰা হয়। সমাজে বিশ্বাস কৰে যে এজন লোক প্ৰতিবন্ধী হোৱাটো হ'ল অতীত কৰ্মৰ ফল বা ভাগ্যতেই লিখা থাকে। এই পৰিস্থিতি কোনেও সলনি কৰিব নোৱাৰে, কিয়নো ই হ'ল ভগৱানে দিয়া শাস্তি। এই বাধাসমূহৰ ক্ৰমবৰ্দ্ধমান প্ৰভাৱ সমাজত অন্যভাৱে পৰে। তেনে লোকক সমাজৰপৰা সীমামূৰীয়া কৰি ৰখা হয়। অৰ্থনীতিৰ পৰাও তেওঁলোকক একাষৰীয়া কৰা হয়। প্ৰতিবন্ধী নোহোৱা অৰ্থাৎ সাধাৰণ লোকৰ তুলনাত তেনে লোকে দৈনন্দিন জীৱনৰ বহু দিশতে অসুবিধাত ভোগে। এনে লোকে ভোগ কৰা বেয়া ফলাফলে তেওঁলোকৰ নিজৰ তথা পৰিয়াল উভয়ৰে জীৱনৰ গুণগত দিশ হ্ৰাস কৰে। তেওঁলোকৰ বহুতেই একাষৰীয়া আৰু অনাকাংক্ষিত অনুভৱ কৰে আৰু এইটো অনুভৱ কৰে যে সমাজেও তেওঁলোকক এটা বোজা ৰূপে ভাবিব পাৰে। তেওঁলোকৰ পৰিয়াল—পিতৃ-মাতৃ, ল'ৰা-ছোৱালী আৰু সন্তান—নেতিবাচক দৃষ্টিভঙ্গীৰ সন্মুখীন হ'ব পাৰে। দৰিদ্ৰতা আৰু সামাজিকভাৱে বহিৰ্ভূত-কৰণ অৱস্থাৰ সন্মুখীন হ'ব পাৰে। বহুতেই অনুভৱ কৰে যে নিজৰ স্থিতি ঠিক কৰিবৰ কাৰণে যি সমৰ্থন পোৱা উচিত তাৰ বাবে তেওঁলোকে সমাজত যুঁজ দি দীৰ্ঘ দিন কটায় —যিটো ধৈৰ্যৰ সীমাৰ বাহিৰত হ'লেও কোনো উপায় নাথাকে।

সীমামূৰীয়া অৱস্থাত উপনীত হোৱাটো হ'ল বহিৰ্ভূতকৰণৰ দৰেই — যিটোৱে ব্যক্তিগতভাৱে এটা সম্পূৰ্ণ সামাজিক জীৱন কটোৱাৰ পৰা বঞ্চিত কৰে। ইজনে সিজনৰ লগত মিলি-জুলি থকা আৰু সামাজিক স্তৰতো ই ক্ৰিয়া কৰে। সামাজিক গাঁথনিত একাষৰীয়া অৱস্থাৰ আধাৰ বহুত আছে। প্ৰতিবন্ধকতাৰ হেতু যিবোৰ অসুবিধাৰ সন্মুখীন হোৱা যায় তাক অন্যান্য সামাজিক কাৰণসমূহেও বৰঙণি যোগায়। তেনে কাৰণৰ ভিতৰত উল্লেখযোগ্য হ'ল—বৰ্ণ, গোষ্ঠী, ধৰ্ম, অৱস্থান, অঞ্চল ইত্যাদি। ইয়াত লিঙ্গ ভেদ কথা নাই। প্ৰতিবন্ধকতা আৰু লিঙ্গৰ বিষয়টো হ'ল এক শাৰীৰিক গাঁথনি। এজন প্ৰতিবন্ধী লোকৰ বাবে পুৰুষত্বৰ সাধাৰণ সংজ্ঞা শক্তি, শাৰীৰিক সামৰ্থ্য আৰু স্বতন্ত্ৰতাক মাপ কৰিবলৈও অপাৰগ অৱস্থাত পৰে। এগৰাকী প্ৰতিবন্ধী মহিলাক ঘৰুৱা কাম-

*সন্ধ্যা লিমায়ে মুম্বাইস্থিত টাটা ইনষ্টিটিউট অৱ ছ'ছিয়েল ছাইন্সৰ ছেন্টাৰ ফৰ ডিজএবিলিটি ষ্টাডিজ এণ্ড একশ্বনৰ সহযোগী অধ্যাপিকা। তেওঁ ৰকফিলাৰ ফে'ল' (বিলেজিঅ' ৰেছিডেণ্ট) ফুলব্ৰাইট আৰু ইৰেছমাছ মুণ্ডুছ ফে'ল'।

কাজত পূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ অসমৰ্থ হয় বুলি বিবেচনা কৰা হয়। তেনেদৰে পত্নী আৰু মাক হোৱাৰো অযোগ্য বুলি জ্ঞান কৰা হয়। যথাযথ সৌন্দৰ্য ৰক্ষা আৰু চেহেৰাৰ পিনৰ পৰা নাৰী সুলভ গুণৰ প্ৰতি সচেষ্ট হোৱাটো সমৰ্থৱান নহয় বুলি ধৰা হয়। তেওঁলোক হ'ল অতি সীমিত অৱস্থাত থকা নাৰী আৰু তেওঁলোকক অতি বেয়া ধৰণে ব্যৱহাৰ কৰা হয়। সেয়া শতিকাৰ পিছত শতিকা ধৰি শাৰীৰিক, মানসিক আৰু সামাজিকভাৱে অপব্যৱহাৰ কৰা হয়। দেখ দেখকৈয়ে তেওঁলোকক অৱহেলা কৰা হয়। কথা-বাৰ্তাৰে দুৰ্ব্যৱহাৰ কৰা হয়, শাৰীৰিকভাৱে শাস্তিও প্ৰদান কৰা হয় আৰু যৌনভাৱেও অত্যাচাৰ কৰা হয়।

প্ৰাথমিক বিদ্যালয়ত পঢ়ি থকা কালছোৱাত সাধাৰণ আমোদজনক বিষয়, স্কুলীয়া কাম-কাজ আৰু খেলা-ধূলাৰ জৰিয়তে বন্ধুত্ব গঢ়ি তোলা হয়। কিন্তু বহু প্ৰতিবন্ধী ল'ৰা-ছোৱালীৰ ভাব-বিনিময় কৰিবৰ কাৰণে যি সামাজিক ছল-চাতুৰী, কৌশলৰ আৱশ্যক তাৰ অভাৱ পৰিলক্ষিত হয়। এনে বন্ধুত্ব গঢ়ি তুলিবৰ বাবে দেখ-দেখকৈয়ে প্ৰয়োজনীয় বিষয়টো হ'ল ভাব বিনিময় কৰাটো। ইয়াত কেনেকৈ যোগাযোগ (অৰ্থাৎ ভাৱ বিনিময়) কৰিব লাগে তাক শিকা আৰু সম্বন্ধ গঢ়ি তোলা কৌশলৰ বিষয়টো জড়িত আছে আৰু সেই কাম প্ৰাথমিক স্তৰৰ সামাজিক চক্ৰৰ (অৰ্থাৎ পৰিয়াল) সৈতে ল'ৰা এটা বা ছোৱালী এজনীয়ে কথা-বাৰ্তা পাতি তথা সমন্ধীয় লোক আৰু গোটসমূহৰ দৰে অন্যান্য সামাজিক চক্ৰক লগ ধৰিবলৈ বাহিৰলৈ গৈ আলাপ কৰাৰ প্ৰয়োজন আছে। শিশু অৱস্থাৰ আগতীয়া কালছোৱাতেই আচাৰ-পাতিৰ সামাজিক ধৰণ-কৰণ গঢ় লৈ উঠে; সেয়ে আগ কালছোৱাৰ সামাজিক অভিজ্ঞতাই তেনে শিশু বয়স হ'লে কেনে ধৰণৰ হ'ব তাক আকাৰ দিয়াত ব্যাপকভাৱে প্ৰভাৱ পেলায়। শ্ৰৱণ শক্তিৰ বাধা থকা আৰু চতুৰ তথা বুদ্ধিৰ দিশৰ প্ৰতিবন্ধী ল'ৰা-ছোৱালীয়ে তেওঁলোকৰ ওচৰে-পাঁজৰে থকা লোকৰ সৈতে উপযুক্তভাৱে যোগাযোগ পদ্ধতিক কামত লগাবলৈ অসমৰ্থ হয়। নতুন বন্ধুত্ব লাভ কৰাত কঠিনতাই দেখা দিয়া হেতু নিজৰ স্থিতি অটুট ৰখাত অৱনমিত হোৱা পথ প্ৰশস্ত কৰে আৰু তাৰ ফলত তেনে ল'ৰা-ছোৱালী সামাজিকভাৱে মিলি-জুলি থকাত অসুবিধাৰ সৃষ্টি কৰে। একাষৰীয়া অৱস্থা আৰু চিন্তা-ভাৱনা বৃদ্ধি হোৱাৰ ডাঙৰ সমস্যা তথা মূল কাৰণ হ'ল ঘাই সুঁতিৰ অৱস্থাৰদ্বাৰা পোষণ কৰা যোগাযোগ কঠিনতা। আনহাতে দৃষ্টি আৰু জঠৰতাত ভোগা প্ৰতিবন্ধী ব্যক্তিৰ সীমাবদ্ধতা সহজে বুজিব পৰা যায় আৰু সেয়ে সমাজেও এনে সীমাবদ্ধতাক গ্ৰহণ কৰি লয়। সেই বাবে ভিন্ন প্ৰতিবন্ধী লোকৰ স'তে অন্য মানুহৰ লগত ভাব বিনিময় কৰিবলৈ সমাজখনক এক সুযোগ দিয়াটো গুৰুত্বপূৰ্ণ আৰু তেনে লোকক সামাজিক অন্তৰ্ভুক্তি কৰাৰ পৰিৱেশ সৃষ্টি কৰিবৰ বাবে সহায় কৰিবলৈ এটা পথ উলিওৱা দৰকাৰ।

ভাবিব পৰা কিছু প্ৰতিবন্ধী লোক আছে যি তেওঁলোকৰ অৱস্থাৰ বাবে তেওঁলোকেই দায়ী বুলি মানি ল'বলৈ টান পায়। কাৰণ তেওঁলোকক শিক্ষা, নিয়োগ আৰু অন্যৰ সৈতে অৰ্থপূৰ্ণ সম্পৰ্ক স্থাপন কৰিবৰ বাবে সুযোগ-সুবিধা দিয়া নহয়। বৰং তেওঁলোকক অনুপাদনমূলক অৰ্থাৎ কামত নহা লোক ৰূপে মোহৰ মাৰি দিয়া হয়। ফলস্বৰূপে তেওঁলোকক এটা বোজা ৰূপে জ্ঞান কৰা হয়।

বহু প্ৰতিবন্ধী লোক নিজৰ থলুৱা সম্প্ৰদায় আৰু অৰ্থনীতিলৈ উপযুক্ত-ভাৱে বৰঙণি যোগাবলৈ সমৰ্থৱান নহ'লেও সঠিকভাৱে সহায় সমৰ্থন পালে তেওঁলোক এটা কৰ্ম শক্তি হ'ব পাৰে আৰু সক্ৰিয়ভাৱে তেওঁলোকে অংশ গ্ৰহণ কৰিব পাৰে। কাম নকৰাকৈ থকা তেওঁলোকৰ কিছু লোক আছে, কিন্তু তেওঁলোকৰ দক্ষতা আৰু সামৰ্থ্যৰ অভাৱ নাই—যদিহে তেওঁলোকৰ সম্ভাৱনাৰাজিক সঠিকভাৱে কামত লগাব পৰা যায়। আনহাতে এইটো কোৱা নিস্প্ৰয়োজন যে কাম-কাজ তথা উপাৰ্জন কৰিবলৈ সবল কিম্বা সক্ষম কৰাৰ পৰিৱৰ্তে বহু প্ৰতিবন্ধী লোক আছে যিসকলে লাভালাভ আৰু চৰকাৰ তথা পৰিয়ালৰ সমৰ্থনৰ ওপৰত নিৰ্ভৰ কৰে। তেওঁলোকৰ কৰ্ম জীৱন কালত শোচনীয় অৰ্থনৈতিক অৱস্থাৰ হেতু বৃদ্ধ বয়সত আৰামেৰে কটোৱাত বাধা প্ৰাপ্ত হয়। ফলস্বৰূপে অৱসৰ কালৰ জীৱন সুখৰ হৈ নুঠে।

শাৰীৰিক বাধাৰ সন্দৰ্ভত ক'বলৈ গ'লে বহু প্ৰতিবন্ধী লোকৰ ক্ষেত্ৰত অনুকূল আবেষ্টনী বা পৰিৱেশ পোৱাটো মস্কিল হয়। উদাহৰণ স্বৰূপে পৰিবহণ পদ্ধতিৰ কথা ক'ব পাৰি, বিল্ডিঙত সহজে প্ৰৱেশ কৰাৰ কথা ক'ব পাৰি। তাত তেওঁলোকৰ বাবে সহজলব্ধ সুবিধা নাই। মুম্বাইত যাতায়ত কৰা প্ৰতিবন্ধী লোকৰ বাবে ৰে'লগাড়ী আৰু ষ্টেচন সমূহৰ যি আন্তঃগাঁথনি আৰ্হি আছে তাত সুচলভাৱে প্ৰৱেশ কৰা সহজ নহয়। গতিকে আন অ-প্ৰতিবন্ধী লোকৰ দৰে প্ৰতিবন্ধী সকলৰো ৰে'লগাড়ীত নিৰাপদজনকভাৱে ভ্ৰমণ কৰাৰ যি অধিকাৰ আছে তাক স্বীকৃতি দিয়াটো গুৰুত্বপূৰ্ণ কথা। তেওঁলোকৰ ভিন্ন ধৰণৰ শাৰীৰিক অসুবিধা থকাৰ বাবে ৰে'লৰে বোৰ্ডক সা-সুবিধা প্ৰদান কৰিবলৈ কোৱাৰ অধিকাৰো প্ৰতিবন্ধী-সকলৰ আছে।

ভিন্ন ধৰণৰ শাৰীৰিক প্ৰতিবন্ধকতা থকা লোকৰ ভিন ভিন আৰশ্যকতাবোৰ সমাধান কৰিবলৈ চৰকাৰৰ যি নীতি আছে সেইবোৰ নীতি তৈয়াৰ কৰাৰ সময়ত ভিন্ন প্ৰতিবন্ধী লোকৰ গোটবিশেষৰ বিষয় সম্পৰ্কে চিন্তা নকৰে কিম্বা তেওঁলোকৰ লগত আলোচনা নকৰে। সেয়ে সততেই প্ৰতিবন্ধী লোক-সকলে অনুভৱ কৰে যে তেওঁলোকে এনে এক পদ্ধতিত সোমাই পৰিছে যিটো অসম্পূৰ্ণ, জটিল তথা আমোলা তান্ত্ৰিক; আৰু যিটোৱে প্ৰতিবন্ধীসকলৰ জীৱন উন্নত তথা সমাজ জীৱনত অন্তৰ্ভুক্তি-কৰণৰ প্ৰয়োজনীয়তা বোধ নকৰে। এই ৰাজনৈতিক বিচাৰ-বুদ্ধি তথা ন্যায়িক প্ৰক্ৰিয়াই প্ৰতিবন্ধীসকলক একাষৰীয়া কৰা আৰু সীমামূৰীয়া অৱস্থাত ৰখাৰ পথ প্ৰশস্ত কৰে আৰু তাৰ ফলস্বৰূপে পৰিণতি হয় সামাজিক বহিৰ্ভূতকৰণ।

**কৌশল**

এক কথাত ক'বলৈ গ'লে সামাজিক অন্তৰ্ভুক্তিকৰণৰ দাবী হ'ল সমাজৰ নিষ্পেষণৰ বিৰুদ্ধে কৰা এটা প্ৰতিবাদ। ইয়াৰ যন্ত্ৰণা আৰু শোষণ ব্যৱস্থাৰ অৱসান ঘটোৱাটো গুৰুত্বপূৰ্ণ। ওপৰত উল্লিখিত বিভিন্ন বাধাসমূহ দূৰ কৰাটো হ'ল প্ৰতিবন্ধী লোকক সবলীকৰণ কৰাৰ মূল চাবি-কাঠী; আৰু তাৰদ্বাৰাই নাগৰিক ৰূপে ঘৰ, সমাজ তথা কৰ্মথলীত তেওঁলোকৰ দায়িত্বক কাৰ্য ৰূপ দিবৰ কাৰণে সুযোগ-সুবিধা প্ৰদান কৰাৰো হ'ল এক চাবি-কাঠী, এতিয়া সময় হ'ল আনৰ ওপৰত নিৰ্ভৰ কৰা অভ্যাস আৰু মনোবৃত্তি তথা কম আশা-আকাঙ্খ্যাৰ মানসিকতাৰ অৱসান ঘটোৱা আৰু তাৰ পৰিৱৰ্তে এনে এখন সমাজৰ পিনে আগবাঢ়ি যোৱা— য'ত আমি প্ৰতিবন্ধী লোকক বিনিয়োগ কৰো, সবল কৰো আৰু কাম-কাজত অংশ গ্ৰহণ কৰিবলৈ সমৰ্থন জনাওঁ।

চৰকাৰে অকলেই এই বাধাবোৰ দূৰ কৰিব নোৱাৰে। তাৰ বাবে প্ৰতিবন্ধী লোক, নিয়োগ কৰ্তা, স্বাস্থ্যৰ ক্ষেত্ৰত কাম কৰা পেছাদাৰী ব্যক্তি, শিক্ষা প্ৰদান কৰোঁতাসকল আৰু থলুৱা সম্প্ৰদায়ৰ সহায় সমৰ্থনৰ প্ৰয়োজন। সা-সামগ্ৰী যোগান ধৰোঁতা আৰু ৰাইজক সেৱা আগবঢ়াওঁতা সকলৰো মূল ভূমিকা গ্ৰহণ কৰিব লগা আছে—যাতে প্ৰতিবন্ধী লোকসকলৰ জীৱন ধাৰা উন্নত হয় আৰু সমাজতো তেওঁলোকক ভালদৰে আঁকোৱালি লোৱা হয়।

ইয়াক নিশ্চয়েই সাৱধানেৰে পৰিকল্পনা কৰিব লাগিব, উপযুক্ত সম্পাদৰাজিৰে পৰিপুষ্ট কৰিব লাগিব তথা এটা দৃশ্যপট আগত ৰাখি ৰূপায়ণ কৰিব লাগিব। তাৰ বাবে ব্যৱস্থাৰাজি এনে ধৰণৰ হ'ব লাগিব—

১। বিভিন্ন ধৰণৰ প্ৰতিবন্ধী, তেওঁলোকৰ আৰশ্যকতা আৰু তেওঁলোকৰ সামৰ্থ্যৰ সন্দৰ্ভত এই কামত জড়িত বিভিন্ন ব্যক্তি আৰু সংগঠনৰ বাবে সজাগতা কাৰ্যসূচী।

২। বিভিন্ন ব্যক্তি আৰু সংগঠনৰ বাবে সেৱা আগবঢ়োৱা প্ৰশিক্ষণ লাভ কৰা প্ৰয়োজন। চিকিৎসা বিষয়ৰ পেছাদাৰীসকল, শিক্ষক,চৰকাৰী চাকৰিয়াল, অধিবক্তা, নিয়োগকৰ্তা, নিয়োগ বিষয়া, স্থানীয় সমাজৰ নেতাসকলকো এই ক্ষেত্ৰত অন্তৰ্ভুক্ত কৰা প্ৰয়োজন —যাতে প্ৰতিবন্ধী-সকলৰ বিষয়ে বহু কথা জানিব পাৰে আৰু তেওঁলোকৰ লগত কাম কৰোঁতে দক্ষতাৰো বিকাশ হয়— যিটোৱে প্ৰতিবন্ধী সমন্ধে দৃষ্টিভংগী পৰিৱৰ্তন কৰিব পাৰে।

৩। প্ৰতিবন্ধী লোকসকলৰ শক্তি আৰু সামৰ্থ্যৰ ওপৰত আলোকপাত কৰা আৰশ্যক আৰু তেওঁলোকে নিজে নিজে সবল হ'বলৈ উৎসাহ প্ৰদান কৰা প্ৰয়োজন।

৪। প্ৰতিবন্ধীৰ সন্দৰ্ভত বাধ্যতামূলক পাঠ্যক্ৰম প্ৰস্তুত কৰা প্ৰয়োজন। বিভিন্ন ধৰণৰ প্ৰতিবন্ধকতা থকা ল'ৰা-ছোৱালীৰ কাৰণে উপযুক্ত শিক্ষা দানৰ অৰ্থে শিক্ষকসকলক প্ৰশিক্ষণ দিয়া উচিত আৰু বি এড তথা এম এড প্ৰশিক্ষণ পাঠ্যক্ৰমত এইবোৰ বিষয় অন্তৰ্ভুক্ত কৰা দৰকাৰ।

৫। প্ৰতিবন্ধী লোকসকলে সমাজত বৰঙণি যোগাবৰ কাৰণে নিশ্চয়েই সুযোগ-সুবিধা পাব লাগিব। তাৰ বাবে বিশেষজ্ঞ আৰু ঘাইসুঁতিৰ নীতিৰদ্বাৰা সমৰ্থিত হ'ব লাগিব — যাৰ ফলত তেওঁলোকক সামাজিক অন্তৰ্ভুক্তিৰ এটা অংশ স্বৰূপ হোৱাত সহায় কৰিব; কিয়নো তেতিয়া সমাজে তেওঁলোকৰ সামৰ্থ্যৰ বিষয়ে বুজি পাব।

৬। প্ৰতিবন্ধী লোকৰ আৰশ্যকতাসমূহ ঘাইসুঁতিৰ সকলো নীতি আৰু ৰূপায়ণ কৰিব লগা কাৰ্যৰ ভিতৰত অন্যান্য নাগৰিকৰ লগতে আগতীয়াকৈ সন্নিৱিষ্ট কৰা উচিত।

৭। প্ৰতিবন্ধী লোকসকলে লাভ কৰা চৰকাৰৰ সমৰ্থন আৰু সেৱা পৰিৱৰ্তন হোৱা আৰশ্যক। ইয়াৰ বাবে চৰকাৰ আৰু প্ৰতিবন্ধীৰ মাজত পৰ্যাপ্তভাৱে আলাপ-আলোচনাই বিকাশ লাভ কৰা প্ৰয়োজন।

৮। বাধামুক্ত আৰু সৰ্বাত্মক পৰিৱেশৰ কাৰণে সাৰ্বজনীন আৰ্হি গ্ৰহণ কৰি ৰূপায়ণ কৰা প্ৰয়োজন। ❐

# প্ৰতিবন্ধকতা আৰু কল্যাণৰ সিপাৰে সহজসাধ্যতা

**শিৱানী গুপ্ত***

বিশেষভাৱে সক্ষম ব্যক্তি এজনৰ বাবে সহজলভ্যতা এটা প্ৰাথমিক চৰ্ত। ই এজন ব্যক্তিক স্বাধীনভাৱে জীয়াই থকাৰ সুবিধা দিয়াৰ লগতে নিজ নিজ ক্ষেত্ৰত সুবিধাজনকভাৱে আৰু নিৰাপদভাৱে অংশগ্ৰহণ কৰাৰ ক্ষমতা প্ৰদান কৰে। অক্ষমতা আৰু সহজলভ্যতাক পৰস্পৰ ব্যস্তানুপাতিক বুলি ক'ব পাৰি, কিয়নো সহজলভ্যতা বৃদ্ধি পোৱাৰ লগে লগে অক্ষমতাৰ স্তৰো হ্ৰাস হৈ আহে। সহজলভ্যতা প্ৰতিজন ব্যক্তিৰ জন্মগত অধিকাৰ। ই কেৱল অক্ষম বা জ্যেষ্ঠ ব্যক্তিৰ ক্ষেত্ৰত সীমাবদ্ধ নহয়।

বিশেষভাৱে সক্ষম ব্যক্তি সকলৰ ক্ষেত্ৰত সহজলভ্যতাই নিজৰ শিপা বিচাৰি লোৱাৰ লগতে একোটা বন্ধনমুক্ত পৰিবেশৰ বাবে সহযোগ আগবঢ়ায়। সময়ৰ লগত ই এটা সৰ্বজনস্বীকৃত আৰ্হিলৈ ৰূপান্তৰিত হয়। সুবিধা, লিংগ, বয়স, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক পাৰ্থক্য নিৰ্বিশেষে সকলো লোকলৈকে সমান লাভ সৃষ্টি কৰিব পৰাকৈ বিশ্বজনীন আৰ্হি তৈয়াৰ কৰা হয়। বৈশ্বিক আৰ্হিৰ নিৰ্মাণৰ বুনিয়াদী স্তৰতে এনে ধৰণৰ চিন্তা থাকিব লাগিব যাতে বিশেষভাৱে সক্ষম ব্যক্তি সকলৰ বাবে 'বিশেষ' আৰ্হিৰ লগতে সাধাৰণ লোকসকলৰ কাৰণেও 'সাধাৰণ' আৰ্হি অন্তৰ্ভুক্ত হ'ব। লগতে ঘৰৰ চৌহদ , আঁচনি, প্ৰযুক্তি আৰু উৎপাদনৰ ক্ষেত্ৰত এনে আৰ্হি প্ৰস্তুত কৰিব লাগিব যাতে কোনো ধৰণৰ অতিৰিক্ত অভিযোজন নাইবা বিশেষীকৃত আৰ্হি সংযোগ নকৰাকৈ সকলো ব্যৱহাৰকাৰীৰ কাৰণে সুলভ হ'ব, য'ত একেসময়তে স্বাধীনতা, নিৰাপত্তা আৰু ব্যৱহাৰযোগ্যতা থাকিব। এই আৰ্হি ক্ৰয়ৰ ক্ষেত্ৰতো বিশেষভাৱে সক্ষম ব্যক্তি বা আন শ্ৰেণীৰ ক্ষেত্ৰতো সহজলভ্যতাক গুৰুত্ব দিয়া হৈছে।

ডী ইউনাইটেড নেশ্বনছ ষ্টেণ্ডাৰ্ড ৰোলছ্ অন ডী ইকুৱেলাইজেশ্বন অফ্ অপৰচুনিটিছ ফৰ পাৰ্ছনছ উইথ ডিজেবিলিটি (১৯৮৩)[১] আইনৰ পঞ্চম দফাই (সহজলভ্যতা) বিশ্বজনীনভাৱে পাৰিবেশিক সহজলভ্যতাৰ বিষয়ত প্ৰতিষ্ঠিত আৰু বাস্তৱিক নিৰ্দেশনা প্ৰদান কৰিছে। বিশেষভাৱে অক্ষম লোকৰ অধিকাৰ (চি.আৰ.পি.ডি.)[২] বিষয়ত হোৱা শেহতীয়া বৈঠকত সহজলভ্যতাক সাধাৰণ নীতি হিচাপে গুৰুত্ব দিয়া হৈছে। এটা সাধাৰণ নীতি হিচাপে বৈঠকৰ সকলো বিষয় কাৰ্যকৰী হোৱাৰ ক্ষেত্ৰত সহজলভ্যতাক গুৰুত্ব প্ৰদান কৰিব লাগিব। ২১ নং অনুচ্ছেদৰ 'মত প্ৰকাশ আৰু তথ্য জনাৰ অধিকাৰ', ২০ নং অনুচ্ছেদৰ 'চলা-ফিৰাৰ স্বাধীনতা'ৰ সৈতে এটা বিশেষ অনুচ্ছেদ হিচাপে, সহজলভ্যতাৰ ৯ নং অনুচ্ছেদকো গুৰুত্ব প্ৰদান কৰা উচিত।

আঞ্চলিক স্তৰত, এছিয়ান এণ্ড পেছিফিক ডিকেড ফৰ পাৰ্ছনছ উইথ ডিজেবিলিটিছ (২০১৩-২০২২)-ৰ তিনি নম্বৰ লক্ষ্যই শাৰীৰিক পৰিৱেশ, ৰাজহুৱা পৰিবহণ, জ্ঞান, তথ্য আৰু যোগাযোগৰ ক্ষেত্ৰত আলোকসম্পাত কৰিছে। এই লক্ষ্যত উপনীত হ'বৰ বাবে ভাৰতে একছেছিব'ল ইণ্ডিয়া কেম্পেইন (এ.আই.চি.) প্ৰৱৰ্তন কৰিছে।

**দ্য একছেছিবল্ ইণ্ডিয়া কেম্পেইন**

একছেছিব'ল ইণ্ডিয়া কেম্পেইন (এ.আই.চি.) হ'ল বিশ্বজোৰা এটা অভিযান, যাৰ উদ্দেশ্য হ'ল বিশেষভাৱে সক্ষম ব্যক্তি সকলে সমান সুবিধা, স্বাধীন জীৱনৰ লগতে সমাজৰ সকলো ক্ষেত্ৰত যাতে অংশগ্ৰহণ কৰিব পাৰে তাৰ প্ৰয়াস। বিশেষভাৱে সক্ষম ব্যক্তি সকলৰ সৱলীকৰণ বিভাগে (ডি.ই.পি.ডব্লিও.ডি.),সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰাণালয়ৰ অধীনত এই অভিযান আৰম্ভ হৈছে। পৰিবেশ, যাতায়ত, তথ্য আৰু যোগাযোগ উন্নতকৰণৰ দিশত এই অভিযানে গুৰুত্ব প্ৰদান কৰিছে। এ.আই.চি. আঁচনিৰ মুখ্য উপাদান সমূহ হ'ল— ক) অভিযানৰ

১) সাধাৰণ সভাৰ প্ৰস্তাৱ ৪৮/৯৬, অনুচ্ছেদ, দ্বিতীয় অধ্যায়

২) সাধাৰণ সভাৰ প্ৰস্তাৱ ৬১/১০৬, অনুচ্ছেদ

*লিখিকা এক্ছেছ এবিলিটিৰ প্ৰতিষ্ঠাতা হোৱাৰ লগতে ভাৰতৰ জনপ্ৰিয় এক্ছেছ কন্সাল্টেন্ট। সহজলভ্যতা উন্নতকৰণ আৰু সহজলভ্যতা সম্পৰ্কীয় বিষয়ৰ গৱেষণা কৰাৰ লগতে বিশেষভাৱে সক্ষম ব্যক্তি সকলৰ বাবে বিভিন্ন আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত তেওঁ কাম কৰিছে। দেশৰ উপৰি বহু আন্তঃৰাষ্ট্ৰীয় প্ৰকল্পৰ সৈতে জড়িত।

নেতৃত্ব শক্তিশালী কৰা, খ) জনসাধাৰণৰ সজাগতা, গ) কৰ্মশালাৰ জৰিয়তে ক্ষমতা শক্তিশালী কৰা, ঘ) ন্যায়িক কৰ্ম-আঁচনি, প্ৰযুক্তিবিদ্যা, মানৱ সম্পদ উন্নয়ন আদি অন্তৰ্ভুক্ত কৰা আৰু ঙ) ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ সহযোগিতাৰ জৰিয়তে কৰ্পৰেট খণ্ডৰ শক্তি বৃদ্ধি কৰা। ডি.ই.পি.ডব্লিও.ডি. এ অভিযান ৰূপায়ণৰ বাবে বিভিন্ন ৰাজ্যৰ সৈতে বুজা-বুজি পত্ৰত স্বাক্ষৰ কৰিব। ইণ্ডিয়ন ষ্ট্ৰেটিজি (২০১৩-২০২২)- ৰ ৩ নং লক্ষ্যৰ সূচক আৰু লক্ষ্যৰ ওপৰত ভিত্তি কৰি অভিযান[৩] ৰ আঁচনিৰ খচৰা নিৰ্ভৰ কৰিব।

প্ৰথম বাৰৰ বাবে ভাৰতৰ ইতিহাসত সহজলভ্যতাক উপযুক্ত গুৰুত্ব দিয়া হৈছে আৰু ইয়াৰ ফলস্বৰূপেই সমগ্ৰ দেশেই এই অভিযানক হৃদয়েৰে আঁকোৱালি লৈছে। মই ক'ব পাৰোঁ যে এ.আই.চি. এটা সম্ভাৱনাপূৰ্ণ ভৱিষ্যতৰ আৰম্ভণি। এই অভিযানৰ গুৰুত্বপূৰ্ণ দিশটো হ'ল যে সমগ্ৰ দেশতে সহজলভ্যতাৰ ক্ষেত্ৰত ই এটা বৃহৎ সজাগতাৰ সৃষ্টি কৰিব। আনহাতে আৰু এটা প্ৰেৰণাদায়ক কথা হ'ল যে এই অভিযানে কেৱল শাৰীৰিক সহজলভ্যতাক গুৰুত্ব দিয়াই নহয়, তথ্য, যোগাযোগ, পৰিবেশতন্ত্ৰ আদি ক্ষেত্ৰত এটা আদৰণীয় ভূমিকা গ্ৰহণ কৰিছে।

**আগতীয়াকৈ ভৱিষ্যতবাণী কৰিব পৰা কেইটামান প্ৰত্যাহ্বান**

- সহজলভ্যতাৰ ভিত্তি ন্যুনতম প্ৰয়োজনীয়তা আৰু আৰ্হি মান এতিয়ালৈকে স্পষ্ট হোৱা নাই। পৰিবেশতন্ত্ৰ, যাতায়তৰ আন্তঃগাঁথনি, তথ্য আৰু যোগাযোগৰ উপযুক্ত মান, যাতায়তৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত ভাৰতে কোনো নিৰ্দিষ্ট মান মানি চলা নাই। যাতায়তৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত এটা বৃহৎ শূন্যতা পৰিলক্ষিত হয়। পৰিবেশতন্ত্ৰৰ বাবেও বহু ধৰণৰ নিৰ্দেশনা আছে যদিও স্বীকৃতিপ্ৰাপ্ত নোহোৱাৰ বাবে কৰ্তৃপক্ষ সমস্যাত পৰিবলগীয়া হ'ব পাৰে।
- পৰ্যবেক্ষণৰ ক্ষেত্ৰত এই অভিযানে গুৰুত্ব প্ৰদান কৰিছে যদিও দেশত প্ৰশিক্ষণপ্ৰাপ্ত সুলভ নিৰীক্ষকৰ অভাৱ পৰিলক্ষিত হয়। লগতে সুলভ নিৰীক্ষকৰ বাবে দেশত তেনে কোনো প্ৰশিক্ষণৰ ব্যৱস্থা নাই।
- এই অভিযানে কেৱল চহৰ অঞ্চলকহে সামৰি লৈছে। গাঁও অঞ্চলত সহজলভ্যতা উন্নতকৰণৰ কোনো প্ৰচেষ্টা হাতত লোৱা নাই।
- এই অভিযানে চৰকাৰী খণ্ডৰ অধীনৰ আন্তঃগাঁথনি যেনে গৃহ, ৱেবছাইট, বা যাতায়তৰ আন্তঃগাঁথনিত গুৰুত্ব আৰোপ কৰিছে। জনসেৱামূলক কাম-কাজ বা ব্যক্তিগত খণ্ডক এই অভিযানে অন্তৰ্ভুক্ত কৰা নাই। ব্যক্তিগত খণ্ডৰ সুবিধা আৰু সেৱা ক্ষেত্ৰত চৰকাৰে ধন ব্যয় কৰিবলৈ সন্মত নহয়। তথাপি ব্যক্তিগতভাৱে আগবঢ়োৱা ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত চৰকাৰে সহজলভ্যতাক গুৰুত্ব দিয়া উচিত।
- আন্তঃচহৰ আৰু অন্তঃচহৰ ছিটিবাছ সেৱা নাগৰিকৰ বাবে আটাইতকৈ সুলভ মূল্যৰ আৰু উৎকৃষ্ট যাতায়ত ব্যৱস্থা। পথ- পৰিবহন সহজলভ্য কৰাৰ ক্ষেত্ৰত কোনো গুৰুত্ব প্ৰদান কৰা হোৱা নাই।

ৰাজহুৱা খণ্ডৰ আন্তঃগাঁথনি উন্নয়ন আৰু সহজ লভ্যতাৰ দিশত গুৰুত্ব আৰোপ কৰি আঁচনিখন তৈয়াৰ কৰা হৈছে। কিন্তু নতুনকৈ গঢ়ি উঠা ঘৰ, যাতায়ত, তথ্য, যোগাযোগৰ আন্তঃগাঁথনিত গুৰুত্ব প্ৰদান কৰা হোৱা নাই।

**একছেছিবিলিটি ইণ্ডিয়া অভিযানৰ উৰ্দ্ধত**

অক্ষমতা বিশেষ বিষয় হিচাপে লোৱা একছেছিবিলিটি ইণ্ডিয়া অভিযানৰ পৰ্যবেক্ষণ আৰু উন্নতকৰণৰ বাবে এম.এছ.জে.ই.ক দায়িত্ব প্ৰদান কৰা হৈছে। এই আঁচনিৰ পৰা উপকৃত হোৱা লোক সকল আৰু সহজলভ্যতাৰ দিশত কাম কৰা মন্ত্ৰণালয়ৰ সংখ্যাৰ দিশৰ পৰা এই বিষয়টো তুৰীয়ভাৱে স্পৰ্শকাতৰ।

**বিধায়িনী সংশোধন**

প্ৰতিগৰাকী বিশেষভাৱে সক্ষম ব্যক্তিৰ বাবে বিধিগত আৰু আঁচনি গঠন প্ৰক্ৰিয়া প্ৰাথমিক প্ৰয়োজন। এইবোৰৰ ভিতৰত গৃহ-নিৰ্মাণ, চহৰ আৰু গাঁও উন্নয়ন আইন, ৰাজহুৱা যাতায়ত বিধি, ৰে'ল সেৱা, অসামৰিক বিমান সেৱা, জল পৰিবহণ সেৱা, ইন্টাৰনেট বিধি, জৰুৰী আৰু বিপদকালীন সেৱাৰ বিধি, সম্প্ৰচাৰ আৰু যোগাযোগ বিধি, গৃহ নিৰ্মাণ বিধি, ৰাজহুৱা সেৱা আৰু সুবিধাৰ লগত জড়িত শিক্ষা, স্বাস্থ্য, পৰ্যটন, প্ৰশাসন, ক্ৰীড়া, সংস্কৃতিৰ লগত জড়িত আইন আদি।

একছেছিবিলিটি আইন কিছুমান দেশে কাৰ্যকৰী কৰিছে বা কাৰ্যকৰী কৰাৰ নিৰ্দেশনা প্ৰদান কৰিছে, যাতে চি.আৰ.পি. ডি.ৰ সৈতে তেওঁলোকে লোৱা কাৰ্যপন্থা সফল হয়। এই দেশসমূহৰ ভিতৰত পৰে কানাডা[৪] আৰু ইউৰোপীয় সংঘ[৫]। ফিলিপাইনত ১৯৮৩[৬] চনৰ পৰা সহজ-

৩) Accessible India Campaign-Strategy Paper Seen on {http://www.disabilityaffairs.gov.in/upload/uploadfiles/files/strategy%20paper%20(AIC).doex} on 11 November, 2015

৪) http://www.jdsupra.com/legalnews/canada-introduces-accessibility-laws-14325/

৫) http://ec.europa.eu/smart-regulation/impact/planned_ia/docs/2012_just_025_european_accessibility_act_en.pdf

৬) http://www.architectureboard.ph/uploads/1212969359-BP344%20(1983).pdf

লভ্যতা উন্নতকৰণ আইন কাৰ্যকৰী হোৱাৰ লগতে অনুষ্ঠান, গৃহ আদি অন্যান্য সুবিধা নিশ্চিতকৰণৰ জৰিয়তে বিশেষভাৱে সক্ষম ব্যক্তিসকলক সুবিধা প্ৰদান কৰা হৈছে।

**উন্নতমানৰ পৰিৱেশ তন্ত্ৰৰ সৃষ্টি**

- ইনষ্টিটিউট অৱ ইণ্ডিয়ান ছাইন লেংগুৱেজ আৰু নেশ্বনেল ইনষ্টিটিউট অৱ ইনক্লুছিভ এণ্ড য়ুনিভাৰ্ছেল ডিজাইন, এই দুয়োটা প্ৰশিক্ষণ আৰু শিক্ষা প্ৰতিষ্ঠানে আৰম্ভণিৰ পৰা নিজ নিজ কাৰ্যপন্থাত ত্বৰান্বিত হ'ব লাগিব।
- সহজলভ্যতাৰ বিভিন্ন ক্ষেত্ৰ যেনে- গৃহ নিৰ্মাণ, যাতায়তৰ বিভিন্ন সামগ্ৰী, ৰাজহুৱা সেৱা আৰু সুবিধাৰ লগত জড়িত বিভিন্ন আৰ্হিৰ মান, সম্প্ৰচাৰ মান আদিৰ বাবে প্ৰয়োজনীয় আৰ্হিৰ মান উন্নীতকৰণ।

সকলো বৃত্তিগত পাঠ্যক্ৰম যেনে স্থাপত্য, অভিযান্ত্ৰিক আৰ্হিকৰণ, ব্যৱস্থাপনা আদিৰ সৈতে বৈশ্বিক আৰ্হি আৰু সহজলভ্যতাক জৰুৰী পাঠ্যক্ৰম হিচাপে সামৰি ল'ব লাগিব। লগতে বৈশ্বিক আৰ্হি সম্পৰ্কীয় পাঠ্যক্ৰম সহজলভ্য হ'ব লাগিব।

- সকলো ধ্বজাবাহী উন্নয়নমূলক কাৰ্যসূচীত নিৰ্দেশনাত বিশেষভাৱে সক্ষম ব্যক্তিৰ অংশগ্ৰহণ নিশ্চিত কৰিব লাগিব। বাজেট নিৰ্দ্ধাৰণ, ৰূপায়ণ আৰু প্ৰৱেশযোগ্যতাত চোৱা-চিতাৰ প্ৰক্ৰিয়া নিশ্চিত কৰিব লাগিব।
- এটা নতুন গৃহ দখলৰ নথি-পত্ৰত অগ্নি নিৰ্বাপণৰ দৰে সহজলভ্যতাৰ প্ৰমাণ-পত্ৰ থাকিব লাগিব। বৰ্তমান এনেকুৱা এটা নাই।

**ৰাজহুৱা ক্ৰয়**

ভাৰতৰ অ.ই.চি.ডি. তথ্য অনুসৰি মুঠ ঘৰুৱা উৎপাদনৰ[৭] ২০%ৰ পৰা ৩০% ৰাজহুৱা ক্ৰয়ৰ ওপৰত নিৰ্ভৰ কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰ[৮]-এ আৰু য়ুৰোপিয়ান সংঘ[৯] আদি দেশত সহজলভ্যতা উন্নত-কৰণৰ বাবে ৰাজহুৱা ক্ৰয় ব্যৱহাৰ কৰা হয়।

সম্প্ৰতি, ভাৰতত ৰাজহুৱা ক্ৰয় বিধি আৰু অনুশীলনত সহজলভ্যতাক সামৰি লোৱা নাই। ৰাজহুৱা ক্ৰয় ব্যৱস্থাৰ জৰিয়তে বিক্ৰী হোৱা বিভিন্ন সামগ্ৰী আৰু ইয়াত ব্যৱহাৰ হোৱা ৰাইজৰ ধনৰ ক্ষেত্ৰত দেশে এই কথা নিশ্চিত কৰা উচিত যে ক্ৰয়ৰ লগত জড়িত সকলো বিষয়ত বিশেষভাৱে সক্ষম লোকসকলেও ভাগ ল'ব পাৰিব লাগে। ক্ৰয় আঁচনিৰ জৰিয়তে ব্যক্তিগত খণ্ডত এখন সম্ভাৱনাপূৰ্ণ বজাৰ আৰু প্ৰতিষ্ঠানে প্ৰস্তুত কৰা সামগ্ৰী বিক্ৰীৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা উচিত।

**ব্যক্তিগত খণ্ডৰ সেৱা আৰু সুবিধাৰ ক্ষেত্ৰত সহজলভ্যতা**

চৰকাৰে ব্যক্তিগত খণ্ডৰ সেৱা আৰু সুবিধা উন্নত কৰাৰ লগতে সহজলভ্যতাৰ নীতি প্ৰয়োগ কৰাটো গুৰুত্বপূৰ্ণ। বৰ্তমান ভাৰতত ব্যক্তিগত খণ্ডত সহজলভ্যতা নিশ্চিত কৰিব পৰাকৈ কোনো বিধিগত ব্যৱস্থা নাই। যদিও ব্যক্তিগত সেৱা আৰু সুবিধা প্ৰদানকাৰীসকলে বিশেষভাৱে সক্ষম লোকসকলকো সমান সুবিধা প্ৰদান কৰা উচিত। সকলো ধৰণৰ ৰাজহুৱা সেৱা, সেয়া ইণ্টাৰনেটৰ জৰিয়তে প্ৰদান কৰা সেৱাই হওক, বিশেষভাৱে সক্ষম লোকসকলেও সেই সুবিধা বা সেৱা লাভ কৰা উচিত। চৰকাৰে এই সুবিধা কেনেকৈ প্ৰদান কৰিব পাৰিব সেই সন্দৰ্ভত কেইটামান পৰামৰ্শ উল্লেখ কৰা হ'ল ঃ

- ব্যক্তিগত খণ্ডত ৰাজহুৱা ক্ৰয় পদ্ধতিত সহজলভ্যতা নিশ্চিত কৰা। চৰকাৰে যদি সিদ্ধান্ত গ্ৰহণ কৰে যে ৰাজহুৱা ধনেৰে ক্ৰয় কৰা সকলো সামগ্ৰীতে সহজলভ্যতাৰ বিধি প্ৰয়োগ কৰিব পৰা যায়, ব্যক্তিগত খণ্ডৰ প্ৰস্তুতকাৰী সকলক সহজলভ্য সামগ্ৰী প্ৰস্তুতকৰণত ই প্ৰেৰণা যোগাব।
- ব্যক্তিগত খণ্ডই প্ৰদান কৰা সকলো ৰাজহুৱা সেৱা আৰু সুবিধাৰ বাবে চৰকাৰৰ পৰা অনুজ্ঞা-পত্ৰ ল'ব লাগিব। পঞ্জীয়ন পদ্ধতিৰে সহজলভ্যতা নিশ্চিত কৰিলে ইয়াৰ প্ৰয়োগত সুবিধা হ'ব। নিৰ্দ্ধাৰিত বাছ সেৱা আগবঢ়োৱা ব্যক্তিগত খণ্ডৰ যাতায়ত সেৱাক যদি এখন পঞ্জীয়ন-পত্ৰ দিয়া হয়, আৰু এই পত্ৰৰ লগত বিশেষভাৱে সক্ষম লোকসকলৰ বাবে বাছ সেৱা আৰু অনাময় বাধ্যতামূলক কৰা হয়, তেন্তে ব্যক্তিগত খণ্ডৰ বাছ মালিক সকলে সহজলভ্যতাক গুৰুত্ব দিবলৈ বাধ্য হ'ব।

এই প্ৰক্ৰিয়াই বাছ নিৰ্মাণকাৰী সকলৰো দৃষ্টি আকৰ্ষণ কৰাৰ লগতে তেওঁলোকক তেনে বাছৰ আৰ্হি প্ৰস্তুত কৰিবলৈ উৎসাহিত কৰিব।

- সহজলভ্যতা নিশ্চিত কৰিবলৈ প্ৰমাণ-পত্ৰ ব্যৱহাৰ কৰা উচিত। এনে প্ৰমাণ-পত্ৰ সমূহ পৰ্যটন মন্ত্ৰণালয় নাইবা টি.ই.আৰ.আই. আদি ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানে প্ৰদান কৰা কৰে। সহজলভ্যতাৰ অন্তৰ্ভুক্তি আৰু এনে প্ৰমাণ- পত্ৰ প্ৰদানৰ ব্যৱস্থাই ইতিবাচক পৰিৱৰ্তন আনিব। আনহাতে, সহজলভ্যতাক গুৰুত্ব প্ৰদান কৰাৰ ক্ষেত্ৰত প্ৰতিষ্ঠান সমূহক উৎসাহিত কৰা উচিত। অন্যথা ব্যক্তিগত প্ৰতিষ্ঠান সমূহে সহজে ইয়াক উপেক্ষা কৰাৰ সম্ভাৱনা আছে।
- সহজলভ্যতা অন্তৰ্ভুক্তকৰণ সন্দৰ্ভত উন্নত মানৰ পৰ্যবেক্ষণ পদ্ধতি থকা উচিত। ❒

---

৭) http://www.unodc.org/documents/southasia/publications/research-studies/India-PPPs-pdf
৮) http://www.justice.gov/crt/508/archieve/deptofed.html
৯) http://eur-lex.europa.eu/LexUriServ/LexUriServ.do?uri=OJ:L:2004:134:0114:0240:EN:PDF (Article 23)

# বিশেষভাৱে সক্ষম লোকৰ বাবে পৰিবহণ সুচলতা ঃ বৰ্তমানৰ দৃশ্যপট আৰু আগলৈ যোৱাৰ উপায়

**দেৱৰ্ষি চৌৰাছিয়া***

**ভিন্ন ধৰণে শাৰীৰিকভাৱে সমৰ্থৱান লোকৰ বিষয়টো অতিক্ৰম কৰিবলৈ বিশ্বব্যাপী প্ৰয়াস**

সুচল লাভৰ বিষয়টো হ'ল সকলোলৈ সমান সা-সুবিধা লাভ কৰোৱা। তেনে সা-সুবিধা আৰু সেৱা প্ৰদান কৰিব নোৱাৰিলে শাৰীৰিকভাৱে বাধাগ্ৰস্ত লোকসকলক ৰাষ্ট্ৰসংঘৰ চনদত গ্ৰহণ কৰা প্ৰস্তাৱ অনুসৰি কাৰ্যত সম্পূৰ্ণৰূপে পৰিণত কৰা নেযাব (ৰাষ্ট্ৰসংঘ, ২০০৭)। প্ৰতিবন্ধীসকলৰ অধিকাৰ সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ চনদৰ ৯ অনুচ্ছেদৰ অধীনত চৰকাৰসমূহক তাৰ বাবে কেবাটাও বিষয়ত সুচল প্ৰাপ্তি নিশ্চিত কৰিবলৈ সঁকিয়াই দিছে। আৰু এই চনদত স্বাক্ষৰকাৰী দেশৰূপে ভাৰতো আছে। সেই বিষয়কেইটা হ'ল—তথ্য, পৰিবহণ, আৱয়ৱিক পৰিৱেশ, যোগাযোগ প্ৰযুক্তি আৰু সেৱা তথা জৰুৰীকালীন সেৱাৰ প্ৰতি সুচল ব্যৱস্থা।

ভিন্ন ধৰণে শাৰীৰিকভাৱে সমৰ্থৱান লোকসকলৰ কাৰণে সাৰ্বজনীন সুচলতা লাভৰ বিষয়টো প্ৰতিবন্ধী লোক বিষয়ক আইন, ১৯95 হ'ল (সমান সা-সুবিধা, অধিকাৰ ৰক্ষা আৰু সম্পূৰ্ণ অংশগ্ৰহণ) গুৰুত্বপূৰ্ণ। ইয়াৰদ্বাৰাই তেনে লোকক সমান সা-সুবিধা আৰু স্বতন্ত্ৰীয়াভাৱে জীয়াই থকাৰ সুবিধা লাভ কৰিবলৈ গুৰুত্ব আৰোপ কৰিছে তথা এখন সৰ্বাত্মক সমাজৰ জীৱনৰ সকলো দিশতে অংশগ্ৰহণ কৰাৰ সক্ষমতাৰ প্ৰতিও মন দিছে। ৪৪, ৪৫ আৰু ৪৬ ধাৰাৰ অধীনত ই স্পষ্টকৈ পৰিবহণৰ ক্ষেত্ৰত বৈষম্যহীনতাৰ সূচনা কৰিছে। ৰাস্তাত চলাচলৰ ক্ষেত্ৰতো তেনে অৱস্থা বাহাল থকাত গুৰুত্ব দিছে আৰু সচৰাচৰভাৱে গঢ়ি উঠা পৰিৱেশত তেনে লোকৰ বাবে বৈষম্য দূৰীকৰণৰ প্ৰতি আলোকপাত কৰিছে।

**ভাৰতীয় দৃশ্যপট**

ভাৰতীয় চহৰসমূহৰ সৰহভাগ লোক প্ৰতি দিনে নিজ নিজ লক্ষ্য স্থান পাবলৈ ৰাজহুৱা পৰিবহণৰ ওপৰত নিৰ্ভৰ কৰে। তেওঁলোকে অধ্যয়ন, কাৰ্যালয়, উদ্যোগ আদিত কাম-কাজ ইত্যাদিৰ বাবে যাত্ৰা কৰিব লগা হয়। কম সংখ্যক ব্যক্তিগত বাহন, দীৰ্ঘ দূৰত্বৰ গমন, ইন্ধনৰ বাবদ কৰিব লগা অধিক খৰচ আৰু পথৰ ওপৰত চলাচল কৰোঁতে দেখা দিব পৰা স্পৰ্শকাতৰ বিষয়ৰ বাবে বাছ আৰু ৰে'লেৰে যাত্ৰা কৰা বিষয়টোৱে ভাৰতীয় সমাজত এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ইয়াৰ উপৰি হিচাপী হোৱাৰ বিষয়টো অধিকভাৱে বিবেচনাধীন হয়। চহৰসমূহত যিদৰে চাহিদা বৃদ্ধি পাইছে তাৰ গতিশীল অৱস্থাৰ প্ৰতি খাপ খুৱাই ল'বলৈ দেশখনত ৰাজহুৱা পৰিবহণ আন্তঃগাঁথনি যোজনাসমূহৰ ক্ষেত্ৰত বিপুল পৰিমাণে ধন খৰচ কৰা হৈছে, তথাপি প্ৰায়ভাগ আন্তঃগাথনি আৰু সেৱাই ভিন্ন ধৰণৰ শাৰীৰিকভাৱে সমৰ্থৱান লোকক উপকৃত কৰা নাই। আনহাতে এনে অৱস্থাই অন্যান্য স্পৰ্শকাতৰ গোটৰ লোকসকলৰ ক্ষেত্ৰত বিৰূপ পৰিৱেশ সৃষ্টি কৰিছে। তেনে লোকসকল হ'ল— বৃদ্ধ বয়সৰ লোক, ল'ৰা-ছোৱালী, গৰ্ভৱতী মহিলা আৰু সাময়িকভাৱে শাৰীৰিক বাধাগ্ৰস্ততাত ভোগা লোক। লোকসকলে ৰাস্তাত খোজ কাঢ়ি যাবলৈ অসুবিধা হয়, বাছ স্থানবোৰলৈ যোৱাত অসুবিধা হয়, পদপথৰ পৰা আন পথলৈ উঠি যাবৰ কাৰণেও অসুবিধা হয়, উপযুক্তভাৱে প্ৰস্তুত নকৰা বাহনবোৰত উঠি যাওঁতে নিজকে চম্ভালিবলৈ অসুবিধা হয়।

ভাৰতৰ চহৰবোৰত যাতায়াত কৰা লোকৰ সংখ্যা বহুত বৃদ্ধি পাইছে, কিন্তু তাৰ বাবে যিবোৰ আন্তঃগাঁথনি আৰু সেৱাৰ ব্যৱস্থা কৰা হৈছে তাৰ সৰহভাগেই বিশেষভাৱে ব্যৱহাৰকৰোঁতা লোকৰ বাবেহে আৰ্হি কৰা হৈছে। শাৰীৰিকভাৱে ভিন্ন ধৰণে সমৰ্থৱান কমসংখ্যক লোকৰ বাবে কি ব্যৱস্থা আছে? যদি আমি বয়সিয়াল লোক,

*দেৱৰ্ষি চৌৰাছিয়া হ'ল ভূপালৰ স্কুল অব্ প্লেনিং এণ্ড আৰ্কিটেকছাৰৰ সহকাৰী অধ্যাপক। মধ্য প্ৰদেশৰ ৰাজীৱ গান্ধী টেকন'লজিকেল য়ুনিভৰ্ছিটিৰ পৰা স্থাপত্য তথা পৰিকল্পনা বিষয়ত তেওঁ পি এইচ ডি ডিগ্ৰী লাভ কৰে

ল'ৰা-ছোৱালী, গৰ্ভৱতী মহিলা আৰু সাময়িকভাৱে শাৰীৰিক অসুবিধা ভোগা লোকসকলৰ কথা বিবেচনা কৰো, তেনেহ'লে এনে লোকৰ সংখ্যা বহুগুণে বৃদ্ধি পাব পাৰে। অধিক সজাগতা আৰু সামাজিক আলোচনা-বিলোচনাৰ জৰিয়তে যান-বাহন ব্যৱহাৰ কৰা প্ৰতিজন লোকৰ বাবে তেনে যান-বাহনবোৰ যাতে উপযুক্তভাৱে প্ৰস্তুত কৰা হয় আৰু আন্তঃগাঁথনিও বিকাশ কৰা হয় সেই বিষয়ে মনোযোগ দিয়া আৱশ্যক। নতুন নতুন প্ৰযুক্তিৰে বিশ্বত যি পৰিৱৰ্তন সাধন হৈছে তালৈ চাই আমাৰ যাতায়াতৰ সা-সুবিধা সমূহ উন্নত কৰাৰ প্ৰয়োজন হৈ পৰিছে—যাতে সমাজখনত সমতা স্থাপন হয়। প্ৰয়োজন অনুসাৰে গ্ৰহণীয় ব্যৱস্থাৰ দিহা কৰি সকলোৰে আৱশ্যকতা পূৰণ কৰাৰ প্ৰতি সচেষ্ট হোৱাৰ দৰকাৰ হৈ পৰিছে।

**প্ৰত্যাহ্বান**

ভাৰতীয় চহৰবোৰত ৰাজহুৱা পৰিবহণৰ সুচলতা বিষয়টো ব্যৱহাৰ কৰোঁতা সকলো লোকৰ বাবে এক প্ৰত্যাহ্বান স্বৰূপ হৈ আছে। ৰাজহুৱা স্থান, যান-বাহনকে ধৰি পৰিবহণ সা-সুবিধাসমূহ প্ৰতিবন্ধী লোকৰ বাবে প্ৰস্তুত কৰা হোৱা নাই। ৰাষ্ট্ৰীয় স্তৰত জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ নবীকৰণ অভিযানে খৰতকীয়া বাছ সেৱা পদ্ধতি (বাছ ৰেপিড ট্ৰেঞ্জিট চিষ্টেম)ৰ ব্যৱস্থা কৰিবৰ কাৰণে কাম হাতত লয়। ৰাজহুৱা পৰিবহণ পদ্ধতি দিহা কৰাৰ প্ৰস্তাৱ অনুযায়ী গড়কাপ্টানি বিভাগৰ সৈতে কাম হাতত লয়। কিন্তু সজাগতাৰ অভাৱ তথা বিষয়টোৰ প্ৰতি গভীৰ চিন্তা-চৰ্চাৰ বাবে অনীহা প্ৰকাশৰ হেতু আমি প্ৰতিবন্ধী লোকে ব্যৱহাৰ কৰিবৰ বাবে উপযুক্ত মান তেনে সা-সুবিধা যোগান ধৰিবলৈ সমৰ্থৱান হোৱা নাই। তদুপৰি যিবোৰ আন্তঃগাঁথনি আছে সেইবোৰ সঠিকভাৱে তদাৰক নকৰাৰ ফলত আশানুৰূপ লাভ প্ৰাপ্ত কৰাত সফল হোৱা নাই।

প্ৰতিবন্ধীসকলৰ বাবে য'ত কিছু ৰাজহুৱা সা-সুবিধা আছে সেইবোৰ ব্যৱহৃত হোৱা নাই। তাৰ কাৰণ হ'ল সেইবোৰ অন্যান্য সুবিধাৰ সৈতে সমন্বিত কৰা হোৱা নাই কিম্বা যি আছে সেইবোৰ একাষৰীয়াকৈ পৰি আছে। কোনোবাই দখল কৰি তাক প্ৰৱেশযোগ্য কৰি ৰখা নাই। কিছুমান পথ এনেকুৱা য'ত পদপথ নাই। আৱাসিক এলেকাৰ মাজেদি যোৱা পথতো সুচল আহ-যাহ কৰাৰ ব্যৱস্থা থকা দৰকাৰ (কে মালহোট্ৰাৰ প্ৰতিবেদনত প্ৰকাশ, ২০১০)। ৰাজহুৱাভাৱে সকলোৰে চকুত পৰাকৈ যি সংকেত পদ্ধতি থাকিব লাগে তাৰ অনুপযুক্ত প্ৰদৰ্শনৰ বাবে যাতায়াতৰ অত্যাৱশ্যকীয় তথ্যপাতি জনা অসুবিধা হয়। তেনে পথ বিশেষভাৱে ব্যৱহাৰ কৰোঁতাসকলৰ উপৰি অন্যান্য নাগৰিকেও তাক জনাৰ আৱশ্যক হয়। ভাৰতৰ দৰে বিপুল জনসংখ্যা থকা দেশ এখনত ৰাজহুৱা আন্তঃগাঁথনি ৰাইজৰ অনুকূল নোহোৱাটো এটা বিড়ম্বনা মাত্ৰ; আৰু তাতে প্ৰতিবন্ধকতা থকা ব্যক্তিয়ে ৰাজহুৱা সা-সুবিধা লাভ কৰাৰ ক্ষেত্ৰত উৎসাহিত নহয়। সি যি কি নহওক, বৰ্তমানে সা-সুবিধাসমূহ উন্নত কৰা হৈছে। তথাপি শাৰীৰিকভাৱে ভিন্ন ধৰণে সমৰ্থৱান হোৱা লোকসকলে এইবোৰক মুকলিমূৰীয়াকৈ ব্যৱহাৰ কৰিবৰ বাবে বিশ্বাস গোটাবপৰা নাই। তাৰ কাৰণ হ'ল অতীতত ভুগি অহা বেয়া অভিজ্ঞতাবোৰ। এই ক্ষেত্ৰত প্ৰতিবন্ধীসকল হ'ল একক। যি পৰিৱেশ গঢ়ি উঠিছে তাক ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ সীমাৱদ্ধতা আছে। সেয়ে সাধাৰণ লোকৰ তুলনাত এখন সমাজত এওঁলোকৰ প্ৰতি অধিক মনোযোগ দিয়া প্ৰয়োজন হৈছে (কেনেডী এণ্ড বেছলা, ২০০৮)।

ভাৰত চৰকাৰে ৰাষ্ট্ৰব্যাপী এটা সজাগতা অভিযান আৰম্ভ কৰিছে। ইয়াৰ নাম হ'ল "সুগম্য ভাৰত অভিযান"। সকলো নাগৰিকেই সাৰ্বজনীনভাৱে সুচলতা লাভ কৰাই হ'ল ইয়াৰ উদ্দেশ্য। শাৰীৰিকভাৱে ভিন্ন ধৰণে সমৰ্থৱান লোকসকলোকো ইয়াত সামৰি লোৱা হৈছে—যাতে সহজ আৰু বাধামুক্ত পৰিৱেশ সৃষ্টি কৰিব পাৰি।

**আৰ্হিৰ নীতি-নিৰ্দেশনা আৰু মান**

বহু দেশতে কেনে ধৰণৰ ডিজাইন অৰ্থাৎ যাতায়াতৰ সুবিধাৰ বাবে নক্সা প্ৰস্তুত কৰি তাক ৰূপায়ণ কৰিব লাগিব সেই বিষয়ে নীতি-নিৰ্দেশনা আৰু মান বান্ধি দিয়া হয়। ৰাষ্ট্ৰীয় মান অনুপস্থিতিত অন্য এখন দেশৰ মান ব্যৱহাৰ কৰিবৰ বাবে অনুমোদন কৰা হয়। প্ৰতিবন্ধী আৰু বয়সিয়াল লোকসকলৰ বাবে কেন্দ্ৰীয় গড়কাপ্টানি বিভাগে যি বাধামুক্ত পৰিৱেশ নিৰ্মাণৰ বাবে নীতি-নিৰ্দেশনা আগবঢ়াইছে তাক পুনৰবৰ্দ্ধিত কৰি সৰল কৰা আৱশ্যক যাতে ইয়াক সামগ্ৰিকভাৱে ব্যৱহাৰ কৰিব পাৰি আৰু নিৰ্দিষ্ট ঠাইতেই এনে নক্সা ৰূপায়িত কৰিব পাৰি। সকলো স্তৰৰ পৰাই সম্পূৰ্ণ প্ৰয়াস কৰা উচিত। বহু প্ৰতিষ্ঠানে (চৰকাৰী, অনা-চৰকাৰী আৰু বেচৰকাৰী সংগঠন) এই ক্ষেত্ৰত কাম কৰিছে। প্ৰতিষ্ঠানসমূহে কৰ্মশালা, আলোচনা চক্ৰ আয়োজন কৰি সাধাৰণ লোক, চৰকাৰী বিষয়া বৰ্গ অৰ্থাৎ চহৰ বিকাশৰ বাবে যিসকল দায়িত্বত আছে—তেওঁলোকৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ প্ৰয়াস

করিছে। শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানসমূহে ছাত্ৰসকলক এই বিষয়ত সংবেদনশীল কৰি তুলিবলৈ বহু বৰঙণি যোগাব পাৰে আৰু তেনে মানসিক দৃষ্টি-ভঙ্গীৰে ছাত্ৰসকলে সময়ত পৰিস্থিতি বিশেষৰ সন্দৰ্ভত চিন্তা-চৰ্চা কৰি গৱেষণাৰ কামতো মনোনিৱেশ কৰিব পাৰে। তেনে গৱেষণা কাৰ্যৰ পৰা প্ৰাপ্ত তথ্যপাতি ভালদৰে বিশ্লেষণ কৰি সমস্যা সমূহৰ প্ৰতিকাৰৰ বাবে পৰামৰ্শ আগবঢ়াব পাৰে।


**বৰ্তমান/নতুন বিকাশৰ আৱশ্যকতা**

আমাক বহুমুখী পৰিবহণ ব্যৱস্থাৰ প্ৰয়োজন— যাৰদ্বাৰাই সমাজৰ সকলো বৰ্গৰ লোকৰ আৱশ্যকতা পূৰণ কৰিব পাৰি। নগৰ নবীকৰণ অভিযানৰ দ্বাৰা পৰিবহণ প্ৰকল্পক আগুৱাই নিবলৈ পুঁজিৰ আৱশ্যক; আৰু তাৰ বাবে চৰকাৰৰ প্ৰয়াস পূৰা মাত্ৰাই প্ৰয়োজন। সম্প্ৰতি বাছ ৰোৱা স্থান, মেট্ৰ' ষ্টেচন, বি আৰ টি (ৰেপিড ট্ৰেঞ্জিট চিষ্টেম) নিৰ্মাণ কৰিবলৈ আৰম্ভ কৰা হৈছে। এইবোৰত সকলো প্ৰৱেশযোগ্য আৰ্হিৰ বৈশিষ্ট্য থাকিব পাৰে আৰু মানৰো কোনো হেৰ-ফেৰ নহ'ব পাৰে, কিন্তু ভ্ৰমণৰ বাবে এটা সম্পূৰ্ণ সুচলাত্মক "ট্ৰিপ চেইন" অৰ্থাৎ এটা স্থানৰ পৰা আৰম্ভ কৰি চূড়ান্ত লক্ষ্যস্থানলৈকে পূৰ্ণভাৱে সা-সুবিধা প্ৰদান কৰিব পাৰিলেহে তেনে প্ৰচেষ্টাৰ প্ৰকৃত ফল পোৱা যাব। উদাহৰণ স্বৰূপে ক'বলৈ গ'লে এজন ভালদৰে নেদেখা কিম্বা হুইল চেয়াৰ ব্যৱহাৰ কৰা লোকে মুক্তভাৱে যাবৰ কাৰণে সকলোবোৰ সুবিধা পোৱা উচিত। খোজকাঢ়ি যোৱাৰ পৰা আৰম্ভ কৰি ট্ৰেঞ্জিট স্থান তথা মেট্ৰ' ষ্টেচনলৈকে সকলোবোৰ প্ৰয়োজনীয় সম্ভেদ তথা আন্তঃগাঁথনিৰ সুবিধা পাব লাগে। আমি জানো ৰাজহুৱা পৰিবহণ ব্যৱহাৰ কৰা সকলো লোকেই হ'ল আৰম্ভণিতে পথচাৰী আৰু ভ্ৰমণৰ অন্ততো ৰাস্তাত খোজকাঢ়ি যোৱা লোক। সেয়ে সুচল পথচাৰী আন্তঃগাঁথনি বিকাশ কৰাটো গুৰুত্বপূৰ্ণ কথা। তেনে আন্তঃগাঁথনি হ'ব পাৰে পথৰ দাঁতিৰ ৰাস্তা, শিশু আৰু প্ৰাপ্তবয়স্কসকলৰ বাবে ৰেলিং ব্যৱস্থা, পদপথৰ ওপৰত সহজ গমনৰ বাবে মসৃণ উপবিভাগ ইত্যাদি। এটা নিৰ্মিত আৱয়ৱিক পৰিৱেশত সুচল গমনৰ সুবিধা নথকাটো প্ৰতিবন্ধীসকলে পূৰ্ণভাৱে অংশ গ্ৰহণ কৰিব নোৱাৰাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য বাধা বুলি ক'ব পাৰি। তদুপৰি ৰাজহুৱা পৰিবহণ সুবিধা লাভ কৰাৰ সহজ ব্যৱস্থা হ'ল এনে এটা পৰিৱেশ স্থাপন কৰা—য'ত পথচাৰীৰ প্ৰৱেশ নিৰাপদ, সুবিধাজনক আৰু আৰামদায়ক হয় (গ্ৰিফিন, ২০০০)।

ৰাজহুৱা সম্ভেদ প্ৰদান পদ্ধতি, প্ৰস্ৰাৱাগাৰৰ সা-সুবিধা, পথচাৰীৰ পাৰ হোৱা ছিগনেল ৰেইলিং, পদপথ মসৃণভাৱে ৰখাৰ ব্যৱস্থা ইত্যাদি আন্তঃগাঁথনিৰ দিহা কৰা প্ৰয়োজন আৰু তাক সময়ে সময়ে মেৰামতি তথা তদাৰক কৰা নীতি যুগুতোৱা উচিত — যাতে সুচল আহ-যাহ কৰিবৰ কাৰণে সেইবোৰ ভাল অৱস্থাত ৰাখিব পৰা যায়।

**সুগম্য ভাৰত অভিযান**

সমাজৰ সকলো বৰ্গৰ লোকৰ মাজত সজাগতা সৃষ্টি কৰিবৰ বাবে এয়া সময়ৰ আহ্বান তথা এটা সুযোগ ৰূপে এটা ৰাষ্ট্ৰব্যাপী সুচল আহ-যাহৰ ভাৰত অভিযানৰ বিষয়ে বিবেচনা কৰা উচিত। স্কুল-কলেজ, পেছাদাৰী লোক, বিকাশ প্ৰাধিকৰণৰ সৈতে জড়িত ব্যক্তি, চহৰৰ থলুৱা সংস্থা, ৰাজনীতিবিদ, আমোলা আদিৰ মাজতো এই সজাগতাৰ বতৰা প্ৰদান কৰা উচিত—যাতে ইয়াক আমাৰ দৈনন্দিন আৱশ্যকতাৰ সাধাৰণ বিষয় কৰিব পাৰি আৰু আমাৰ জীৱনধাৰাৰ




ভ্ৰমণ চক্ৰ

(৩৪ পৃষ্ঠাত চাওক)

# শিক্ষানুষ্ঠান নিৰ্মাণৰ আৰ্হিৰে সামাজিক সমতা স্থাপন

**ৰচনা খাৰে***

**সাৰাংশ ঃ**

শাৰীৰিক প্ৰতিবন্ধকতাৰ সন্মুখীন হোৱা ব্যক্তিসকলৰ অধিকাৰ সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ অভিৱৰ্তনৰ ২৪ নম্বৰ দফাত স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে সকলো প্ৰতিবন্ধী ব্যক্তিৰে সৰ্বাত্মক শিক্ষা লাভ কৰাৰ অধিকাৰ আছে। ২০০৭ চনত ভাৰতেও স্বাক্ষৰ কৰা অভিৱৰ্তনখনৰ এই ধাৰা অনুসৰি সকলো প্ৰতিবন্ধী শিকাৰুৱে মূলসুঁতিৰ শিক্ষাৰ আটাইবোৰ ৰূপতে যথাযথ সমৰ্থনসহ অংশ গ্ৰহণ কৰাটো নিশ্চিত কৰা হৈছে। সম্প্ৰতি সামগ্ৰিক পৰিৱেশত বিশেষভাৱে সক্ষম শিশুৰ শিক্ষাৰ সংস্কাৰ সাধনৰ বাবে সৰ্বাত্মক পদ্ধতি উদ্ভাৱন কৰাটো বাঞ্ছনীয়। বিশেষ বিদ্যালয়ে বিশেষভাৱে সক্ষম শিশুৰ কোনো উপকাৰ সাধন নকৰে; বৰঞ্চ সিহঁতৰ মাজত বিচ্ছিন্নতা, নিঃসংগতা আৰু সমাজ-বহিৰ্ভূত হোৱাৰ অনুভূতি আদিহে জগাই তোলে। গতিকে সমতাপূৰ্ণ আৰু অনুকম্পামূলক সমাজ গঢ়িবলৈ এইবোৰৰ পৰিৱৰ্তন অতি আৱশ্যকীয়। বিভিন্ন সামাজিক পৰিৱেশ তথা দক্ষতাৰ ভিন্নতাৰ বাবে সকলো শিশুকে একেলগে এটা শ্ৰেণীত অন্তৰ্ভুক্ত কৰাটো অধিক বাস্তৱসন্মত। এই পৰিৱৰ্তনে কেৱল বিশেষভাৱে সক্ষম শিশুসকলকে উপকৃত নকৰে; ইয়াৰ ফলত সকলো শিশু আৰু তেওঁলোকৰ পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰী, প্ৰশাসক তথা সমাজৰ সকলো লোকেই সমানে উপকৃত হয়।

এই নিবন্ধটোত শৈক্ষিক প্ৰতিষ্ঠানৰ নতুন ৰূপৰ পৰিকল্পনা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হৈছে। সকলো শিশুৱেই যে আমাৰ সমাজৰ সন্মানীয় সদস্য আৰু তেওঁলোকৰ অৰিহণাও গুৰুত্বপূৰ্ণ সেইকথা শিকাবলৈ সংহত, সহজলভ্য আৰু সহযোগিতাপূৰ্ণ পৰিৱেশৰ অতি আৱশ্যক। আদৰ্শ শৈক্ষিক প্ৰতিষ্ঠান ৰূপে গঢ় দিবলৈ প্ৰয়োজন হোৱা পৰামৰ্শ প্ৰদানৰ বাবে উত্তম পদ্ধতি সমূহ এই নিবন্ধটিত আলোচনা কৰা হৈছে।

**পটভূমি ঃ**

সামগ্ৰিক শৈক্ষিক পৰিৱেশ থকা নিয়মীয়া বিদ্যালয়েই হ'ল বৈষম্যমূলক আচৰণ দূৰ কৰিবলৈ হাতত লোৱা পদ্ধতিসমূহৰ ভিতৰত শ্ৰেষ্ঠ। এইধৰণৰ বিদ্যালয়ে সহমৰ্মিতা গঢ়ি তোলে আৰু সুস্থ সামাজিক পৰিৱেশত সকলোৰে বাবে শিক্ষা প্ৰদানত সহায়ক হয়। ইয়াৰ ফলত অধিকসংখ্যক শিশুকে কাৰ্যকৰী শিক্ষা প্ৰদান কৰিব পাৰি আৰু সমগ্ৰ শিক্ষা ব্যৱস্থাটো কম ব্যয় সাপেক্ষ হয়।

১৯৪৭ চনত স্বাধীনতা অৰ্জন কৰাৰে পৰা বিশেষ শিক্ষা সন্দৰ্ভত ভাৰত চৰকাৰে অসংখ্য নীতি নিৰ্দ্ধাৰণ কৰি আহিছে। ভাৰত চৰকাৰে বিশেষভাৱে সক্ষম শিশুসকলৰ সামগ্ৰিক শিক্ষাৰ বাবে নীতি নিৰ্দ্ধাৰণ কৰি অহা সত্ত্বেও সামগ্ৰিক শৈক্ষিক পৰিৱেশত এইবোৰৰ ৰূপায়ণ সফলভাৱে হোৱা নাই। তদুপৰি দেশজুৰি সকলোৰে বাবে শিক্ষাৰ লক্ষ্যও পূৰণ হোৱা নাই। বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ বাবে আইন আৰু ২০০১ চনৰ ২৮ নৱেম্বৰত সংসদত গৃহীত সংবিধান সংশোধনী অনুসৰি 'ছবছৰৰপৰা ১৪ বছৰ বয়সৰ সকলো শিশুৰ' উদ্দেশ্যে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ ব্যৱস্থা কৰাটো চৰকাৰৰ বাবে বাধ্যতামূলক। সংবিধানৰ প্ৰস্তাৱনাত 'সকলো' শব্দই বিশেষভাৱে সক্ষম শিশুকো সামৰি লয় বুলি স্পষ্ট কৰি দিয়া হৈছে। প্ৰতিখন চৰকাৰৰ বাবে এই আইন কাৰ্যকৰী কৰাটো বিধিসন্মত দায়িত্ব। ভাৰত চৰকাৰে শিক্ষা ব্যৱস্থাৰ তাৰতম্য আঁতৰাই দেশখনত সামগ্ৰিক শিক্ষাৰ বাবে এটা সবল ব্যৱস্থা গঢ়ি তোলাটো একান্ত বাঞ্ছনীয়।

সাম্প্ৰতিক জৰীপ মতে যিকোনো নিয়মীয়া বিদ্যালয়ৰ মুঠ শিশুৰ ১০ শতাংশ শিশুৱেই শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত বিশেষভাৱে সক্ষম আৰু তেওঁলোকৰ বাবে প্ৰয়োজন বিশেষ মনোযোগৰ। যদি সঠিক বয়সত ব্যৱস্থা গ্ৰহণ কৰা হয়, তেন্তে সকলো শিশুৰ ক্ষেত্ৰত নাটকীয় বিকাশ পৰিলক্ষিত হ'ব পাৰে। বিশেষভাৱে সক্ষম শিশুৰ বাবে শিক্ষাৰ সূচনাই গুৰুত্ব লাভ কৰাৰ লগে লগে সমগ্ৰ বিশ্বজুৰি বিভিন্ন শৈক্ষিক পদ্ধতি পৰীক্ষামূলকভাৱে ৰূপায়ণ কৰি চোৱা

*লিখিকা ভুপালৰ স্কুল অৱ প্লেনিং এণ্ড আৰ্কিটেক্চাৰৰ আৰ্কিটেক্চাৰ বিভাগৰ অধ্যাপিকা আৰু মুৰব্বী।

হৈছে আৰু উত্তম পদ্ধতি ৰূপে বিবেচিত হৈছে সামগ্ৰিক শিক্ষা। এইকথা অনস্বীকাৰ্য যে দেশত থকা ৪ কোটি বিশেষভাৱে সক্ষম শিশুক শিক্ষা প্ৰদানৰ বাবে অন্য কোনো উপায় নাই। দেশৰ মুঠ জনসংখ্যাৰ ৭৮ শতাংশই গ্ৰামাঞ্চলত বাস কৰে আৰু সেই অঞ্চলত বিশেষ বিদ্যালয়ৰ বাবে ধনৰ অভাৱ। সামগ্ৰিক শিক্ষাৰ বহু সুবিধা আছেঃ

* ই বিশেষভাৱে সক্ষম শিশুৰ মাজত সামাজিক যোগ্যতাৰ ভাব জগাই তোলে।
* ই সম্প্ৰদায়ৰ সংহতিৰ বাবে বিশেষীকৃত ব্যৱস্থাৰ প্ৰয়োজন হ্ৰাস কৰে।
* ই কম ব্যয়সাপেক্ষ আৰু ইয়াৰ পৰিসৰ বিশাল, বিশেষকৈ তৃতীয় বিশ্বৰ দেশসমূহৰ প্ৰসংগত।

**বিভিন্ন প্ৰয়োজন চিহ্নিতকৰণ ঃ**

কাৰ্যকৰী সামগ্ৰিক পৰিৱেশৰ বাবে বিদ্যালয়ৰ বিভিন্ন স্তৰৰ শিশুসকলৰ প্ৰয়োজন আৰু সীমাবদ্ধতা চিহ্নিত কৰাটো আৱশ্যকীয়। এই সীমাবদ্ধতা জন্মসূত্ৰে অথবা দুৰ্ঘটনা বা ৰোগৰ হেতু আহিব পাৰে। এই বিশেষ কাৰণসমূহৰ বিভিন্নতাৰ লগতে সংমিশ্ৰণ আৰু প্ৰতিবন্ধকতাৰ প্ৰকোপ বা প্ৰাবল্য সত্ত্বেও আমি শিশুসকলৰ ক্ষেত্ৰত মূল চাৰিটা বিষয়লৈ লক্ষ্য ৰাখিব লাগে ঃ দৃষ্টিৰ প্ৰতিবন্ধকতা, শ্ৰৱণৰ প্ৰতিবন্ধকতা, শাৰীৰিক অক্ষমতা আৰু বোধশক্তিৰ সীমাৰদ্ধতা।

শিশুসকলৰ মাজত দৃষ্টিৰ প্ৰতিবন্ধকতা দুটা ডাঙৰ শ্ৰেণীত ভাগ কৰিব পাৰি—কম দৃষ্টিসম্পন্ন আৰু সম্পূৰ্ণ দৃষ্টিহীন শিক্ষাৰ্থী। কম দৃষ্টিশক্তিৰ অন্তৰ্ভুক্ত হোৱা সমস্যাসমূহ হ'ল কমকৈ দেখা, ধূসৰ দেখা, অস্পষ্ট দেখা, দূৰৰ বা ওচৰৰ বস্তু বৰ কমকৈ দেখা, দৃষ্টিৰ বিকৃতি, পোহৰ বা চমকনিৰ প্ৰতি সংবেদনশীলতা, কুকৰীকণা (সন্ধিয়া হোৱাৰ লগে লগে দৃষ্টি লোপ পোৱা), চকুৰ আগত ক'লা দাগ থকা যেন দেখা, বৰ্ণান্ধতা, দৃষ্টিৰ পৰিসৰৰ ত্ৰুটি। আংশিকভাৱে দৃষ্টি শক্তি হেৰুওৱা শিশুসকলে পোহৰ, আকৃতি আৰু তুলনা বা প্ৰভেদৰ ধাৰণা থাকে। দৃষ্টিহীনতাৰ বাবে শিশুসকল দৃষ্টিগত নিৰ্দেশ, দৃশ্য প্ৰদৰ্শন আৰু অন্যান্য দৃশ্য পদাৰ্থৰ ধাৰণা কৰিব নোৱাৰে। তদুপৰি য'ত হাত আৰু চকুত সমন্বয়ৰ প্ৰয়োজন, সেয়া নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সমস্যাৰ উদ্ভৱ হয়। দৃষ্টিৰ প্ৰতিবন্ধকতা থকা শিশুসকলৰ বহুতৰে কিছুপৰিমাণৰ হ'লেও দৃষ্টিৰ সামৰ্থ থাকে। বিবৰ্দ্ধক কাঁচৰ সহায়ত পঢ়িব পাৰে। কিছুসংখ্যকে অতি উজ্জ্বল পোহৰত বা চমকনি ৰোধ কৰাৰ পাছত পঢ়িব পাৰে। কম দৃষ্টি শক্তিসম্পন্ন শিক্ষাৰ্থীৰ ক্ষেত্ৰত ডাঙৰ আখৰ আৰু ৰঙৰ চকুতলগা তাৰতম্য প্ৰয়োগেৰে বেছ সুফল লাভ কৰিব পৰা যায়। বৰ্ণান্ধসকলে ৰঙৰ সহায়ত প্ৰদান কৰা শিক্ষা গ্ৰহণ কৰিবলৈ অপাৰগ হয়।

শিশুসকলৰ শ্ৰৱণ প্ৰতিবন্ধকতাৰ অৰ্থ হ'ল শুনাৰ ক্ষেত্ৰত যিকোনো ধৰণৰ অন্তৰায়; শ্ৰৱণশক্তিহীনতাৰ অৰ্থ হ'ল শুনিবলৈ সম্পূৰ্ণ অপাৰগ। শ্ৰৱণ প্ৰতিবন্ধকতাৰ কাৰণ বংশগত, সংক্ৰমণ, টেমুনা বা টিউমাৰ আৰু দুৰ্ঘটনা ইত্যাদি। শ্ৰৱণ প্ৰতিবন্ধকতাত ভোগা ব্যক্তিয়ে শুনি তথ্য আহৰণ কৰাৰ ক্ষেত্ৰত অক্ষমতা প্ৰদৰ্শন কৰে। এই সমস্যা আঁতৰাবলৈ শ্ৰব্য তথ্যৰ সলনি দৃশ্য তথ্য বা দৃশ্য ৰূপ উপস্থাপন কৰা হয়। এই সমস্যাৰ আন এটা সমাধান হ'ল এটা শ্ৰৱণ যন্ত্ৰ প্ৰদান কৰা, যি ব্যৱহাৰকাৰীজনক কিছু পৰিমাণে হ'লেও শুনাত সহায় কৰে। অৱশ্যে সম্পূৰ্ণ শ্ৰৱণশক্তিহীন ব্যক্তিৰ ক্ষেত্ৰত এই সমাধান প্ৰযোজ্য নহ'ব। আজন্ম বধিৰ বা অতি কম বয়সৰ পৰাই শ্ৰৱণশক্তিৰহিত ব্যক্তি প্ৰায়েই মূক বা বাকশক্তিৰহিত হয় বা তেওঁলোকৰ কথা ক'লেও বোধগম্য নহয়। গতিকে এনে ক্ষেত্ৰত মৌখিক যোগাযোগৰ বিকল্প আৱশ্যক হৈ পৰে।

শাৰীৰিক প্ৰতিবন্ধকতাৰ কাৰণ-সমূহৰ ভিতৰত পলিঅ', পক্ষাঘাত বা একাংগী ৰোগ, দুৰ্বলতা, দুৰ্ঘটনাৰ ফলত মেৰুৰজ্জু বা স্পাইনেল কৰ্ডৰ আঘাত, মস্তিষ্কৰ আঘাত, চেৰিব্ৰেল পালছী, আৰ্থ্ৰাইটীছ, হাড়ৰ বিকৃতি, মাংসপেশীৰ দুৰ্বলতা বা মাছকিউলাৰ ডিছট্ৰফি ইত্যাদি অন্যতম। শাৰীৰিক অক্ষমতাত আক্ৰান্ত শিশুৱে ভোগা সমস্যাসমূহৰ ভিতৰত প্ৰধান হ'ল মাংসপেশীৰ নিয়ন্ত্ৰণত দুৰ্বলতা, অৱসাদ বা ভাগৰ লগা, খোজকঢ়াত অসুবিধা, কথা কোৱা, দেখা, কোনো বস্তু হাতেৰে ধৰা বা অনুভৱ কৰাৰ ক্ষেত্ৰত অসুবিধা, বস্তু ঢুকি পোৱাত সমস্যাৰ সন্মুখীন হোৱা আৰু জটিল বা যৌগিক আৰু ঘূৰা-পকাৰ দৰে কাম-কাজ বা চলা-ফুৰাৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সন্মুখীন হোৱা ইত্যাদি। এইবোৰ সমস্যাত ভোগা শিশু বা ব্যক্তিয়ে সাধাৰণতে সহায়ক সঁজুলিৰ ওপৰত নিৰ্ভৰ কৰে। অধিকভাৱে ব্যৱহৃত সহায়ক সঁজুলিসমূহ হ'ল চলন সামগ্ৰী (যেনে-পেং বা ক্ৰাচ্ছ, হুইলচেয়াৰ বা চকাযুক্ত চকী), কাম-কাজ কৰাত সহায়ক সঁজুলি (কৃত্ৰিম অংগ, অৰ্থ'টিক্স আদি), যোগাযোগৰ বাবে সহায়ক সঁজুলি (যেনে-যোগাযোগ ব'ৰ্ড বা ঢাল)।

বোধশক্তিৰ প্ৰতিবন্ধকতা শিশুৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ হ'ব পাৰে। অধিক ক্ষেত্ৰত ভাষাৰ সমস্যাই প্ৰধান। এনে প্ৰতিবন্ধকতাৰ ধৰণ আৰু কাৰণ কম, মজলীয়া বা অত্যধিক মন্থৰতা, ডাউন ছিনড্ৰম, অ'টিযম (শিশুৰ মানসিক ৰোগ বিশেষ), চেৰিব্ৰেল পালছী, সময়তকৈ আগতে জন্ম লাভ কৰা, জন্মৰ সময়ত আঘাত পোৱা, ভাষা আৰু শিক্ষণৰ অক্ষমতা, মূৰ্চ্ছা যোৱা, মানসিক ৰোগ ইত্যাদি। এইবোৰৰ ফলত স্মৃতিশক্তি, ধাৰণা, সমস্যাৰ সমাধান কৰা আদিৰ ক্ষেত্ৰত অক্ষমতা পৰিলক্ষিত হ'ব পাৰে। স্মৃতিশক্তিৰ অক্ষমতাৰ ভিতৰত কম সময়ৰ ভিতৰতে কথা পাহৰা, পুৰণি বা দীৰ্ঘ সময়ৰ কথা পাহৰা আদি অন্যতম। ইন্দ্ৰিয়জনিত বা বোধশক্তিজনিত সমস্যাৰ ভিতৰত নিৰ্দেশ গ্ৰহণ কৰা, প্ৰদান কৰা, শুনা বা পালন কৰা আৰু ইন্দ্ৰিয়জনিত আচৰণৰ বিকৃতি প্ৰধান। সমস্যা সমাধানৰ ক্ষেত্ৰত সমস্যা বুজি উঠা, চিহ্নিত কৰা, বাছনি, ৰূপায়ণ কৰা আদি অন্তৰ্ভুক্ত হয়। ধাৰণাশক্তিৰ অসুবিধাৰ ক্ষেত্ৰত প্ৰধান হ'ল সজাই-পৰাই লোৱা, সাধাৰণীকৰণ, বুজন ক্ষমতা, কাৰ্য আৰু কাৰণ সম্পৰ্ক বুজি উঠা, বিমূৰ্ত ধাৰণা আৰু দক্ষতা বিকাশ। ভাষাৰ প্ৰতিবন্ধকতাই বুজাৰ অক্ষমতা বা লিখিত বা কথিত ভাষাৰ প্ৰকাশত সমস্যা হোৱাটো নিৰ্দেশ কৰে।

**শিক্ষাৰ ক্ষেত্ৰত সামাজিক সমতা আৰু সামগ্ৰিকতাৰ পৰিকল্পনা ঃ**

সামাজিক শৈক্ষিক পৰিৱেশ বিশেষ নতুবা নিয়মীয়া শিক্ষাৰ পৰিৱৰ্তন যে নহয় এই কথা উপলব্ধি কৰা উচিত; ই ভিন্ন প্ৰকৃতিৰ আৰু বিশেষভাৱে সক্ষম অথবা স্বাভাৱিক শিশু সকলোৰে বাবে উপকাৰী। তদুপৰি একে পৰিৱেশ সকলো শিশুৰ বাবে সমানে প্ৰযোজ্য নহ'বও পাৰে। বৰং শিশুভেদে শক্তি আৰু দুৰ্বলতা অনুসৰি ব্যক্তিগত শৈক্ষিক ধৰণ অৱলম্বন কৰা প্ৰয়োজন। শিক্ষকে শিশুভেদে বিভিন্ন লক্ষ্য স্থিৰ কৰি আটাইকে একে পৰিৱেশত শিক্ষাদান কৰে।

এই নিবন্ধত ভাৰতত সামগ্ৰিক শৈক্ষিক পৰিৱেশৰ হকে কেতবোৰ পৰিকল্পিত পৰামৰ্শ আগবঢ়োৱা হৈছে—যিবোৰ সৰল, অৰ্থনৈতিক আৰু আন্তঃসাংস্কৃতিক। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৈদেশিক মন্ত্ৰণালয়, শৈক্ষিক আৰু সাংস্কৃতি পৰিক্ৰমা বিভাগে পৃষ্ঠপোষকতা কৰা ফুলব্ৰাইট কাৰ্যসূচীৰ অধীনত ১৭ খন সামগ্ৰিক শিক্ষাৰ প্ৰতিষ্ঠানৰ ক্ষেত্ৰভিত্তিক জৰীপ আৰু পাঠভিত্তিক অধ্যয়নৰ পাছত এই পৰামৰ্শাৱলী প্ৰস্তুত কৰা হৈছে। এই পৰামৰ্শ সাৰোগত কৰি স্থপতি আৰু ডিজাইনাৰ বা নক্সা প্ৰস্তুতকাৰীসকলে বিশেষভাৱে সক্ষম শিশুসকলৰ বাবে সামগ্ৰিক পৰিৱেশ গঢ়ি তুলিব পাৰে। ইয়াৰ বাবে শিশুসকলৰ সৃষ্টিশীলতাৰ ওপৰত কোনো ধৰণৰ বাধ্যবাধকতা নাথাকে।

* শিশুৰ ব্যক্তিগত প্ৰয়োজন অনুসৰি শিক্ষাদানৰ সময়ত উপযুক্ত সমৰ্থন আৰু সহযোগিতা আগবঢ়োৱা বাঞ্ছনীয়। ইয়াৰ ফলত শিশুটিয়ে অধিক সফলতা অৰ্জন কৰিব পাৰিব আৰু এই সাফল্যই শিশুটিক শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত অধিক অনুপ্ৰাণিত কৰিব।
* স্থপতি আৰু শিক্ষক উভয়ে শিক্ষাৰ্থীৰ দৃশ্য,শ্ৰব্য, স্পৰ্শ আদি ইন্দ্ৰিয়ানুভূতি কামত লগাই অনুকূল শৈক্ষিক পৰিৱেশ ৰচনা কৰা বাঞ্ছনীয়। বিশেষভাৱে সক্ষম শিশুৰ বাবে বহুমূলীয়া ইন্দ্ৰিয়ানুভূতি যেনে—দৃশ্য, শ্ৰব্য, স্পৰ্শ, গোন্ধ আদিৰে এই পৰিৱেশত উপযুক্তভাৱে শিক্ষাদান কৰিব পৰা যায়। ইন্দ্ৰিয় গ্ৰাহ্য আৰু আনুভূতিক দক্ষতাৰ ওপৰত গুৰুত্ব দি এই পৰিৱেশ গঢ়ি তুলিব পাৰি। স্পৰ্শ কৰা, গোন্ধ লোৱা, সোৱাদ লোৱা, বাগৰা, জঁপিওৱা, পাকঘূৰণি খোৱা, কম্পন, সংগীত আৰু বিভিন্ন দৃশ্য অভিজ্ঞতাৰে শিক্ষা লাভ কৰিব পৰাকৈ প্ৰতিষ্ঠানটি নিৰ্মাণ কৰিলে বিশেষভাৱে সক্ষম শিক্ষাৰ্থীৰ বাবে লাভদায়ক হয়। এই অনুভূতিসমূহ কেন্দ্ৰীভূত কৰি শিশু শিক্ষাৰ্থীয়ে অধিক ভালকৈ বিষয়বোৰ বুজি উঠিব পাৰে।
* দৃষ্টিশক্তি প্ৰতিবন্ধকতাত ভোগা শিক্ষাৰ্থীৰ বাবে নিৰ্দেশক ব্লক বা কঠিন আৰু বিভিন্ন আকৃতিৰ গোট বা খণ্ড, বিভিন্ন গাঁথনিৰ ব্যৱহাৰ, ডাঙৰ আৰু উঠঙা আখৰ, ব্ৰেইল লিপিৰ ব্যৱহাৰ, বিসদৃশ ৰঙৰ প্ৰয়োগ, অধিক পোহৰৰ ব্যৱস্থা, খোজকঢ়াৰ বাবে মুকলি ঠাই, শ্ৰব্য তথ্য, ওলাই থকা বা ওফন্দি থকা বস্তু খুলি থোৱা বা আঁতৰোৱা আদিৰ অভিজ্ঞতাৰে দৃষ্টিৰ প্ৰতিবন্ধীসকলক শিক্ষাদান কৰিব পৰা যায়।
* শ্ৰৱণশক্তিৰ প্ৰতিবন্ধকতা থকা শিক্ষাৰ্থীসকলৰ সহায়ক হ'ব পৰা সঁজুলি বা সামগ্ৰীসমূহৰ ভিতৰত শ্ৰৱণ যন্ত্ৰ, সাংকেতিক ভাষা আৰু ওঁঠৰ ভাষাৰ ব্যৱহাৰ, বধিৰসকলৰ বাবে দূৰসংযোগী যন্ত্ৰ, ৰঙৰ মাধ্যমেৰে তথ্য আহৰণ, পোহৰৰ জৰিয়তে সংকেত দিয়া, সজ্জিত নক্সা আৰু শ্ৰব্য তথ্য দৃশ্য ৰূপত প্ৰকাশ কৰা আদিৰ অভিজ্ঞতা অন্যতম।

* শাৰীৰিক প্ৰতিবন্ধকতা থকা শিক্ষাৰ্থীসকলৰ বাবে প্ৰয়োজন হুইলচেয়াৰ বা চকাযুক্ত চকী আৰু পেঙৰ সহায়ত বিচৰণ কৰিব পৰা সুচল ঠাই, সহজে ঢুকি পাব পৰা ব্যৱস্থা, হুইলচেয়াৰৰ পৰা নমাৰ ব্যৱস্থা, ওখ ঠাই, হাতেৰে ধৰিব পৰা ৰেʼলিং, সহজে উঠা-নমা কৰিব পৰা ঠাই, পিছলি নপৰাৰ ব্যৱস্থা থকা মজিয়া, সহজে ধৰিব পৰা ব্যৱস্থা, যোগাযোগৰ সঁজুলি বা সৰঞ্জাম ব্যৱহাৰৰ সুবিধা।
* বোধশক্তিৰ প্ৰতিবন্ধকতা থকা শিক্ষাৰ্থীসকলৰ বাবে অনুকূল পৰিৱেশত থাকিব লগা ব্যৱস্থাসমূহ হʼল—সৰল প্ৰদৰ্শন, আৰ্হিৰ ব্যৱহাৰ, কম পৰিমাণে ভাষা প্ৰয়োগ, সৰল আৰু স্পষ্ট অনুক্ৰম।
* সমান্তৰাল শিক্ষাদান পৰ্ব, বৈচিত্ৰ্যপূৰ্ণ দক্ষতাৰ শিক্ষা, যোগাযোগৰ বাবে বিভিন্ন ইন্দ্ৰিয়ৰ ব্যৱহাৰ, নতুন ধাৰণা বা চিন্তাৰ উদ্ভাৱন, কথোপকথন বিশেষজ্ঞ, বৃত্তিধাৰী ৰোগ চিকিৎসক আদি শিক্ষাৰ্থীভেদে প্ৰয়োজন হʼব পাৰে।
* যদি শিক্ষানুষ্ঠানৰ অন্তৰ্ভাগ সহজ-সৰল ধৰণে পৰিকল্পনা কৰা হয়, তেন্তে শিক্ষাৰ্থীসকলে অনায়াসে বুজি পোৱাৰ লগতে ভৱনটোৰ আনন্দ লʼব পাৰিব। স্পষ্ট গৃহসজ্জা, ঠাইবোৰৰ সংগঠন, বিভিন্ন কামৰ বাবে বিভিন্ন ভাগ, সৰল ৰূপ, দৃষ্টিভ্ৰম নথকা বিধৰ ভৱনত প্ৰতিবন্ধী শিক্ষাৰ্থীসকলে স্বাচ্ছন্দ্য অনুভৱ কৰে। ভাল প্ৰাকৃতিক পোহৰ, বিভিন্ন আৰ্হিৰ সাংকেতিক বʼৰ্ড, ঠাই চিহ্নিতকৰণৰ ব্যৱস্থা, ঠাইভেদে সহজে বুজিব পৰা পাৰ্থক্য আদিয়ে শিক্ষাথলীৰ চাক্ষুস উপলব্ধি প্ৰদানত সহায় কৰে।
* প্ৰতিবন্ধী শিক্ষাৰ্থীসকলক শৈক্ষিক পৰিৱেশত স্বাভাৱিক শিশুসকলৰ সৈতে কথা পাতিবলৈ দিব লাগে। নিৰাপদ, সুবিধাজনক আৰু বিভিন্ন সজ্জাৰ খেলিব পৰা ঠাই আৰু উপযুক্ত তত্ত্বাৱধানত উমৈহতীয়া ঠাইত এনে কথোপকথন বা ভাব বিনিময় সহজ হৈ পৰে। আনকি অধিক পৰিমাণে প্ৰতিবন্ধকতা থকা শিশুসকলকো স্বাভাৱিক সহপাঠীসকলৰ সৈতে ভাব বিনিময় কৰাৰ সুযোগ প্ৰদান কৰে।
* স্বাৱলম্বিতাৰ দক্ষতা, ঘৰুৱা কাম-কাজৰ দক্ষতা আৰু বৃত্তিগত দক্ষতাৰ প্ৰক্ষিণ আদিৰ উন্নয়নৰ বাবে সমৰ্থন আগবঢ়োৱা শৈক্ষিক পৰিৱেশে প্ৰতিবন্ধকতাৰ সন্মুখীন হোৱা শিশুক নিজৰ ভৰিত থিয় দিবলৈ সহায় কৰাৰ লগতে মৰ্যাদাসহকাৰে জীয়াই থাকিবলৈ অনুপ্ৰেৰণা যোগায়। স্বাৱলম্বিতাৰ দক্ষতাৰ অন্তৰ্ভুক্ত কাম-কাজসমূহ হʼল শৌচাগাৰ ব্যৱহাৰৰ প্ৰশিক্ষণ, খোৱা, পান কৰা, কাপোৰ পিন্ধা, ব্ৰাছ কৰা, গা ধোৱা, দাড়ি খুৰোৱা আদি। ভৱিষ্যতৰ সংস্থাপনৰ বাবে প্ৰয়োজনীয় কাম যেনে—বস্তু নিৰ্বাচন, পেকিং কৰা, কাপোৰ বোৱা বা চিলোৱা, কাঠমিস্ত্ৰীৰ কাম, বস্তু থুপোৱা বা বিভিন্ন সঁজুলি শৃংখলিত কৰা আদি বিভিন্ন ধৰণৰ দক্ষতা বৃত্তিগত প্ৰশিক্ষণৰ ভিতৰুৱা। ঘৰুৱা কাম-কাজৰ দক্ষতাই ৰন্ধা-বঢ়া, কাপোৰ ধোৱা বা ইস্ত্ৰি কৰা, বিছনা ঠিক-ঠাক কৰা, ধূলি-মাকতি পৰিষ্কাৰ কৰা আদি সামৰি লয়। ঘৰুৱা কাম-কাজ শিকালে শিশুসকলে নিজৰ কাম নিজে সমাধা কৰাৰ লগতে পৰিয়ালৰ লোককো সহায় কৰিব পাৰিব।
* দীৰ্ঘম্যাদী সাফল্যৰ বাবে প্ৰতিবন্ধকতাৰ সন্মুখীন হোৱা শিশুসকলৰ শিক্ষাদানৰ সময়ত পিতৃ-মাতৃৰ নিয়মীয়া অংশ গ্ৰহণ বেছ গুৰুত্বপূৰ্ণ। অভিভাৱকৰ সৈতে শিক্ষক-শিক্ষয়িত্ৰীৰ বৈঠক আৰু ব্যক্তিসাপেক্ষে শৈক্ষিক পৰিকল্পনা অনুসৰি লক্ষ্য নিৰ্বাচন কৰাৰ সময়ত এই অংশ গ্ৰহণ অত্যাৱশ্যকীয়। শিশুৰ বিশেষ অসুবিধা দূৰ কৰাৰ ক্ষেত্ৰতো বিদ্যালয়ৰ কৰ্মচাৰীসকলৰ সৈতে সহযোগিতা আগবঢ়াবলৈ পিতৃ-মাতৃৰ অংশ গ্ৰহণ প্ৰয়োজনীয়। সৰু-সুৰা সভা-সমিতি, সামাজিক উদ্দেশ্য আৰু শিক্ষাৰ্থী, পিতৃ-মাতৃ আৰু শিক্ষক বা ৰোগ চিকিৎসকৰ সৈতে মাজে-সময়ে বহিবলৈ যদি বিদ্যালয়খনত সুকীয়াকৈ ঠাই ৰখা হয়, তেন্তে উৎসাহজনক হৈ পৰে।
* বহু প্ৰতিবন্ধী শিশুৰ বাবে শৈক্ষিক পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা অন্য বাহিৰা বিষয়সমূহ হʼল বজাৰ কৰা, ৰাস্তা পাৰ হোৱা বা ৰাজহুৱা পৰিবহণে ব্যৱস্থা ব্যৱহাৰ কৰা আদিৰ দৰে দৈনন্দিন বিষয়সমূহ। সেইবাবে বিদ্যালয়ৰ সমীপত সমূহীয়া কাম-কাজৰ থলী থাকিলে অধিক সুবিধাজনক হৈ পৰে। এনেবোৰ কথা শিকাবলৈ বিদ্যালয়খনে অনুকূল পৰিৱেশ গঢ় দিয়া উচিত। ইয়াৰ ফলত সম্প্ৰদায়টোৰ লোকসকলৰ সৈতে সংহতি স্থাপন হোৱাৰ লগতে প্ৰতিবন্ধী শিশুসকলৰ বাবে প্ৰশিক্ষণ আৰু চাকৰিৰ সুবিধা সৃষ্টি হোৱাত সহায়ক হয়।

* প্ৰতিবন্ধী শিশুসকল বিভিন্ন পৰিস্থিতিত বিপদৰ সন্মুখীন হোৱাৰ আশংকা থাকে। অহৰহ নিৰীক্ষণ বৰ সহজ কাম নহয় বাবে পৰিৱেশটোৰেই সাৱধানতাৰে অধ্যয়ন কৰি বিপদশংকা কমোৱাৰ ব্যৱস্থা কৰিব লাগে। বিদ্যালয়ৰ পৰিৱেশত দুৰ্যোগৰ সময়ত দৌৰাদৌৰি কৰা, ৰে'লিং উচ্চতা, ওলাই থকা তীক্ষ্ণ কাষ বা চুক, বৈদ্যুতিক সঁজুলি, ভংগুৰ সামগ্ৰী আদিৰ ক্ষেত্ৰত সাৱধান হ'ব লাগে।
* শৈক্ষিক প্ৰয়োজনৰ উপৰি প্ৰতিবন্ধী শিশুসকলৰ বাবে আচৰণগত কাৰণৰ বাবে শিক্ষাদানৰ ক্ষেত্ৰত অসুবিধা আহি পৰিব পাৰে। নিৰাপদ পৰিৱেশ, হাই-উৰুমি নোহোৱা কোঠা, তত্বাৱধানৰ বাবে স্থান, কোঠাত ব্যৱহৃত মানসম্পন্ন আচবাব আদি এনে ধৰণৰ অসুবিধা আঁতৰাবলৈ শিক্ষকসকলৰ বাবে সহায়ক হয়।
* প্ৰতিবন্ধী শিশুসকলৰ বাবে ব্যক্তিসাপেক্ষ শৈক্ষিক পৰিকল্পনা অনুসৰি পাঠদানৰ মূল্যায়ণ কৰাৰ লগতে তেওঁলোকৰ সঁহাৰি শিক্ষকসকলে লিপিবদ্ধ কৰি থ'ব লাগে। ইয়াৰ ফলত পাঠদানৰ কাৰ্যকাৰিতাৰ উমান পোৱাত সহায়ক হয়। বিভিন্ন ধৰণৰ সামগ্ৰী বা সঁজুলি আৰু তথ্য লিপিবদ্ধ কৰিবলৈ সুবিধা থকা বিশেষ পঞ্জীয়ন বহীৰ যোগান থকা উচিত।

**আলোচনা ঃ**

শিক্ষাৰ বহল অৰ্থ হ'ল জ্ঞান আৰু দক্ষতা আহৰণ কৰিবলৈ শিক্ষাৰ্থীসকলক পৰিৱেশ আৰু সুবিধা প্ৰদান কৰা যাতে এই দক্ষতা তেওঁলোকে সমাজত উৎপাদনশীল আৰু স্বাৱলম্বী জীৱন কটাবলৈ প্ৰয়োগ কৰিব পাৰে। এই একে লক্ষ্য স্বাভাৱিক আৰু প্ৰতিবন্ধী শিশু উভয়ৰ বাবে প্ৰযোজ্য। কিন্তু পৃথকভাৱে শিক্ষাদান কৰাৰ অৰ্থ হ'ল পৃথককৰণ আৰু ইয়াৰ বিপৰীতে সামগ্ৰিক শৈক্ষিক পৰিৱেশে অন্তৰ্ভুক্তিৰ শিক্ষা প্ৰদান কৰে। সকলো শিশুৰেই পোনতে শিকাৰু আৰু তাৰ পাছতহে প্ৰতিবন্ধী; সামগ্ৰিক শৈক্ষিক ব্যৱস্থাত তেওঁলোকে কি কৰিব পাৰে তাৰ ওপৰতহে গুৰুত্ব পোৱা উচিত, কি কৰিব নোৱাৰে তাৰ ওপৰত নহয়। প্ৰত্যেক শিশুৰ অভিজ্ঞতা অধিক সমৃদ্ধ কৰিবলৈ বিদ্যালয় ভৱনৰ ভিতৰ আৰু বাহিৰৰ প্ৰতিটো চুক কোণ শিক্ষাদানৰ বাবে ব্যৱহাৰ কৰা উচিত। বিদ্যালয় ভৱনৰ মজিয়া, দেৱাল, চিলিং, শিক্ষা গ্ৰহণৰ থলী, বাৰাণ্ডা, কৰিড'ৰ, শৌচাগাৰ আদি সকলো শৈক্ষিক সঁজুলিৰূপে ব্যৱহাৰযোগ্য আৰু অত্যাৱশ্যকীয়।

সামগ্ৰিক শৈক্ষিক পৰিৱেশৰ বাবে বিদ্যালয় ভৱনৰ পৰিকল্পনা, ডিজাইন বা আৰ্হি যথেষ্ট গুৰুত্বপূৰ্ণ। শৈক্ষিক পৰিৱেশৰ লগতে পাঠ্যক্ৰম, সা-সঁজুলি আৰু নিৰ্দেশৰ সামগ্ৰিকতা প্ৰয়োজনীয়। আমি এনে এখন সমাজ গঢ়ি তুলিব লাগে য'ত ব্যক্তিসাপেক্ষে থকা তাৰতম্য আঁতৰাই সকলোকে সন্মান প্ৰদৰ্শন কৰি আগবাঢ়িব পাৰি। সামগ্ৰিক শৈক্ষিক পৰিৱেশত শিশুসকলে জীৱনৰ আদিপাঠ আওৰাই সুস্থ সামগ্ৰিক সমাজ গঢ়াত অৰিহণা যোগাব পাৰে। ❐

**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

● জুন ২০১৬ — **ভাৰতৰ দীৰ্ঘ পদক্ষেপ আৰু পৰিপ্ৰেক্ষাত যোগ**

● জুলাই ২০১৬ — **পানী ঃ এবিধ মূল্যবান সম্পদ**

উপৰোক্ত বিষয়সমূহৰ বাবে অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**

পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩

ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# প্ৰতিবন্ধী লোকৰ প্ৰমাণ-পত্ৰ প্ৰদান প্ৰক্ৰিয়া আৰু তাৰ সৈতে জড়িত অন্য বিষয়

অৰ্চনা সিং*

প্ৰতিবন্ধী লোকসকলক সমাজত খাপ খুৱাই ল'বৰ কাৰণে কৰা বিভিন্ন ধৰণৰ প্ৰয়াসৰ মাজতেই ভাৰতে এই বছৰ এক্ছেছিবল্ ইণ্ডিয়া অভিযান প্ৰচলন কৰে। এই অনুষ্ঠান ৰাজধানীৰ এটা অন্যতম অতি সন্মানজনক অৱস্থান বিজ্ঞান ভৱনত আয়োজন কৰা হয়। পিছে উপহাসৰ বিষয় হ'ল এই যে অভিযান আৰম্ভ কৰা ঠাইখন সুচলভাৱে প্ৰৱেশ কৰা ঠাই নহয়। কি যে দুৰ্ভাগ্য! কিন্তু ইয়াক সুকীয়া ধৰণে মন কৰক। ই হাতত ল'ব লগা বৃহৎ আৰু বিস্তৃত কাৰ্যসূচীৰ অন্তৰ্নিহিত ভাবধাৰাৰ ৰেঙণি প্ৰতিবিম্বিত কৰিছে।

এনে স্থিতিৰ তালিকা অন্ত নপৰে। ৰাষ্ট্ৰসংঘৰ মতে এক বিলিয়নতকৈ অধিক লোক (বিশ্বৰ জনসংখ্যাৰ ১৫ শতাংশ) কিবা নহয় কিবা ধৰণৰ প্ৰতিবন্ধী অৱস্থাত বাস কৰে। ভাৰতৰ ২০১১ চনৰ লোক পিয়লৰ পৰিসংখ্যাৰ পৰা দেশখনত ২৬ নিযুত প্ৰতিবন্ধী লোক আছে বুলি জনা যায়। এয়া অষ্ট্ৰেলিয়াৰ মুঠ জনসংখ্যাতকৈ বহুত বেছি।

ভাৰতৰ অৰ্থনীতি খৰতকীয়াকৈ বিকাশ পায়। অগ্ৰগতি সাধনৰ অৱস্থাত ভালেখিনি অনুকূল আৰু অগ্ৰগতি ইতিমধ্যে হৈছে তথা এতিয়াও খৰ গতিৰে তেনে সোঁত প্ৰবাহিত হৈ আছে। তথাপি এনে অগ্ৰগতি সত্ত্বেও কিছুমান বিষয় আছে যিবোৰৰ এতিয়াও কাৰ্য ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। তাৰ ভিতৰত এটা হ'ল বিকলাঙ্গতাক প্ৰতিবন্ধী লোকৰূপে (Person with Disability) নিশ্চিত কৰাটো। সমাজত লোকসকলে শাৰীৰিকভাৱে বিসঙ্গতিজনক চেহেৰাৰ বাবে প্ৰতিবন্ধী লোকক চোৱাটোৱেই যেন যথেষ্ট নহয়, তদুপৰি ভাৰতত এটা ন্যায়গত নথিৰো প্ৰয়োজন হয়। তেনে নথিত তেনে লোক প্ৰতিবন্ধী বুলি উল্লেখ থাকে। ইয়াৰ বাবে নথি প্ৰদান কৰা নিৰ্দিষ্ট কৰ্তৃপক্ষ থাকে।

## প্ৰতিবন্ধী ব্যক্তি কোন?

ভাৰতত চৰকাৰে গঠন কৰি দিয়া চিকিৎসা ক্ষেত্ৰৰ পেছাদাৰী লোকৰ এখন বোৰ্ডে পৰীক্ষা কৰি ব্যক্তি এজন প্ৰতিবন্ধী হয় নে নহয় সেইটো নিৰ্ণয় কৰে। বোৰ্ডে এইটোও থিৰাং কৰে যে ব্যক্তিজনৰ প্ৰতিবন্ধকতা ৪০ শতাংশ বা তাতোকৈ অধিক আছে নেকি— যাতে তেনে ব্যক্তিক প্ৰতিবন্ধকতাৰ প্ৰমাণ-পত্ৰ (Disability Certificate) দিব পাৰি। তদুপৰি এনে ধৰণৰ প্ৰতিবন্ধকতা লেখত ধৰা হয় যিবোৰ— আইনৰদ্বাৰা প্ৰতিবন্ধী ৰূপে গণ্য কৰা হয়। প্ৰতিবন্ধী লোকৰ বাবে ৰাজ্যই সা-সুবিধা আগবঢ়ায় যদিহে তেনে ব্যক্তিৰ প্ৰমাণ-পত্ৰ আছে। প্ৰমাণ পত্ৰ লাভ কৰিবলৈ সময় লাগিব পাৰে, কিন্তু এনে প্ৰক্ৰিয়া কোনো সম্ভাব্য অপব্যৱহাৰ ৰোধ কৰিবলৈ ঠিক কৰা হৈছে। যি ক্ষেত্ৰত আমি এই কুৰি শতিকাৰ কালত ডিজিটেল ইণ্ডিয়াৰ কথা কওঁ আৰু প্ৰযুক্তি হ'ল সকলোৰে মুখে মুখে উচ্চাৰণ হোৱা এটা শব্দ তেনে ক্ষেত্ৰত প্ৰতিবন্ধীৰ প্ৰমাণ-পত্ৰ লাভ কৰাৰ পদ্ধতি পৰিৱৰ্তন হ'ব পাৰে।

## প্ৰতিবন্ধী প্ৰমাণ-পত্ৰ সম্পৰ্কীয় বিষয়

প্ৰতিবন্ধী প্ৰমাণ পত্ৰ প্ৰদান কৰিবৰ বাবে আবেদন-পত্ৰ দাখিল কৰাটো হ'ল প্ৰথম বিষয়। প্ৰতিবন্ধী লোক বিষয়ক সংশোধিত বিধি মতে (ইয়াৰ জাননী ২০০৯ চনত প্ৰকাশ) "এজন প্ৰতিবন্ধী ব্যক্তিয়ে এখন প্ৰমাণ-পত্ৰ পাবলৈ হ'লে তেওঁ নিৰ্দিষ্ট প্ৰ-পত্ৰত (সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰণালয়ৰ ৱেবছাইটত পোৱা যায়) এখন আবেদন-পত্ৰ দাখিল কৰিব লাগে আৰু সেই আবেদন-পত্ৰৰ লগত বাসস্থলৰ প্ৰমাণ আৰু দুখন শেহতীয়া পাছপোৰ্ট আকাৰৰ ফটো গাঁঠি দিব লাগিব। তাৰ পিছত দৰ্খাস্তখন প্ৰতিবন্ধী ব্যক্তিজনৰ নিজ জিলাখনৰ উপযুক্ত চিকিৎসা কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰিব লাগিব কিম্বা তেওঁ যিখন চিকিৎসালয়ত নিজৰ প্ৰতিবন্ধকতা সম্পৰ্কে চিকিৎসা কৰিছিল সেই চৰকাৰী চিকিৎসালয় সংশ্লিষ্ট চিকিৎসা কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰিব লাগিব। আন এটা বিষয় হ'ল প্ৰতিবন্ধী ব্যক্তিজন নাবালক অথবা বুদ্ধি ভাৰসা নথকা ৰোগত ভোগা কিম্বা আন কোনো ধৰণৰ প্ৰতিবন্ধকতা— যিটোৱে তেনে ব্যক্তিক এখন দৰ্খাস্ত নিজে আবেদন কৰিবলৈ

লিখিকা ষ্টেণ্ডাৰ্ড এণ্ড এশ্বুৰ্এন্স, ৰিছ্চৰ্চ এণ্ড পাব্লিকেশ্বনছ, স্কিল কাউন্সিল ফৰ পাৰ্চনছ্ উইথ্ ডিছএবিলিটিজৰ মুৰব্বী।

অসমৰ্থ কৰি তোলে তেনে অৱস্থাত তেওঁৰ ন্যায়সঙ্গত অভিভাৱকে তেওঁৰ হৈ চিকিৎসা কৰ্তৃপক্ষৰ ওচৰত আবেদন কৰিব পাৰে।”

দ্বিতীয় বিষয়টো হ'ল প্ৰতিবন্ধী প্ৰমাণ পত্ৰ দিয়া পদ্ধতি। দৰ্খাস্ত লাভ কৰাৰ পিছত সংশ্লিষ্ট মেডিকেল কৰ্তৃপক্ষই প্ৰতিবন্ধী আইন, ১৯৯৫ অনুযায়ী (Equal Opportunities, Protection of Rights and Full Participation) সকলোবোৰ বিষয় চালি-জাৰি চাই প্ৰমাণ-পত্ৰ প্ৰদান কৰিব। সেই কাম দৰ্খাস্ত পোৱাৰ এসপ্তাহৰ ভিতৰতে যিমান দূৰ সম্ভৱ সম্পাদন কৰিব। সেয়া সম্ভৱ হৈ নুঠিলে যিকোনো কাৰণতেই নহওক এমাহৰ ভিতৰত সম্পূৰ্ণ কৰিব।

চিকিৎসা কৰ্তৃপক্ষই স্থায়ী প্ৰতিবন্ধী প্ৰমাণ-পত্ৰও প্ৰদান কৰে। তাৰ বাবে কৰ্তৃপক্ষই ব্যক্তিজনৰ প্ৰতিবন্ধকতাৰ মাত্ৰা সাল-সলনি নোহোৱাৰ ওপৰত ভিত্তি কৰি উপযুক্ত পৰীক্ষাৰ পাছত তেনে কাৰ্য সাধন কৰে। অৱশ্যে তেওঁ প্ৰমাণ-পত্ৰত ব্যক্তিজনৰ আচৰণ, কথা-বাৰ্তা অথবা অন্য বিষয় সাল-সলনি হোৱাৰ সম্ভাৱনা থাকিলে সেই বিষয়ে তেনে সময়ৰ বিষয়েও উল্লেখ কৰিব পাৰে।

যদি আবেদনকাৰীক প্ৰতিবন্ধী প্ৰমাণ-পত্ৰ দিবৰ বাবে অযোগ্য পোৱা যায়, তেনে ক্ষেত্ৰত চিকিৎসা কৰ্তৃপক্ষই সেই ব্যক্তিৰ দৰ্খাস্তখন কিয় নাকচ কৰিলে তাৰ কাৰণ বুজাই দিবলৈ কৰ্তৃপক্ষ বাধ্য আৰু সেই কাৰণবোৰ লিখিতভাৱে জনাব লাগে।

য'ত দৰ্খাস্ত নাকচ কৰা হয়, তেনে ক্ষেত্ৰত তৃতীয় পদক্ষেপ হ'ল প্ৰতিবন্ধী প্ৰমাণ-পত্ৰ দিবলৈ অস্বীকাৰ কৰা সন্দৰ্ভত এটা পৰ্যালোচনাৰ ব্যৱস্থা কৰা। তেনে ক্ষেত্ৰত এজন আবেদনকাৰীক প্ৰমাণ-পত্ৰ দিবলৈ নাকচ কৰাৰ বাবে চিন্তিত হ'লে (প্ৰমাণ-পত্ৰত কাৰণ দৰ্শোৱা প্ৰকৃতি বা আচৰণৰ কাৰণে) তেওঁ এনে সিদ্ধান্তৰ বিৰুদ্ধে চিকিৎসা কৰ্তৃপক্ষক জনাব পাৰে। এনে কৰাৰ প্ৰক্ৰিয়াৰ বিষয়ে এটা অতিৰিক্ত ব্যৱস্থাৰ দিহা কৰা হৈছে— য'ত প্ৰতিবন্ধী ব্যক্তিজন নাবালক কিম্বা জ্ঞান-বুদ্ধিৰ দিশৰ পিনৰ পৰা আশানুৰূপভাৱে সক্ষম নহয় অথবা আন যিকোনো ধৰণৰ প্ৰতিবন্ধকতাৰ বাবে অনুপযুক্ত অথবা তেওঁ নিজে এনে এখন দৰ্খাস্ত দিবলৈ অসমৰ্থ, তেনে ক্ষেত্ৰত তেওঁৰ হৈ ন্যায়গত অভিভাৱকে সেই কাম কৰিব পাৰে।

**প্ৰতিবন্ধী লোক সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ**

প্ৰতিবন্ধী লোক সম্পৰ্কে কোনে সিদ্ধান্ত গ্ৰহণ কৰে? ইয়াৰ উত্তৰ হ'ল জিলা বা ৰাজ্য স্তৰত গঠন কৰা সংশ্লিষ্ট চিকিৎসা বোৰ্ডবোৰে প্ৰতিবন্ধী প্ৰমাণ-পত্ৰ প্ৰদান কৰা কৰ্তৃপক্ষ। এই বোৰ্ড গঠন হয় জিলাৰ মুখ্য চিকিৎসা বিষয়া/মহকুমা চিকিৎসা বিষয়া আৰু নিৰ্দিষ্ট ক্ষেত্ৰৰ আন এজন বিশেষজ্ঞ। উদাহৰণ স্বৰূপে দৃষ্টিগত অসুবিধাৰ ক্ষেত্ৰত এজন নেত্ৰ শল্য চিকিৎসক, বাক তথা শ্ৰৱণ বিসঙ্গতিৰ ক্ষেত্ৰত এজন ডিঙি, নাক, কাণৰ শস্য চিকিৎসক, অথবা শ্ৰৱণ বিশেষজ্ঞ, শাৰীৰিক চিকিৎসাৰ ক্ষেত্ৰত এজন অস্থি শল্য চিকিৎসক আৰু শাৰীৰিক প্ৰতিবন্ধকতাৰ ক্ষেত্ৰত সেই পুনৰ সংস্থাপন বিষয়ৰ বিশেষজ্ঞ আৰু মানসিক প্ৰতিবন্ধকতাৰ ক্ষেত্ৰত এজন মানসিক ৰোগৰ চিকিৎসক কিম্বা মনোৰোগ বিশেষজ্ঞ থাকিব।

**প্ৰত্যাহ্বান**

প্ৰত্যেক সমাজেই নিজ নিজ ক্ষেত্ৰৰ যিসকল লোকৰ প্ৰতিবন্ধকতা সমস্যা আছে তাক নিশ্চয়েই এনেদৰে সমাধান কৰিবলৈ চেষ্টা কৰিব লাগে— যাতে প্ৰতিবন্ধী ব্যক্তিৰ স্বতন্ত্ৰতাত ব্যাঘাত নজন্মে তথা মানৱ অধিকাৰকো সন্মান জনোৱা হয়। লগতে তেনে ব্যক্তিক জীৱনৰ গুণগত দিশ সন্ধান কৰিবলৈও স্বাধীনতা দিব লাগে। প্ৰতিখন দেশে প্ৰতিবন্ধী লোকসকলৰ সমস্যা শক্তি আৰু ক্ষমতা অনুসৰি সমাধান কৰা দৰকাৰ। এখন সমাজত যিবোৰ অৱস্থাই প্ৰতিবন্ধকতাৰ দিশ উন্মোচন কৰে সেয়া আন এখন সমাজত নহ'বও পাৰে, কিম্বা একে মাত্ৰা নহ'বও পাৰে। তাৰ কাৰণ হ'ল সাংস্কৃতিক আৰু থলুৱা ভিন্নতা (যেনে— এটা চহৰীয়া পটভূমিত শাৰীৰিক প্ৰতিবন্ধকতা সিমান সীমাবদ্ধ নহ'বও পাৰে সম্পদৰাজিৰ লাভৰ কাৰণে। গ্ৰাম্য পটভূমিত তেনে সম্পদৰাজি লাভ নহ'বও পাৰে)। তদুপৰি ভিন ভিন সমাজৰ ভিন্ন স্তৰৰ সম্পদ পোৱা যাব পাৰে— যাৰদ্বাৰাই প্ৰতিবন্ধী লোককো তাত সামৰি ল'ব পাৰি।

প্ৰমাণ-পত্ৰ লাভ কৰাৰ পাছত গোপনীয়তা প্ৰকাশ কৰা কাৰ্য পৰিহাৰ কৰিলে ভাল হয়। কাৰণ তেনে কাৰ্যই প্ৰতিবন্ধী ব্যক্তিৰ অন্তৰ্নিহিত ব্যতিক্ৰম গুণখিনি— যিবোৰ আনে সততে জানিব নোৱাৰে প্ৰকাশ পালে মনত অসন্তুষ্টিৰ ভাব জাগি উঠে। সম্প্ৰতি প্ৰতিবন্ধী প্ৰমাণ-পত্ৰ বিভিন্ন ধৰণৰ ৰেহাই কিম্বা লাভ প্ৰাপ্ত কৰিবৰ বাবে চৰকাৰী আৰু বেচৰকাৰী কাৰ্যালয়ত দেখুওৱাৰ আৱশ্যক হয়। কোনো বিষয়ত যি ৰেহাই প্ৰদান প্ৰমাণ-পত্ৰ পোৱা যায় তাক লাভ লাভ কৰিবৰ বাবে বিভিন্ন ধৰণৰ অনা-স্বাস্থ্য বিষয়ক পেছাদাৰী লোকৰ ওচৰত (non-health professional) দেখুৱাব লগা হয়। উদাহৰণ স্বৰূপে ভাৰতৰ যিকোনো ৰে'ল ষ্টেচনত টিকট ক্লাৰ্কৰ ওচৰত ৰেহাই

প্ৰমাণ-পত্ৰ দেখুওৱাৰ আৱশ্যক হয়— যাতে ৰেহাই মূল্যত টিকট পাব পাৰি বা মাহিলি প্ৰৱেশ-পত্ৰ পাব পাৰি। তেনে ব্যক্তিৰ প্ৰতিবন্ধী অৱস্থাৰ প্ৰকৃতি সম্পৰ্কে প্ৰত্যেক স্তৰতেই নথিভুক্ত কৰা হয়। তেনে ক্ষেত্ৰত কিছুমান লোক আছে— যিসকল কোনো ধৰণে বিধি-নিয়ম বা নীতিগতভাৱে স্বাস্থ্য সম্পৰ্কীয় সম্ভেদ গোপনভাৱে ৰাখিবলৈ বাধিত নহয়, তেনে লোকে এই বিষয়টো অন্য ধৰণেও চাব পাৰে। তেনে ক্ষেত্ৰত তেনে কাণ্ড-কাৰখানা প্ৰতিবন্ধী ব্যক্তিৰ বাবে অসন্তোষজনক হ'ব পাৰে।

দীঘলীয়া বাধা-বিঘিনিৰ তালিকাৰ ভিতৰত কেইটামান তলত উল্লেখ কৰা হ'ল—

★ স্বাস্থ্যৰ গোপনীয়তা সন্দৰ্ভত প্ৰভাৱ
★ নিৰুৎসাহজনক পৰীক্ষা-নিৰীক্ষা
★ ৪০ শতাংশ নম্বৰৰ ক্ষেত্ৰত দ্ব্যৰ্থকতা
★ দীৰ্ঘকালীন প্ৰক্ৰিয়া
★ কোনো মান নাই
★ দৃষ্টিভঙ্গীগত বাধা
★ লেবেলিং অৰ্থাৎ প্ৰতিবন্ধকতাৰ ক্ষেত্ৰত মোহৰ মৰা
★ সমান সুযোগ-সুবিধাৰ অধিকাৰ উলংঘা।

**লাভ সমূহ**

প্ৰতিটো মুদ্ৰাৰেই দুটা পিঠি থাকে আৰু দুয়ো ফালৰে মূল্য আছে। কিছুসংখ্যক লোকে "প্ৰতিবন্ধী প্ৰমাণ-পত্ৰ" বিষয়টো ভাল নাপাব পাৰে, কিন্তু বহু লোকো আছে যি ইয়াৰ পৰা সুফল লাভ কৰিছে। এনে প্ৰমাণ-পত্ৰ অৰ্থাৎ চাৰ্টিফিকেট প্ৰতিবন্ধী ব্যক্তিৰ বাবে কেৱল এটা নথিয়েই নহয়, ই হ'ল প্ৰতিবন্ধকতাৰ এটা প্ৰমাণ আৰু তেনে লোকে পাব লগা লাভ/সা-সুবিধা/অধিকাৰৰ এটা গুৰুত্বপূৰ্ণ আহিলা। এই সুবিধাসমূহ বিভিন্ন উপযুক্ত আইনৰ অধীনত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহে আগবঢ়ায়। সেই লাভ বা সা-সুবিধাসমূহ এনেধৰণৰ—

❍ ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত বিশেষ ব্যৱস্থা
❍ ৰে'লত ৭৫ শতাংশলৈকে ৰেহাই
❍ বিমান ভ্ৰমণত ৫০ শতাংশলৈকে ৰেহাই
❍ ৫ শতাংশলৈকে পৰিবহণ ভাড়া
❍ ৪০,০০০ টকালৈকে আয়কৰ ৰেহাই
❍ ৰাজহুৱা খণ্ডৰ বেংকবোৰৰদ্বাৰা অৰ্থনৈতিক সাহায্য
❍ ৬০ বছৰ বয়সৰ ঊৰ্দ্ধৰ লোকৰ বাবে বিত্তীয় সাহায্য
❍ কম উপাৰ্জিত পৰিয়ালৰ বাবে বিত্তীয় সাহায্য
❍ যিবোৰ পৰিয়ালৰ মূল উপাৰ্জনকাৰীৰ মৃত্যু হয় তেনে পৰিয়ালৰ বাবে লাভৰ ব্যৱস্থা
❍ কুষ্ঠ ৰোগীৰ বাবে বিত্তীয় সাহায্য
❍ দিল্লীত বসবাস কৰা লোকসকলৰ বাবে বিত্তীয় সাহায্য
❍ চৰকাৰী আঁচনিসমূহ লাভ কৰাৰ সুবিধা

**পৰিৱৰ্তন**

দেশে প্ৰতিবন্ধী লোকসকলৰ বাবে চূড়ান্তভাৱে চিন্তা কৰিছে আৰু ব্যৱস্থা গ্ৰহণ কৰিবলৈও লৈছে। প্ৰতিবন্ধী লোক আইন, ১৯৯৫ দুটা দশকৰ পিছত ৰূপায়িত কৰা হয় আৰু তাৰ ফলস্বৰূপে নীতিসমূহ সঠিকভাৱে গতি লাভ কৰিছে। প্ৰতিবন্ধী লোকৰ বাবে এটা অনুকূল পৰিৱেশৰ যোগান ধৰিবলৈ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে— যাৰদ্বাৰাই প্ৰতিবন্ধী লোকৰ পূৰ্ণ সম্ভাৱনাৰাজিক স্পৰ্শ কৰিব পাৰে আৰু তেওঁলোকে সমাজত অন্য লোকৰ সৈতে সমান আৰু সম্পূৰ্ণভাৱে অংশগ্ৰহণ কৰিব পাৰে। এই ক্ষেত্ৰত লক্ষণীয় দিশটো হ'ল এই যে এই প্ৰবন্ধটো তথ্য আৰু অনাতাঁৰ মন্ত্ৰণালয়ৰ অধীনত এখন আলোচনীত প্ৰকাশ পোৱাটো হ'ল কেনেদৰে এই ক্ষেত্ৰত এতিয়া পৰিৱৰ্তনৰ গতি লাভ কৰিবলৈ লৈছে। বহু প্ৰত্যয়জনক বিষয় সম্ভাৱে বাৰে বাৰে এইটোকে প্ৰমাণ কৰিছে যে "প্ৰতিবন্ধকতা" একোৱেই নহয়— এটা মনৰ স্থিতিবিশেষহে। এয়া হ'ল অ-প্ৰতিবন্ধী লোকসকলৰদ্বাৰা সৃষ্টি কৰা এটা ডাঙৰ বাধা যিটোৱে এজন প্ৰতিবন্ধী লোকক নিজৰ যিমান সামৰ্থ্য আছে তাক উৎসাহিত কৰাতকৈ অসমৰ্থ অৱস্থাতহে পেলায়। এতিয়া সকলো দিশকে সামৰি লোৱা এখন সুচল ভাৰতৰ পুৱা উদয় হৈছে!! ❑

*'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ বিষয়ে পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢুৱৈ সমাজক অধিক তথ্য জনাবলৈ বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়ায় যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।*

# এখন উন্নত ভাৰতৰ বাবে সুচলতা প্ৰদান হ'ল আগবাঢ়ি যোৱাৰ পথ

**গৌৰৱ ৰাহেজা***

**পটভূমি**

এখন দেশে কিদৰে জনগণৰ স্পৰ্শকাতৰ গোটসমূহৰ কল্যাণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে আৰু কেনেদৰে সমৰ্থনো জনায় তাৰ ওপৰতহে দেশখনৰ বিকাশ প্ৰতিফলিত হয়। এই স্পৰ্শকাতৰ গোটসমূহৰ মাজত প্ৰতিবন্ধী লোকসকলো সাঙুৰ খাই আছে। ভাৰত হ'ল বিশ্বৰ প্ৰতিবন্ধী জনসংখ্যাৰ এক-তৃতীয়াংশতকৈ অধিক লোকৰ গৃহ। তেনেদৰে অন্ধ জনসংখ্যাৰ এক-অৰ্দ্ধ (one half) ইয়াত আছে। এনে স্থিতিলৈ চাই এলানি কৰ্ম পৰিকল্পনা গ্ৰহণ কৰাৰ প্ৰয়োজন আছে আৰু সেয়া দাতব্য ব্যৱস্থাৰ পৰা আৰম্ভ কৰি সামাজিক আৰ্হিৰ দৃষ্টিভঙ্গী প্ৰতিবন্ধীসকলৰ সন্দৰ্ভত অৱলম্বন কৰা আৱশ্যক। যিখন ভাৰতে এটা বিকশিত ভৱিষ্যতৰ বাবে প্ৰয়াস কৰিছে আৰু তেনেদৰে আশাও ৰাখিছে, তাৰ্লৈ চাই মানৱীয় সমান অধিকাৰ আৰু কল্যাণৰ বাবে চিন্তা কৰিব লাগিব আৰু সেই চিন্তাধাৰাৰে গ্ৰহণ কৰা ব্যৱস্থাৱলীত আন্তঃগাঁথনি আৰু সম্ভেদৰাজিৰ সুচল প্ৰাপ্তিয়েই এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

ভাৰতত প্ৰৱেশ যোগ্যতাৰ সন্দৰ্ভত আলাপ-আলোচনাই যথেষ্ট ঠাই পায় আৰু সেই অনুযায়ী কাম-কাজবোৰ আৰম্ভ কৰিবলৈ প্ৰয়াস কৰা হয়। কিন্তু পিছত প্ৰতিবন্ধী লোকসকলৰ আৱশ্যকতাৰ প্ৰতি মনোযোগ দিলেও সেয়া সাৰ্থক ৰূপত প্ৰতিফলিত নহয়। এই ক্ষেত্ৰত মন কৰিবলগা দিশটো হ'ল সেই কামবোৰৰ পৰিসৰ সাংস্কৃতিক, অৰ্থনৈতিক আৰু মানৱ ক্ষেত্ৰৰ ভিন্ন ধৰণৰ সামাজিক আকাৰ-প্ৰকাৰলৈ বিস্তৃত কৰা নহয়। সহায় আৰু সহানুভূতিসূচক ভাৱধাৰা জীৱনৰ সকলো ক্ষেত্ৰৰে প্ৰতিবন্ধী লোকসকলক সামৰি লোৱাৰ দিশত আন এটা শক্তিশালী কাৰক। শিক্ষা, বৈদ্যুতিন তথা ছপা সংবাদ মাধ্যম আৰু মানৱ যোগাযোগৰ অন্যান্য সম্ভাব্য পথসমূহৰ জৰিয়তে ইয়াক সাধন কৰা প্ৰয়োজন— যাতে সজাগতা সৃষ্টি হয় আৰু প্ৰতিবন্ধীসকলক বুজিবৰ বাবে লোকচক্ষুৰ আগলৈ আনিব পাৰি। প্ৰতিবন্ধকতা প্ৰভেদ অৱস্থাৰ বিষয়ে আলোকপাত কৰাটো নহয়, বৰং বৈচিত্ৰ্যময় মানৱ জীৱনৰ প্ৰতিফলনকহে গ্ৰহণ কৰাৰ বিষয়ে অৱলোকন কৰা— যিটোত আমাৰ চৌদিশে থকা পৰিৱেশে কোনো ভেদ ভাব নাৰাখি নিশ্চয়েই খাপ খুৱাই ল'ব লাগিব আৰু উপযুক্ত ব্যৱস্থাও অৱলম্বন কৰিব লাগিব। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষাত ক'বলৈ গ'লে "সকলোবোৰ প্ৰভেদক কেনেকৈ মচি পেলাব লাগিব সেইটো সমস্যা নহয়, সমস্যা হ'ল সেই সকলোবোৰ প্ৰভেদক একেলগে ঐক্যবদ্ধ কৰাটোহে।"

সুচলতা প্ৰদান ভাৱধাৰাৰ জৰিয়তে ওপৰোক্ত উদ্যম শক্তিক কামত প্ৰয়োগ কৰিবৰ কাৰণে অতি উপযুক্ত আহিলা। মানৱৰ মাজত থকা ভিন্নতাক একেলগ কৰাৰ ইয়াৰ ক্ষমতা আছে; আৰু তাকে কৰোঁতে ব্যক্তিক সামৰ্থ্যৰ প্ৰতি প্ৰত্যাহ্বান নজনাই প্ৰত্যেকৰে যি ভিন ভিন গুণ আছে তাৰ প্ৰতি সমৰ্থন জনাই অগ্ৰসৰ হোৱা বাঞ্চনীয়। এই ক্ষেত্ৰত গৱেষণা ভিত্তিক ৰূপায়ণৰ কাম হাতত লোৱা প্ৰয়োজন আৰু কাৰ্যকৰণৰ গতি প্ৰবাহৰ সন্দৰ্ভত সঘনে মূল্যাংকণ কৰা দৰকাৰ। তেনে ব্যৱস্থাৰদ্বাৰাহে সুচলতা প্ৰদানৰ উমান পোৱা যাব আৰু সেই অনুযায়ী আমাৰ বসবাস স্থলৰ (চহৰ তথা গ্ৰাম্য উভয়ৰে) পৰিৱেশ অনুকূল হ'ব। এই সন্দৰ্ভত দিল্লী মেট্ৰোৰ কথা গৌৰৱেৰে ক'ব পাৰি। সম-সাময়িক ভাৰতত চলাচল পদ্ধতিত সুচল ব্যৱস্থা থকা এইখন চহৰ হ'ল এটা ইতিবাচক দৃষ্টান্ত। সুচল ব্যৱস্থাক এনেদৰে সমন্বিত কৰা হৈছে যে ই কেৱল নিৰ্মাণ আন্তঃগাঁথনিৰ অংশ স্বৰূপেই নহয়, তদুপৰি ই হ'ল তথ্য আৰু সেৱা আগবঢ়োৱা সমল— যিবোৰ কাৰ্যকৰণৰ ক্ষেত্ৰত প্ৰয়োজন হয়। বিস্তৃত প্ৰসঙ্গত এইটোকেই ক'ব পাৰি যে ই অৰ্থনৈতিক, সাংস্কৃতিক আৰু সামাজিক ভিন্নতাকো এটা নিজস্ব পৰিসৰৰ ভিতৰলৈ আনিছে; কিন্তু মানৱৰ বৈচিত্ৰ্যময় জীৱনক যথাযথ ৰূপত ৰাখিছে— যাৰদ্বাৰাই কাম-কাজৰ গতি প্ৰবাহ অব্যাহত হৈ আছে। অৱশ্যে সুচল প্ৰাপ্তি কিম্বা সুচলতা প্ৰদানক বুজি

*গৌৰৱ ৰাহেজা ৰুড়কীৰ আই আই টি-ৰ সহযোগী অধ্যাপক

পাবলৈ আৰু তাক উপযুক্তভাৱে প্ৰয়োগ কৰিবলৈ এতিয়াও শিকাৰ আৱশ্যক আছে।

**সুচলতা প্ৰদানৰ বৈশিষ্ট্য**

সুচলতাৰ বাবে কোনো বিশেষ দৃষ্টিভংগী অৱলম্বন কৰাৰ প্ৰয়োজন নাথাকে। আমাৰ মনবোৰ, জীৱন নিৰ্বাহ কৰা বিষয়বোৰ, সামাজিক দৃষ্টিকোণ তথা মানৱ সঁহাৰিক অনুভূতিশীল কৰি তোলাৰ আৱশ্যক হয়। সুচল প্ৰৱেশৰ ব্যৱস্থা কৰা বা প্ৰাপ্তি কেৱল এটা শাৰীৰিক বিষয় নহয়, ই হ'ল এটা সামাজিক আৰু প্ৰতিষ্ঠানমূলক ব্যৱস্থাও। সহজ কথাত ক'বলৈ গ'লে ই হ'ল জীৱনৰ এটা অভিজ্ঞতা— য'ত ব্যক্তিয়ে চাল-চলন, যোগাযোগ, কাম, অংশগ্ৰহণ আৰু দৈনন্দিন কাম-কাজ অসুবিধা নোহোৱাকৈ কৰিব পাৰে কিম্বা ন্যূনতম মানৱ নিৰ্ভৰশীলতাৰে অথবা মানৱ মৰ্যাদা নেহেৰুৱাকৈ কৰিব পাৰে। ইয়াক আৰু অধিক সহজভাৱে ব্যাখ্যা কৰিবলৈ এনে প্ৰশ্নও কৰিব পাৰি— “আমি জানো আমাৰ বৰ্তমান পৰিৱেশত মৰ্যাদা আৰু সমভাৱে স্বতন্ত্ৰীয়াকৈ চলাচল, যোগাযোগ আৰু কাম কৰিব পাৰো?” ইয়াৰ উত্তৰত যদি এয়া সম্ভৱ হয়, তেনেহ'লে বোধহয় প্ৰকৃততেই আমাৰ জীৱনৰ সুচলতা বিষয়ক অভিজ্ঞতা আছে আৰু যদি নাই, তেনেহ'লে সেই সুচল ব্যৱস্থাৰ পথ প্ৰশস্ত কৰা মূল কাৰণবোৰ আৰু তাৰ মাজৰ আন্তঃসম্পৰ্কসমূহক বিশ্লেষণ কৰা আৱশ্যক। তেতিয়া আমি উপলব্ধি কৰিম যে সুচলতা বিষয়টো হ'ল মানৱৰ কাম-কাজ আৰু স্থানৰ মাজত থকা জটিল আন্তঃকাৰ্যৰ এটা পৰিণতি। যদি স্থান বা স্থিতিয়ে সকলোৰে বাবে মানৱ কাম-কাজক সমৰ্থন কৰে, তেনেহ'লে ইয়াক সম্পূৰ্ণৰূপে সুচলতামূলক ব্যৱস্থা বুলি ক'ব পাৰি আৰু যদি সংৰক্ষণশীলভাৱে মানৱ কাম-কাজক সমৰ্থন কৰে তেনেহ'লে ই হ'ব আংশিকভাৱে প্ৰাপ্ত সুচল ব্যৱস্থা। তেনেদৰে যদিহে ই মানৱৰ বৃহৎ কাম-কাজত সমৰ্থন নজনায় তেনেহ'লে সি হ'ব অসুচলতামূলক ব্যৱস্থা।

আমাৰ জীৱন নিৰ্বাহ কৰা পৰিৱেশৰ অভিজ্ঞতা লাভ কৰাটো গুৰুত্বপূৰ্ণ বিষয়। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক স্থিতিৰ প্ৰতিফলন সেইবোৰত হোৱা উচিত আৰু তাৰ প্ৰতি থকা সুচল প্ৰৱেশৰ বাধাই কেৱল আৱয়ৱিক আন্তঃগাঁথনিৰ অনুপস্থিতিকেই নুসূচায়, আচাৰ-বিচাৰ, ভাব-চিন্তাটো সেই অভাৱ পৰিলক্ষিত হয়— যাৰ ফলত সুচলতা প্ৰদান ভাৱধাৰাক ভুলভাৱে উপস্থাপন কৰা হয়। প্ৰতিবন্ধী লোকৰ ক্ষেত্ৰত সুচল প্ৰাপ্তি বিষয়টোক সমাজত এতিয়াও ভালদৰে গ্ৰহণ কৰা হোৱা নাই আৰু তেনে গতিধাৰা চলিয়েই আছে। কিন্তু ইয়াৰ সমুচিত ব্যৱস্থাৰ বাবে উপায় উদ্ভাৱন কৰা আৱশ্যক আৰু তাক হিতকৰ কাৰ্যৰূপে খৰ গতিৰে সাধন কৰিব লাগে। প্ৰতিবন্ধী আইন, ১৯৯৫-এ ইয়াক ৰূপায়ণ কৰিবৰ কাৰণে এখন শক্তিশালী মঞ্চৰ যোগান ধৰিছে। ই সুচলতা প্ৰদানৰ ক্ষেত্ৰত আধিক্য আৰোপ কৰিছে ঃ “উপযুক্ত চৰকাৰ আৰু স্থানীয় কৰ্তৃপক্ষই নিজৰ অৰ্থনৈতিক ক্ষমতা আৰু বিকাশ সীমাৰ ভিতৰত প্ৰয়োজনীয় সা-সুবিধা যোগান ধৰিব...।”


সুচল প্ৰৱেশ সাধনৰ বাবে বিধি-নিয়মসমূহৰ জৰিয়তে বেচ জোৰ দিয়া হয়। কিন্তু তাৰ আন্তঃগাঁথনি উন্নত কৰিবলৈ তেনেদৰে ব্যৱস্থা গ্ৰহণ কৰা নহয়। প্ৰতিবন্ধী আইনৰ সম্প্ৰসাৰণ ক্ৰমে প্ৰতিবন্ধী লোকসকলৰ বাবে শিক্ষা আৰু নিয়োগত ৩ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰা হয়। পিছে যেতিয়া শিক্ষাৰ আন্তঃগাঁথনি আৰু প্ৰক্ৰিয়াসমূহ সম্পূৰ্ণৰূপে প্ৰৱেশযোগ্য নহয় তেনেস্থলত এজন ব্যক্তিয়ে কেনেকৈ শিক্ষা গ্ৰহণ কৰিব?

প্ৰতিবন্ধী আইন, ১৯৯৫ প্ৰণয়ণ কৰাৰ পাছৰ বিছ বছৰ কালছোৱাত যদি আমি ভৱিষ্যতৰ পিনে বৈশিষ্ট্যপূৰ্ণভাৱে অগ্ৰগতি লাভ কৰিলো, তেনেহ'লে তাক মূল্যাংকণ কৰা আৱশ্যক। সুচলতা প্ৰদানৰ ক্ষেত্ৰত আমি যি বিকাশ লাভ কৰিলো, তাৰ সূচাংকই সম্ভৱতঃ আমাক এতিয়াৰ স্থিতি মাপ কৰাত সহায় কৰিব। সাধাৰণতে এষাৰ কথা কোৱা হয়— “যিটো জুখিব লাগে সেয়া জানো প্ৰকৃততে জোখা হয়?” সেয়ে সুচলতা প্ৰদানৰ ব্যৱস্থাসমূহ এতিয়া চালি-জাৰি চোৱাৰ সময় আৰু আমাৰ আন্তঃগাঁথনিসমূহৰো (ৰাজহুৱা ভৱন, ৰাস্তা, প্ৰতিষ্ঠান, পৰিবহণ টাৰ্মিনেল আৰু আন সকলো ধৰণৰ নিৰ্মাণ কাৰ্যই সৃষ্টি কৰা পৰিৱেশ) মূল্যাংকণ কৰা দৰকাৰ— যাতে আমি যি পৰিৱেশ গঢ়ি তুলিছো সেই বিষয়ে এটা পৰিষ্কাৰ চিত্ৰ দাঙি ধৰা প্ৰয়োজন— যাৰদ্বাৰাই দিক দৰ্শনৰ বাবে উপযুক্ত মাপ-কাঠী লাভ কৰিব পাৰো। সি যি কি নহওক, এনে ধৰণৰ বিকাশ আৰু ফলাফলক সমৰ্থন জনাবৰ বাবে এটা প্ৰগতিমূলক গৱেষণাৰ আৱশ্যক।

১নং নক্সাত দেখুওৱাৰ দৰে WINIT model হ'ল আৰ্হি, আন্তঃগাঁথনি কিম্বা এটা ইপ্সিত পদ্ধতিত কিমান জনসংখ্যা অন্তৰ্ভুক্ত কৰা হৈছে সেই বিষয়ে জনা আৰু পৰিচালিত হোৱাৰ এটা আমোদজনক উপায়। ই এনে এটা দৃশ্যপট অংকন কৰে— য'ত

কেনে ধৰণৰ লোকক আন্তঃগাঁথনি সম্পৰ্কিত বিষয় কিম্বা উৎপাদন অথবা নিজস্ব পদ্ধতিৰে প্ৰয়োজন পূৰণ কৰিছে কোন অন্তৰ্ভুক্ত হ'ল আৰু কোন বাহিৰ হ'ল তাক ওপৰৰ পৰা তললৈ তথা তলৰ পৰা ওপৰলৈ চিত্ৰিত কৰা হয়। সেয়ে সুচলতাৰ বিষয়টো গুৰুত্বপূৰ্ণ হোৱা হেতু আজিকালি ইয়াৰ মূল্যাংকণ আৰু অগ্ৰগতিৰ সন্দৰ্ভত স্পষ্টতাৰ আৱশ্যক হয়। WINIT আৰ্হিয়ে সুচল প্ৰৱেশ চিত্ৰায়িত কৰিবৰ বাবে উপায় নক্সাত দেখুৱাইছে। ভাৰতত স্মাৰ্ট ছিটি সন্দৰ্ভত এনে পদ্ধতি অৱলম্বন কৰিব পাৰে। সাৰ্বজনীন সুচলতাই আমাৰ বৰ্তমানৰ চহৰৰ পৰিৱেশ সুন্দৰ কৰি তুলিব পাৰে। লগতে আমি বসবাস কৰা পৰিৱেশে সামাজিকভাৱে স্থিতি লাভ কৰাত সহায় কৰিব পাৰে। এই ক্ষেত্ৰত প্ৰশ্ন কৰিব পাৰে— স্মাৰ্ট ছিটি বিকাশৰ জৰিয়তে সুবিধা প্ৰদান কৰিব লগা কোন সেই জনসংখ্যা? কোন উপকৃত হ'ব আৰু কেনেকৈ? আৰু প্ৰতিবন্ধী লোকসকল তাত কেনেদৰে অন্তৰ্ভুক্ত হ'ব আৰু কি কি ব্যৱস্থাৰে? নতুন চহৰ বিকাশ প্ৰক্ৰিয়াত জনগাঁথনি অন্তৰ্ভুক্তিকৰণৰ অৰ্থে এটা সুচলতা প্ৰদান মাষ্টাৰ প্লেন অৰ্থাৎ এখন বৃহৎ আঁচনি তৈয়াৰ কৰাটো অতি প্ৰয়োজনীয় লক্ষ্য হৈ আছে।

২০৫০ চনৰ বাবে জনগাঁথনি সম্পৰ্কে প্ৰক্ষেপণ কৰা ছবিখনৰ পৰা বিভিন্ন জনগণৰ সমানুপাতৰ বৰ্দ্ধিত গতিধাৰাৰ বিষয়ে কিছু উপলব্ধি কৰিব পাৰি আৰু সেই জনগাঁথনিৰ ভিতৰত পৰিব বয়সিয়াল লোক, অস্থায়ী প্ৰতিবন্ধী, হৃদ, শ্বাস-প্ৰশ্বাস আৰু অন্যান্য অসূয়াজনিত কাৰণত জীয়াই থকা লোক ইত্যাদি। ইয়াৰ পৰা উদ্ভৱ হোৱা মূল প্ৰশ্নটো হ'ল— "যেতিয়া পৰিকল্পনা কৰা হয়, তেনেদৰে নক্সাও তৈয়াৰ কৰা হয়, নিৰ্মাণ আৰু কাৰ্যকৰণৰ আন্তঃগাঁথনি প্ৰস্তুত কৰোঁতে আমি এই সকলো লোককে অন্তৰ্ভুক্ত কৰিছোনে? যদি কৰা নাই, তেনেহ'লে আমি নিশ্চয়েই বহিৰ্ভূতকৰণ তথা প্ৰৱেশযোগ্য নোহোৱাৰ পৰিণতিক বিশ্লেষণ কৰিব লাগিব। এইবোৰ বিষয়ত বুজাবুজিৰ অভাৱত এখন ৰাষ্ট্ৰ আৰু সমাজে সঠিক দিশত আগবাঢ়ি আশানুৰূপ ফল লাভ কৰিব নোৱাৰে আৰু তাৰ পৰিণতি হ'ল আনৰ ওপৰত বৰ্দ্ধিত নিৰ্ভৰশীলতা তথা অৰ্থনৈতিক অসমতা। কিন্তু সুচলতা প্ৰদান ব্যৱস্থাই তেনে পথ প্ৰশস্ত নকৰে। বৰং স্বতন্ত্ৰ অৱস্থাৰ উন্নতিহে সাধে।




১নং নক্সা ঃ WINIT মডেল (উৎস ঃ কীটছ এণ্ড ক্লাৰ্কছন, ২০০৪)

**সন্মুখৰ পথ**

আগবাঢ়ি যাবৰ কাৰণে সুচল অৱস্থা সৃষ্টি কৰাৰ ক্ষেত্ৰত এনে কামৰ সৈতে জড়িত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে মনোযোগ দিয়াৰ আৱশ্যক হয়। তাৰ লগতে নাগৰিকসকলৰ পৰাও এটা সজাগমুখী ভাবধাৰা থাকিব লাগে। অংশগ্ৰহণমূলক আঁচনি, চৰকাৰৰ সমৰ্থন সহ ব্যক্তিগত প্ৰয়াস একেলগ কৰাৰ প্ৰয়োজন— যাতে সমূহীয়া ক্ষেত্ৰ, চুবুৰীয়া স্থান, ৰাজহুৱা ভৱন, পৰিবহণ আৰু শিক্ষাত এটা সুচলাত্মক ভৱিষ্যতৰ বাবে কাম-কাজত ভাগ ল'ব পাৰি। সুচলতা প্ৰদান কাৰ্যত ন্যূনতম মান অৱলম্বন কৰাতে যাতে সীমিত নাথাকে, সেইটো চোৱা দৰকাৰ হয় আৰু তাৰ উপলব্ধিৰে সন্মুখত আহি পৰা বাধাকো এফলীয়া কৰি ভাল কাৰ্যৰ অভ্যাস গঢ়ি তোলা প্ৰয়োজন। তদুপৰি সক্ষমতাৰে কাম হাতত ল'বলৈ বিকাশ প্ৰাধিকৰণ, পৌৰ সংস্থা আদিৰ এক দীৰ্ঘকালীন কৌশল অৱলম্বন কৰা আৱশ্যক হয়— যাৰ দ্বাৰাই সুচলতা প্ৰদান কাম-কাজসমূহৰ আৰ্হি, পৰিকল্পনা আৰু মূল্যাংকণ প্ৰক্ৰিয়াৰ এটা অনবদ্য অংশ কৰি তোলাটো নিশ্চিত কৰিব পাৰি। ২০১৫ বৰ্ষৰ ডিছেম্বৰত প্ৰধানমন্ত্ৰীয়ে প্ৰচলন কৰা সুচল ভাৰত অভিযানে নতুন আশাৰ ৰেঙণি সঞ্চাৰ কৰে কেৱল প্ৰতিবন্ধী লোকসকলৰ বাবেই নহয়— সুচল ভাৰতৰ এটা দৃষ্টিপাতকো উজলাই তুলিবৰ বাবে— য'ত সকলোকে সামৰি লোৱাৰ এটা স্বপ্ন আছে।

ভাৰতৰ কাৰণে এটা বিকাশশীল ভৱিষ্যতে সঁহাৰি জনাবলৈ ৰৈ আছে। ইয়াৰ বাবে সন্মুখত থকা এটা উত্তৰদায়ী পথ হ'ল সমভাব আৰু সহযোগৰ কাৰণে সুযোগ-সুবিধা সৃষ্টি কৰা· আৰু সেই দিশ সাধনৰ অৰ্থে মানৰ অৱস্থানৰ

সকলো কাম-কাজৰ প্ৰতি সুচল অৱস্থাৰ ব্যৱস্থা কৰা। এই ক্ষেত্ৰত প্ৰতিবন্ধী লোকসকলকো বিনা বৈষম্যৰে সামৰি লোৱাটো কৰ্তব্য। এটা সাৰ্বজনীন আৰ্হি দৰ্শনৰ (universal design philosophy) জৰিয়তে সুচল পৰিৱেশ সৃষ্টিৰ বিষয়টোৱে এনেদৰে অন্য ৰাষ্ট্ৰীয় প্ৰত্যাহ্বানবোৰৰ মাজত অধিক গুৰুত্ব লাভ কৰিব আৰু এই গুৰুত্বই ভাৰতৰ জনগাঁথনিমূলক ভৱিষ্যতত আহিব লগা নতুন প্ৰত্যাহ্বানবোৰ সমাধান কৰাত সমৰ্থন জনাব। সুচলতা সূচাংকৰ বিকাশ আৰু ইয়াৰ আগতীয়া প্ৰয়োগে সোনকালেই ভাৰতৰ চহৰ অঞ্চলৰ প্ৰসঙ্গত এটা পৰিমাপসূচক কাৰ্যস্বৰূপ হৈ পৰিব। সেয়ে পৰিৱেশ, তথ্য পদ্ধতি আৰু আন্তঃগাঁথনিক ভিন্ন ধৰণৰ প্ৰতিবন্ধী লোকতকৈ সমৰ্থবান কৰি তোলা সংস্থাৰূপে চাবলৈ আৰম্ভ কৰো আহক। তেতিয়াহে আমি সুচল অৱস্থা সৃষ্টি কৰিবলৈ কেৱল প্ৰতিবন্ধীকেই অকলে নহয়, আনভাৱে প্ৰয়োজন হোৱা লোকৰ ওপৰতো আলোকপাত কৰিব পাৰিম। তেতিয়া ই বিপুল লাভৰ মাত্ৰাৰে এটা সাৰ্থক বিনিয়োগৰূপে প্ৰমাণিত হ'ব। কোনো ভাল মূল্য নোপোৱাকৈ খৰচ কৰাতকৈ অন্তৰ্ভুক্তিকৰণ ব্যৱস্থাৰে অৰ্থাৎ সকলোকে সামৰি লৈ এটা সাৰ্থক ভেটি গঢ়ি তুলিব পৰা যাব। সৰ্বাত্মক ৰূপত সুচল ভাৰতৰ সপোনক বাস্তৱায়িত কৰি তোলো আহক— য'ত আমাৰ সকলোৰে ভৱিষ্যৎ নিহিত হৈ আছে। ❐

---

(২২ পৃষ্ঠাৰ পৰা)

সৈতেও ই জড়িত হৈ পৰে। সুচলতা প্ৰাপ্তিৰ সন্দৰ্ভত যি প্ৰশিক্ষণ গ্ৰহণ কৰা হয় তাত সজাগতাৰ বিষয়টোৱে আগ ঠাই পোৱা উচিত। সুচল অৱস্থা দিহা কৰাটো গুণবিশিষ্ট পৰিবহণ পদ্ধতিৰ এটা মূল অঙ্গস্বৰূপ আৰু তাৰ সহজ ব্যৱস্থাই পৰিবহণৰ ওপৰত নিৰ্ভৰ কৰা আমাৰ সকলোকে বাছ, ৰে'লগাড়ী ট্ৰাম, উৰা জাহাজ আৰু জাহাজত যোৱাত উপকৃত কৰে।

প্ৰশিক্ষণৰ জৰিয়তে চালক, কণ্ডাক্টৰ, নিৰাপত্তাৰ দায়িত্বত থকা কৰ্মচাৰী আদিক দক্ষ কৰি তোলা প্ৰয়োজন— যাৰদ্বাৰাই তেওঁলোকে যাতায়াত ব্যৱস্থা গ্ৰহণ কৰোঁতা তথা বিশেষভাৱে সমৰ্থৱান লোকক সেৱা আগবঢ়াব পাৰে। প্ৰশিক্ষণৰ অবিহনে তেনে লোকে যাতায়াতৰ ক্ষেত্ৰত যিমান বিনিয়োগ কৰা হয় আৰু তাক উন্নত কৰিবলৈ প্ৰয়াস কৰা হয় সেই বিষয়ে উপলব্ধি কৰা সহজ নহয় আৰু তাৰ ফলস্বৰূপে শাৰীৰিকভাৱে ভিন ভিন ধৰণে সমৰ্থৱান লোকক সুচলতা প্ৰদান কৰাত অপাৰগ হ'ব পাৰে।

তথ্য আৰু যোগাযোগ প্ৰযুক্তি তথা যান-বাহনৰ আৰ্হি আৰু ইন্ধনত সেউজ প্ৰযুক্তিৰ ভাবধাৰাৰ সমাৱেশে ৰাজহুৱা পৰিবহণ আন্তঃগাঁথনিত অধিক সুচলতা প্ৰদানত কৰি তুলিবৰ বাবে এটা উত্তৰ হ'ব পাৰে। তেনেদৰে ই নিৰাপদজনক আৰু সকলো ব্যৱহাৰকাৰীৰ বাবে সম্ভেদ প্ৰদানত অধিক খৰতকীয়া হ'ব পাৰে— বিশেষকৈ ভিন্ন ধৰণৰ শাৰীৰিক সমৰ্থৱান লোকৰ কাৰণে। এলিজাবেথ বাৰ্টন আৰু লাইনে মিটৰেলৰ গ্ৰন্থ 'Inclusive Urban Design-street of life" ত (২০০৬ চনত প্ৰকাশিত) বৰ সঠিক কথাকেই আঙুলিয়াই দিছে — "লোকসকল প্ৰতিবন্ধী হৈ পৰিছে তেওঁলোকৰ কাৰণে আগবঢ়োৱা পৰিৱেশৰ বাবে" সেয়ে, যদি আমি আমাৰ চহৰবোৰ প্ৰকৃতাৰ্থত 'স্মাৰ্ট' কৰি তুলিব বিচাৰো, তেনেহ'লে আমি চহৰবোৰ 'প্ৰৱেশযোগ্য আৰু সুচলাত্মক', 'নিৰাপদ-জনক' আৰু বয়স, লিঙ্গ, 'শাৰীৰিক অৱস্থা, অৰ্থনৈতিক স্থিতি নিৰ্বিশেষে সকলো লোকৰ কাৰণে 'সৰ্বাত্মক' ৰূপত উজলাই তুলিব লাগিব। ❐

*পয়োভৰা ৰাইজৰ আলোচনী—*

***নিজে পঢ়ক, আনকো পঢ়ুৱাওক—***

***দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—***

# ভাৰতত বিশেষভাৱে সক্ষমসকলৰ বাবে স্বাস্থ্য আৰু সুৰক্ষা ঃ অগ্ৰগামী পথ

**শশী ৰাণী***

বিশ্ব স্বাস্থ্য সংস্থাৰ মতে, আনুমানিক ভাৱে বিশ্বজুৰি, ১০০ কোটিৰো অধিক ব্যক্তিৰ বিভিন্ন ধৰণৰ অক্ষমতা আছে। ইয়াৰ ভিতৰত ২০ কোটিৰো অধিকে বিভিন্ন কাম-কাজ সম্পাদন কৰাত অসুবিধাৰ সন্মুখীন হয়। বিশ্বজুৰি অক্ষমতাৰ মুখামুখি হোৱা লোকসকলে তেওঁলোকৰ জীৱনত নানাধৰণৰ বাধাৰ সন্মুখীন হৈ আহিছে। প্ৰত্যক্ষ বা পৰোক্ষভাৱে বিভিন্ন কাৰকৰ ফলত তেওঁলোকে আৰ্থিক আৰু সামাজিক-ভাৱে পিছ পৰি থাকিবলগীয়া অৱস্থাৰো সৃষ্টি হয়।

২০১১ চনত বিশ্ব স্বাস্থ্য সংস্থাই, অক্ষমতাৰ আন্তৰ্জাতিক প্ৰতিবেদন প্ৰকাশ কৰে। শুদ্ধ আৰু সাধাৰণ ধাৰণাৰ বাবে বহুমাত্ৰিক উদ্দেশ্যৰে প্ৰস্তুত কৰা এইখন প্ৰতিবেদনেই হৈছে প্ৰথম পদক্ষেপ। অক্ষমতা সম্পৰ্কীয় সূত্ৰত ইয়াত কোৱা হৈছে যে অক্ষমতাৰ চিকিৎসাবৈজ্ঞানিক মাত্ৰাক নিয়ন্ত্ৰিত বিক্ষণেৰে ডব্লিউ আৰ ডিত স্পষ্ট ৰূপত কোৱা হৈছে যে চিকিৎসাবৈজ্ঞানিক আৰু সামাজিক আদৰ্শৰ ভিত্তি দ্বিবিভাজিত নহয় বা এৰিব নোৱাৰি। ইয়াত দাবী কৰা হৈছে যে অক্ষমতা হৈছে এক জটিল, বহুমাত্ৰিক ধাৰণা, সাধাৰণতে গতিশীল প্ৰকৃতিৰ, য'ত মানুহৰ শৰীৰবৃত্তীয় কাৰকৰ লগতে কাৰ্য উভয়েই জড়িত হৈ থাকে আৰু ই হৈছে শাৰীৰিক তথা মানৱসৃষ্ট, সামাজিক আৰু ব্যক্তিগত দৃষ্টিভংগীৰ কথা। ডব্লিউ আৰ ডিত কৰ্মপদ্ধতিৰ সামগ্ৰিক আৰ্হি আৰু অক্ষমতাক ইণ্টাৰনেশ্বনেল ক্লাচিফিকেশ্যন অব্ ফাংচনিং, ডিছেবিলিটি এণ্ড হেল্থ, চমুকৈ আই চি এফৰ দৰেই প্ৰদৰ্শন কৰা হৈছে।

ভাৰতত অক্ষমতা (সমান সুযোগ, অধিকাৰ সুৰক্ষা আৰু সামগ্ৰিক অংশগ্ৰহণ) আইন, ১৯১৫ বলবৎ কৰা হয় এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলত জনতাৰ সামগ্ৰিক অংশগ্ৰহণ আৰু সমঅধিকাৰ নিশ্চিত কৰিবলৈ। ইয়াত অক্ষমতাৰ সংজ্ঞাত অক্ষমতা মানে হৈছে, ক) অন্ধত্ব, খ) কম দৃষ্টি গ) কুষ্ঠৰোগ-আৰোগ্যপ্ৰাপ্ত, ঘ) শ্ৰৱণহীনতা, ঙ) ল'ক'মটৰ অক্ষমতা চ) মানসিক অক্ষমতা, ছ) মানসিক ৰোগ। আনহাতে অক্ষম ব্যক্তিৰ প্ৰত্যায়নৰ বাবে গ্ৰহণ কৰা হয় কোনো নিৰ্দ্ধাৰিত চিকিৎসা প্ৰাধিকাৰীয়ে প্ৰদান কৰা ৪০শতাংশ বা তাতকৈ অধিক অক্ষমতাৰ প্ৰত্যায়িত পত্ৰ।

অক্ষমতাৰ গুৰুত্বৰ সঠিক বিশ্লেষণ আৰু তথ্য সংগ্ৰহ হৈছে এটা অক্ষমতাৰ সাধাৰণ সংজ্ঞা নিৰূপণ আৰু সকলো প্ৰতিষ্ঠানে মানি চলাৰ বাবে প্ৰাথমিক উপাদান। সম্প্ৰতি অক্ষমতাৰ ধাৰণা, তথ্য সংগ্ৰহৰ পদ্ধতি আৰু ফলাফলৰ ক্ষেত্ৰত ভাৰত পৃথক । ইয়াৰ ফলত বহুতো অক্ষম ব্যক্তিক কোনো চৰকাৰী তালিকাত অন্তৰ্ভুক্ত কৰা নহয়, যাৰ ফলত তেওঁলোকে প্ৰকৃত সেৱা লাভৰ পৰা বঞ্চিত হ'বলগীয়া হয়।

**স্বাস্থ্য আৰু সুৰক্ষা ব্যৱস্থা আৰু সমস্যা**

২০১১ চনৰ লোকপিয়লত প্ৰকাশ কৰা হৈছে যে ২.৬ কোটি লোক একে বা ভিন্ন অক্ষমতাৰ ভুক্তভোগী। ই হৈছে মুঠ জনসংখ্যাৰ ২.২ শতাংশৰ সমান। ভাৰতৰ মুঠ অক্ষম জনতাৰ ভিতৰত ১৪.৯৮ নিযুত হৈছে পুৰুষ আৰু ১১.৮২ নিযুত মহিলা। দেশখনত নিৰীক্ষণত থকা অক্ষমতাৰ হাৰ (প্ৰতি লাখ জনসংখ্যাৰ ভিতৰত অক্ষম লোকৰ সংখ্যা) হৈছে ২.২১৫। পুৰুষৰ বাবে এই হাৰ ২,৪০৫ ৰ বিপৰীতে মহিলাৰ ক্ষেত্ৰত ২০১৩।

২০০১ চনৰ লোকপিয়লত উল্লেখ কৰা পাঁচ ধৰণৰ অক্ষমতাক পুনৰ আঠটা ভাগত বিভক্ত কৰা হৈছে আৰু ইয়াৰ তথ্য আহৰণ কৰা হৈছে। ইয়াৰ ভিতৰত ২০.২৮ শতাংশৰে শীৰ্ষত আছে চলনৰ অক্ষমতা। আনবোৰ ভাগত আছে শ্ৰৱণ (১৮.৯২ শতাংশ), দৃষ্টি (১৮.৭৭ শতাংশ), অন্যান্য (যিবোৰ ইয়াত তালিকাভুক্ত কৰা হোৱা নাই) (১৮.৩৮ শতাংশ), মানসিক (৮.৩১ শতাংশ) আৰু বিবিধ অক্ষমতা (৭.৮৯ শতাংশ)। যদিহে আমি ২০০১ আৰু ২০১১ চনৰ লোকপিয়লৰ তুলনা কৰো, মুঠ জনসংখ্যাৰ শতাংশ হিচাপত দেখা গৈছে যে শ্ৰৱণ আৰু বাক অক্ষমতা বৃদ্ধি হৈছে। ২০০১ চনত এই পৰিমাণ ০.১৬

*লিখিকা দিল্লী বিশ্ববিদ্যালয়, দিল্লীৰ ছ'চিয়েল ৱৰ্ক বিভাগৰ এগৰাকী সহকাৰী অধ্যাপক

শতাংশ আৰু ০.১২ শতাংশৰ বিপৰীতে ই বৃদ্ধি হৈ শ্ৰৱণ অক্ষমতা ০.১৭ শতাংশ আৰু বাক্ শক্তিৰ অক্ষমতা ০.৪২ শতাংশলৈ বৃদ্ধি হৈছে। ২০১১ চনৰ মুঠ অক্ষমতাৰ বলি লোকৰ ভিতৰত ২০01 চনৰ দৃশ্য আৰু চলন অক্ষম ব্যক্তিৰ পৰিমাণ ক্ৰমে ৪৮.৫৫ শতাংশ আৰু ২৭.৮৭ শতাংশৰ বিপৰীতে ১১.৭৭ আৰু ২০.৭৭ শতাংশলৈ অৱনমিত হৈছে। কিন্তু শ্ৰৱণ আৰু অন্যান্য বহুমাত্ৰিক অক্ষমতাৰ পৰিমাণ বৃদ্ধি হৈছে।

২০১১ চনত পুৰুষ-মহিলাৰ অক্ষমতাৰ তথ্যত প্ৰকাশ পাইছিল যে পুৰুষৰ ক্ষেত্ৰত কথা কোৱা আৰু মানসিক অক্ষমতা বৃদ্ধি হৈ আহিছে, ইয়াৰ বিপৰীতে মহিলাৰ ক্ষেত্ৰত পুৰুষৰ তুলনাত অধিক বাঢ়িছে দৃশ্য, শ্ৰৱণ আৰু অন্যান্য বিভিন্ন অক্ষমতা, যি অতি উদ্বেগজনক আৰু যিকোনো পৰ্যায়তে ইয়াৰ সমাধান কৰাটো প্ৰয়োজনীয়। ইয়াৰ সমান্তৰালভাৱে ২০১১ চনৰ লোকপিয়লৰ তথ্যত গাঁও আৰু চহৰৰ অক্ষমতালৈ লক্ষ্য কৰিলে দেখা যায় যে গাঁৱৰ তুলনাত চহৰাঞ্চলত অক্ষমতাৰ হাৰ বেছি, যদিও গাঁৱৰ তুলনাত চহৰত চিকিৎসা সেৱাও উন্নত। চলনৰ অক্ষমতাক বাদ দি চহৰ অঞ্চলত সকলো অক্ষমতাই বৃদ্ধি হৈছে। তালিকা ১-ত এই তথ্য উল্লেখ কৰা হৈছে।

অক্ষমতা হৈছে আটাইতকৈ প্ৰতিকূল আৰু ইয়াৰ স্বাস্থ্য তথা সুৰক্ষাৰ শ্ৰেণীবদ্ধকৰণ সম্ভৱ নহয়। আমি যদি শাৰীৰিকভাৱে অক্ষম কোনো কোনো লোকৰ স্বাস্থ্যজনিত অসুবিধাৰ বিষয়ে বুজ লওঁ— য'ত কিছুসংখ্যকৰ সামাজিক পৰিস্থিতিৰ সৈতে যোগসূত্ৰ আছে, তেন্তে তেওঁলোকক যে বিশেষ স্বাস্থ্যজনিত সহায়ৰ প্ৰয়োজন তেনে নহয়, বৰং সামগ্ৰিকভাৱে তেওঁলোকৰ স্বাস্থ্য আৰু সুৰক্ষাৰ বাবে গুৰুত্ব দিয়াটো অতিশয় প্ৰয়োজনীয়।

আন্তৰ্জাতিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰাথমিক স্বাস্থ্য সেৱা আৰু সুৰক্ষা প্ৰদান অতি সক্ৰিয়ভাৱে চলি থকাৰ তথ্যৰ মাজতে ইয়াৰো প্ৰয়োজনীয়তা উপলব্ধ হৈছে যে অক্ষমতাৰ সৈতে জীয়াই থকা মানুহৰ বাবে প্ৰকৃত স্বাস্থ্য আৰু সুৰক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে বুজি লোৱাটো জৰুৰী।

ভাৰতত মহিলা বিভিন্ন ধৰণে বঞ্চনাৰ বলি হ'বলগীয়া হৈ আহিছে। কিন্তু স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত দেশখনে এতিয়াও এই অংশৰ জনতাৰ বাবে প্ৰাথমিক স্বাস্থ্য-সেৱাৰ বাবে যুঁজ কৰিবলগীয়া হৈ আহিছে। পুৰুষ প্ৰধান মানসিকতা আৰু লিংগ বৈষম্যৰ বাবে অক্ষমতাৰ সৈতে জীয়াই থকা মহিলাসকল বঞ্চনাৰ বলি হ'বলগীয়া হৈছে। বহুতো মহিলাৰ বাবে যৌন শোষণ ভয়াৱহ ভাবুকি আৰু অক্ষমতাৰ বাবেই বহু মহিলাই ভুক্ত ভোগী হোৱাৰ বিপৰীতে তেওঁলোকক আন বহুতো ধৰণে বাধ্য কৰোৱা দেখা যায়। মহিলাৰ ক্ষেত্ৰত যৌন আৰু প্ৰজননভিত্তিক শৰীৰবৃত্তীয় সমস্যাৰ বাবে উচিত স্বাস্থ্য সেৱা পোৱাটো অত্যন্ত জৰুৰী কিন্তু দেখা হৈছে মহিলাসকলে এনে ধৰণৰ স্বাস্থ্য যতন বা সেৱা লাভ কৰা নাই। সামাজিক বঞ্চনা আৰু পাৰিবাৰিক কাৰণতো বহুতো মহিলাই উপলব্ধ স্বাস্থ্য সেৱাও গ্ৰহণ কৰিববলৈ তেওঁলোকৰ সমস্যাৰ বিষয়ে ক'ব নোৱাৰে। দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত পৰিকল্পনা আয়োগে (এতিয়া নীতি আয়োগ) উল্লেখ কৰিছিল যে বিভিন্ন কাৰণৰ শাৰীৰিকভাৱে অক্ষম বা বাধাগ্ৰস্ত মহিলাসকলে স্বাস্থ্যসেৱা আৰু পৰিচৰ্যা লাভ কৰাটো প্ৰয়োজন।

ৰাষ্ট্ৰসংঘৰ কনভেনশ্বন অন দ্য ৰাইট অব পাৰ্ছনছ উইথ ডিছএবিলিটি, চমুকৈ চি আৰ পি ডিৰ ২৫ নং দফাত প্ৰকাশ কৰা হৈছে যে অক্ষম লোকসকলক বঞ্চিত নকৰাকৈ সৰ্বোচ্চ স্বাস্থ্য সেৱা প্ৰদান কৰিব লাগে আৰু ৰাষ্ট্ৰসমূহে কোনো বাধা অবিহনে এওঁলোকক স্বাস্থ্যসেৱা প্ৰদান কৰিব লাগে। ডব্লিউ আৰ ডি, ২০১১ ৰ তথ্যত উল্লেখ কৰা হৈছে যে বিশ্বৰ বিভিন্ন দেশত শাৰীৰিকভাৱে সক্ষম লোকৰ তুলনাত অক্ষম লোকসকলৰ মাজত আছে পুতৌজনক স্বাস্থ্য, নিম্ন শিক্ষাগত সফলতা, নিম্ন পৰ্যায়ৰ অৰ্থনৈতিক অংশীদাৰিত্ব আৰু উচ্চ হাৰত দাৰিদ্ৰ্য। আংশিকভাৱে ইয়াৰ কাৰণ হৈছে— অক্ষম লোকসকলে স্বাস্থ্য, শিক্ষা, নিয়োজন আৰু পৰিবহনৰ সমান্তৰাল-ভাৱে তথ্যৰ সুবিধা লোৱাত বাধাৰ সন্মুখীন হয়। এইসকল লোকৰ সামগ্ৰিক সুৰক্ষাৰ বাবে ভাৰত চৰকাৰে প্ৰস্তুত কৰি উলিয়াইছে ৰাষ্ট্ৰীয় নীতি আৰু কাৰ্যসূচী।

**ৰাষ্ট্ৰীয় নীতি আৰু কাৰ্যসূচী**

অক্ষমতা পৰিক্ৰমাৰ চৰকাৰী বিভাগৰ আওতাত পৰে ৰাষ্ট্ৰীয় নীতি আৰু কাৰ্যসূচী, য'ত ভাৰতীয় সংবিধানৰ সপ্তম অনুসূচীৰ তালিকা—২ ৰাজ্যিক তালিকা আৰু তালিকা-৩ উমৈহতীয়া তালিকা অন্তৰ্ভুক্ত।

ভাৰত চৰকাৰেও অক্ষমতা পৰিক্ৰমা বিভাগক শাৰীৰিকভাৱে অক্ষম লোকৰ সামগ্ৰিক নীতি, পৰিকল্পনা আৰু কাৰ্যসূচীৰ বাবে নোডেল বিভাগ হিচাপে স্বীকৃতি দিছে। অৱশ্যে এই গোটত সামগ্ৰিক ব্যৱস্থাপনা আৰু নিৰীক্ষণ প্ৰণালী হৈছে সংশ্লিষ্ট কেন্দ্ৰীয় মন্ত্ৰণালয়, ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসনৰ বিষয়। পুনৰ সংস্থাপন

আৰু সামাজিক বিষয়, শাৰীৰিক অক্ষমতাৰ বলি লোকসকলৰ শৈক্ষিক আৰু অৰ্থনৈতিক সবলীকৰণৰ বাবে বিশেষ আঁচনি গ্ৰহণ কৰা হৈছে, যেনে—আহিলা আৰু সাঁজুলি যোগান, আবাসিক বিদ্যালয়, দক্ষতাৰ প্ৰশিক্ষণ, ঋণ, স্বনিয়োজনৰ বাবে ৰাজসাহায্য আদি। সজাগতা সৃষ্টি, গৱেষণা, প্ৰশিক্ষণ আদি বিভাগৰ ওপৰত ন্যস্ত কৰা হৈছে।

বিভিন্ন বিভাগ, সংস্থা আৰু প্ৰতিষ্ঠানে অক্ষমতা বিষয়ত কাম কৰি আহিছে। তাৰ ভিতৰত আছে দ্য নেশ্বনেল হেণ্ডিকেপড্ ফাইনেন্স এণ্ড ডেভেলপমেণ্ট কৰ্প'ৰেশ্বন; আৰ্টিফিচিয়েল লিম্বছ মেনুফেকছাৰিং কৰ্প'ৰেশ্বন, কাণপুৰ; দীন দয়াল উপাধ্যায় ইনষ্টিটিউট অব ফিজিকেলি হেণ্ডিকেপড্, নতুন দিল্লী; নেশ্বনেল ইনষ্টিটিউট ফৰ অৰ্থোপেডিকেলি হেণ্ডিকেপড্, কলকাতা; নেশ্বনেল ইনষ্টিটিউট অব্ ভিজুৱেলি হেণ্ডিকেপড্, দেৰাডুন; নেচনেল ইনষ্টিটিউট অব মেণ্টেলি হেণ্ডিকেপড্, ছেকেণ্ড্ৰাবাদ; আলী য়াবাৰ য়ুং নেশ্বনেল ইনষ্টিটিউট ফৰ দ্য হিয়েৰিং হেণ্ডিকেপড, মুম্বাই; নেশ্বনেল ইনষ্টিটিউট অব ৰিহেবিলিটেশ্বন ট্ৰেইনিং এণ্ড ৰিছাৰ্ছ, কটক; নেশ্বনেল ইনষ্টিটিউট ফৰ এমপাৱাৰমেণ্ট অব্ পাৰ্ছনছ উইথ মাল্টিপল ডিছএবিলিটিজ, চেন্নাই; দ্য ইণ্ডিয়ান ছাইন লেংগুৱেজ ৰিছাৰ্ছ এণ্ড ট্ৰেইনিং ছেণ্টাৰ, নতুন দিল্লী আদি।

অক্ষম লোকসকলৰ স্বাস্থ্য আৰু সুৰক্ষা তথা সামগ্ৰিক নিৰাপত্তাৰ বাবে অক্ষম ব্যক্তি আইন, (পি ডব্লিউ ডি) ১৯৯৫ ৰ আধাৰত লাভ কৰা উল্লেখনীয় সুবিধাসমূহ হৈছে—

১। অক্ষমতা ৰোধ কৰা, জৰীপ, অক্ষমতা ৰোধ কৰিবলৈ বিভিন্ন পদ্ধতিৰ বিষয়ে প্ৰচাৰ কৰা, সম্ভাব্য অক্ষমতাৰ বাবে প্ৰতিটি শিশুকেই বছৰত এবাৰ হ'লেও পৰীক্ষা কৰা, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ কৰ্মচাৰী-সকলক প্ৰশিক্ষণৰ সুবিধা প্ৰদান কৰা; জন্মৰ পূৰ্বৰ, জন্মৰ পিছত মাতৃ আৰু শিশুৰ পৰিচৰ্যা।

২। পদবীৰ চিনাক্তকৰণ, চিনাক্তকৰণ হোৱা পদবীৰ তালিকা পুনৰীক্ষণ আৰু শেহতীয়া তালিকা প্ৰস্তুত, অক্ষম ব্যক্তিৰ নিয়োজন নিশ্চিত কৰা, অক্ষম লোকৰ বাবে প্ৰক্ষিণ আৰু কল্যাণকামী আঁচনি, বয়সৰ সৰ্বোচ্চ সীমা শিথিলকৰণ, নিয়োগ নিয়ন্ত্ৰণ, স্বাস্থ্য আৰু সুৰক্ষা ব্যৱস্থাৰ সমান্তৰালভাৱে অক্ষম ব্যক্তিক নিয়োগ কৰা স্থানত অনুকূল পৰিৱেশ নিশ্চিত কৰা, অক্ষম লোকৰ বাবে পাঁচ শতাংশ সংৰক্ষণৰ ব্যৱস্থা।

৩। অক্ষম লোকক আহিলা প্ৰদান কৰা, ঘৰ আৰু ব্যৱসায় আৰম্ভ কৰাৰ বাবে কম মূল্যৰ বিনিময়ত ভূমি আবণ্টন দিয়া, বিশেষ বিদ্যালয় স্থাপন, গৱেষণা কেন্দ্ৰ স্থাপন, অক্ষম লোকক উদ্যমী হিচাপে লৈ কাৰখানা স্থাপন।

৪। পথ, ৰে'ল আৰু বিমানত বিশেষ সুবিধা, পথ সুৰক্ষা চিহ্ন, ৰাজহুৱা অট্টালিকাৰ ৰেম্প, লিফট্ বা এলিভেটৰত ব্ৰেইল আৰু শব্দ সংকেত, চিকিৎসালয়ত ৰেম্প, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু অন্য পুনৰসংস্থাপন কেন্দ্ৰ।

৫। অক্ষমতা নিৰসনৰ বাবে গৱেষণাৰ বিষয়ে প্ৰচাৰ আৰু পৃষ্ঠপোষকতা, পুনৰসংস্থাপন ব্যৱস্থা য'ত অন্তৰ্ভুক্ত সামূহিক পুনৰসংস্থাপন, মনস্তাত্বিক পৰিস্থিতিকে ধৰি সহযোগিতামূলৰ তন্ত্ৰৰ বিকাশ, নিয়োজন চিনাক্ত-কৰণ, কাৰ্যালয় আৰু কাৰখানা স্থাপন, বিশ্ববিদ্যালয় তথা অন্যান্য উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহক বিত্তীয় সহযোগিতা আগবঢ়োৱা, পুনৰ সংস্থাপন আৰু মানৱ সম্পদৰ বিকাশ।

৬। সকলো অক্ষম ব্যক্তিকেই সামাজিক সুৰক্ষাৰ পুনৰসংস্থাপন প্ৰদান, বেচৰকাৰী প্ৰতিষ্ঠানসমূহক বিত্তীয় সহযোগিতা আগবঢ়োৱা, অক্ষম কৰ্মচাৰীৰ সুবিধাৰ বাবে বীমা আঁচনি, দুবছৰতকৈ আগতে বিশেষ নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীভুক্ত কৰা— অক্ষম ব্যক্তিক নিবনুৱা ভাট্টা প্ৰদান কৰা— যিসকলে লাভজনক পেছা বিচাৰি ল'ব পৰা নাই।

ভাৰতত সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰণালয় তথা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে বিভিন্ন ধৰণৰ ব্যৱস্থাৰ সূচনা কৰিছে। ইয়াৰ ভিতৰত আছে ১৯৮৫ চনৰপৰা আৰম্ভ হোৱা জিলা পুনৰসংস্থাপন কেন্দ্ৰ (ডি আৰ চি) প্ৰকল্প; চাৰিটাকৈ আঞ্চলিক পুনৰ-সংস্থাপন প্ৰশিক্ষণ কেন্দ্ৰ (আৰ আৰ টি চি) ডি আৰ চিৰ অধীনত ১৯৮৫ চনত গ্ৰামীন পৰ্যায়ৰ কৰ্মী আৰু ডি আৰ চিৰ পেছাদাৰীক প্ৰশিক্ষণ দিবলৈ যিকেইটা স্থাপন কৰা হৈছে মুম্বাই, চেন্নাই, কটক আৰু লক্ষ্ণৌত; ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ প্ৰশিক্ষণ ব্যৱস্থা; গৱেষণা আৰু সেৱা; নিম্ন মূল্যৰ সাঁজুলি। প্ৰশিক্ষণৰ আহিলা উন্নীতকৰণ কৰাৰ সমান্তৰালভাৱে সজাগতা সৃষ্টিৰ বাবে আৰ আৰ টি চি-এ প্ৰস্তুত কৰি আহিছে বিভিন্ন ফ'ল্ডাৰ,পোষ্টাৰ, দৃশ্য-শ্ৰব্য সাঁজুলি, চলচ্চিত্ৰ। সমান্তৰালভাৱে আছে নেশ্বনেল ইনফৰ্মেছন ছেণ্টাৰ অন

ডিজেএবিলিটি এণ্ড ৰিহেবিলিটেশ্বন, নেশ্বনেল কাউন্সিল ফৰ হেণ্ডিকেপড্ ৱেলফেয়াৰ, ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিষ্ঠান- এন আই এম এইচ, এন আই এইচ এইচ, এন আই ভি এইচ, এন আই অ'এইচ, আই পি এইচ। ২০০০ চনত অক্ষম লোকৰ বাবে প্ৰৱৰ্তন কৰা হয় জিলা অক্ষম পুনৰসংস্থাপন কেন্দ্ৰ শীৰ্ষক এখন নতুন আঁচনি— যাৰ জৰিয়তে পুনৰসংস্থাপন সেৱা প্ৰদান কৰাৰ সমান্তৰালভাৱে অক্ষম লোক আইন, ১৯৯৫ ৰূপায়ণৰ কাম আগবঢ়োৱা হয়। তৃণমূল পৰ্যায়ত অক্ষম লোকক সামগ্ৰিকভাৱে সেৱা আগবঢ়াবলৈ চৰকাৰে জিলা অক্ষম পুনৰসংস্থাপন কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই সেৱাৰ সৈতে আছে সজাগতা সৃষ্টি, জৰীপ, চিনাক্তকৰণ আৰু আগতীয়া হস্তক্ষেপ, পৰামৰ্শ প্ৰদান, সুবিধাজনক আহিলাৰ বিষয়ে অধ্যয়ন, সেইবোৰৰ মেৰামতি, ফিজিঅ'থেৰাপি, স্পিছ থেৰাপী, চৰকাৰ আৰু দাতব্য সংস্থাৰ সহযোগত অস্ত্ৰোপচাৰজনিত শুধৰণি, অক্ষমতাৰ প্ৰমাণ-পত্ৰ আদি।

২০০৬ চনত আৰম্ভ কৰা অক্ষম ব্যক্তিৰ বাবে ৰাষ্ট্ৰীয় নীতি ভাৰত চৰকাৰৰ এটা আদৰণীয় পদক্ষেপ। নিম্নলিখিতসমূহ হৈছে ইয়াৰ মূল সুবিধা ঃ

**১। অক্ষম মহিলা**

ক) অক্ষম মহিলাৰ বাবে হ্ৰস্বম্যাদী আশ্ৰয়গৃহৰ ব্যৱস্থা, কাম কৰা অক্ষম মহিলাৰ বাবে হোষ্টেলৰ ব্যৱস্থা আৰু বয়সিয়াল অক্ষম মহিলাৰ বাবে ঘৰৰ ব্যৱস্থা প্ৰদান।

খ) উল্লেখ কৰিব পাৰি যে অক্ষম মাতৃসকলে তেওঁলোকৰ সন্তানক লালন-পালন কৰাৰ ক্ষেত্ৰত বহুত সমস্যাৰ মুখামুখি হয়। অক্ষম মহিলাই তেওঁলোকৰ সন্তানক প্ৰতিপাল কৰাৰ ক্ষেত্ৰত সহকাৰী নিয়োগ কৰিবলৈ চৰকাৰৰ ফালৰ পৰা অৰ্থনৈতিক সুবিধা আগবঢ়োৱাৰ বাবে কাৰ্যসূচী হাতত লোৱা হ'ব। এই সুবিধা মাথোঁ দুটা সন্তানৰ বাবে আৰু সৰ্বাধিক দুবছৰৰ বাবে লাভ কৰিব।

**২। অক্ষম শিশু**

অক্ষম শিশুসকল হৈছে অতি স্পৰ্শকাতৰ গোট আৰু তেওঁলোকৰ বাবে বিশেষ সতৰ্কতাৰ প্ৰয়োজন আছে। এই ক্ষেত্ৰত চৰকাৰে চেষ্টা কৰিব ঃ

ক) অক্ষম শিশুৰ বাবে বিশেষ পৰিচৰ্যা,সুৰক্ষা আৰু নিৰাপত্তা;

খ) মৰ্যাদা আৰু সমতাৰে বিকাশ নিশ্চিত কৰা; শিশুসকলে তেওঁলোকৰ অধিকাৰ সাব্যস্ত কৰিব পৰা এটা পৰিৱেশ সৃষ্টি কৰা; বিভিন্ন স্থানত সুযোগ আৰু পূৰ্ণ অংশগ্ৰহণ নিশ্চিত কৰা;

গ) অক্ষম শিশুসকলে শিক্ষা, স্বাস্থ্য, বৃত্তিমুখী প্ৰশিক্ষণৰ পূৰ্ণ সুবিধা লাভ কৰাৰ সমান্তৰালভাৱে বিশেষ পুনৰসংস্থাপনৰ সেৱা লাভ কৰা;

ঘ) অধিক অক্ষমতা থকা শিশুসকলক বিকাশৰ অধিকাৰৰ লগতে বিশেষ প্ৰয়োজন আৰু পৰিচৰ্যা প্ৰদান কৰা আৰু নিৰাপত্তা প্ৰদান কৰা

**৩। নিবাৰণ, আগতীয়া অনুসন্ধান আৰু হস্তক্ষেপ**

ক) প্ৰতিৰক্ষাৰ বাবে ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু আঞ্চলিক কাৰ্যসূচী গ্ৰহণ (শিশুৰ সমান্তৰালভাৱে মাতৃৰ বাবেও), জনস্বাস্থ্য আৰু অনাময় ব্যৱস্থা সম্প্ৰসাৰিত কৰা হ'ব।

খ) অক্ষমতা ৰোধ, আগতীয়া অনুসন্ধান আৰু হস্তক্ষেপৰ বাবে প্ৰশিক্ষণ আৰু সুবিধা আগবঢ়োৱা হ'ব চিকিৎসা আৰু অৰ্দ্ধ-চিকিৎসা স্বাস্থ্যকৰ্মীৰ লগতে অংগনৱাড়ী কৰ্মীক।

গ) অক্ষমতাৰ প্ৰভাৱ হ্ৰাস কৰিবলৈ উপযুক্ত কৰ্মপদ্ধতি গ্ৰহণ কৰা আৰু গৌণ অক্ষমতা ৰোধৰ বাবে বৰ্তমানৰ স্বাস্থ্য সেৱা প্ৰণালী উন্নীত কৰা হ'ব।

ঘ) কুমাৰী কিশোৰী, গৰ্ভৱতী মাতৃ আৰু প্ৰজনন কালত থকা মহিলাৰ মাজত পুষ্টি, স্বাস্থ্য সেৱা আৰু অনাময় ব্যৱস্থা উন্নীতকৰণৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হ'ব। বিদ্যালয় পৰ্যায় আৰু শিক্ষক প্ৰশিক্ষণ কালত নিৰাময়ৰ বাবে সজাগতা কাৰ্যসূচীৰ ব্যৱস্থা কৰা হ'ব।

**৪। পুনৰসংস্থাপন ব্যৱস্থা**

ক) সামগ্ৰিক পুনৰসংস্থাপন সেৱা প্ৰদান কৰিবলৈ ৰাজ্যিক পৰ্যায়ৰ কেন্দ্ৰ স্থাপন কৰা, য'ত থাকিব মানৱ সম্পদ উন্নয়ন,গৱেষণা আৰু দীৰ্ঘকালীন বিশেষ পুনৰসংস্থাপনৰ ব্যৱস্থা

খ) বেচৰকাৰী প্ৰতিষ্ঠানৰ অংশগ্ৰহণত জিলা পৰ্যায়ত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ অধীনত গুৰুতৰভাৱে মানসিক ৰোগীৰ বাবে মানসিক স্বাস্থ্য যতন গৃহ স্থাপন কৰা। বিকল্প হিচাপে সামাজিক আৰু পৰিয়ালৰ সঁহাৰি লাভ নকৰা মানসিক ৰোগীক জিম্মাত যতন লোৱাৰ বাবে পৰিয়াল সহযোগিতা গোটক উৎসাহিত কৰা।

দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত ভাৰত চৰকাৰে অক্ষম ব্যক্তিসকলৰ সুবিধাৰ্থে কেন্দ্ৰীয় মন্ত্ৰণালয়সমূহক সম্ভাব্য কাৰ্যসূচীৰ বাবে আহ্বান জনায়, ইয়াৰ ভিতৰত আছে তথ্য আৰু প্ৰযুক্তি মন্ত্ৰণালয়, অসামৰিক বিমান মন্ত্ৰণালয়,

# অক্ষমতা তালিকা ঃ লোকপিয়ল ২০০১ আৰু ২০১১

| ক্ৰমিক নং | অক্ষম জনসংখ্যা | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | জনসংখ্যা | জনসংখ্যাৰ শতাংশ | অক্ষম লোকৰ শতাংশ | পুৰুষ | মহিলা | গ্ৰাম্য | নগৰীয়া | জনসংখ্যা | জনসংখ্যাৰ শতাংশ | অক্ষম লোকৰ শতাংশ | পুৰুষ | মহিলা |
| 1. | মুঠ জনসংখ্যা | ১,০২৮,৬১০,৩২৮ | | | ৫৩২,১৫৬,৭৭২ | ৪৯৬,৪৫৩,৫৫৬ | ৭৪২,৪৯০,৬৯৩ | ২৮৬,১১৯,৬৮৯ | ১,২১০,৮৬৪,৯৭৭ | | | ৬২৩২৭০২৫৮ | ৫৮৭৫৮৪৭১৯ |
| 2. | মুঠ অক্ষমতা লোকৰ সংখ্যা | ২ ১৯০৬৭৬১ | ২.১৩ | | ১২,৬০৫,৬৩৫ | ৯,৩০১,১৩৪ | ১৬,৩৮৮,৩৮২ | ৫৫১৮৩৮৭ | ২৬,৮১৪,৯৯৪ | ২.২১ | | ১৪,৯৮৮,৫৯৩ | ১১,৮২৬,৪০১ |
| 3. | অক্ষমতাৰ হাৰ (প্ৰতি লাখ জনসংখ্যাৰ হিচাপত) | ২১৩০ | | | ২,৩৬৯ | ১,৮৭৪ | ২,২০৭ | ১,৯২৯ | ২,২১৫ | | | ২৪০৪,৮৩০৪৬ | ২০১২.৭১৪১৯ |
| 4. | অক্ষমতাৰ বিভিন্ন প্ৰকাৰ | | | | | | | | | | | | |
| (i) | দৃষ্টি শক্তি | ১০৬৩৪৮৮১ | ১.০৩ | ৪৮.৫৫ | ৫,৭৩২,৩৩৮.০০ | ৪,৯০২,৫৪৩.০০ | ৭৮৭৩৩৮৩ | ২,৭৬১,৪৯৮.০০ | ৫,০৩৩,৪৩১ | ০.৪২ | ১৮.৭৭ | ২,৬৩৯,০২৮ | ২,৩৯৪,৪০৩ |
| (ii) | বাক | ১৬৪০৮৬৮ | ০.১৬ | ৭.৪৯ | ৯৪২,০৯৫.০০ | ৬৯৮,৭৭৩.০০ | ১২৪৩৮৫৪ | ৩৯৭,০১৪.০০ | ১,৯৯৮,৬৯২ | ০.১৭ | ৭.৪৫ | ১,১২২,৯৮৭ | ৮৭৫,৭০৫ |
| (iii) | শ্ৰৱণ | ১২৬১৭২২ | ০.১২ | ৫.৭৬ | ৬৭৩,৭৯৭.০০ | ৫৮৭,৯২৫.০০ | ১০২২৮১৬ | ২৩৮৯০৬ | ৫,০৭২,৯১৪ | ০.৪২ | ১৮.৯২ | ২,৬৭৮,৫৮৪ | ২,৩৯৪,৩৩০ |
| (iv) | চাল-চলন | ৬১০৫৪৭৭ | ০.৫৯ | ২৭.৮৭ | ৩,৯০২,৭৫২.০০ | ২,২০২,৭২৫.০০ | ৪৬৫৪৫৫২ | ১,৪৫০,৯২৫.০০ | ৫,৪৩৬,৮২৬ | ০.৪৫ | ২০.২৮ | ৩,৩৭০,৫০১ | ২,০৬৬,৩২৫ |
| (v) | মানসিক | ২২৬৩৮২১ | ২.০০ | ১০.৩৩ | ১৩৫৪৬৫৩ | ৯০৯,১৬৮ | ১৫৯৩৭৭৭ | ৬৭০০৪৪ | ২,২২৮,৮৪৪ | ০.১৮ | ৮.৩১ | ১২৮৬৬৫৬ | ৯৪২১৮৮ |
| (a) | মন্থৰতা | নাই | নাই | নাই | নাই | নাই | নাই | নাই | ১,৫০৫,৯৬৪ | ০.১২ | ৫.৬২ | ৮৭০,৮৯৮ | ৬৩৫,০৬৬ |
| (b) | ৰোগ | নাই | নাই | নাই | নাই | নাই | নাই | নাই | ৭২২,৮৮০ | ০.০৬ | ২.৭০ | ৪১৫,৭৫৮ | ৩০৭,১২২ |
| (vi) | অন্যান্য | নাই | নাই | নাই | নাই | নাই | নাই | নাই | ৪,৯২৭৫৮৯ | ০.৪১ | ১৮.৩৮ | ২,৭২৮,১২৫ | ২,১৯৯,৪৬৪ |
| (vii) | বহুমুখী | নাই | নাই | নাই | নাই | নাই | নাই | নাই | ২,১১,৬,৬৯৮ | ০.১৭ | ৭.৮৯ | ১,১৬২,৭১২ | ৯৫৩,৯৮৬ |

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়, মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়, শ্ৰম আৰু নিয়োগ মন্ত্ৰণালয়, ৰে'ল মন্ত্ৰণালয় তথা মহিলা আৰু শিশু বিকাশ মন্ত্ৰণালয়। ৰাজ্যসমূহকো অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ প্ৰদান কৰা হৈছে।

অক্ষম লোকৰ অধিকাৰ সুনিশ্চিত কৰাৰ বাবে বিভিন্ন আইন আছে। অক্ষমতাৰ ক্ষেত্ৰত বৰ্তমানৰ আইনসমূহ হৈছে, অক্ষম লোক (সমান সুযোগ, অধিকাৰৰ সুৰক্ষা আৰু পূৰ্ণ অংশগ্ৰহণ) আইন, ১৯৯৫ ; দ্য নেশ্বনেল ট্ৰাষ্ট ফৰ ৱেলফেয়াৰ অব্ পাৰ্চ্চনছ উইথ অ'টিযম, চেৰিব্ৰেল পালছী, মেণ্টেল ৰিটাৰ্ডেশ্বন এণ্ড মাল্টিপল ডিছেবিলিটীজ এক্ট, ১৯৯৯; ভাৰতৰ পুনৰসংস্থাপন পৰিষদ ১৯৯২; মানসিক স্বাস্থ্য আইন ১৯৮৭; শিক্ষাৰ অধিকাৰ আইন ২০০৯; শিশু অধিকাৰ সুৰক্ষা আইন ২০০৫; মহিলা আয়োগ আইন ১৯৯০; শিক্ষানবিচ আইন ২০০৫; ক্ৰিমিনেট প্ৰচিডিউৰ কোৰ্ট ১৯৭৩ আদি।

এই সকলোবোৰ ব্যৱস্থাৰ মাজতো ভাল প্ৰণালীৰ বাবে অধিক অগ্ৰগামী পদক্ষেপ ল'ব লাগিব। ৰাষ্ট্ৰসংঘৰ সুযোগৰ সমতাৰ প্ৰামাণ্য নীতি আৰু অক্ষম ব্যক্তি সমীক্ষাত পোৱা গৈছে যে ৪২ শতাংশ দেশতেই পুনৰসংস্থাপন নীতি ৰূপায়ণ কৰা হোৱা নাই, ৫০ শতাংশ দেশত পুনৰসংস্থাপন আইন গৃহীত হোৱা নাই; ৪০ শতাংশ দেশত পুনৰ সংস্থাপন আঁচনি আৰম্ভ হোৱা নাই। আনকি ভাল আইনী ভেটি থকা বহু দেশতেই ইয়াৰ অনুপস্থিতি দেখা গৈছে। ইয়াৰ কাৰণ হিচাপে দেখা গৈছে; পদ্ধতিগত পৰিকল্পনাৰ অভাৱ; সমল আৰু স্বাস্থ্য আন্তঃগাঁথনিৰ অভাৱ; প্ৰশাসনীয়, সমন্বয়ৰক্ষা আৰু নিৰীক্ষণৰ

**(৫০ পৃষ্ঠাত চাওক)**

# জলবায়ু পৰিৱৰ্তন আৰু কৃষিকেন্দ্ৰিক ভাৰতীয় অৰ্থনীতি

**দেৱজিৎ শইকীয়া***

বিশ্বব্যাপী উষ্ণতা বৃদ্ধিৰ ফলস্বৰূপে সৃষ্টি হোৱা জলবায়ু পৰিৱৰ্তনৰ সমস্যাই সম্প্ৰতি এটা অতিশয় স্পৰ্শকাতৰ আৰু ভয়াৱহ পাৰিপাৰ্শ্বিক সমস্যা ৰূপে মানৱ জাতিৰ সন্মুখত থিয় দিছে। বিশেষকৈ, ঔদ্যোগিক বিপ্লৱৰ পৰৱৰ্তী সময়ছোৱাত ক্ৰমাগতভাৱে তীব্ৰ ৰূপ ধাৰণ কৰা জলবায়ু পৰিৱৰ্তনৰ সমস্যা হৈ পৰিছে মানৱ জাতিৰ উন্নয়নৰ পথত এটা প্ৰৱল প্ৰত্যাহ্বান। বিশুদ্ধ পানী, পৰ্যাপ্ত খাদ্য, সুৰক্ষিত স্বাস্থ্য, বসবাসৰ নিৰাপত্তা, পাৰিপাৰ্শ্বিক সম্পদ ইত্যাদি প্ৰায়সকলো ক্ষেত্ৰতে বিৰূপ পৰিণাম সৃষ্টিৰ সম্ভাৱনা কঢ়িয়াই জলবায়ু পৰিৱৰ্তনে যে জন-জীৱনক ত্ৰস্তমান কৰি তুলিছে, তাক দ্বিৰুক্তি কৰাৰ প্ৰয়োজন নাই। কোৱা বাহুল্য যে বৰ্তমান সময়ত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ কেৱল পাৰিপাৰ্শ্বিক ক্ষেত্ৰখনতে সীমাবদ্ধ হৈ নাথাকি অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক ইত্যাদি ক্ষেত্ৰবোৰলৈও সংক্ৰমিত হ'ব ধৰিছে। এই প্ৰবন্ধত কৃষিজাত শস্যৰ উৎপাদন বা উৎপাদনশীলতাত জলবায়ু পৰিৱৰ্তনৰ সম্ভাব্য প্ৰভাৱ বা পৰিণাম কেনে হ'ব সেই বিষয়ে কিছু কথা আলোকপাত কৰিবলৈ যত্ন কৰা হ'ব।

এই কথা স্বতঃসিদ্ধ যে জলবায়ু পৰিৱৰ্তনৰ ফলস্বৰূপে অতিমাত্ৰাৰ গৰম, বানপানী, খৰাং, ঘূৰ্ণি বতাহ, সাগৰীয় ধুমুহা আদি অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি হোৱাৰ উপৰি বিভিন্ন সংক্ৰামক ৰোগৰো প্ৰাদুৰ্ভাৱ ঘটিব। তদুপৰি, গোলকীয় উষ্ণতা বৃদ্ধিৰ অৱশ্যম্ভাৱী ফলস্বৰূপে হোৱা সমুদ্ৰপৃষ্ঠৰ উত্থানে বিভিন্ন ঠাইত কৃষি উপযোগী ভূমিৰ পৰিমাণ সংকুচিত কৰি আনিব। আনকি, দ্বীপীয় অঞ্চলসমূহত এই একে কাৰণতে কৃষিজাত শস্যৰ উৎপাদন হ্ৰাস পাব। অন্যহাতে, সমুদ্ৰ পৃষ্ঠৰ উচ্চতা বৃদ্ধিৰ ফলত গৃহহীন হোৱা হাজাৰ হাজাৰ লোকে নিৰাপদ আশ্ৰয়স্থল বিচাৰি হয় কৃষি উপযোগী ভূমি দখল কৰিব, নহয় বনাঞ্চল ধ্বংসৰ জৰিয়তে বাসোপযোগী ভূমিৰ সন্ধান কৰিব। এনে কাৰ্যই পুনৰ পাৰিপাৰ্শ্বিক ভাৰসমতা বিনষ্ট কৰিব আৰু চক্ৰৱৎ আৰ্হিৰে কৃষি উৎপাদনৰ পৰিমাণ হ্ৰাস কৰিব।

এতিয়া প্ৰশ্ন হয়, গোলকীয় উত্তাপ বৃদ্ধি আৰু তাৰ পৰিণতিস্বৰূপে সৃষ্টি হোৱা জলবায়ু পৰিৱৰ্তনৰ ফলত কৃষি উপযোগী ভূমিৰ পৰিমাণ হ্ৰাস পোৱাৰ বাবেই কেৱল কৃষি উৎপাদন বাধাগ্ৰস্ত হ'বনে? বিভিন্ন গৱেষণামূলক অধ্যয়নৰ পৰা এটা কথা প্ৰতিপাদিত হৈছে যে সাম্প্ৰতিক সময়ৰ এটা অতি শিহৰণকাৰী সমস্যাৰূপে পৰিগণিত হোৱা জলবায়ু পৰিৱৰ্তনৰ সমস্যাই কৃষিজাত শস্যৰ উৎপাদনশীলতা, শস্য উৎপাদনৰ সময়সীমা, ভূমিৰ উৰ্বৰতা, শস্যত হোৱা ৰোগ, অপতৃণ, পোক-পতংগৰ আক্ৰমণ, শস্য পৰিচালনা কৌশল, শস্য প্ৰয়োগৰ ধৰণ আদি বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য ধৰণেৰে প্ৰভাৱ বিস্তাৰ কৰিব। 'জলবায়ু পৰিৱৰ্তন সম্বন্ধীয় আন্তঃৰাজ্যিক পেনেল'ৰদ্বাৰা প্ৰকাশিত এটা সমীক্ষাত কোৱা হৈছে যে জলবায়ু তথা বতৰৰ পৰিৱৰ্তনে কৃষি আৰু জলসম্পদৰ উন্নয়নৰ ক্ষেত্ৰত নিশ্চিতভাৱেই সুদূৰপ্ৰসাৰী কু-প্ৰভাৱ পেলাব। যদি জলবায়ু পৰিৱৰ্তনৰ হাৰ পূৰ্বৰ দৰেই অব্যাহত থাকে, তেতিয়াহ'লে ২০২০ চনৰ ভিতৰত এছিয়া মহাদেশ আৰু আফ্ৰিকাৰ ভালেকেইখন দেশত বৰ্ষানিৰ্ভৰ কৃষিৰ উৎপাদিকা শতকৰা পঞ্চাশ ভাগ কমিব বুলি শংকা প্ৰকাশ কৰা হৈছে আৰু তেনেকৈয়ে এছিয়া আৰু আফ্ৰিকাৰ কেইবাখনো দেশত অনাগত সময়বোৰত কৃষিজাত উৎপন্নৰ লগতে খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত তীব্ৰ সংকটৰ সূচনা হোৱাৰ সম্ভৱনা প্ৰৱল হৈ পৰিছে।

কৃষি আৰু ইয়াৰ আনুষংগিক কৰ্মৰাজিয়ে দিক্ নিৰ্ণয় কৰি থকা আমাৰ ভাৰতীয় অৰ্থনীতিৰ পটভূমিত কৃষিৰ ওপৰত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ সম্পৰ্কত গৱেষকসকলে মতপোষণ কৰে যে উষ্ণতা বৃদ্ধিয়ে দেশখনৰ মৌচুমী বায়ুক প্ৰভাৱিত কৰিব আৰু যাৰ ফলস্বৰূপে ভাৰতবৰ্ষৰ কৃষি কৰ্মৰ ওপৰত জলবায়ু পৰিৱৰ্তনৰ এটা বিৰূপ প্ৰভাৱ পৰিলক্ষিত হ'ব। কেৱল ভাৰতেই কিয়, জলবায়ু বা বতৰ সলনি হোৱাৰ ফলত পৃথিৱীৰ বিভিন্ন দেশ কৃষি

*দেৱজিৎ শইকীয়া, অধ্যক্ষ মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ

উৎপাদনৰ দিশৰ পৰা যথেষ্ট ক্ষতিগ্ৰস্ত হ'ব। এই ক্ষতি অধিকভাৱে অনুভূত হ'ব ঘেঁহু, ধান আৰু মচলাজাতীয় শস্য উৎপাদনৰ ক্ষেত্ৰত। আমাৰ দেশত ইতিমধ্যে ঘেঁহুৰ উৎপাদন অঞ্চলবিশেষত কমিবলৈ লোৱাটোও এই বতৰ পৰিৱৰ্তন হোৱাৰে ফল বুলি কোৱা হৈছে। আৰু এটা কথা। ভাৰতীয় কৃষি ব্যৱস্থাৰ কথা ক'লেই আমি বৰষুণ-ভিত্তিক কৃষি পদ্ধতিৰ কথাই বুজো। কিয়নো, আমাৰ দেশত প্ৰায় ৮০ শতাংশ জলসম্পদেই ব্যৱহৃত হয় কৃষি সম্বন্ধীয় প্ৰয়োজনীয়তা পূৰণৰ ক্ষেত্ৰত। জলবায়ু পৰিৱৰ্তনৰ ফলস্বৰূপে আমাৰ দেশে বৰ্তমান সময়ত মুখামুখি হোৱা মৌচুমী প্ৰৱাহৰ অনিশ্চয়তা, স্থান আৰু সময়ভেদে ইয়াৰ আগমনৰ অস্বাভাৱিকতা, ঠায়ে ঠায়ে হোৱা পানীৰ নাটনি অথবা খৰাং পৰিস্থিতি ইত্যাদিৰ বাবেও কৃষিজ উৎপাদন বাধাগ্ৰস্ত হোৱাৰ সম্ভাৱনা দেখা যায়। সমীক্ষা অনুসৰি, ২০৪০ চনৰ ভিতৰত দক্ষিণ এছিয়াৰ দেশবিশেষত গড় উষ্ণতা ১.২ ডিগ্ৰী ছেলচিয়াছ পৰ্যন্ত বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে আৰু যাৰ পৰিণতি স্বৰূপে কৃষিজাত শস্যৰ উৎপাদন প্ৰায় ২.৫ শতাংশ পৰ্যন্ত কমিব বুলি হিচাপ কৰা হৈছে।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে তাপমাত্ৰা বৃদ্ধি আৰু তাৰ সমান্তৰালভাৱে সৃষ্টি হোৱা পানীৰ নাটনিয়ে প্ৰায়বোৰ শস্যৰে উৎপাদনশীলতা হ্ৰাস কৰিব বুলি সমীক্ষাত প্ৰকাশ পাইছে। নিৰক্ষীয় অঞ্চলত গজা কিছুমান কৃষিজাত শস্যৰ ক্ষেত্ৰত তাপ সহনীয় ক্ষমতাই ইয়াৰ সৰ্বোচ্চ সীমা স্পৰ্শ কৰি থকাৰ বাবে সামান্য পৰিমাণৰ উত্তাপ বৃদ্ধিয়েই তেনেবোৰ শস্যৰ উৎপাদিকা যথেষ্ট কমাই পেলাব পাৰে। উত্তাপৰ মাত্ৰা বৃদ্ধিৰ বাবে খাৰিফ শস্যৰ তুলনাত ৰবি শস্যৰ উৎপাদনৰ ক্ষেত্ৰত হোৱা লোকচানৰ পৰিমাণ যথেষ্ট বেছি হ'ব বুলি শংকা প্ৰকাশ কৰা হৈছে। বিশেষকৈ, ঘেঁহু আৰু ফুল, বন্ধা আদি কবিজাতীয় শস্যৰ ক্ষেত্ৰত মধ্য ভাৰত আৰু আপেল, চেৰি, প্লাম আদি শস্যৰ ক্ষেত্ৰত উত্তৰ ভাৰত গোলকীয় উষ্ণতা বৃদ্ধিৰ প্ৰভাৱত বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হ'ব। অধ্যয়নৰ পৰা এটা কথা প্ৰতিপন্ন হৈছে যে কিছু পৰিমাণে তাপ মাত্ৰা বৃদ্ধিৰ বাবেই গংগা সমভূমি অঞ্চলত ধানৰ উৎপাদনত ইতিমধ্যে ঘাটিৰ সৃষ্টি হৈছে। এই অঞ্চলতে ২০০৬ চনৰ জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহৰ ঘেঁহুৰ গেঁৰ ধৰা আৰু পৰাগ সংযোগ ঘটাৰ সময়ত প্ৰয়োজনীয় উষ্ণতাতকৈ ৪-৬ ডিগ্ৰী ছেলছিয়াছ পৰ্যন্ত উত্তাপ বৃদ্ধি হোৱাৰ কাৰণে ঘেঁহুৰ উৎপাদনৰ ক্ষেত্ৰত ১০-১৫ শতাংশ হানিৰ সন্মুখীন হ'ব লগাত পৰে। তাপমাত্ৰা বৃদ্ধিৰ কাৰণেই উষ্ণতা বৃদ্ধিৰ প্ৰতি অতিমাত্ৰা সংবেদনশীল শস্য ঘেঁহুৰ উপৰি ধান, ফলমূল, শাক-পাচলি, চাহ, কফি, সুগন্ধি আৰু ঔষধি বিভিন্ন শস্যৰ গুণাগুণৰ ব্যাপক পৰিৱৰ্তন হ'ব পাৰে। আন এটা সমীক্ষা অনুসৰি, বায়ুমণ্ডলৰ তাপমান বৃদ্ধি পোৱাৰ ফলস্বৰূপেই আমাৰ দেশ ভাৰতবৰ্ষত ঘেঁহু আৰু ধানৰ উৎপাদনৰ ক্ষেত্ৰত এক প্ৰকাৰৰ স্থবিৰতা আহি পৰা পৰিলক্ষিত হৈছে। দেশীয় চৰকাৰে ৰাষ্ট্ৰসংঘলৈ প্ৰেৰণ কৰা তথ্যত প্ৰকাশ যে বিশ্বজনীন উত্তাপ বৃদ্ধিৰ বাবে বায়ুমণ্ডলৰ তাপমান যদি ২ ডিগ্ৰী ছেলছিয়াছো বেছি হয়, তেন্তে ভাৰতবৰ্ষৰ ঘেঁহু আৰু চাউলৰ উৎপাদন ১৫-১৭ শতাংশ কমি যোৱাটো নিশ্চিত। ইয়াৰ উপৰি, তাপমান বৃদ্ধিয়ে সৃষ্টি কৰিব পৰা আৰু এটা সমস্যা হৈছে যে সমপৰিমাণৰ শস্য উৎপন্ন কৰিবৰ বাবে একেখিনি ভূমিতে পূৰ্বৰ তুলনাত অধিক সাৰ প্ৰয়োগ কৰিব লগা হ'ব, যাৰ ফলস্বৰূপে সেউজ গৃহ গেছ নিৰ্গমনৰ মাত্ৰা অধিক হৈ পুনৰ পাৰিপাৰ্শ্বিক সমস্যা বৃদ্ধি হোৱাৰ লগতে কৃষিজাত শস্যৰ উৎপাদনী ব্যয়ো বৃদ্ধি হ'ব। তেনেদৰেই, জলবায়ু পৰিৱৰ্তনৰ পৰিণতিত ক্ৰমান্বয়ে খৰাং, বান, ধুমুহা, শিলাবৃষ্টি আদি প্ৰাকৃতিক দুৰ্যোগৰ আৱিৰ্ভাৱ হোৱাৰ ফলত কৃষিজাত সামগ্ৰীৰ উৎপাদনৰ ক্ষেত্ৰত যে ব্যাপক অস্থিৰতা আহিব, সেইটো নিশ্চিত। সাগৰ আৰু নদ-নদীৰ পানীৰ ক্ষেত্ৰত তাপমান বৃদ্ধিয়ে মৎস্যকুলৰ বংশবৃদ্ধিতো বাধাগ্ৰস্ত কৰিবই, কৃষিজাত সামগ্ৰীৰ গুণাগুণ আৰু ব্যয়ো বিশেষভাৱে প্ৰভাৱান্বিত কৰিব।

কৃষি উৎপাদনৰ ক্ষেত্ৰত গোলকীয় উষ্ণতা বৃদ্ধিয়ে সৃষ্টি কৰিব পৰা আন একধৰণৰ সম্ভাব্য সমস্যা হৈছে এই যে তাপমাত্ৰা আৰু আৰ্দ্ৰতা বৃদ্ধিয়ে শস্য অনিষ্টকাৰী কীট-পতংগ আৰু শস্যৰ বেমাৰৰ পৰিমাণ যথেষ্ট বঢ়াই তুলিব। গৱেষণামূলক অধ্যয়নে এই কথা প্ৰমাণ কৰিছে যে জলবায়ু পৰিৱৰ্তনৰ ফলত কীট-পতংগৰ বংশ বৃদ্ধি, বেমাৰ আদিৰ উপদ্ৰৱ কৃষিৰ ওপৰত এনেভাৱে পৰিব যে তাৰ বাবেই কৃষি উৎপাদনত আমাৰ দেশে এটা বৃহৎ লোকচানৰ সন্মুখীন হ'ব লগাত পৰিব। কেৱল ঘেঁহু উৎপাদনৰ ক্ষেত্ৰতে এনে লোকচানৰ পৰিমাণ ১৫-২০ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। তদুপৰি, কপাহৰ উৎপাদনৰ ক্ষেত্ৰতো এনে সমস্যা উদ্ভৱ হোৱাৰ হেতুকে দেশখন আৰ্থিক দিশত এটা উল্লেখযোগ্য লোকচানৰ মুখামুখি হ'ব লগাত পৰিব।

**(৪৪ পৃষ্ঠাত চাওক)**

# 'ষ্টেণ্ড আপ্ ইণ্ডিয়া' কাৰ্যক্ৰমৰ শুভাৰম্ভ ঘোষণা

দলিত, আদিবাসী আৰু মহিলাসকলৰ মাজত উদ্যমশীলতা জাগ্ৰত কৰাৰ লক্ষ্যৰে যুগুতাই উলিওৱা 'ষ্টেণ্ড আপ্ ইণ্ডিয়া'—শীৰ্ষক আঁচনিখনৰ যোৱা ৫ এপ্ৰিল, ২০১৬ তাৰিখে নয়দাত প্ৰধানমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে শুভাৰম্ভ ঘোষণা কৰে। আঁচনিখনৰ জৰিয়তে অনুসূচিত জাতি, অনুসূচিত জনজাতি তথা মহিলাসকলৰ মাজত উদ্যমশীলতা সৃষ্টিৰ প্ৰয়াস কৰা হ'ব। একোটা অঞ্চলত বসবাস কৰা অনুসূচিত জাতি, জনজাতি আৰু মহিলাসকলৰ মাজৰ অন্ততঃ দুগৰাকী উদ্যমীক উদ্যোগ স্থাপনৰ বাবে এই আঁচনিৰ অধীনত ঋণ দানৰ দিহা কৰা হৈছে। এই ঋণৰ পৰিমাণ ১০ লাখৰ পৰা এক কোটি পৰ্যন্ত হ'ব। আঁচনিখনৰ উন্মোচনী অনুষ্ঠান উপলক্ষে ৫১০০ খন ই-ৰিক্সাও বিতৰণ কৰা হৈছে।

**দক্ষতা বিকাশৰ গোলকীয় মাপক ঃ**

দক্ষতা বিকাশৰ ক্ষেত্ৰত ভাৰতীয় মানক গোলকীয় মাপকৰ সমকক্ষ কৰি তোলাৰ উদ্দেশ্যে অলপতে 'ট্ৰেন্সনেশ্বনেল স্কিল ষ্টেণ্ডাৰ্ডছ'ৰ শুভাৰম্ভ কৰা হয়। ১৫ খনকৈ ভাৰতীয় খণ্ডৰ দক্ষতা পৰিষদে চিনাক্ত কৰা ৮২টা কৰ্মক্ষেত্ৰত প্ৰযোজ্য বৃটেইনৰ মাপকক আদৰ্শ হিচাপে লোৱা দক্ষতা বিকাশ সম্পৰ্কীয় এইসমূহ মাপকে ভাৰত চৰকাৰৰ দুই বৃহৎ অভিযান—'মেইক্ ইন ইণ্ডিয়া' আৰু 'স্কিল ইণ্ডিয়া' কাৰ্যক্ৰমৰ মান নিৰূপণ কৰিব বুলি আশা কৰা হৈছে।

যিহেতু উপসাগৰীয় সহযোগিতা পৰিষদ গোল্ফ কো-অপাৰেশ্বন কাউন্সিল) ৰ আটাইবোৰ দেশে বৃটেইনৰ মাপক তথা প্ৰত্যায়িতকৰণ পদ্ধতিক স্বীকৃতি প্ৰদান কৰি আহিছে, সেয়ে দক্ষতা বিকাশৰ ক্ষেত্ৰত ভাৰতেও এই মাপকক আৰ্হি হিচাপে গ্ৰহণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ ফলত ভাৰতীয় কৰ্ম বাহিনীৰ বাবে আন্তঃৰাষ্ট্ৰীয় কৰ্ম ক্ষেত্ৰত পৰিক্ৰমা কৰাৰ বাবে সুচল পৰিৱেশ উপলব্ধ হোৱাৰ লগতে ভাৰতত কৰ্মৰত আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠানসমূহতো অধিক স্বাচ্ছন্দ্যৰে কাৰ্য নিৰ্বাহ কৰাৰ সুযোগ লাভ কৰিব।

কৰ্মৰ সন্ধানত প্ৰব্ৰজন কৰিব খোজাসকলৰ ক্ষেত্ৰত ভাৰতীয় মাপক আৰু বৃটেইনৰ মাপকৰ মাজত ব্যৱধান পৰিলক্ষিত হ'লে তেওঁলোকক সেতুবন্ধন প্ৰশিক্ষণ'ৰ আওতালৈ অনাৰ ব্যৱস্থা কৰা হ'ব। সেতুবন্ধন প্ৰশিক্ষণৰ পাঠদানৰ ক্ষেত্ৰতো ইউনাইটেড কিংমৰ 'দি ফাৰ্ডৰ এডুকেশ্বন কলেজ (এফ এ ই) ভাৰতীয় প্ৰশিক্ষণ প্ৰতিষ্ঠানক সহযোগিতা আগবঢ়াব। এফ এ ই কলেজে কেতবোৰ নিৰ্বাচিত খণ্ডৰ বাবে ভাৰতত দক্ষতা বিকাশ সম্পৰ্কীয় উৎকৰ্ষতা কেন্দ্ৰ অথবা 'স্কিল একাডেমিজ অব এক্সেলেন্সেছ' স্থাপন কৰিব। সেইদৰে প্ৰশিক্ষাৰ্থী-সকলক প্ৰত্যায়িত কৰাৰ ক্ষেত্ৰত ভাৰতীয় 'এছ এছ চি' সমূহক সহযোগিতা আগবঢ়াব 'ছিটি এণ্ড গিল্ডছ এণ্ড পাৰ্ছন্‌ছ'ৰ দৰে সংস্থাসমূহে।

ভাৰতীয় 'এছ এছ চি' সমূহৰ সমীক্ষা আৰু বৃটেইনৰ প্ৰত্যায়িতকৰণ সংস্থাসমূহে প্ৰদান কৰা প্ৰমাণ-পত্ৰলৈ স্বীকৃতি দান কৰাক প্ৰধান উপলক্ষ কৰিয়েই এই সহযোগিতাৰ সূচনা কৰা হৈছে। কৰ্মৰ সন্ধানত প্ৰব্ৰজন কৰিব খোজাসকলে সংশ্লিষ্ট ক্ষেত্ৰত দক্ষতাগত ব্যৱধান আঁতৰাবলৈ 'সেঁতুবন্ধন প্ৰশিক্ষণ' কাৰ্যক্ৰমত অংশগ্ৰহণ কৰি অৰ্হতা আহৰণৰ প্ৰমাণ পত্ৰ আহৰণ কৰিলেই হ'ল। এনে প্ৰশিক্ষণ সমাপ্ত কৰি প্ৰমাণ-পত্ৰ আদায় কৰিবলৈ সক্ষম হোৱাসকলে বিশ্বজুৰি স্বীকৃতিপ্ৰাপ্ত তথা গল্ফ্ কো-অপাৰেশ্বন কাউন্সিলৰদ্বাৰাও স্বীকৃত 'ইউ কে আই ভি কিউ' বঁটাৰ বাবে যোগ্যতা লাভ কৰে।

ভাৰতীয় খণ্ডৰ দক্ষতা পৰিষদে অংশ গ্ৰহণ কৰা প্ৰকল্পসমূহ হ'ল—যান-বাহন, কৃষি, জীৱন বিজ্ঞান, স্বাস্থ্য সেৱা, মূলধনী সামগ্ৰী, গহনা সামগ্ৰী, বস্ত্ৰ শিল্প, সৌন্দৰ্য আৰু স্বাস্থ্য কুশলতা, দূৰ সংযোগ, অতিথি সেৱা, তথ্য প্ৰযুক্তি,নিৰ্মাণ, খুচুৰা বিপণন, বৈদ্যুতিন আৰু নিৰাপত্তাসম্পৰ্কীয় সা-সামগ্ৰীৰ প্ৰকল্প।

**'ইউ আই ডি এ আই'এ যুগুতালে ১০০ কোটি আধাৰ**

২০১৬ চনৰ ৪ এপ্ৰিলত ভাৰতীয় অনন্য পৰিচয়জ্ঞাপক প্ৰাধিকৰণ—'ইউনিক আইডেণ্টিফিকেশ্বন অথ'ৰিটী অব্ ইণ্ডিয়া—(ইউ আই ডি আই) ই ১০০ কোটি 'আধাৰ' যুগুতাই উলিওৱাৰ কৃতিত্ব অৰ্জন কৰিলে। ২০১০ চনত আৰম্ভ হোৱা আধাৰ অভিযানে চাৰে পাঁচটা বছৰৰ এই চমু কালছোৱাৰ ভিতৰতে অৰ্জন কৰা এই সাফল্য বিৰল কৃতিত্ব হিচাপেই চিহ্নিত হৈছে। কেন্দ্ৰীয় চৰকাৰে 'লক্ষ্য নিৰ্দ্ধাৰিত

বিত্তীয় তথা অন্যান্য ৰাজসাহায্য, উপকাৰ আৰু সেৱা প্ৰদান আইন’—আধাৰ, ২০১৬ শীৰ্ষক ঐতিহাসিক আইনখন আনুষ্ঠানিকভাৱে অধিসূচিত কৰাৰ দিন দিয়েকৰ ভিতৰতে আহৰণ কৰা এই সাফল্য নিতান্তই প্ৰণিধানযোগ্য। দেশৰ ১৮ বছৰৰ ঊৰ্দ্ধৰ ৯৩ শতাংশ (২০১৫ চনৰ প্ৰক্ষেপিত জনসংখ্যাৰ তথ্য অনুসৰি) লোকক ইতিমধ্যে আধাৰে সামৰি লৈছে। আজিৰ তাৰিখত দেশৰ ১৩ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত আধাৰে সামৰা জনসংখ্যাৰ হাৰে ৯০ শতাংশ অতিক্ৰম কৰাৰ বিপৰীতে আন ১৩ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত এই পৰিমাণ ৭০ ৰ পৰা ৯০ শতাংশ বুলি তথ্য লাভ কৰা হৈছে।

**‘আধাৰ’ৰ কেতবোৰ উল্লেখনীয় প্ৰসংগ ঃ**

* ১০০ কোটিৰো অধিক লোকক সামৰি লৈছে ‘আধাৰ’-এ।
* ৭৩.৯৬ কোটি (৯৩ শতাংশ) প্ৰাপ্ত বয়স্ক লোকে ইতিমধ্যে ‘আধাৰ’ লাভ কৰিছে।
* ২২.২৫ কোটি (৬৭শতাংশ) পৰা ১৮ বছৰ বয়সৰ শিশু আৰু চেমনীয়াই লাভ কৰিছে আধাৰ।
* ২.৩০ কোটি (২০ শতাংশ) পৰা ৫ বছৰ অনূৰ্ধ্ব শিশুৱেও আধাৰ লাভ কৰিছে।
* প্ৰতিদিনে ৫ ৰ পৰা ৭ লাখ লোকৰ নাম সন্নিৱিষ্ট হয় আধাৰ তালিকাত।
* আজিৰ তাৰিখত আধাৰ হৈছে পৃথিৱীৰ বৃহত্তম অনলাইন প্লেটফৰ্ম।

**আধাৰৰ উপকাৰিতা ঃ**

* প্ৰত্যক্ষ লাভ হস্তান্তৰকৰণ (পহল)ৰ জৰিয়তে ১৪,৬৭২ কোটি টকাৰ সঞ্চয় সংগ্ৰহ
* অন্ধ্ৰপ্ৰদেশ, তেলেংগানা, পুডুচেৰী আৰু দিল্লীত ৰূপায়িত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ আঁচনিত ২,৩৪৬ কোটি টকাৰ সঞ্চয় সম্ভৱ হৈছে।
* অন্ধ্ৰপ্ৰদেশ, তেলেংগানা আৰু পঞ্জাৱত ৰূপায়িত জলপানি আঁচনিত ২৭৬ কোটি টকাৰ সঞ্চয়।
* ঝাৰখণ্ড, চণ্ডীগড় আৰু পুডুচেৰীত ৰূপায়িত পেঞ্চন আঁচনি ‘এন এছ এ পি’ত ৬৬ কোটিৰ সঞ্চয়।

**আধাৰৰ ব্যৱহাৰ ঃ**

* ২৫.৪৮ কোটি বেংক একাউণ্টক অনন্য আধাৰৰে সংলগ্ন কৰা হৈছে।
* ১২.২৮ (৭১ শতাংশ) ৰো অধিক ৰন্ধন গেছ সংযোগক সংলগ্ন কৰা হৈছে আধাৰৰে।
* আধাৰৰে সংযুক্ত কৰা হৈছে ১১.৩৯ কোটি (৪৫ শতাংশ) ৰেচন কাৰ্ডকো।
* একেদৰে ৫.৯০ কোটি (৬০ শতাংশ) এনৰেগা পত্ৰও সংযুক্ত কৰা হৈছে আধাৰৰে।

**আধাৰৰ প্ৰত্যায়িতকৰণ ঃ**

* ১৫০.৬ কোটিৰো অধিক লোকৰ ক্ষেত্ৰত আধাৰৰ প্ৰত্যায়িতকৰণ প্ৰক্ৰিয়া সম্পন্ন কৰিছে ইউ আই ডি এ আই-এ।
* সেইদৰে ৮.৪ কোটিৰো অধিক লোকৰ পৰিচয়জ্ঞাপক তথ্য প্ৰত্যায়িত কৰিছে ইউ আই ডি এ আই-এ।
* ইউ আই ডি এ আই-এ প্ৰতিদিনে ৪০ লাখৰো অধিক লোকৰ তথ্যাৱলীৰ প্ৰত্যায়িতকৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে।

হিতাধিকাৰীসকলৰ বেংক একাউণ্টৰ সবিশেষ তথ্য নোহোৱাকৈয়ে কেৱল আধাৰ পেইমেণ্ট ব্ৰীজ (এপিবি)ৰ জৰিয়তে লাভ হস্তান্তৰ অথবা অন্যান্য দেনা প্ৰক্ৰিয়া প্ৰত্যক্ষভাৱে সম্পন্ন কৰিব পাৰি। যোৱা দুটা বছৰত এপিবি-এ বিশেষ উত্তৰণৰ ধাৰা প্ৰত্যক্ষ কৰোৱাবলৈ সক্ষম হৈছে। এ পি বিৰ জৰিয়তে ইতিমধ্যে ২৩ কোটিৰো অধিক লোকে তেওঁলোকৰ আধাৰ পত্ৰৰ সৈতে বেংক একাউণ্টৰ সংযোগ স্থাপন কৰিছে। ২০১৪ চনৰ ৩১ মে’ৰ তুলনাত এ পি বিৰ জৰিয়তে সম্পন্ন হোৱা লেন-দেনৰ পৰিমাণৰ ক্ষেত্ৰত লক্ষণীয় উত্তৰণ ঘটি ৯৪.৭১ টা লেনদেনৰ বিপৰীতে ২৮,৩৬৩ কোটি টকাৰ সৰবৰাহ সম্পন্ন হৈছে। প্ৰণিধানযোগ্য যে ২০১৪ চনৰ ৩১ মে’ত এই পৰিমাণ আছিল ৭.১৩ কোটি লেনদেনৰ বিপৰীতে ৪,৪৭৪ কোটি টকা। সেইদৰে ‘আধাৰ সম্ভৱ দেনা পদ্ধতি’ (এ ই পি এছ) ৰ ক্ষেত্ৰতো বিগত দুটা বছৰত বিশেষ সাফল্য লাভ কৰিব পৰা গৈছে। ‘এ ই পি এছ’ পদ্ধতিৰে দেশৰ প্ৰত্যন্ত গাঁওসমূহত বসবাস কৰা লোকসকলে বেংকৰ শাখালৈ নোযোৱাকৈয়ে কেৱল মাইক্ৰ এটি এমত আধাৰৰ তথ্য আৰু আঙুলিৰ ছাপ দিয়েই তেওঁলোকৰ জমা ধন মোকলাব পাৰে। ২০১৪ চনৰ ৩১ মে’ৰ ৪৬ লাখ লেনদেনৰ বিপৰীতে ২০১৬ চনৰ ৩১ মাৰ্চত এই পৰিমাণ ১০.৭৬ কোটিলৈ বৃদ্ধি পাইছে। প্ৰধানমন্ত্ৰী জন ধন যোজনা (পি এম জে ডি ৱাই), এম জি এন ৰেগা; পেন্সন, জলপানি, ডি বি টি এল, ইউ এ এন (ই পি এফ অ’), ৰাজহুৱা বিতৰণ ব্যৱস্থা, পাৰপত্ৰ তথা চৰকাৰী কাৰ্যালয়ৰ উপস্থিতিকে আদি কৰি বিভিন্ন আঁচনি আধাৰৰে সংযুক্ত কৰি ভাৰত চৰকাৰে আক্ষৰিক অৰ্থতে ‘ইউ আই ডি এ আই’ৰ গুৰুত্ব বঢ়াই তুলিছে। ❐

# জম্মু আৰু কাশ্মীৰৰ ঔদ্যোগিক বিকাশৰ লক্ষ্যৰে 'উড়ান'ৰ সম্প্ৰসাৰণ

জম্মু আৰু কাশ্মীৰৰ ঔদ্যোগিক বিকাশৰ লক্ষ্যৰে 'উড়ান' কাৰ্যক্ৰমৰ সময়সীমা সম্প্ৰসাৰিত কৰা হৈছে। প্ৰাথমিক পৰ্যায়ত আঁচনিখনৰ ম্যাদ ২০১৫-১৬ বিত্তীয় বৰ্ষত সামৰণি পৰাৰ কথা আছিল যদিও ৰাজ্যখনত ঔদ্যোগিক বিকাশ ত্বৰান্বিত কৰাৰ উদ্দেশ্যে 'জম্মু আৰু কাশ্মীৰৰ বাবে বিশেষ ঔদ্যোগিক পদক্ষেপ' চমুকৈ 'এছ আই আই জে এণ্ড কে' শীৰ্ষকেৰে সম্পাদিত হ'বলগীয়া 'উড়ান'ৰ সময় সীমা ২০১৯-২০ পৰ্যন্ত অব্যাহত ৰখাৰ সিদ্ধান্ত লোৱা হৈছে।

জম্মু আৰু কাশ্মীৰৰ যুৱক-যুৱতীসকলক দেশৰ মূলসুঁতিৰে একাত্ম কৰাৰ লক্ষ্য আগত ৰাখিয়ে 'উড়ান' শীৰ্ষক ৰাষ্ট্ৰীয় সংহতিমূলক আঁচনিখন ৰূপায়ণৰ দিহা কৰা হৈছিল। আঁচনিখনৰ জৰিয়তে যুৱক-যুৱতীসকলৰ পেছাগত দক্ষতা বৃদ্ধিৰে নিয়োগ সম্ভাৱনা বৃদ্ধিৰ পদক্ষেপ গ্ৰহণ কৰাৰ লগতে সন্ত্ৰাসবাদ অধ্যুষিত ৰাজ্যখনৰ যুৱ-প্ৰজন্মক মৌলবাদ আৰু উগ্ৰবাদী কৰ্মকাণ্ডৰ গ্ৰাসৰ পৰা মুক্ত কৰাৰ প্ৰয়াস কৰা হৈছে।

'উড়ান'এ জম্মু আৰু কাশ্মীৰৰ যুৱ প্ৰজন্মৰ বাবে দেশৰ সম্ভ্ৰান্ত ঔদ্যোগিক তথা বাণিজ্যিক প্ৰতিষ্ঠান সমূহত কৰ্ম জীৱন আৰম্ভ কৰাৰ এটা সুন্দৰ পৰিৱেশ গঢ়ি তোলাৰ উপৰি ৰাজ্যখনৰ বাবেও বৃত্তিধাৰী দক্ষতা সম্পন্ন এক কৰ্মবাহিনী গঢ়ি তুলিবলৈ সক্ষম হৈছে। 'উড়ান' আঁচনিৰ অধীনত 'ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নিগম'ৰে সহযোগিতা আগবঢ়াবলৈ অহা ৬৭ টা আগশাৰীৰ কৰ্পোৰেট গোষ্ঠীয়ে ইতিমধ্যেই ৰাজ্যখনৰ যুৱক-যুৱতী সকলক বিভিন্ন ক্ষেত্ৰত বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদান কৰাৰ দায়বদ্ধতা স্বীকাৰ কৰিছে। এনে প্ৰশিক্ষণৰ ক্ষেত্ৰত সংগঠিত খুচুৰা বিপণন, বেংকিং, বিত্তীয় সেৱা, তথ্য প্ৰযুক্তি তথা বিনোদন সেৱা, বুনিয়াদী তথা অতিথি সেৱা আদিক সামৰি লোৱা হৈছে। এই পৰ্যন্ত ১৯,০০০ গৰাকী প্ৰশিক্ষাৰ্থীক এনে সেৱাৰ প্ৰশিক্ষণৰ বাবে নিৰ্বাচিত কৰা হৈছে। ইয়াৰে ৮৭০০ প্ৰাৰ্থীয়ে ইতিমধ্যে এনে প্ৰশিক্ষণ সফলতাৰে সমাপ্ত কৰাৰ বিপৰীতে ৬৮৩৮ গৰাকীয়ে নিযুক্তি লাভ কৰিবলৈ সক্ষম হোৱাটো প্ৰসংগতে প্ৰণিধানযোগ্য। ২০১৯-২০ বৰ্ষৰ ভিতৰত ৪০,০০০ গৰাকী স্নাতক, স্নাতকোত্তৰ তথা তিনিবছৰীয়া অভিযান্ত্ৰিক ডিপ্ল'মা প্ৰাপ্ত যুৱক-যুৱতীক এই আঁচনিৰ অধীনত প্ৰশিক্ষণ দান কৰি তেওঁলোকৰ বাবে নিয়োগ সম্ভাৱনীয়তা বৃদ্ধিৰ লক্ষ্য বান্ধি লোৱা হৈছে। আঁচনিখন ৰূপায়ণৰ গতি ত্বৰান্বিত কৰাৰ লক্ষ্যৰে বিস্তৃত পৰিসৰৰ নিৰ্বাচনী অভিযান চলোৱাৰ সুবাদত প্ৰাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰত বিশেষ সফলতা অৰ্জন কৰিব পৰা গৈছে। ৰাজ্যখনৰ সকলো জিলাকে সামৰি এই পৰ্যন্ত ৬৭ টা বিশেষ নিৰ্বাচনী সমাৰোহ অনুষ্ঠিত কৰা হৈছে। ❐

---

(৪১ পৃষ্ঠাৰ পৰা)

আমাৰ ভাৰতবৰ্ষৰ দৰে কৃষিপ্ৰধান দেশ এখনৰ কৃষি উৎপাদনত বিৰূপ প্ৰভাৱৰ সৃষ্টি কৰি জলবায়ু পৰিৱৰ্তনে দেশৰ অৰ্থনীতিক কেনেদৰে বিপৰ্যস্ত কৰিব, সেই কথা এতিয়ালৈকে কৰা আলোচনাৰ পৰাই নিশ্চয় স্পষ্ট হৈ পৰিছে। এতিয়া কথা হ'ল, কৃষি ব্যৱস্থাৰ ওপৰত পৰিব পৰা জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ কম কৰিবলৈ আমি কি কি ব্যৱস্থা হাতত ল'ব পাৰো? এই ক্ষেত্ৰত, জলবায়ু পৰিৱৰ্তনৰ সৈতে আমাৰ কৃষি কৰ্মক উপযোগী কৰি তুলিবলৈ পৰ্যাপ্ত গৱেষণাৰ প্ৰয়োজন। ইয়াৰ বাহিৰেও, কৃষি ভূমি ব্যৱহাৰৰ ধৰণ সলনি কৰা, শস্য প্ৰয়োগৰ পদ্ধতিৰ পৰিৱৰ্তন সাধন কৰা, শস্যৰ বৈচিত্ৰ্য সাধনত গুৰুত্ব দিয়া, শস্যৰ বীজ সলনি কৰাৰ বিষয়ে চিন্তা-চৰ্চা কৰা, শস্য প্ৰয়োগৰ সময় সলনি কৰা, আবতৰত শস্য সিঁচা আৰু পৰম্পৰাগত বীজৰ ভিতৰত উচ্চ সহনশীল গুণসম্পন্ন শস্যৰ খেতিত গুৰুত্ব আৰোপ কৰা ইত্যাদি ব্যৱস্থাসমূহ গ্ৰহণ কৰিলে কৃষিৰ ক্ষেত্ৰত জলবায়ু পৰিৱৰ্তনৰ কুফল কিছু কমিব বুলি ভবা হয়। অৱশ্যে, জলবায়ু পৰিৱৰ্তন প্ৰতিৰোধৰ বাবে প্ৰয়োজন হ'ব এটা ঐক্যবদ্ধ সামূহিক প্ৰয়াস আৰু প্ৰচেষ্টাৰ। এই ক্ষেত্ৰত গোলকীয় উত্তাপ বৃদ্ধিৰ বাবে জগৰীয়া কাৰকসমূহ বাছি উলিয়াই সেইসমূহ প্ৰতিৰোধৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিবই লাগিব। ❐

# কৃষি উৎপাদনত জল সম্পদৰ সদ্ ব্যৱহাৰ

হামান আলী*

ভাৰতবৰ্ষ এখন কৃষিপ্ৰধান দেশ। দেশৰ ৭০% লোক গাঁৱত বাস কৰে আৰু এই মানুহখিনিয়ে দেশৰ আন ৩০% লোকৰো খাদ্য যোগান ধৰে। এই সমগ্ৰ খাদ্য অৰ্থাৎ কৃষিজাত সামগ্ৰী উৎপাদন হয় গাঁৱত। সেই বাবে আমাৰ দেশখনক কৃষিপ্ৰধান দেশ বুলি কোৱা হয়। দেশৰ অৰ্থনীতিৰ সিংহভাগ কৃষিজাত সামগ্ৰীৰ পৰাই পোৱা যায়।

আজি সমগ্ৰ বিশ্বৰ লগতে আমাৰ দেশতো বৈজ্ঞানিক পদ্ধতিৰে জলসিঞ্চনৰ জৰিয়তে খেতি কৰাৰ সু ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ বাবে ঠায়ে ঠায়ে চৰকাৰীভাৱে নলী নাদৰ ব্যৱস্থা কৰি ভূগৰ্ভৰ পানীৰ সহায়ত খৰাং বতৰতো কৃষিৰ বাবে প্ৰয়োজনীয় পানী যোগান ধৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

আমাৰ দেশখন প্ৰাকৃতিক বৈচিত্ৰৰে পৰিপূৰ্ণ। এফালে গৰমৰ দিন আনফালে বৰফাবৃত অঞ্চল। এফালে উৎকট গৰম হ'লেও আনফালে নাতিশীতোষ্ণ অঞ্চলৰে ভৰা আমাৰ দেশ। অসম তথা উত্তৰ-পূৰ্বাঞ্চল এনে এটা অঞ্চল য'ত চিৰসেউজীয়া গছ-বনেৰে আবৃত এটি মনোৰম দৃশ্য সদায় দেখিবলৈ পোৱা যায়। পাহাৰ আৰু ভৈয়ামৰ সংগমস্থলী আমাৰ বৰ অসম, যাক সাতভনীৰ দেশ বুলি কোৱা হয়।

ভাৰতবৰ্ষৰ অন্য অঞ্চলৰ দৰে অসমখনো কৃষিপ্ৰধান ৰাজ্য। অসমত চৰকাৰীভাৱে জলসিঞ্চনৰ ব্যৱস্থা নকৰা নহয়। কিন্তু আজিও বহুক্ষেত্ৰত অসমৰ দৰে দুখীয়া ৰাজ্য এখনৰ খেতিয়কে অৰ্থৰ অভাৱত জলসিঞ্চন ব্যৱস্থা কৰিব পৰা নাই। যাৰ বাবে আজিও প্ৰায় ৪০% খেতিয়কে বৰষুণৰ ওপৰত নিৰ্ভৰ কৰি খেতি কৰি আহিছে। ফলত তেওঁলোকৰ খেতিসমূহ হয়তো বান নহয় খৰাঙত নিঃশেষ হৈ গৈছে আৰু ৰাজ্যৰ অৰ্থনীতিত এটি বিৰূপ প্ৰভাৱ পৰি আহিছে।

অসমৰ অধিক সংখ্যক খেতিয়কে যাতে যেতিয়াই বিচাৰে তেতিয়াই পানী পাব পাৰে তাৰ বাবে কিছু পৰিমাণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰি আহিছে যদিও আমাৰ খেতিয়কসকলে খুব কম খৰচতে সদায় পানী পাব পৰা ব্যৱস্থা নিজেই কৰি ল'ব পাৰে। দেশৰ ভিতৰতে অধিক পৰিমাণে বৰষুণ হোৱা অঞ্চল হোৱা সত্বেও খেতিয়কসকলে সময় মতে পানী নোপোৱাতো অতি পৰিতাপৰ কথা। ইয়াৰ কাৰণ হৈছে জলসম্পদৰ সদ্ব্যৱহাৰৰ অভাৱ।

সদায় পানী পাব পৰা ব্যৱস্থাসমূহ মূলতঃ (১) চাৰিজন বা ততোধিক খেতিয়কে পৰস্পৰৰ সীমাতে থকা খেতিৰ মাটিসমূহৰ মাজভাগত (মাটিৰ সীমাত) এটি কুঁৱা খান্দিব লাগিব। কুঁৱাৰ গভীৰতা ২০-৩০ ফুট হ'লেই হ'ব। কুঁৱাটোৰ চাৰিওফালে বাঁহেৰে বেৰ দি থ'ব লাগিব। বাৰিষা শেষ হৈ যোৱাৰ পিচত খেতিয়কসকলে নিজৰ নিজৰ মাটিডৰা চহাবলৈ আৰম্ভ কৰিব। বিভিন্ন শস্যৰ বীজ সিঁচিব। যেতিয়া পানীৰ প্ৰয়োজন হ'ব তেতিয়া বৰষুণ নহ'বও পাৰে। গতিকে এটি সৰু পানী সিঁচা যন্ত্ৰেৰে কুঁৱাৰ পৰা পানী ওচৰৰ খেতি পথাৰসমূহলৈ সহজেই যোগান ধৰিব পাৰিব। আনহাতে গভীৰ নলী নাদৰ পানীত কিছু পৰিমাণে খনিজ পদাৰ্থ মিহলি হৈ থাকে যাৰ বাবে মাটিৰ উৰ্বৰা শক্তিত কিছু পৰিমাণে বাধা হ'ব পাৰে। কিন্তু কুঁৱাৰ পৰা যোগান ধৰা পানীত পচন সাৰ, পলসযুক্ত পদাৰ্থ মিহলি হৈ থকাৰ বাবে সেই পানীখিনিৰ পৰা মাটিডৰা বেছি উৰ্বৰা হৈ উঠিব। এনেদৰে যেতিয়াই প্ৰয়োজন হয় তেতিয়াই খেতিয়কসকলে খেতিপথাৰত পানী যোগান ধৰিব পাৰে। সময় লগে লগে খেতিয়কসকলে নিজৰ মাটিডৰাৰ পৰা ভাল উৎপাদন কৰিবলৈ সক্ষম হ'ব। এনেদৰে তেওঁলোকে নিজৰ লগতে সমাজ, ৰাজ্য তথা দেশৰ অৰ্থনীতিত সবলভাৱে অৰিহণা যোগাব পাৰে।

অসমখন জৈৱ বৈচিত্ৰ্যৰে পৰিপূৰ্ণ। জলবায়ুৰ দিশৰ পৰাও খেতিৰ বাবে উপযোগী অসমৰ কৃষিভূমি। কিন্তু উপযুক্ত প্ৰযুক্তিগত কৌশল প্ৰয়োগ নকৰাৰ বাবে খেতিয়কসকলে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। আমি প্ৰায়ে দেখিবলৈ পাওঁ খেতিপথাৰৰ ওচৰত থকা খালৰ পানী সিঁচি সিঁচি খেতিয়কসকলে খেতি কৰে। যেতিয়া

*হামান আলী নলবাৰী জিলাৰ বৰক্ষেত্ৰী মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ অধ্যাপক

সেই খালটো শুকাই যায় তেতিয়া খেতি পথাৰসমূহ পানীৰ অভাৱত শুকাই যাবলৈ ধৰে নাইবা সময়ত পানীৰ অভাৱত খেতিৰ ফচলসমূহৰ পৰিমাণ বহু কম হোৱা দেখা যায়। ইয়াৰ বাবে খেতিয়কসকলে সম্পূৰ্ণ স্থায়ী ব্যৱস্থা নিজেই কৰি ল'ব পাৰে।

কিছুমান খেতি পথাৰত প্ৰায় দুই-তিনিখন গাঁৱৰ মানুহৰ খেতি মাটি একেলগে থকা দেখা যায়। তেনে ক্ষেত্ৰত পাঁচশ বা এহেজাৰ বিঘা মাটিৰ মাজত আটায়ে লগ হৈ এটি পুখুৰী খান্দি ল'ব পাৰে। পুখুৰীৰ পৰা সকলোৰে মাটিলৈ সীমাৰ কাষে কাষে একোটা নলা খান্দিব পাৰে। নলাৰ পৰা খেতিপথাৰলৈ পানী সমুমুৰাই ৰাখিব লাগিব। যিহেতু খেতিয়কসকলে একেলগে এটা সময়ত প্ৰায় একেই খেতি কৰে তেনেস্থলত পানীৰ প্ৰয়োজন একেলগেই হ'ব। গতিকে যেতিয়া খেতিপথাৰত পানীৰ প্ৰয়োজন হ'ব তেতিয়া ভাৰত্তোলন পদ্ধতিৰে বা সৰু পানী সিঁচা যন্ত্ৰেৰে পুখুৰীৰ পানী নলাত পেলাই দিব। পানী যাৰ প্ৰয়োজন হয় তেওঁ নিজৰ পথাৰৰ কাষেৰে যোৱা নলাৰ মুখখন খুলি দিলে প্ৰয়োজনীয় পানী পথাৰত সোমাব। এনেদৰে প্ৰতিগৰাকী খেতিয়কে নিজৰ খেতিডৰাৰ বাবে প্ৰয়োজনীয় পানী পাব পাৰে।

খেতিয়কসকলে সমূহীয়াভাৱে পুখুৰী খান্দিলে তেওঁলোকে বছৰটোৰ বাবে প্ৰয়োজনীয় মাছখিনিও পাব পাৰে। ছাগলী আৰু হাঁহ আদিৰ লালন-পালনো পুখুৰীৰ পাৰতে কৰিব পাৰে। কাৰণ হাঁহৰ বাবে প্ৰয়োজনীয় পানী আৰু মাছ-পুঠি পুখুৰীতেই পাব আনহাতে ছাগলীৰ বাবে প্ৰয়োজনীয় ঘাঁহ তাৰ পৰাই পাব পাৰে।

এনেদৰে খেতিয়কসকলে কম খৰচ আৰু কম কষ্টৰে অধিক লাভাৱান্বিত হ'ব পাৰে। তদুপৰি কেইবাখনো গাঁৱৰ মানুহৰ খেটিৰ মাটি য'ত একেলগে আছে তেওঁলোকে আন এটি স্থায়ী পদ্ধতিৰ ব্যৱস্থা কৰিব পাৰে।

আজিও অসমৰ কিছু ঠাইত পানীৰ বাবে প্ৰাকৃতিকভাৱে পানী পোৱাৰ ব্যৱস্থা কৰা দেখা যায়। বৰপেটা জিলাৰ পূব প্ৰান্তত অৱস্থিত মাজসিয়া গাঁৱৰ ৰাইজে প্ৰায় ২০০ বছৰ পূৰ্বে ৮ কিলোমিটাৰ অঞ্চল আৱৰি সেই ভূমিৰ মাজেৰে এটি জান খান্দি উলিয়াইছিল। এই জানৰ পানী ওচৰৰ প্ৰায় ৭-৮ খন গাঁৱৰ মানুহে পাব পাৰে। ফলত এই জানটোৰ পৰা খেতিপথাৰত প্ৰয়োজনীয় পানী যোগান ধৰাৰ লগতে জানটোৰ পৰা ৰাইজে বছৰটোৰ বাবে প্ৰয়োজনীয় মাছ-পুঠিৰ ব্যৱস্থাও কৰি আহিছে। আজি বিজ্ঞানৰ যুগত জলসিঞ্চনৰ যোগেদি বিভিন্ন খেতি-বাতিৰ দিহা কৰা হৈছে যদিও ৰাইজৰ প্ৰচেষ্টাত প্ৰাকৃতিকভাৱে জমা হৈ থকা পানীৰে খেতি-বাতি কৰিব পাৰিলে ভূগৰ্ভৰ পানী ভৱিষ্যতলৈ সংৰক্ষণ কৰিব পৰা যায়।

আমাৰ দেশত বছৰি হোৱা বৰষুণৰ ৭৯% পানী সাগৰ পৃষ্ঠত আৰু ২১% পানী ভূপৃষ্ঠত অৱধাবিত হয়। এই অৱধাৰিত পানীখিনিৰ ৯৫% বাষ্পীভূত হৈ নাইকিয়া হয়, কেৱল ৫% পানীহে ভূপৃষ্ঠৰ উপৰি ভাগত ৰৈ যায়। এই উপৰি ভাগৰ পানীখিনিৰ ৪.৯৭% পানী ভূগৰ্ভৰ ভিতৰলৈ প্ৰৱেশ কৰে। মাত্ৰ .০৩% পানীহে উপৰি ভাগত ব্যৱহাৰৰ বাবে ৰৈ যায়।

আনহাতে বৈজ্ঞানিক বিশ্লেষকৰ মতে ভূগৰ্ভৰ পানীৰ সীমাহীন ব্যৱহাৰৰ ফলত ভূগৰ্ভৰ জলভাণ্ডাৰৰ দ্ৰুত সংকোচন হয়, তেতিয়া উপৰি ভাগৰ পানীৰ পৰিমাণ কমি যাব। ফলত জলবায়ুৰ পৰিৱৰ্তন হ'ব। বৰষুণৰ পৰিমাণ কমিব। বৰষুণৰ পৰিমাণ কম হ'লে ভূগৰ্ভৰ উপৰি ভাগৰ পৰা পানী যোৱা বন্ধ হ'ব। এনেদৰে কিছু বছৰ চলিলে উপৰিভাগ লাহে লাহে শুকান ঠাইলৈ পৰ্যবসিত হ'ব। ফলত একোটা বৃহৎ অঞ্চল মৰুভূমিলৈ ৰূপান্তৰিত হ'ব পাৰে।

গতিকে আমি যিমান পাৰি বৰষুণৰ পানী আৰু ভূপৃষ্ঠত জমা হোৱা পানী সংৰক্ষণ কৰি প্ৰাকৃতিকভাৱে চলিবলৈ প্ৰয়াস কৰা উচিত। চৰকাৰৰ ফালৰ পৰাও এনে ধৰণৰ ব্যৱস্থাৰ বাবে দিহা কৰি ৰাইজক সহায় কৰিব লাগে।

আমি আটায়ে সহযোগিতাৰে প্ৰকৃতিৰ লগত প্ৰাকৃতিক কাৰ্যপন্থাৰ জৰিয়তে পানীৰ সদ্ব্যৱহাৰ কৰিলে আমাৰ লগতে দেশৰ অৰ্থনীতিৰ গতি ত্বৰান্বিত হ'ব আৰু ভৱিষ্যত বংশধৰলৈ ভূগৰ্ভৰ পানী সঞ্চয় কৰিব পাৰিম। ❐

# পৰ্যটনস্থলী ঃ ঐতিহাসিক সূৰ্যপাহাৰ

**ভাস্বতী চৰাইমৰীয়া**

অসমখন হৈছে এনে এখন ৰাজ্য যি পুৰতাত্ত্বিকভাৱে সমগ্ৰ ভাৰতবৰ্ষতে বিখ্যাত। ই বিভিন্ন স্থাপত্য ভাস্কৰ্য, কলা-কুশলীৰে পৰিপূৰ্ণ। ইয়াৰ প্ৰাকৃতিক পৰিৱেশে সমগ্ৰ ভাৰতবৰ্ষৰ উপৰি আন বহিঃৰাষ্ট্ৰকো আকৰ্ষিত কৰে। ব্ৰহ্মপুত্ৰৰ দৰে এখন বিশাল নদ এই অসম ৰাজ্যৰ মাজেদি বৈ অতুলনীয় প্ৰাকৃতিক সৌন্দৰ্য সৃষ্টি কৰিছে। এই ব্ৰহ্মপুত্ৰ নদেই ভাগ কৰিছে ইয়াৰ দুয়োফালে থকা অঞ্চল নামনি আৰু উজনিক।

এই ব্ৰহ্মপুত্ৰ উপত্যকাৰেই নামনি অঞ্চলত স্থিত গোৱালপাৰা জিলাৰ সূৰ্যপাহাৰ হৈছে এনে স্থান— যি সমগ্ৰ অসমৰ স্থাপত্য-ভাস্কৰ্যৰ এটা উজ্জ্বল নিদৰ্শন স্বৰূপ। গোৱালপাৰা চহৰৰ পৰা বাৰ (১২) কিলোমিটাৰ দূৰত পূব দিশে অৱস্থিত সূৰ্যপাহাৰে বিশাল ভূ-খণ্ড সামৰি লৈছে। সূৰ্য পাহাৰত অলেখ ভাস্কৰ্য আৰু স্থাপত্যৰ নিদৰ্শন আছে, ঐতিহাসিক তথ্যৰ মতে, গোৱালপাৰা জিলাখন পুৰণি কামৰূপৰ অংশস্বৰূপ আছিল— যি অসমৰ সাংস্কৃতিক ইতিহাসৰ দিশে পোহৰ নিক্ষেপ কৰে।

গোৱালপাৰা নাম অপ্ৰাচীন। জিলাখনত থকা উপ-নৈখন হৈছে দুধনৈ। এই গোৱালপাৰা জিলাৰ দক্ষিণ-পূবে স্থিত শ্ৰীসূৰ্যপাহাৰ হৈছে ইয়াৰ নামৰ দৰেই সূৰ্যৰ উপাসনা কৰা এখন পৱিত্ৰ স্থান— য'ত কেৱল সূৰ্যৰে নহয়, অসংখ্য দেৱ-দেৱীৰ পূজা সম্পন্ন কৰা হয়। সূৰ্যপাহাৰ হৈছে বৃহৎ ভূ-খণ্ড আগুৰি থকা এটা মনোমোহা প্ৰাকৃতিক অঞ্চল, যি এশ চৌত্ৰিশ বিঘা সংৰক্ষিত এলেকা জুৰি বিস্তৃত হৈ আছে। এই সূৰ্যপাহাৰৰ আন এটা নাম সাতালী পৰ্বত। উল্লেখযোগ্য, এই পাহাৰত সাতটা শৃংগ বা চূড়া আছে। সেই কাৰণে পাহাৰটিৰ নাম 'সাতালী পৰ্বত' ৰখা হয়। 'সাতালী' নাম এই অৰ্থত বিশ্লেষণ কৰিলে পোৱা সাত + তলা + তালী = সাতালী। পাহাৰখনৰ সকলো দিশৰ পৰাই দুটা চূড়া পথালিকৈ থকা যেন দেখিবলৈ পোৱা যায়। পৰৱৰ্তী সময়ত এই সাতালী পৰ্বতত সূৰ্য পূজাৰ অধিক প্ৰচলন হোৱা বাবে পাহাৰখনৰ নাম 'সূৰ্য পাহাৰ' হ'ল।



সূৰ্য পাহাৰৰ উত্তৰে আছে ব্ৰহ্মপুত্ৰ নদ আৰু চম্পেশ্বৰ মহাপীঠ, দক্ষিণে ৰঙাচৰণ পাহাৰ, পূব দিশত আছে ডুবাপাৰা নামে এখন গাঁও আৰু পশ্চিমে সৈনিক স্কুল, গোৱালপাৰা।

ইতিহাস প্ৰসিদ্ধ এই সূৰ্যপাহাৰত অসংখ্য শিলেৰে নিৰ্মিত ভাস্কৰ্য দেখিবলৈ পোৱা যায়। তাৰ ভিতৰত শিলেৰে নিৰ্মিত শিৱলিংগ, বৌদ্ধ, জৈন, হিন্দু তিনিওটা ধৰ্মৰে অলেখ স্তূপ, বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি, মঠ-মন্দিৰ, বিভিন্ন ধৰণৰ সৰু-ডাঙৰ গুহা, স্নানাগাৰ ইত্যাদি দেখিবলৈ পোৱা যায়।

পাহাৰখনৰ পূব পিনে নামনিত অসংখ্য দেৱ-দেৱীৰ শিলত কটা মূৰ্তি আছেই, তদুপৰি পাহাৰখনৰ পৰা দুই মাইলৰ অধিক দূৰৈত থকা খৰনৈ গাঁৱলৈকে অলেখ কীৰ্তি চিনৰ ভগ্নাৱশেষ দেখিবলৈ পোৱা যায়। তদুপৰি এই নামনি ভাগতে এটি আয়তক্ষেত্ৰকাৰ প্ৰাচীন কালৰে নিৰ্মিত এটা সুন্দৰ পুখুৰী দেখিবলৈ পোৱা যায়। পুখুৰীটো প্ৰাচীন কালৰে, সেই সোণোৱালী কালছোৱাতে খুব সুন্দৰকৈ ইটাৰে সুদৃঢ়ভাৱে পকী কৰি নিৰ্মাণ কৰা হৈছিল।

গোৱালপাৰা জিলাৰ এই পাহাৰখনৰ সকলোতকৈ পুৰণি সভ্যতাটো হ'ল বৌদ্ধ। কিন্তু বৰ্তমানলৈকে কোনো গ্ৰন্থতে এই বৌদ্ধ

*লিখিকা মুক্ত সাংবাদিক

ধৰ্মৰ লিখিত বিৱৰণ পোৱা হোৱা নাই। উল্লেখ্যযোগ্য, ১৯৯৩ চনতে 'ভাৰতবৰ্ষৰ পুৰাতত্ত্ব জৰীপ' বিভাগৰদ্বাৰা এই পাহাৰত খনন কাৰ্য আৰম্ভ হৈছিল। খনন কাৰ্যৰ প্ৰাৰম্ভিক অৱস্থাতে অতি আশ্চৰ্যজনকভাৱে উদ্ধাৰ হৈছিল বিভিন্ন ধৰণৰ ভগ্নাৱশেষ। ইয়াৰ ভিতৰত আছিল বিভিন্ন উপাস্য দেৱতাৰ কিছু অংশ, কীৰ্তিমুখা, কৰন্দ মুকুতা, বিভিন্ন শিলেৰে নিৰ্মিত স্তূপ, টেৰাকটা পদ্ধতিৰ একপ্ৰকাৰ সঁজুলি, ধৰ্মীয় অনুষ্ঠানত ব্যৱহাৰ হোৱা বিভিন্ন ধৰণৰ পাত্ৰ, বিভিন্ন আকৃতিৰ সুন্দৰ টাইলছ ইত্যাদি। ইয়াৰ পিছৰটো খনন কাৰ্য ১৯৯৬-৯৭ চনত আৰম্ভ হৈছিল। এই খনন কাৰ্যত বৌদ্ধ স্তূপ উদ্ধাৰ হৈছিল। এই খনন কাৰ্যসমূহৰ পৰা উদ্ধাৰ হোৱা অমূল্য সম্পদসমূহ ভাৰতীয় পুৰাতাত্ত্বিক বিভাগৰ নিৰ্দেশত সূৰ্যপাহাৰৰ নামনিৰ ফালে এটা সংগ্ৰহালয়ত সংগ্ৰহ কৰি ৰখা হৈছে। ইয়াত আছে ৯৯০ তকৈও অধিক বিভিন্ন ধৰণৰ উদ্ধাৰ হোৱা ভগ্নাৱশেষৰ লগতে বিভিন্ন উপাস্য দেৱ-দেৱীৰ মূৰ্তি, মহিষাসুৰমৰ্দিনী, গজসিংহ, টেৰাকটা পদ্ধতিৰে নিৰ্মিত বিভিন্ন দেৱ-দেৱী, জীৱ-জন্তু, কীৰ্তিমুখা, অমলকাৰ ভগ্ন অংশ, সিংহৰ মূৰৰ অংশ, বিভিন্ন আকৃতিৰ টাইল্‌ছ ইত্যাদি। তদুপৰি এই সংগ্ৰহালয়ৰ বেৰত বিভিন্ন ধৰণৰ সুন্দৰ চিত্ৰ অংকিত কৰা হৈছে।

এই সকলোবোৰৰ উপৰি এই সূৰ্যপাহাৰত সেই প্ৰাচীন সময়ৰ পৰাই জাতি-ভেদ নোহোৱাকৈ সকলো লোকেই সমানে পূজা-পাৰ্বণ সম্পন্ন কৰিব পাৰিছিল। কিয়নো ইয়াত বৌদ্ধ, হিন্দু তথা জৈন ধৰ্মই সমানে স্থান পাইছে।

শ্ৰীসূৰ্যপাহাৰৰ উত্তৰ-পশ্চিম দিশে এটা বৃহৎ অংশত, পাহাৰৰ পৰা



আনুমানিক এক কিলোমিটাৰ পৰ্যন্ত প্ৰায় পঁচিছটাতকৈও অধিক বিভিন্ন আকৃতিৰ সৰু-ডাঙৰ বৌদ্ধ স্তূপ দেখিবলৈ পোৱা যায়। এই স্তূপসমূহ অতি সুন্দৰকৈ গ্ৰেণাইট শিলেৰে নিৰ্মাণ কৰা হৈছিল। স্তূপসমূহ ভালদৰে পৰ্যবেক্ষণ কৰি জনা গৈছিল যে বৌদ্ধ ধৰ্মৰ প্ৰভাৱ প্ৰাচীন কামৰূপতে দেখা পোৱা গৈছিল। অৰ্থাৎ ইয়াৰদ্বাৰা এই কথা জানিব পাৰি যে ভাৰতবৰ্ষৰ আটাইতকৈ প্ৰাচীন সভ্যতাটোৰে আছিল বৌদ্ধ ধৰ্ম। পাহাৰৰ উত্তৰ-পূব দিশে একেবাৰে ওপৰৰ অংশত তিনিটা বৃহৎ আকৃতিৰ গ্ৰেণাইট শিলেৰে নিৰ্মিত বৌদ্ধ স্তূপ দেখিবলৈ পোৱা যায়। তিনিওটা স্তূপৰে বৈশিষ্ট্য মন কৰিবলগীয়া। এই তিনিওটা বৃহৎ আকৃতিৰ স্তূপক ওপৰৰ পৰা তললৈকে তিনিটা ভাগত বিভক্ত কৰা হৈছে। ইয়াৰ একেবাৰে ওপৰৰ অংশ 'ছত্ৰাৱলী' অথবা 'ছত্ৰ' বৈদিক যজ্ঞকুণ্ডৰ আকৃতিৰ দৰে। ই স্তূপৰ একেবাৰে ওপৰৰ ফালে স্থিত। তাৰ তললৈ ক্ৰমে ৰেদি, মেধি অণ্ড আৰু হৰ্মিকা এই তিনিওটা ভাগত ভাগ হৈছে। তিনিওটা অংশই ধৰ্মীয় অনুষ্ঠানৰ একোটা অংশক সূচায় বুলি জানিব পৰা গৈছে। তিনিওটা বৌদ্ধস্তূপে হয়তো ধৰ্ম, সংঘ, বুদ্ধ এই তিনিওটাক প্ৰতিনিধিত্ব কৰিছে নতুবা ইয়াক ভগৱান বুদ্ধদেৱৰ স্মৃতিত নিৰ্মাণ কৰা বুলি অনুমান কৰা হয়। ভাৰতীয় পুৰাতাত্ত্বিক বিভাগৰ মতে শিলেৰে নিৰ্মিত স্তূপকেইটা পৰ্যবেক্ষণ কৰি খ্ৰীষ্টপূৰ্বৰ আৰম্ভণিৰ কালছোৱাত নিৰ্মিত বুলি জানিব পৰা গৈছে। ইয়াৰ পিছত আৰু কোনো স্তূপ নিৰ্মাণ হোৱাৰ সম্ভেদ পোৱা হোৱা নাই।

এই স্তূপসমূহৰ উপৰি টেৰাকটা পদ্ধতিৰ বৌদ্ধ মূৰ্তি ব্ৰহ্মপুত্ৰ উপত্যকাত খনন কাৰ্যৰদ্বাৰা উদ্ধাৰ কৰা হৈছে। বিশেষকৈ শ্ৰীসূৰ্যপাহাৰৰ বিস্তৃত এলেকাত সৰহসংখ্যক শিলেৰে নিৰ্মিত মূৰ্তি পোৱা গৈছে।

বৌদ্ধ মূৰ্তিৰ দৰেই জৈন ধৰ্মৰো বিভিন্ন ভগ্নাৱশেষ শ্ৰীসূৰ্যপাহাৰত উদ্ধাৰ হৈছে। পাহাৰটিত থকা বিভিন্ন সৰু-ডাঙৰ গুহাৰ বেৰত জৈন ধৰ্মৰ বিভিন্ন

দেৱ-দেৱীৰ মূৰ্তি খোদিত কৰা দেখা গৈছে। এই মূৰ্তিসমূহ খ্ৰীষ্টপূৰ্ব নশ বছৰ পূৰ্বে খোদিত কৰা হৈছে বুলি ভাৰতীয় পুৰাতাত্ত্বিক বিভাগে জানিবলৈ দিছে। মূৰ্তিসমূহৰ এটা বৈশিষ্ট্য মন কৰিবলগীয়া। এই দেৱ-দেৱীৰ মূৰ্তিসমূহৰ হাতবোৰ আঁঠুলৈকে খোদিত কৰা হৈছে। তদুপৰি মূৰ্তিসমূহ উলংগ অৱস্থাত খোদিত কৰা হৈছিল। আনহাতে, পাহাৰৰ একেবাৰে ওপৰৰ অংশত 'আদিনাথ' নামেৰে নামকৰণ কৰা জৈন ধৰ্মৰ এটা সুন্দৰ মূৰ্তি দেখিবলৈ পোৱা যায়। মূৰ্তিটো বহি থকা ভংগিমাত খোদিত কৰা হৈছে এই তিনিটা ধৰ্মৰ স্তূপসমূহৰ ভিতৰত হিন্দু ধৰ্মৰ স্তূপৰ সংখ্যা অধিক বুলি জানিব পৰা গৈছে। শ্ৰীসূৰ্যপাহাৰৰ কিঞ্চিৎ নামনিৰ অংশতই একলাখৰ এটা কম সংখ্যাৰ শিলেৰে নিৰ্মিত সৰু-ডাঙৰ শিৱলিংগ দেখিবলৈ পোৱা যায়। লিংগবোৰ য'তে-ত'তে বিভিন্ন আকৃতিৰে সুন্দৰকৈ গঢ়ি তোলা হৈছে। প্ৰবাদমতে, বেদব্যাসে এইখন ঠাইক কাশীধাম কৰিব বিচাৰিছিল। সেয়েহে এই তীৰ্থস্থানৰ আন এটা নাম হ'ল ব্যাসবাসী। উল্লিখিত মূৰ্তিবিলাকৰ পৰা এশ গজমান দূৰত দক্ষিণ অংশত তিনিটা চাৰি ফুটকৈ ওখ শিলেৰে নিৰ্মিত স্তূপ দেখিবলৈ পোৱা যায়। এই স্তূপকেইটাৰ পৰা আকৌ দুশ গজমান দূৰত দক্ষিণ দিশে পাহাৰৰ কাষত এটা প্ৰকাণ্ড শিলৰ প্ৰাকৃতিক গুহা দেখিবলৈ পোৱা যায়। এই গুহাৰ বেৰতে হিন্দু ধৰ্মৰ উপাস্য দেৱতাসকলৰ মূৰ্তি খোদিত কৰা হৈছে। তাৰ ভিতৰত গণেশ, বিষ্ণু, হৰিহৰ আদি দেৱতাসকলৰ মূৰ্তি থিয় হৈ থকা ভংগীমাত দেখিবলৈ পোৱা যায়। ইয়াৰ এটা অংশত বাৰটা পদুম ফুলৰ মাজত এপাহ ডাঙৰ পদুমৰ ওপৰত প্ৰজাপতি নামেৰে নামকৰণ কৰা দেৱতাজনৰ বহি থকা ভংগীমাৰ মূৰ্তি দেখিবলৈ পোৱা যায়। প্ৰতিটো পদুমৰ ওপৰত একোজনকৈ দেৱতা বহি থকা ভংগীমাত খোদিত আছে। এই দেৱতাসকলক ক্ৰমে ধুৰ্তি, মিত্ৰা, আৰ্যমান, ৰুদ্ৰ, বৰুণ, সূৰ্য, ভগ, ভিৱচৱন, পুশন, সাৱিত্ৰী, ত্বস্ত্ৰি আৰু বিষ্ণু নামেৰে নামকৰণ কৰা হৈছে। সেয়েহে ই সূৰ্যপূজাৰ লগত বিশেষভাৱে জড়িত হৈ পৰে।

**পৰ্যটন ক্ষেত্ৰ হিচাপে সূৰ্যপাহাৰ ঃ**

সূৰ্যপাহাৰৰ দৰে বিশাল মনোমোহা অঞ্চল কেৱল দেৱস্থান বা মন্দিৰ হিচাপেই নহয়, ই এটা পৰ্যটন কেন্দ্ৰ হিচাপেও পৰিগণিত হৈছে। কেৱল অসমৰে নহয়, উত্তৰ-পূৰ্বাঞ্চলকে ধৰি সমগ্ৰ ভাৰতবৰ্ষ তথা বিদেশৰ পৰাও বিভিন্ন লোকসকলৰ এই অঞ্চললৈ আগমন ঘটে। চাৰিওফালৰ পৰা মজলীয়া আকৃতিৰ সুন্দৰ পাহাৰেৰে আগুৰি থকা তথা ইয়াত থকা বিভিন্ন দেৱ-দেৱীৰ স্থান হিচাপে পৰিচিত এই অঞ্চলে কোনো ব্যক্তিকে আকৰ্ষিত নকৰাকৈ থকা নাই। শান্তিপ্ৰিয় মানুহে এনেকুৱা এখন শান্তিপূৰ্ণ ঠাইলৈ বছৰটোত এবাৰ হ'লেও আহিবলৈ বিচাৰিব। গতিকে পৰ্যটন ক্ষেত্ৰ হিচাপে শ্ৰীসূৰ্যপাহাৰ সমগ্ৰ ভাৰতবৰ্ষতে জিলিকি আছে।

সূৰ্যপাহাৰ বিশেষভাৱে পূজা-পাৰ্বণৰ এটা পৱিত্ৰ স্থল। ইয়াত প্ৰধানভাৱে তাহানিৰে পৰা সূৰ্যপূজা পালন কৰি অহা হৈছে। তদুপৰি শিৱ পূজা, বিষ্ণু পূজাৰ উপৰি আন আন ধৰ্মাৱলম্বী লোকসকলেও নিজ নিজ উপাস্য দেৱতাৰ পূজা সম্পন্ন কৰি আহিছে। কিয়নো এই দেৱ স্থানত কোনো জাতি-ভেদ প্ৰথা নাই। গতিকে সকলো জাতিৰ লোকে সমানে পূজা কৰাৰ অধিকাৰ লাভ কৰিছে।

তদুপৰি পাহাৰখনত এটা বিশেষ দিনত এটা বিশেষ কাৰ্য কৰা হয়। বিবাহৰ বাবে উপযুক্ত বিভিন্ন ল'ৰা-ছোৱালীৰ বাবে এই দেৱস্থানত স্বয়ম্বৰৰ দৰে এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। সকলো ছোৱালীয়ে নিজ নিজ পছন্দ অনুসৰি উপযুক্ত বৰ নিৰ্বাচন কৰিবলৈ সুবিধা পায়।

তদুপৰি পাহাৰখনত মাঘ মাহৰ পূৰ্ণিমা ৰাতি সকলো ধৰ্মাৱলম্বী লোক আহি এটা ডাঙৰ পূজা সম্পন্ন কৰে। এই মাহটোতে এই পাহাৰত এখন বাৰেৰহণীয়া মেলা অনুষ্ঠিত হয়। বিভিন্ন জনজাতিৰ লোকে এই মেলাতে সুন্দৰ সা-সামগ্ৰী বিক্ৰী কৰি আনন্দ লাভ কৰে।

সহিষ্ণুতাৰ উজ্জ্বল নিদৰ্শন শ্ৰীসূৰ্যপাহাৰ। এনে এটা শান্তিপূৰ্ণ সুন্দৰ, বাতাৱৰণে মানুহৰ মনত বাৰুকৈয়ে প্ৰভাৱ পেলাব পাৰে।

বৰ্তমান সময়ত সকলোৰে এখন ঔদ্যোগিক ঠাই বিচাৰে। যিহেতু গোৱালপাৰা জিলাত তেনেধৰণৰ কোনো উদ্যোগ বৰ্তমানলৈকে গঢ়ি উঠা নাই, তেনেক্ষেত্ৰত শ্ৰীসূৰ্যপাহাৰৰ দৰে মনোমোহা ঐতিহাসিক স্থলে আন এটা উদ্যোগৰ সূচনা কৰিছে। বিভিন্ন জাতি-জনজাতিৰ লোকসকলৰ গমনত শ্ৰীসূৰ্যপাহাৰ পৰ্যটন থলীলৈ ৰূপান্তৰিত হৈছে। যিহেতু ভাৰতীয় লোকসকলে আধ্যাত্মিকতাক বেছি গুৰুত্ব দিয়ে। সেয়েহে ইয়াৰ বিষয়ে বাহিৰত ভালদৰে প্ৰচাৰ হ'লে বহু লোকৰ সমাগম হ'ব আৰু পৰ্যটন উদ্যোগ হিচাপে বিশ্বৰ পৰ্যটন মানচিত্ৰত স্থান লাভ কৰাৰ সম্ভাৱনা আছে। আনহাতে শ্ৰীসূৰ্যপাহাৰলৈ যোৱা পথটোৰ অৱস্থা তেনেই শোচনীয়। চৰকাৰে পৰিবহণৰ দিশটোত গুৰুত্ব দিব লাগিব। কাৰণ সু-পৰিবহণ অবিহনে এটা উদ্যোগে গা কৰি

উঠিব নোৱাৰে। গোৱালপাৰা জিলাৰ এই অঞ্চলটোত গৱেষণালব্ধ ভালেখিনি সমলে ঠাই আগুৰি আছে। গতিকে পুৰাতত্ত্ববিদসকলে যদি উন্নত মানৰ গৱেষণা প্ৰয়োগ কৰি ইয়াৰ আন আন ঠাইসমূহৰো খনন কাৰ্য চলায় আৰু ভালদৰে অধ্যয়ন কৰে, তেতিয়া হ'লে এই অঞ্চলটোৰ আৰু বহুতো লুকাই থকা নৃ-তাত্বিক সামগ্ৰীৰ সন্ধেদ পোৱা যাব। তদুপৰি প্ৰতিটো সামগ্ৰীৰ সহায়ত সেই সময়ৰ ৰাজত্ব কাল, সামাজিক ব্যৱস্থাৰ লগতে অৰ্থনৈতিক তথা প্ৰাকৃতিক অৱস্থাৰ বিষয়ে জ্ঞাত হ'ব পৰা যাব।

সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰত এইখনেই এনে এটা পৱিত্ৰ স্থল— য'ত হিন্দু, জৈন, বৌদ্ধ ধৰ্ম নিৰ্বিশেষে সকলো ধৰ্মৰে লোকৰ সমাগম হয়। এক কথাত ক'বলৈ গ'লে ই সকলো ধৰ্মৰে এখন মিলনভূমি। এনেদৰে এটা ধৰ্মৰ লোকে আন এটা ধৰ্মৰ লোকৰ সৈতে সদ্ভাৱ-সম্প্ৰীতিৰ ডোলেৰে এখন সুন্দৰ সমাজ গঢ়ি তুলিব পাৰিব। যিহেতু ইয়াত আন আন জাতিৰ ধৰ্মৰ বিষয়ে জানিব পৰা গৈছে, সেই ধৰ্মকো সমানে শ্ৰদ্ধা কৰা হৈছে। এনেদৰে যেতিয়া আন এটা ধৰ্মক শ্ৰদ্ধাৰ চকুৰে চোৱা হয়, তেতিয়াহে নিজ ধৰ্ম পালনৰ শুভ শক্তি লাভ কৰা যায়। প্ৰাকৃতিক প্ৰদূষণৰ পৰা নিলগত এই সূৰ্যপাহাৰে অঞ্চলবাসীক এটা সুস্থ পৰিৱেশো দান কৰিছে। ❐

**(৩৯ পৃষ্ঠাৰ পৰা)**

দায়িত্ব থকা সংস্থাৰ অভাৱ; অপৰ্যাপ্ত স্বাস্থ্য তথা প্ৰণালী আৰু যোগাযোগৰ প্ৰণালী; অক্ষম লোকৰ অংশগ্ৰহণৰ অভাৱ।

**অগ্ৰগামী পথ**

ভাৰতবৰ্ষই সামগ্ৰিক অক্ষমতা নীতি আৰু কাৰ্যসূচী প্ৰস্তুত কৰাৰ বাবে নিৰন্তৰ চেষ্টা অব্যাহত ৰাখিছে আৰু অক্ষম লোকৰ অধিকাৰক লৈ মাত মাতি অহা কাৰ্যই বিকাশমান বিশ্বত জনপ্ৰিয়তা লাভ কৰিছে। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ জনপ্ৰিয় অনুষ্ঠান 'মন কী বাত'তো এই বিষয়ে উল্লেখ কৰিছে। কিন্তু এতিয়াও এই বিষয়ত অক্ষম লোকসকলৰ ন্যায় প্ৰদানৰ বাবে কৰণীয় যথেষ্টখিনিয়েই আছে। প্ৰথম কথা ভাৰতত অক্ষমতাৰ গুৰুত্ব বুজি পাব লাগিব আৰু ইয়াৰ সাধাৰণ ব্যাখ্যাৰ সৈতে ধাৰণাগত স্পষ্টতাৰো প্ৰয়োজন। সঠিক আৰু শুদ্ধ তথ্য সংগ্ৰহৰ অভাৱ আৰু স্পষ্ট নীতি নোহোৱাটোও এতিয়া এটা প্ৰত্যাহ্বান। এই সমস্যা সমাধানৰ বাবে ভাৰতে সামগ্ৰিক আৰু বহুমাত্ৰিক নীতি গ্ৰহণ কৰিব লাগিব। এই বিষয়ত কাম কৰি থকা বিভিন্ন বিভাগ আৰু সংস্থাৰ মাজত সহযোগিতা আৰু ভাল সংযোগৰো প্ৰয়োজন। সামাজিক বৈষম্য আৰু সেৱা লাভৰ বাধা নিৰসন কৰিবলৈ আঞ্চলিক চৰকাৰৰ যোগদানৰ সমান্তৰালভাৱে জনতাৰ অংশগ্ৰহণো লাগিব। সাধাৰণ জনতাৰ মাজত অক্ষমতা দূৰীকৰণ আৰু অক্ষম লোকক সেৱা প্ৰদানৰ বাবে প্ৰতিটো সেৱা পৰ্যায়তে প্ৰশিক্ষিত লোক নিয়োজিত কৰিব লাগিব। প্ৰয়োজন থকাসকলৰ বাবে সামাজিক নিৰাপত্তা আঁচনিৰ অধীনত স্বাস্থ্য সেৱা আৰু সুৰক্ষাও সুলভ কৰা উচিত। ❐

# বিশেষভাৱে সক্ষম ব্যক্তিৰ প্ৰতি দায়িত্ব আৰু কৰ্তব্য

**নিৰুপমা দাস***

জন্মৰ পাছত এটি শিশু স্বাভাৱিক গতিৰে বাঢ়িবলৈ লয়। কিন্তু সকলো শিশুৰে সমানে শাৰীৰিক, মানসিক আৰু আৰোগিক বিকাশ সাধন নহয়। শাৰীৰিক আৰু মানসিক দিশৰ পৰা যিবিলাক শিশু দুৰ্বল, কম বুধিয়ক, মূক, বধিৰ বা দৃষ্টিহীন হয় সেই শিশুক প্ৰতিবন্ধী বুলি কোৱা হয়। বৰ্তমান এই শব্দৰ উত্তৰণ ঘটাই তেনে ব্যক্তিক 'বিশেষভাৱে সক্ষম' ব্যক্তি বুলি কোৱা হৈছে। জন্মগত বা যিকোনো বয়সত মানুহৰ এনে হ'ব পাৰে বা জন্মৰ পাছত সংক্ৰামক ব্যাধি আৰু পুষ্টিহীনতাৰ বাবেও এনে হ'ব পাৰে।

এই বিশেষভাৱে সক্ষম লোকসকলৰ বিভিন্ন ধৰণৰ (শাৰীৰিক আৰু মানসিক) সমস্যা আছে। এইবোৰ কেতিয়াবা পৰিয়ালৰ বাবে সমস্যা হিচাপে দেখা দিয়ে। কিছু বিসংগতিৰ বাবেই বহু সময়ত তেওঁলোক পৰিয়ালৰ লগতে সমাজত হেয় প্ৰতিপন্ন হ'বলগীয়া হয়। পুতৌৰ পাত্ৰ হয়। যিটো তেওঁলোকৰ প্ৰতি প্ৰদৰ্শন কৰাটো মুঠেও উচিত নহয়। তেওঁলোকো এখন বহল হৃদয়ৰ অধিকাৰী, তেওঁলোকৰো আনৰ মৰম-স্নেহ, সহানুভূতি আৰু সহযোগিতাৰ প্ৰয়োজন। স্বাভাৱিক মানুহৰ দৰে তেওঁলোকেও জীয়াই থাকিব বিচাৰে, জীৱনত সফলতা লাভ কৰিব বিচাৰে। বহু পৰিয়ালত অৱশ্যে পূৰ্ণ-সহায়-সহযোগিতা পায়। চিকিৎসাও কৰে সামৰ্থ্য থকাসকলে। কিন্তু নিঃস্ব পৰিয়ালত এনে ব্যক্তি থাকিলে চিকিৎসাৰ পৰা বঞ্চিত হয় আৰু ঘৰখনৰ বোজাৰ দৰে হৈ পৰে। সকলো সময়তে আনৰ ওপৰত নিৰ্ভৰশীল হৈ চলিবলগীয়া হয়। আনৰ কৰুণাত চলিবলগীয়া হোৱা বাবে মানসিকভাৱে তেওঁলোক ভাগি পৰে। বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ বিশেষত্ব মন কৰিবলগীয়া।

এটা কথা মন কৰিবলগীয়া যে বিশেষভাৱে সক্ষম ব্যক্তিসকল মানসিকভাৱে সবল আৰু বহু প্ৰতিভাৰ অধিকাৰী হয়। শব্দ অনুকৰণ আৰু স্পৰ্শ অনুভূতি এওঁলোকৰ তীব্ৰ। স্পৰ্শৰদ্বাৰাই তেওঁলোকে অনুভৱ কৰিব পাৰে। উদাহৰণ স্বৰূপে আমি হেলেন কেলাৰৰ কথা ক'ব পাৰো।

আজি এইসকল ব্যক্তিৰ জীৱনলৈ পৰিৱৰ্তন আহিছে। সংগীত, নৃত্য, বিভিন্ন ধৰণৰ হাতৰ কাম, পঢ়া-শুনা আদিতো তেওঁলোকে পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। নৃত্য পটীয়সী তথা অভিনেত্ৰী সুধা চন্দ্ৰনে এখন কৃত্ৰিম ভৰিৰেই সুন্দৰ নৃত্য প্ৰদৰ্শন কৰে। অভিনয় জগততো তেওঁৰ দখল আছে। গোলাঘাটৰ এজন যুৱকে হাত দুখন অক্ষম বাবেই ভৰিৰে বিভিন্ন ধৰণৰ আচবাব পত্ৰ তৈয়াৰ কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে। সৌন্দৰ্য, বুদ্ধিমত্তা আৰু ব্যক্তিত্বৰ ক্ষেত্ৰতো জিলিকিছে বিশেষভাৱে সক্ষম অসম কন্যা এঞ্জেলা। প্ৰিয়দৰ্শিনীৰ পিছতে সৌন্দৰ্যৰ পৃথিৱীত আত্ম প্ৰতিষ্ঠা লাভ কৰিছে এঞ্জেলাই। এঞ্জেলা লাহন নৃত্য বিশাৰদ।

আনসকলেও সুযোগ সুবিধা পালে সফলতাৰ শিখৰত উপনীত হ'ব পাৰিব।

বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ প্ৰতি সমাজৰ কৰিবলগীয়া যথেষ্ট আছে। সমাজক এইসকল ব্যক্তিৰ প্ৰতি থকা দায়বদ্ধতাৰ প্ৰতি সজাগ কৰিবৰ বাবে সভা সমিতি বা অনুষ্ঠান পাতিব পাৰি। অৱশ্যে সভা-সমিতি পাতিলেই দায়িত্ব শেষ নহয়। তেওঁলোকৰ প্ৰতি তেতিয়াহে দায়িত্ব পালন কৰা হ'ব যদিহে আমি আন্তৰিকতাৰে তেওঁলোকৰ সমস্যাসমূহ, দুখ বেদনা উপলব্ধি কৰি সহায়-সহযোগিতা আগবঢ়াও। তেওঁলোকক নিজৰ ঘৰৰ এজন সদস্য বুলি ধৰি ল'লে স্বাভাৱিকভাৱেই আমাৰ সহায়ৰ হাত তেওঁলোকলৈ আগবাঢ়ি যাব। এই ক্ষেত্ৰত দেশৰো কৰিবলগীয়া আছে। অসমতো এটা পৰিৱৰ্তন দেখা গৈছে। বিশেষভাৱে সক্ষম কেইবাজনো যুৱক/যুৱতীয়ে লিখাত আত্ম নিয়োগ কৰি সফলতা লাভ কৰিছে। 'কৰুণাধাৰা' নামৰ এটা স্বেচ্ছাসেৱী সংগঠনে বিশেষভাৱে সক্ষম লোকসকললৈ সহায় আগবঢ়াই তেওঁলোকৰ জীৱন আৰু উন্নত কৰাত প্ৰশংসনীয় পদক্ষেপ আগবঢ়াইছে।

ইতিমধ্যে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰিবলৈ আমাৰ দেশত চৰকাৰী আৰু বেচৰকাৰীভাৱে বিভিন্ন

---

*লিখিকা নাজিৰা উচ্চতৰ বালিকা বিদ্যালয়ৰ সহ: শিক্ষয়িত্ৰী।

## প্ৰতিবন্ধীৰ সম্পৰ্কে কিছু তথ্য

ওড়িশাতেই দেশৰ সৰ্বোচ্চ সংখ্যক প্ৰতি এহেজাৰ লোকৰ বিপৰীতে ২৮ জন বিশেষ ভাৱে সক্ষম লোক আছে। তামিলনাডুৰ স্থান এই ক্ষেত্ৰত দ্বিতীয়। প্ৰতি এহেজাৰ লোকৰ বিপৰীতে ১৬ জন প্ৰতিবন্ধীৰে মহাৰাষ্ট্ৰ এই ক্ষেত্ৰত সৰ্বনিম্ন স্থানত আছে। আনহাতে, ৰাষ্ট্ৰীয় পৰিসংখ্যা হ'ল প্ৰতি এহেজাৰ জন লোকৰ বিপৰীতে ২১ জন।

ভাৰতত ১ কোটি দৃষ্টিশক্তি দুৰ্বল লোক আৰু ৬০ লাখ সঞ্চৰণ ক্ষমতাহীন লোক আছে আৰু ২২ লাখ মানসিকভাৱে অক্ষম আৰু শ্ৰৱণশক্তিহীনতাত ভোগা লোক আছে।

* অৰুণাচল প্ৰদেশত দেশৰ ভিতৰত সৰ্বোচ্চ পৰিমাণৰ প্ৰতি এহেজাৰ জন লোকৰ বিপৰীতে ৬৯৩ জন দৃষ্টিশক্তিহীন লোক আছে। এই ক্ষেত্ৰত গোৱাত সৰ্বনিম্ন প্ৰতি এহেজাৰ জন লোকৰ বিপৰীতে ২৭৯ জন লোক আছে।
* সঞ্চৰণহীন লোকৰ ক্ষেত্ৰত প্ৰতি এহেজাৰ জন লোকৰ বিপৰীতে ৩৬৩ জন লোকেৰে মহাৰাষ্ট্ৰ দেশৰ ভিতৰত ১ নম্বৰ স্থানত আছে আৰু অৰুণাচল প্ৰদেশ প্ৰতি এহেজাৰত ১০৪ জন লোকেৰে সৰ্ব নিম্ন স্থানত আছে।
* মানসিক অক্ষমতাৰ ক্ষেত্ৰত গোৱা প্ৰথম স্থানত আছে আৰু অৰুণাচল প্ৰদেশ অন্তিম স্থানত আছে। গোৱাত ইয়াৰ সংখ্যা হ'ল প্ৰতি এহেজাৰজনৰ বিপৰীতে ২২৭ আৰু অৰুণাচল প্ৰদেশত ৩৮ জন।
* কথা ক'ব নোৱাৰা অক্ষমতাৰ ক্ষেত্ৰত নাগালেণ্ড প্ৰতি হেজাৰত ১৬৬ জন লোকেৰে প্ৰথম স্থানত আৰু ৰাজস্থানে ৫২ জনেৰে সৰ্বনিম্ন স্থানত আছে।
* নাগালেণ্ড শ্ৰৱণশক্তিৰ অক্ষমতা লোকৰ ক্ষেত্ৰতো প্ৰতি এহেজাৰত ১৯৮ জন লোকেৰে প্ৰথম স্থানত আছে আৰু ৩৭ জনেৰে দিল্লী অন্তিম স্থানত আছে।

অনুষ্ঠান উদ্‌যাপন কৰা হয়। ১৯৮১ চনত ৰাষ্ট্ৰসংঘৰ আহ্বান ক্ৰমে বিশ্বজুৰি আন্তৰ্জাতিক প্ৰতিবন্ধী বৰ্ষ পালন কৰা হয়। ইয়াৰ উদ্দেশ্য হ'ল সমাজৰ এই অৱহেলিত ব্যক্তিসকলৰ প্ৰতি বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰা, জীয়াই থাকিবলৈ উচিত সুবিধা আৰু অধিকাৰ প্ৰদান। ৩ ডিছেম্বৰ তাৰিখটো সমগ্ৰ বিশ্বতে প্ৰতিবন্ধী দিৱস হিচাপে পালন কৰা হয়। তাৰ ভিতৰত প্ৰতিবন্ধী বৰ্ষ অন্যতম। কিছু আন্তৰ্জাতিক সংস্থাৰ পৰিসংখ্যা মতে বৰ্তমান বিশ্বৰ প্ৰায় ৫০ কোটি লোক প্ৰতিবন্ধী। ইয়াৰ ভিতৰত চাৰি ভাগৰ এক অংশ শিশু। ভাৰতত প্ৰায় ছয় কোটি বিশেষ ভাৱে সক্ষম লোক আছে। দিনক দিনে ইয়াৰে সংখ্যা বৃদ্ধি পাইছে। এওঁলোকৰ সমস্যা সমাধানৰ বাবে ৰাষ্ট্ৰসংঘই পাঁচদফীয়া নীতি ঘোষণা কৰিছে। ইয়াত বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ শিক্ষা আৰু আত্ম সংস্থাপনৰ সন্দৰ্ভত গুৰুত্ব দিয়া হৈছে। তেওঁলোকে যাতে শাৰীৰিক আৰু মানসিকভাৱে গুৰুত্ব আৰু মৰ্যাদা-সহকাৰে সমাজত স্থান লৈ দিন অতিবাহিত কৰিব পাৰে সেই বিষয়ত অধিক গুৰুত্ব দিয়া হৈছে। ভাৰতৰ ২০১১ চনৰ লোকপিয়লত প্ৰতিবন্ধী সকলৰ তথ্য প্ৰকাশ কৰা হোৱা নাই। তদুপৰি সামাজিক কাৰণত বহুলোকে তেওঁলোকৰ সজাগতাৰ বিষয়টো গোপন কৰা বাবে প্ৰতিবন্ধী লোকৰ পৰিসংখ্যা গণনা কৰাটো অসুবিধাজনক।

বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ বাবে চৰকাৰেও কিছু পদক্ষেপ গ্ৰহণ কৰিছে। চৰকাৰী চাকৰিত দুই শতাংশ সংৰক্ষণৰ ব্যৱস্থা লৈছে আৰু তেওঁলোকৰ বাবে চৰকাৰী অনুদানৰ ব্যৱস্থা কৰিছে। কেন্দ্ৰীয় চৰকাৰেও তেওঁলোকৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে।

এনেধৰণৰ আঁচনি গ্ৰহণ কৰিলেও বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ বাবে ই অতি সামান্য। ছয় কোটি লোকৰ বাবে ই এপাচি শাকত এটা জালুকৰ দৰে। এইসকল লোকৰ জীৱন শোচনীয়তা আৰু বিষাদেৰেপূৰ্ণ। এতিয়াও কোটি সংখ্যক লোক আনৰ ওপৰত নিৰ্ভৰশীল। নিজৰ প্ৰয়োজনৰ বাবে এওঁলোকে আনৰ মুখলৈ চাব লাগে। সেয়েহে আমি আমাৰ দৃষ্টিভঙ্গী পৰিৱৰ্তন কৰি বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ কল্যাণৰ বাবে আন্তৰিকতাৰে কাম কৰিবলৈ আগবাঢ়ি যাব লাগিব। তেতিয়া হয়তো তেওঁলোকৰ দুৰ্দশাৰ কিছু হ'লেও উপশম হ'ব। ❐

# আপুনি জানেনে

# মে’, ২০১৬

বিগত এটা দশকৰো ওপৰকালে এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ লগতে সামগ্ৰিকভাৱে পৃথিৱীৰ বিশেষ ভাৱে সক্ষমসকলৰ বাবে এখন বাধাশূন্য সমাজ গঢ়ি তোলাৰ উপৰি তেওঁলোকৰ অধিকাৰ সুনিশ্চিত কৰাৰ বাবে অব্যাহত ৰখা প্ৰয়াসৰ সুপৰিণতিত যুগুতাই উলিওৱা এটা কৰ্ম পৰিকল্পনাই হ’ল—‘ইঞ্চিয়ন ষ্ট্ৰেটিজি’। ইয়াৰ জৰিয়তে বিশেষভাৱে সক্ষম সকলৰ সংহত বিকাশ সম্পন্ন কৰাৰ উদ্দেশ্যে যুগুতোৱা এলানি কৰ্ম পৰিকল্পনা ৰূপায়ণ কৰাৰ বাবে এই প্ৰথমবাৰৰ বাবে আঞ্চলিক ভিত্তিত সহমত ব্যক্ত কৰা হৈছে। কোৰিয়া গণৰাজ্যৰ ইঞ্চিয়নত ২০১২ চনৰ ২৯ অক্টোবৰৰ পৰা ২ নৱেম্বৰলৈ অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বাবে উৎসৰ্গিত অৰ্থনৈতিক আৰু সামাজিক আয়োগ (ই এছ চি এ পি)ৰ সদস্য ৰাষ্ট্ৰসমূহৰ মন্ত্ৰী তথা প্ৰতিনিধিসকলৰ সন্মিলনত এই কৰ্ম পৰিকল্পনা আনুষ্ঠানিকভাৱে গ্ৰহণ কৰা হয়। এটা দশকত সম্পন্ন কৰিব খোজা এই লানি কৰ্ম পৰিকল্পনাক সন্মিলনখন অনুষ্ঠিত হোৱা চহৰখনৰ নামেৰেই ‘ইঞ্চিয়ন ষ্ট্ৰেটিজি’ শীৰ্ষকেৰে নামাংকিত কৰা হৈছে। এই পৰিকল্পনাৰ ৰূপায়ণৰ যোগেদি এছিয়া-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ ৬৫০ নিযুত বিশেষ ভাৱে সক্ষম লোকৰ জীৱন ধাৰণৰ মান, অধিকাৰ নিশ্চিত কৰিব পৰা যাব বুলি আশা কৰা হৈছে। ২০১৩ চনৰ পৰা ২০২২ চনলৈ জোৰা দশকটোত ৰূপায়িত হ’ব লগা এই যোজনাৰ বাবে দহোটা লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। ২৭ টা প্ৰাপ্তি তথা ৬২ টা সূচকৰে প্ৰগতিৰ হাৰ নিৰ্ণয়েৰে এই লক্ষ্যত উপনীত হোৱাৰ প্ৰয়াস কৰা হ’ব। সকলো ধৰণৰ তথ্য সংগ্ৰহ কৰি প্ৰতিবন্ধীসকলক আৰুনো কিমান অধিকভাৱে উপকৃত কৰিব পৰা যায় সেই কথাৰ সন্ভেদ উলিয়াবলৈ প্ৰতিখন দেশৰ চৰকাৰসমূহে আন্তৰিকতাৰে ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰতে ইঞ্চিয়ন ষ্ট্ৰেটেজিৰ সাফল্য নিৰ্ভৰ কৰিব।

বিশেষ ভাৱে সক্ষমসকলক সমাজৰ আন সকলো ব্যক্তিৰ দৰেই সন্মান আৰু সম মৰ্যাদাৰে, নিজৰ পছন্দ অনুসৰি, বৈষম্যহীনভাৱে সমাজৰ প্ৰতিটো কাৰ্যতে অংশ গ্ৰহণৰ নিশ্চয়তা প্ৰদান কৰাটোৱেই হৈছে ‘ইঞ্চিয়ন ষ্ট্ৰেটিজি’ৰ মূল উদ্দেশ্য।

এই কৰ্ম পৰিকল্পনাৰ দহোটা লক্ষ্য হৈছে ঃ ১। দাৰিদ্ৰ প্ৰশমিত কৰি কৰ্ম আৰু নিয়োগ সম্ভাৱনীয়তা বৃদ্ধি কৰা; ২। ৰাজনৈতিক প্ৰক্ৰিয়া তথা নীতি নিৰ্দ্ধাৰণ কাৰ্যত অংশগ্ৰহণৰ হাৰ বৃদ্ধি কৰা; ৩। শাৰীৰিক পাৰিপাৰ্শ্বিকতা, ৰাজহুৱা পৰিবহণ ব্যৱস্থা, জ্ঞান, তথ্য আৰু যোগাযোগৰ ক্ষেত্ৰত সাবলীল প্ৰৱেশৰ সম্ভাৱনীয়তা বৃদ্ধি কৰা; ৪। সামাজিক নিৰাপত্তা অধিক শক্তিশালী কৰা; ৫। বিশেষ ভাৱে সক্ষম শিশুৰ শিক্ষাৰ লগতে অন্যান্য ক্ষেত্ৰত অধিক সজাগতাৰ সৃষ্টি কৰা; ৬। লৈংগিক সমতা আৰু মহিলা সবলীকৰণ নিশ্চিত কৰা; ৭। বিশেষ ভাৱে সক্ষম সামগ্ৰিক দুৰ্যোগ শংকা প্ৰশমণ আৰু প্ৰবন্ধন নিশ্চিত কৰা; ৮। বিশেষ ভাৱে সক্ষম সম্পৰ্কীয় বিশ্বাসযোগ্যতা আৰু তুলনাত্মক তথ্যৰ মান উন্নত কৰা; ৯। প্ৰতিবন্ধীৰ অধিকাৰ সম্পৰ্কীয় সন্মিলনৰ সিদ্ধান্তৰ সৈতে ৰাষ্ট্ৰীয় আইনৰ সংহতি স্থাপন কৰা আৰু ১০। উপ-আঞ্চলিক, আঞ্চলিক আৰু আন্তঃআঞ্চলিক সহযোগিতা বৃদ্ধি কৰা। ❐

# প্ৰতিবন্ধকতা— এগৰাকী পেছাদাৰীৰ দৃষ্টিত

**অৰুণিমা দে***

স্বাস্থ্য হ'ল আমাৰ সমাজৰ উন্নয়নৰ সূচক য'ত প্ৰতিবন্ধকতাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। প্ৰতিবন্ধকতাক কোনো ব্যক্তিৰ সীমাবদ্ধতা ৰূপে গণ্য কৰা হয়, ইয়াৰ ফলত তেওঁলোক সমাজত একাষৰীয়া হৈ পৰে আৰু ই জীৱনটোক বিভিন্ন ধৰণে নিয়ন্ত্ৰণ কৰে। স্বাস্থ্যৰ জনগাঁথনিগত আৰু মহামাৰীগত দিশটোত সমূহীয়াভাৱে গুৰুত্ব প্ৰদান কৰা হয়। ইয়াৰ বিপৰীতে প্ৰতিবন্ধকতাৰ সমস্যাটো মাজে সময়ে উন্মোচিত হয় আৰু ইয়াক বৈশিষ্ট্যহীন বা অনাকৰ্ষণীয় বিষয় ৰূপে গণ্য কৰা হয়।

**প্ৰতিবন্ধকতাৰ অৰ্থ ঃ**


বাধাগ্ৰস্ততা (impairment), প্ৰতিবন্ধকতা বা অক্ষমতা (disability) আৰু বিকলাংগ (handicap) হ'ল সম্পৰ্কিত শব্দ আৰু বিশেষ অৰ্থ বহনকাৰী। শব্দকেইটাৰ অৰ্থ ইটোৱে সিটোৰ ওচৰ চপা বিধৰ। বিশ্ব স্বাস্থ্য সংস্থা (WHO) ৰ হাতপুথি অনুসৰি বাধাগ্ৰস্ততা হ'ল 'দেহৰ গঠন বা চেহেৰাৰ অস্বাভাৱিকতা; এই অস্বাভাৱিকতা কোনো অংগ বা দৈহিক তন্ত্ৰৰ সৈতে সম্পৰ্কিত হ'ব পাৰে। মূলতঃ বাধাগ্ৰস্ততাৰ অৰ্থ হ'ল অংগৰ ক্ষেত্ৰত অসুবিধা'। অক্ষমতা বা প্ৰতিবন্ধকতাই 'কোনো ব্যক্তিৰ কাম-কাজ কৰাৰ ক্ষেত্ৰত বাধাগ্ৰস্ততাৰ বাবে উদ্ভৱ হ'ব পৰা পৰিণতিক প্ৰতিফলিত কৰে; অক্ষমতাই সেয়েহে ব্যক্তিৰ ক্ষেত্ৰত দেখা দিয়া অসুবিধা বা সমস্যাক প্ৰতিনিধিত্ব কৰে'। আনহাতে বিকলাংগতা 'কোনো ব্যক্তিয়ে বাধা-গ্ৰস্ততা আৰু অক্ষমতাৰ ফলত ভোগ কৰা অসুবিধাসমূহৰ সৈতে জড়িত, গতিকে বিকলাংগতাই ব্যক্তিজনৰ চৌদিশৰ পৰিৱেশৰ সৈতে অভিযোজনক প্ৰতিনিধিত্ব কৰে'। (বিশ্ব স্বাস্থ্য সংস্থা, ১৯৮০)

**সমস্যাৰ প্ৰাবল্য ঃ**

তলত দিয়া তালিকা অনুসৰি ২০০১ আৰু ২০১১ চনৰ লোক পিয়লৰ তথ্য দাঙি ধৰা হৈছে। এই তালিকাত কোন অঞ্চলৰ বাসিন্দা আৰু প্ৰতিবন্ধকতাৰ সন্মুখীন হোৱা পুৰুষ-মহিলাৰ সংখ্যা প্ৰদৰ্শিত হৈছে। এই তালিকা অনুসৰি যোৱা দশকত দেশৰ গাঁও আৰু চহৰ অঞ্চল উভয়তে প্ৰতিবন্ধী ব্যক্তিৰ শতাংশ বৃদ্ধি পাইছে। অন্য এটা তথ্য অনুসৰি চহৰ অঞ্চলতকৈ গাঁৱত প্ৰতিবন্ধীৰ অনুপাত বেছি যদিও যোৱা দশকটোত চহৰ অঞ্চলত প্ৰতিবন্ধীৰ বৃদ্ধিৰ হাৰ তাৎপৰ্যপূৰ্ণ। তালিকা অনুসৰি পুৰুষ-মহিলা উভয়ৰ ক্ষেত্ৰতে যোৱা দশকটোত এই সংখ্যা সামান্য বৃদ্ধি পাইছে। পুৰুষৰ ক্ষেত্ৰত প্ৰতিবন্ধীৰ সংখ্যা বেছি। যোৱা দশকটোত পুৰুষৰ মাজৰ বৃদ্ধিতকৈ মহিলাৰ প্ৰতিবন্ধীৰ বৃদ্ধি হাৰ অধিক।

**সংস্কৃতি আৰু প্ৰতিবন্ধকতা ঃ**

প্ৰতিবন্ধকতা সম্বন্ধে ব্যাখ্যা কৰাৰ আন এটা উপায় হ'ল আমি প্ৰতিবন্ধী লোকৰ সমস্যা কেনেদৰে গ্ৰহণ কৰোঁ, বৰ্ণনা বা উপস্থাপন কৰোঁ সেই ধৰণটো। যি ঠাইতে জন্ম গ্ৰহণ নকৰক কিয় প্ৰতিবন্ধী লোকৰ প্ৰতিবন্ধকতা প্ৰত্যাহ্বান




*ভাৰতৰ মুঠ জনসংখ্যাৰ ভিতৰত প্ৰতিবন্ধী লোকৰ শতকৰা হাৰ ২০০১-২০১১*
***(উৎস ঃ C-Series, Table C-20, ভাৰতৰ লোকপিয়ল ২০০১ আৰু ২০১১)***

*লিখিকা কলকাতাস্থিত বিদ্যাসাগৰ বিশ্ববিদ্যালয়ৰ বিদ্যাসাগৰ স্কুল অৰ ছ'ছিয়েল ৱৰ্কৰ সহকাৰী অধ্যাপিকা।

ৰূপে স্বীকৃত। ভাৰতৰ দৰে উন্নয়নশীল দেশত এই প্ৰত্যাহ্বান অধিক মাত্ৰাত তুলি ধৰা হয়। প্ৰতিবন্ধী লোকজনে সমাজলৈ কি অৰিহণা যোগাব বা সমাজে তেওঁক কি ধৰণে গ্ৰহণ কৰিব বা সেৱা আগবঢ়াব সেয়া দেশখনৰ সাংস্কৃতিক পটভূমি বা সাংস্কৃতিক যোগ্য আৰ্হিৰ ওপৰত বাৰুকৈয়ে নিৰ্ভৰশীল। একে মূল্যবোধ আৰু দৃষ্টিভংগীয়ে উভয় ক্ষেত্ৰতে কামটো সহজ কৰি তোলে য'ত এইক্ষেত্ৰত সংস্কৃতিয়ে উল্লেখনীয় ভূমিকা গ্ৰহণ কৰে (ষ্টি'ন, ২০০৫)। তদুপৰি মানুহে সমাজখনৰ পৰা কি আশা কৰে সেই ক্ষেত্ৰত ভাষাৰো অৰিহণা থাকে। ই সম্প্ৰদায়টোৰ মনোবৃত্তিক প্ৰভাৱান্বিত কৰে আৰু সমাজৰ ব্যক্তিসকলৰ জীৱনত প্ৰভাৱ পেলায়। প্ৰতিবন্ধকতা বিষয়টো চালি-জাৰি চোৱাৰ আগতে বিশেষ মনোযোগৰ আৱশ্যক; কাৰণ সম্প্ৰদায়টোৱে প্ৰতিবন্ধীসকলক কি দৃষ্টিৰে চায় বা তেওঁলোকৰ সমাজত প্ৰতি ধাৰণা কি সেইকথাই প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা অধিক। ১৯৯৫ চনৰ প্ৰতিবন্ধীৰ আইনে মানৱীয় মৰ্যাদা নিশ্চিত কৰে আৰু 'প্ৰতিবন্ধকতাত ভোগা ব্যক্তি', 'শিক্ষণৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সন্মুখীন হোৱা ব্যক্তি', 'হতাশাগ্ৰস্ততাৰে জীৱন কটোৱা ব্যক্তি' আদি বিভিন্ন ভাগত ভাগ কৰিছে।

**পেছাদাৰী হস্তক্ষেপৰ আৱশ্যকতা ঃ**

বিভিন্ন দৃষ্টিভংগীৰে সংস্কৃতিৰ দিশটো বিশ্লেষণ কৰি চালে প্ৰতিবন্ধকতাৰ অৰ্থটোৰ গভীৰতালৈ যাব পাৰি। সেৱা আগবঢ়োৱা লোকসকলে তেনে ক্ষেত্ৰত যোগ্য আৰু অৰ্থবহ স্তৰত প্ৰতিবন্ধকতা উপলব্ধি কৰাটো আৱশ্যক। সমাজে বিভিন্ন পৰিস্থিতিত প্ৰতিবন্ধী লোকসকলক বিভিন্ন আখ্যা দিয়ে। ফলস্বৰূপে প্ৰতিবন্ধকতাৰে সম্পৰ্কিত বিষয়সমূহ আওকাণ কৰিব নোৱাৰি। কোনো এটা পৰিয়ালৰ প্ৰতিবন্ধী সদস্যৰ চেহেৰাই নেতিবাচক প্ৰভাৱ জাগ্ৰত কৰে। এই পৰিস্থিতিয়ে পৰিয়ালটোৰ মাজত সম্পৰ্কৰ অৱনতি ঘটায় আৰু পিতৃ-মাতৃ তথা ব্যক্তিৰ সম্পৰ্কত আৱেগিক পীড়া, হতাশাৰ সৃষ্টি কৰে। এই সকলো বিষয় যদি চোৱা-চিতা কৰা নহয়, তেন্তে পৰিয়ালটোত স্থায়ী সংকটে দেখা দিয়ে, লগতে ই পৰিয়ালটো ভাঙি যোৱাত ইন্ধন যোগায় আৰু নেতিবাচক ঘৰুৱা পৰিৱেশত সদস্যসকলে দুৰ্ভোগ কৰিবলগীয়া হয়। ফলস্বৰূপে পৰিয়ালটোৰ বিত্তীয় আৰু সামাজিক মৰ্যাদাৰ অৱনতি ঘটিবলৈ আৰম্ভ কৰে।

পৰিয়ালটোৰ প্ৰতিবন্ধকতাক লৈ পূৰ্বৰ অভিজ্ঞতা কেনে ধৰণৰ, পিতৃ-মাতৃৰ শৈক্ষিক অৰ্হতা কি স্তৰৰ সেই কথায়ো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। প্ৰতিবন্ধী লোকজনৰ প্ৰতি পৰিয়ালৰ অন্যান্য সদস্য, বন্ধু-বান্ধৱ, ওচৰ-চুবুৰীয়া আৰু সমাজৰ অন্যান্য লোকৰ সঁহাৰি বা আচৰণ কেনেকুৱা সেই বিষয়টোৱে সমাজ ব্যৱস্থাৰ বৈশিষ্ট্য প্ৰতিফলিত কৰাৰ লগতে সামাজিক আচৰণ নিয়ন্ত্ৰণ কৰে। এনেবোৰ পৰিস্থিতিৰ ফলত উদ্ভৱ হোৱা বিভিন্ন ঘটনা সন্দৰ্ভত পেছাদাৰী ব্যক্তিৰ হস্তক্ষেপ বাঞ্ছনীয় হৈ পৰে আৰু এইক্ষেত্ৰত কাম কৰি অহা সমাজসেৱীসকলৰ ভূমিকাক যথাযোগ্য বৈধতা প্ৰদান কৰে।

**প্ৰতিবন্ধকতা আৰু তদাৰককাৰী ঃ সম্ভাৱনা আৰু প্ৰত্যাহ্বান ঃ**

প্ৰতিবন্ধী লোকসকলক চোৱা-চিতা কৰাটো প্ৰত্যাহ্বানমূলক কাম। তদাৰককাৰীসকলক দুভাগত বিভক্ত কৰিব পাৰি—মুখ্য বা অনানুষ্ঠানিক আৰু সহায়ক বা আনুষ্ঠানিক। মুখ্য বা অনানুষ্ঠানিক তদাৰককাৰী ভাগটোৱে পৰিয়ালৰ সদস্য বা বন্ধু-বান্ধৱ আৰু সহায়ক বা আনুষ্ঠানিক ভাগটোৱে চিকিৎসক, নাৰ্ছ বা প্ৰতিবন্ধীক সহায় কৰা অন্যান্য পেছাদাৰী লোকসকলক সামৰি লয়। তদাৰককাৰীসকলে প্ৰতিবন্ধকতা নেওচি এটা নিৰ্দিষ্ট ধৰণত কাম কৰে। সমাজৰ সাংস্কৃতিক দিশটোলৈ মন কৰি তেওঁলোকে সেৱা আগবঢ়াব লাগে। উদাহৰণস্বৰূপে, ধৰ্মীয় আনুগত্য, শিক্ষা, গণসংযোগৰ মাধ্যম, বৃত্তি, উপাৰ্জন আদি বিষয়বোৰে প্ৰতিবন্ধকতা সমস্যাটো উপলব্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এইসমূহে তদাৰককাৰীসকলক বিভিন্ন সম্প্ৰদায় তথা মূলসুঁতিৰ সেৱাসমূহৰ মাজত 'সাংস্কৃতিক সেতু ৰূপে কাম কৰাত অৰিহণা যোগায়।

প্ৰতিবন্ধকতা সমস্যাৰ প্ৰত্যাহ্বান গ্ৰহণ কৰা লোকসকলৰ ধ্যান-ধাৰণা তলত দিয়া ধৰণে পৰিচালিত হোৱা উচিত ঃ

* পৰিৱৰ্তনৰ বাবে কাম কৰাৰ ক্ষেত্ৰত অনুঘটক ৰূপে সেৱা আগবঢ়োৱা বাঞ্ছনীয়।
* সমাজ আৰু প্ৰতিবন্ধী লোকৰ পৰিয়ালটোলৈ বিভিন্ন সহায়-সমৰ্থন আগবঢ়াব লাগে।
* প্ৰতিবন্ধকতাৰ বিৰুদ্ধে যুঁজিবলৈ পৰিয়ালটোক উৎসাহিত কৰিব লাগে।
* বিভিন্ন অবাঞ্চিত পৰিস্থিতিৰ সন্মুখীন হ'বলৈ প্ৰতিবন্ধী লোক বা পৰিয়ালটোক সহযোগিতা আগবঢ়াব লাগে।
* পৰিয়ালটোক নৈতিক, মনস্তাত্ত্বিক সহযোগিতা আগবঢ়োৱাটো অতি জৰুৰী। বিভিন্ন স্তৰত প্ৰয়োজনীয়

চিকিৎসা, জ্ঞান বৰ্দ্ধনৰ বাবে অহৰহ প্ৰচেষ্টা, আলোচনা-বিলোচনা, শিক্ষাদান, কৰ্মশালা, বৈঠক, খেলৰ সামগ্ৰী, পুথিভঁৰাল, বিভিন্ন সহায়ক সামগ্ৰী বা সঁজুলি, সামাজিক সহযোগিতা, তথ্যৰ যোগান, পৰামৰ্শ প্ৰদান, নিৰ্দেশনাত্মক সেৱা, পৰিবহনৰ সুবিধা প্ৰদান ইত্যাদি আৱশ্যকীয়।

* সাংস্কৃতিক পৰিৱেশৰ সৃষ্টি কৰা।
* প্ৰতিবন্ধী লোকজনে যাতে বিভিন্ন কাম-কাজত অংশ গ্ৰহণ কৰি বিকাশৰ পথত আগবাঢ়ি যায় সেই সুবিধা প্ৰদান কৰা।

প্ৰতিবন্ধী লোকসকললৈ পেছাদাৰী লোকসকলে পৰিয়ালৰ সহযোগিতাত জীৱনৰ সকলো পদক্ষেপতে আগবঢ়াব লগীয়া বিষয়সমূহ হ'ল ঃ

* স্বাস্থ্য সেৱা, শিক্ষা, সামাজিক দিশ আৰু আবাসিক
* বিশেষ সহায় আৰু পুনৰসংস্থাপন সামগ্ৰী
* সামাজিক পুনৰসংস্থাপন আৰু কৰ্মক্ষমতা নথকাসকলৰ বাবে দৈনন্দিন কৰ্মসূচী
* বৃত্তিগত পুনৰসংস্থাপন আৰু প্ৰশিক্ষণ, নিযুক্তি আৰু চাকৰিৰ ক্ষেত্ৰত সহযোগিতা
* ওকালতি, ব্যক্তিগত সহযোগিতা আৰু ন্যায়িক সুৰক্ষা
* সমাজত অৰ্থপূৰ্ণ আৰু সক্ৰিয় অৱসৰ বিনোদনৰ সময়ৰ কাম-কাজ, সাংস্কৃতিক, ক্ৰীড়া আৰু বিনোদনমূলক কাৰ্যকলাপত অংশ গ্ৰহণ।

**সামৰণি ঃ**

প্ৰতিবন্ধীসকলক সবলীকৰণৰ মাধ্যমেৰে সমাজত আগুৱাই লৈ যোৱাটোৱেই মূল লক্ষ্য হোৱা উচিত। কিন্তু সাংস্কৃতিকভাৱে যোগ্য আৰ্হি নিতান্তই আৱশ্যকীয়। ইয়েই মূল ব্যৱহাৰিক দৃষ্টিভংগী বা পদক্ষেপ হোৱা বাঞ্ছনীয়। এই পদক্ষেপে প্ৰতিবন্ধী লোকসকলৰ মাজত ইতিবাচক মানসিকতা জগাই তোলাত বাৰুকৈয়ে সহায়ক হ'ব পাৰে। তদুপৰি এই কথালৈ লক্ষ্য কৰা প্ৰয়োজন যে সাধাৰণতে কোনো নিৰ্দিষ্ট পেছাদাৰী ধৰণ বা ব্যৱস্থাৰে প্ৰতিবন্ধকতা নেওচিব নোৱাৰি। কিন্তু পৰিস্থিতি অনুধাৱন কৰি সংহত ব্যৱস্থা গ্ৰহণেৰে এইক্ষেত্ৰত আগবঢ়াটোৱেই উত্তম পন্থা। ❐


## 'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী

▯ অহা মাহৰ পৰা 'পয়োভৰা'ৰ প্ৰতিখনৰ মূল্য ২২.০০ টকা আৰু বিশেষ সংখ্যাৰ মূল্য ৩০.০০ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। আনহাতে এবছৰৰ বাবে গ্ৰাহক মূল্য হ'ব ২৩০.০০ টকা, দুবছৰৰ বাবে ৪৩০.০০ টকা আৰু তিনি বছৰৰ বাবে ৬১০.০০ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। ▯ গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। ▯ গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। ▯ মণি-অৰ্ডাৰ পঠোৱাৰ ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩। ▯ আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।